কুলাচল বধ।

৺কবি ভারত ভূষণ দ্বারা রচিত।

প্রকাশক,

শ্রীনন্দেশ্বর চক্রবর্ত্তী।

পোঃ আঃ পূর্ণানন্দ রোড (ডিব্রুগড়) আসাম।

নতুন তালিকা।

ডিব্রুগড়— সদাশিব প্রেস

...শ্বর চক্রবর্ত্তীর দ্বারা ছাপা হইল।

১৩২৭

বেচ-২৫ ডুইকা আঠার।

210
Al

শ্রী শ্রীকৃষ্ণায় নমঃ।

কুলাচল-বধ।

—— :০: ——

(নমো বিষ্ণবে।)

নমস্তে তে ব্যাস! বিশালবুদ্ধে,
ফুল্লারবিন্দায়তচারুনেত্র।
যেন ত্বয়া ভারত তৈলপূর্ণঃ,
প্রজ্বালিতো জ্ঞানময়ঃ প্রদীপঃ॥
নারায়ণং নমস্কৃত্য নরঞ্চৈব নরোত্তমং।
দেবীং সরস্বতীং ব্যাসং ততোজয় মুদীরয়েৎ॥

পদ।

জয় নমো নারায়ণ পূর্ণব্রহ্ম হরি।
খণ্ডিলা ভূমির ভার অসুর সংহরি॥

সহস্র আনন হৰ বিৰিঞ্চি সেৱয় ।
ভকতবৎসল প্রভু দেৱ জয় জয় ॥
কৃষ্ণ পদপঙ্কজক ধৰি হৃদয়ত ।
গুৰুৰ চৰণ মনে কৰি শিৰোগত ॥
বনপৰ্ব্ব কথা ইটো কুলাচল-বধ ।
মতি অনুসাৰে তাৰ বিৰচিবোঁ পদ ॥
জামলসংহিতা হংসকাকীয়ে সহিত ।
থৈয়া আছা দ্বৈপায়নে কৰিয়া মিশ্রিত ॥
মতি অনুসাৰে তাৰ ৰচিবোঁ পৰাৰ ।
শুনা একচিত্তে বৈকুণ্ঠত ইচ্ছা যাৰ ॥
ধৰ্ম্মপক্ষীগণে বোলে শুনা মুনিৰায় ।
আছন্ত পাণ্ডৱ যেবে গালৱৰ ঠায় ॥
একদিনা যুধিষ্ঠিৰ কুন্তীৰ তনয় ।
ভ্রাতৃ সকলক চাহি বচন বোলয় ॥
শুনা ভীমসেন ধনঞ্জয় দুই ভাই ।
কত দিন আছোঁ আমি গালৱৰ ঠাই ॥
আৰে আন বনে যাইবে লয় মোৰ মন ।
আনো মুনি সমস্তক কৰোঁ সম্ভাষণ ॥
ভীমে বোলে মোৰ মনে ভৈল সেহি কাম ॥
ইথানত থাকি আমি নুহিকে বিৰাম ॥

এহিমতে থাকো ভাই আলোচন কৰি।
ঋষিৰ আগত যাই কহিলা সাদৰি॥
বদন্তি নৃপতি গুৰু তোমাত বিনাও।
আন স্থানে যাইবে লাগি তযু আজ্ঞা পাওঁ॥
হেন শুনি মুনিবৰে হাস্য কৰিলন্ত।
ভাল ভাল বুলি পুনু সম্বুধি মাতন্ত॥
সকল মুনিৰ বাপু যাইবাহা প্ৰদেশ।
কিন্তু নাযাইবাহা তুমি উত্তৰৰ দেশ॥
ধূম্ৰাক্ষ দানৱ আছে পৰম দুৰ্জ্জন।
তাহাৰ ভয়ত কম্পমান সৰ্ব্বজন॥
প্ৰচণ্ড দুৰ্ম্মদ অতিশয় বলীয়াৰ।
ইতিনি লোকত বলে সম নাহি তাৰ॥
হেন শুনি চাৰি বীৰ ৰাজা যুধিষ্ঠিৰ।
পুনৰপি পুছিবে লাগিলা ধীৰে ধীৰ॥
কহিয়োক গুৰু কেনে ধূম্ৰাক্ষ দানৱ।
কেন মতে লোকক কৰয় পৰাভৱ॥
কোন বংশে জাত সিটো সন্ততি কাহাৰ।
কোন জনে তাক নকৰয় প্ৰতীকাৰ॥
কতকাল আছে সিটো থান থিতি কৈত।
হেন মত বীৰ জানো নাহিকয় দৈত॥

কিবা ঋষি সমুহ নাহিক সিথানত।
তাৰ কথা শুনিবাক কৌতুক মনত॥
হেন মহা প্ৰশ্নৰ কাহিনী শুনি মুনি।
হৰিষ বদনে চাই মাতিলন্ত গুণি॥
সাধু সাধু পাণ্ডুসুত কুন্তীৰ তনয়।
পৃথিবীৰ ভাৰ দূৰ হৈবেক নিশ্চয়॥
পুছিলাহা যিটো কথা নজানয় আনে।
তোমাৰ আগত মই কহোঁ বিদ্যমানে॥
ধৰ্ম্মপক্ষীগণে বোলে শুনিয়ো জৈমিনি।
কহিবে লাগিলা নৃপতিৰ প্ৰশ্ন শুনি॥
শুনা মহাৰাজ পূৰ্ব্ব কথা যেন মত।
কৰ্ণদন্ত নামে ৰাজা চন্দ্ৰৰ অংশত॥
কাশীনামে নগৰ উত্তৰ সিন্ধুতীৰে।
বলে বীৰ্য্যে মহাক্ষেম বুদ্ধিত সুস্থিৰে॥
কাশীপুৰে থাকে কৰ্ণদন্ত মহাৰাই।
হাজাৰেক ৰাজা ক্ৰমে থাটে তান ঠাই॥
বিষ্ণুত ভকত ৰূপে গুণে অনুপাম।
হাজাৰেক পত্নী তান নাহিকে উপাম॥
অস্ত্ৰে শস্ত্ৰে শাস্ত্ৰে অতি পৰম পণ্ডিত।
ধৰণীমণ্ডলে মহাৰাজ অখণ্ডিত॥

অকণ্টকে যব সুখে প্রজাক পালয়।
স্বর্গতো অধিক সুখী তাব লোকচয়॥
ঘবে ঘবে প্রত্যেকে অচলা লক্ষ্মী জলে।
নাহি মাবী মবক বঞ্চয় কৌতুহলে॥
মহাবাজা কর্ণদত্ত দেবে যথানয়।
যাব বাপ যেন মতেপ্রজাক পালয়॥
দুঃখী ভিক্ষু চৌব খট নাহিকে বাজ্যত।
সবে নাবায়ণ পব প্রজা যত যত॥
কিন্তু নৃপতিব মনে সুখ নাহি কয়।
সহস্রেক ভার্য্যা কাবো পুত্র নাহি হয়॥
পুত্র অর্থে যজ্ঞ বাজা কবিলা বহুত।
তথাপিতো তাহাত নভৈল যেবে সুত॥
মহা বীবকত আসি মিলিল মনত।
বোলে বৃথা বাজ্যভাব ধন বস্তু যত॥
শাস্ত্র পুবানত হেন কহে মুনিচয়।
পুত্র যাব নাহি পূর্ণ নবকে পড়য়॥
হেন মতে নৃপতিব মনে সুখ নায়।
এক দিনা নাবদ গৈলেক সেহি ঠাঁয়॥
ব্রহ্মাপুত্র নাবদক দেখি মহাবাই।
বহুতব গৌববে পুজিলা বাঢ়ি যাই॥

স্তুতি মতি মিনতি কৰিয়া নৰপতি।
কহিবে লাগিলা দুঃখ পুত্ৰৰ নিমিত্তে॥
ঋষি বোলে শুনা ৰাজা আমাৰ বাক্যক॥
মহা যজ্ঞে পূজিয়োক শ্বেতমাধৱক॥
হৈবেক দুৰ্জ্জয় পুত্ৰ এতেকে তোমাৰ।
তাহান সমান কেহো নহৈবেক আৰ॥
এহি বুলি চলি গৈলা দেৱ মুনিবৰ।
শুনিয়োক কথা আৰে আত অনন্তৰ॥
পক্ষিগণে বোলে কথা শুনিয়ো জৈমিনি।
গালৱে কহন্ত পাণ্ডুপুত্ৰে আছে শুনি॥
ধৰ্ম্মবাহু নামে তান সুমন্ত্ৰী আছয়।
তাহাক সম্বুদ্ধি ৰাজা আদেশ কৰয়॥
আমাৰ আদেশ চলি যাহা এতিক্ষণ।
হাঙ্কাৰ কৰিয়া আনিয়োক ৰাজাগণ॥
আছে পঞ্চ নদী তীৰ্থ মহা পুণ্য জল।
তাহান তীৰত কৰা স্থান সুনিৰ্ম্মল॥
যজ্ঞ কৰিবাক লাগি সম্ভাৰ মিলাই।
শ্বেতমাধৱক আমি পূজিবো সিঠাই॥
শুনি মন্ত্ৰিবৰ মহা বেগে চলি গৈলা।
মহাৰম্য কৰি পুণ্যস্থলিক মাৰ্জ্জিলা॥

যজ্ঞস্থলি থান বহুতৰ কৰি তথা।
ৰাজাৰ আগন্ত যাই কহিলন্ত কথা॥
শুনি ৰাজা সভাৰ্য্যো সহিতে সমদলে।
পঞ্চতীৰ্থ সৰোবৰে মিলিল কেৱলে॥
দিব্যমুৰ্ত্তি সজাইলন্ত শ্বেতমাধৱৰ।
কৰাইলন্ত পূজা হোম কৰি ভয়ঙ্কৰ॥
নিৰন্তৰে পূজিলন্ত দশ দিনমান।
প্ৰচণ্ড বহ্নিত হোম ভৈল বৰ টান॥
পূজাত সন্তোষ ভৈলা পুৰুষ ঈশান।
মুৰ্ত্তিমন্ত যজ্ঞত ভৈলন্ত অধিষ্ঠান॥
এক অঙ্গে বালক স্বৰূপ ধৰিলন্ত।
ধূম্ৰৰ মাঝৰপৰা বজায়া গৈলন্ত॥
হোমধূম্ৰে বিয়াপীত সবে দেখিলন্ত।
উফৰিয়া যজ্ঞ মণ্ডপত পড়িলন্ত॥
হোতা সবে আথে বেথে তুলিয়া ধৰিল।
শীঘ্ৰবেগ কৰিয়া ৰাজাত জানদিল॥
শুনা মহাৰাজ কথা আশ্চৰ্য্য মিলিল॥
হোমধূম্ৰ হন্তে এক বালক জন্মিল॥
প্ৰচণ্ড বহ্নিৰ কুণ্ড নিমাই আছিল।
পাছে ভয়ানক এক শবদ উঠিল॥

হোমধূম্রে ব্যাপিলেক যজ্ঞৰ লোকক।
নেদেখিয় অন্ধকাৰে আপোন পৰক॥
দশুছুই মানে সিতোঁ ব্যাপি আছিলেক
তাৰহন্তে মূৰ্ত্তিধৰি বজায়া গৈলেক॥
ধূমে আবৰিত হুয়া বালক সুন্দৰ।
হেন শুনি ৰাজা আসিলন্ত খৰতৰ॥
মহাৰঙ্গে বালকক তুলিয়া লৈলন্ত।
হোতা সবে পাছে পূর্ণ আহুতি দিলন্ত॥
ঋত্বিজ আচাৰ্য্য সবে ৰৰঙ্গ পাইল।
ৰাজাক আশীষ কৰি বাজ হুয়া গৈল॥
গালৱ যদতি কথা শুনা ধৰ্ম্মৰাই।
কর্ণদত্ত ৰাজাৰ ৰঙ্গৰ সীমা নাই॥
যজ্ঞৰ দক্ষিণা দিলা বিপ্ৰ সমস্তক।
ধন ৰত্ন দাসী দাস গো মহিষক॥
সহস্ৰ বিপ্ৰক দিলা ৰত্ন অলঙ্কাৰ।
এক লক্ষ ৰজত সুবৰ্ণ শতভাৰ॥
আনো বিপ্ৰ বৈষ্ণৱক দিলা পূৰি মন।
দৰিদ্ৰ সবৰো ধনে গুছাইলা যতন॥
নিৰন্তৰ নৰনাৰী প্ৰজাক তুষিলা।
আনো সকলক বস্ত্ৰ অলঙ্কাৰ দিলা॥

পুত্ৰ হৰষিতে ৰাজা ধন ধান্য যত ।
প্ৰজাৰ মনক পুৰি দিলন্ত সমস্ত ॥
সঞ্চয়ন বিত্তকো কৰিয়া বৃন্দামাৰ ।
পুত্ৰৰ কুশল হেতু দিলন্ত অপাৰ ॥
এহিমতে যজ্ঞ কাৰ্য্য কৰি সমাপতি ।
গৃহক চলিলা ৰঙ্গে প্ৰজায়ে সহিতি ॥
প্ৰথম মহিষী হাতে পুত্ৰক দিলন্ত ।
অসংখ্যাত জ্যোতিৰ্ব্বেদী বিপ্ৰ আনিলন্ত
জাতকৰ্ম্ম কৰাইল পুত্ৰৰ যত যত ।
তেসম্বে কহিলা সবে তাহাৰ মহত্ব ॥
হৈবেক ধূম্ৰাক্ষ নাম তোমাৰ পুত্ৰৰ ।
আতহন্তে কষ্ট বড় লভিলা ডাঙ্গৰ ॥
তমোগুণে শ্বেত মাধৱৰ মূৰ্ত্তি হয় ।
বহুত লোকক পীড়া কৰিব নিশ্চয় ॥
বলে পৰাক্ৰমে যাৰ নহৈবেক সম ।
দেব সবে বখানিব যাহাৰ বিক্ৰম ॥
এহিমতে আনো নানা কৈলা কৰ্ম্মচয় ।
শুনি নৃপতিৰ অতি হৰিষ হৃদয় ॥
তাসম্বাক ধন বস্ত্ৰ অলঙ্কাৰ দিল ।
দাস দাসী গ্ৰাম দিয়া মনক পুৰিল ॥

ধর্ম্মপক্ষীগণে বোলে শুনা মুনিসন্ত।
গালবে কহয় পঞ্চপাণ্ডবে শুনন্ত ॥
এতেকে সে কর্ণদন্ত রাজা মহামতি।
পুত্রক তোলন্ত অতি করি মহাপ্রীতি ॥
সাত আটনব দশ বরিষ ভৈলন্ত।
রাজপুত্রগণ সঙ্গে খেলাইবে লৈলন্ত ॥
রথে চড়ি ফুরে কতো দেশ দেশান্তর।
লোকক করন্ত পীড়া দুঃখ দিয়ে বর ॥
ধর্ম্ম জ্ঞান নচারে হিংসয় বৈষ্ণবক।
ভাঙ্গি চিঙ্গি ফুরে দেৱমঠ মণ্ডপক ॥
লোকর জীবিকা নষ্ট করে নিরন্তর।
উত্তম সবর বলে বিধ্বংসয় ঘর ॥
এহিমতে দুষ্টভাৱে প্রজাক পীড়য়।
মহা দুঃখে আসি সবে রাজ্যত কহয় ॥
শুনি নরনাথে দুঃখে শিকায়া থাকয়।
তাহাক নাচরি পুনু দুগুণে হিংসয় ॥
গালবে বোলন্ত বাপু শুনা যুধিষ্ঠির।
পাপীষ্ঠ ধূম্রাক্ষ ভার ভৈল ধরণীর।
ভাঙ্গি মারি খাই সবে লোকর দ্রব্যক।
সমস্ত লোকর মহা মিলায়ে দুঃখক ॥

কর্ণদত্ত নৃপতিৰ বিষাদ মনত ।
হৰি হৰি পুত্ৰ মোৰ ভৈল কেনমত ॥
অপুত্ৰক আছিলে হেঁা স্নিহে মোৰ ভাল ।
কতনো শুনিবোঁ আৰু লোকৰ ঘঞ্চাল ॥
ৰাজা সমুহৰ যত কুমাৰ আছয় ।
হয় হস্তী ৰথে সবে পৰ্য্যটী ফুৰয় ॥
মোৰ ইটো পুত্ৰ ভৈল দুষ্ট কুলাঙ্গাৰ ।
আৰ হন্তে দুঃখ সদা মিলয় প্ৰজাৰ ॥
বপুস্ৰতে বোলে কথা শুনা মুনিবৰ ।
এহিমতে গৈল যেবে ষোড়শ বৎসৰ ॥
একদিনা ৰাজপুত্ৰ কুমৰ দুৰ্জ্জয় ।
মৃগ মাৰিবাক লাগি ৰাজাত কহয় ॥
শুনিয়োক পিতৃদেৱ কহয়ো তোমাত ।
পাত্ৰ মন্ত্ৰী সৈন্য মোক দিয়ো অসংখ্যাত ॥
মলয়া গিৰিৰ কাছে আছে ক্ষীৰবন ।
মহাৰম্য স্থান মৃগ আছয় গহন ॥
তাহাক চলিয়া যাও পাঠায়ো আমাক ।
বহুতৰ মৃগ মাৰি ভেটাই তোমাক ॥
ৰাজা বোলে বাপু ইটো কথা নুহি ভাল ।
নপাৰ মাৰিবে পশু তোৰ অল্প কাল ॥

বিশেষত তাত মহা মহা মুনিচয় ।
বহস্যে কৰিয়া যজ্ঞ হৰি আৰাধয় ॥
প্ৰচণ্ড তপস্বী মুণিগণ ভয়ঙ্কৰ ।
তই মহা দাৰুণ ছুৰ্ম্মদ অতি বৰ ॥
আচৰিবি দ্ৰোহ হৈবে ক্ৰোধ তাসম্বাৰ ।
ঋষিশাপে পড়িলে নাহিকে প্ৰতিকাৰ ॥
এহিমতে আনো নানা কহি কথা চয় ।
মধুৰ বচনে তাক নৃপতি বাধয় ॥
সিটো পামৰৰ মুহিকয় ভালমন ।
যতনা বোলয় কাৰো মুশুনে বচন ॥
বিধাতাৰ লিখাক কিমতে এড়াইবেক ।
কৰ্ণদত্ত নৃপতিত দেখিয়ো প্ৰত্যেক ॥
পিতৃৰ বচন চয় নধৰি মনত ।
লগত লৈলন্ত মন্ত্ৰিগণ সৈন্য যত ॥
ছুতৰ অদ্ভুত হস্তী লৈল ময় মত্ত ।
সত্তৰি হাজাৰ ঘোড়া লৈলন্ত লগত ॥
পাঁচিশ হাজাৰ ৰথ আকাশত গতি ।
প্ৰজাৰ গিড়ত দল দোপ বসুমতী ॥
ৰাজাক নমিল সিটো বাধাক নগণি ।
মদান্ধ জনক জানা বুঝাইবেক কোনি ॥

আয়ু শ্ৰীযশ ধৰ্ম্ম দান পুণ্য চয়।
মহন্ত হিংসাত জানা সবে নষ্ট হয়॥
দেখা ধ য় ৰাজা ধূম্ৰাক্ষৰ বিবুদ্ধিক।
বালক কালৰে পৰা ৰাক্ষসতো ধিক॥
আপোন ইচ্ছায়ে সিটো বনক চলিল।
পিতৃৰ আজ্ঞাক দুষ্টে কিছু ন কৰিল॥
আগ্য গুৰু পিতৃ মাতৃ কহে শাস্ত্ৰ চয়।
তাসম্বাক আদৰিলে আয়ু শ্ৰী হোৱয়॥
পূৰ্ব্বে প্ৰভু ৰামচন্দ্ৰে পিতৃৰ বাক্যত।
ভাৰ্য্যা ভ্ৰাতৃ সমে দুঃখে ফুৰিলা বনত॥
পশুৰাম পিতৃ বাক্যে মাতৃক কাটিলা।
তথাপিতো পিতৃ গুৰু বচন নেৰিলা॥
ইটো মহা দাম্ভিক কাহাকো নগণয়।
আপোনাৰ মনে মাত্ৰ কৰ্ম্ম আচৰয়॥
এহিমতে মৃগ মাৰিবাক চলি গৈল।
দিন দশমানে গৈয়া অৰণ্যক পাইল॥
অনন্তৰে প্ৰবেশ কৰিল ক্ষীৰবন।
তথাতে মাৰিল পশুগণ অগণন॥
সাতে সাতে পালে পালে মাৰে মৃগচয়।
নিতে নিতে মৃগ মাৰি দুৰক চলয়

শুনা ধর্ম্মরাজ এক দিনাৰ কাহিনী।
যাৰ যিবা হৈবে তাক শুছাইলেক কোনি ॥
চন্দ্রপ্রবা নামে তাত আছে সৰোবৰ।
বহলে দীঘলে হোৱে তৃতীয় দিনৰ ॥
ব্রহ্মায়ে নির্ম্মিয়া আছে মহা যোগবলে।
পৰম পবিত্র জল নির্ম্মল কেৱলে ॥
চাৰিয়ো পাৰত আছে চাৰি বিধ কাম।
শুনা নৃপবৰ সিসবৰ কহোঁ নাম ॥
এক পাৰে ক্ষীৰবন পশুৰ নিলয়।
আৰু পাৰে পুষ্পবন মনক মোহয়।
আৰু পাৰে অগস্তি প্রমুক্ষে ঋষি যত।
মহা যজ্ঞ কৰে সবে আনন্দ মনত ॥
আন পাৰে আছে এক গিৰি মণিময়।
তিনিগোট শৃঙ্গ হিৰা মুকুতা আলয় ॥
ফটিক ধবল সৰোবৰ জলচয়।
ভুঞ্জিল মাত্রকে ক্ষুধা তৃষ্ণা দূৰ হয় ॥
বিধাতা স্রজিয়া আছে যত পশুচয়।
কেহোঁ জনে তাক মাৰিবক নপাৰয় ॥
চমৰি হৰিণা মৃগ স্যগাৰি জহাৰ
কৃষ্ণসাৰ গণ্ড শহা বিশাল অপাৰ ॥

যজ্ঞ কপিবরাহ মৃগেন্দ্র পশুচয় ।
আনো নানা জাতি পশু অনেক আছয় ॥
সবে ব্রহ্ম বিশারদ পশুমাত্র নাম ।
নির্ভয়ে চরয় সবে পূরি মনস্কাম ॥
একো কালে কেহো তাক মারন্তা নোহয় ।
রাজ পুত্রে মারে পালনীয় পশুচয় ॥
দামে দামে পালে পালে পশু সংহরিল ।
বিধাতার সৃজনক বিঘাত করিল ॥
পাত্র মন্ত্রী সবে বোলে শুনিয়ো কুমর ।
যত লাগে মানে পশু ভৈলেক বিস্তর ॥
কুমারে বোলয় আজি মৃগয়া করিবোঁ ।
কালি থাকি পরশুই প্রভাতে চলিবোঁ ॥
এহি বুলি পাত্রগণ সমে দুরাশয় ।
ঘোর অরণ্যত ধনু ধরিয়া ফুরয় ॥
সেহি বেলা পূর্ব্বর সংস্কারে লাগ লৈল ।
ক্ষুধায়ে পিয়াসে আতি হারা শান্তি ভৈল ॥
পাত্রক সম্বুধি পাছে বুলিলা বচন ।
কোনে যজ্ঞ করৈ তাক যাহা এতিক্ষণ ॥
অন্ন দ্রব্য যজ্ঞর সম্ভার বস্ত্র যত ।
আমাক দেন্তোক কহা তাহান আগত ॥

তাহাৰ বচন শুনি পাত্ৰগণে যাই।
কতো বেলি পাইলা ঋষি সমূহৰ ঠাই॥
দেখিলেক ঋষিৰ সমাজ ভয়ঙ্কৰ।
হৰিক পুজন্ত বস্তু মিলায়া বিস্তৰ॥
ঋত্বিজ আচৰ্য্য আৰু সদস্য যতেক।
চাহিবে নপাৰি মূৰ্ত্তি দেখিয়া প্ৰত্যেক॥
প্ৰত্যেক জনৰ মুখে বহ্নি বাজ হয়।
যোজনেক স্থানে পূজা পাতিয়া আছয়॥
তাম্ৰ ৰৌপ্য সুবৰ্ণৰ ভাজন যতেক।
হাজাৰে হাজাৰে ভৰি পূৰিয়া থৈলেক॥
দধি দুগ্ধ ঘৃত মধু শৰ্কৰা মোদক।
ক্ষীৰিচা সন্দেশ পিঠা পনা অতিৰেক॥
আথৈ চিৰা লাডু মুগডালী বুটডালী।
বিবিধ ব্যঞ্জন অন্ন সাজি আছে ভালী॥
তাম্ৰ সুবৰ্ণৰ পাত্ৰে ভৰি ভৰি থৈলা।
আমোদিত ভাসে গন্ধে বহু দূৰ গৈলা॥
লেহ্য পেয় চৰ্ব্ব্য শুন্য চাৰি বিধ অন্ন।
এক প্ৰহৰৰ থালি কৰিছে শোভন॥
ভয়ঙ্কৰ কুণ্ডখানি ঘৃতৰ আহুত।
জয় জয় ধ্বনি দিশ পুৰিছে বহুত॥

ধৰ্ম্মৰাজ বদতি শুনিয়ো মহাজন।
কতেক ব্ৰাহ্মণ হুয়া আছে একস্থান॥
সভাশুনি মনে বড় বিস্ময় মিলিল।
এতমান সম্ভাৰ কমনে বিসৰ্জ্জিল॥
তাম্ৰ ৰৌপ্য সুবৰ্ণৰ যতেক ভাজন।
কত মান মুনি আসি আছয় শোভন॥
তাসম্বাৰ নাম কহিয়োক মুনিবৰ।
শুনোহোঁ অমৃত কথা তোমাৰ মুখৰ॥
সফল ভৈলোহোঁ আমি পাঞ্চ গুটী ভাই।
বৈষ্ণৱৰ চৰিত্ৰক শুনু তযু ঠাই॥
উদবিগ্ন কৰে মোৰ শুনিবাক চিত্ত।
কহিয়োক গুৰু বাপ হওঁ কৃতকৃত্য॥
শুনা সভাসৰ্দ বনপৰ্ব্ব কথা সাৰ।
ধূম্ৰাক্ষৰ বধ মহা বিচিত্ৰ পৱাৰ॥
ভণে কবিচন্দ্ৰে অতিশয় অল্পমতি।
পুৰাণ মিশ্ৰিত হংসকাকীয়ে সহিতি॥
জানি মহাজনে মোক নিন্দা নকৰিবা।
দ্বৈপায়ন বাক্যে আৰ প্ৰমাণ দেখিবা॥
মোৰ বুদ্ধি অল্প কথা অগাধ সাগৰ।
নুবুঝোহোঁ তত্ত্ব অৰ্থ বেদ ৰহস্যৰ॥

তথাপি ৰচিলোঁ পদ কৃষ্ণৰ কৃপাত।
ৰঢ়া টুটা দোষ বহু আছয় ইহাত ॥
জানি মহাজনে মোৰ দোষ পৰিহৰি।
বিষ্ণু বৈষ্ণৱৰ কথা-শুনা কৰ্ণ ভৰি ॥
আতপৰে-তৰিবাৰ নৌকা নাহি আন।
ইহাক শ্ৰৱণ কৰা যাৱে থাকে প্ৰাণ ॥
জানি-নৰনাৰী সবে এড়ি আনকাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥*॥

ঋষি সকলৰ ওচৰলৈ অন্ন আনিবৰ কাৰণে ধূম্ৰাক্ষৰ পাত্ৰ প্ৰেৰণ।

দুলড়ি।

গালব বদতি, শুনিয়ো নৃপতি,
পূৰ্ব্বৰ-কাহিনী যত।
তাসম্বাৰ লেখা, একে লগে দেখা,
একাধিক তিনি শত ॥
গোটে গোটে নাম, মুখ্য মুখ্য বাছি;
কহিবোঁ কিছু তোমাত।

অঙ্গিরা দেবল, সনক সুনন্দ,
গৌতম ভৃগু সাক্ষাত ॥
দেবল গৌরাঙ্গ, মুনি বৈশ্বানর,
সুভিক্ষু মধু মাধব।
অত্রি বিশ্বামিত্র, ধৌম্য পরাশর,
গাধি হরি মেধা জর ॥
তপ গৌরানন, মেধাতিথি চণ্ড,
হরিপদ বিষ্ণুপদ।
দুর্ব্বাসা বশিষ্ঠ, ভরদ্বাজ শিষ্ট,
মাণ্ডবী দেবমহদ ॥
অগস্তি ভার্গুব, ভার্গব আগ্নিয়ো,
আছিলোহোঁ যজ্ঞমাঝ।
জামদগ্নী মিত্র, ধন্ব পরাজিত,
চণ্ডবেগ মুনিরাজ ॥
গর্গ জরাসন্ধ, কন্নু হরিচন্দ্র,
চরবিন্দ মধুব্রত।
সৌবল শান্তানু, মুনি জয়ভানু,
অষ্টাবক্র মনুব্রত ॥
দধ্যাঞ্চি কুভাণ্ড, ঋষ্যশৃঙ্গ দণ্ডী,
পুলস্ত নাভি পুলহ।

মৃকণ্ড মিহিৰ, মার্কণ্ডেয় ধীৰ,
কৌমুদকী মৃত্যুবহ ॥
বৈশম্পায়ন, আৰু দ্বৈপায়ন,
শুকদেৱ মতিমন্ত।
উতথ্য চ্যবন, শ্বেতকেতু নিত্য,
বামদেৱ ঋভুমন্ত ॥
কপিল কৰ্দ্দম, আস্তিক কমল,
ভৰতাক্ষ ভৰদ্বাজ।
সমী যজ্ঞবাহু, যজ্ঞমালী কৃপ,
বিষ্ণুমালী দেৱৰাজ ॥
এহি আদি কৰি, মুনি অপৰ্য্যন্ত,
কৰ্ম্মআছে বহুতৰ।
একৈক নামত, শত পঞ্চাশত,
কৰ্ম্মেসে কৰে অন্তৰ ॥
এহিমতে সবে, ব্ৰহ্মবেত্তা যত,
বিষ্ণুক কৰে পূজন।
প্ৰজাপতি পূৰ্ব্বে, নিৰ্ম্মিয়া আচন্ত,
মহাপুণ্য স্থান থান ॥
মহাগোপ্য থান, তাহাৰ ভিতৰ,
পশিবে নপাৰে কেৱে।

পৰম যতনে, হৰি পূজিবাক,
থৈয়া আছে ব্ৰহ্মাদেৱে ॥
হেন থানে যায়, কুমৰৰ বাক্যে,
দেখি পাছে মন্ত্ৰিগণ।
ভূমি জানুপাৰি, কৰ যোৰ কৰি,
বুলিবে লৈলা বচন ॥
শুনা ঋষিলোক, তুমি সব অতি,
বড় বড় মহাজন।
কর্ণ নৃপতিৰ, তনয় আসিছে,
মৃগয়াক কৰিমন ॥
ক্ষুধায়ে কাতৰ, তোমাৰ সবক
খুজিছে অন্ন ব্যঞ্জন।
শীঘ্ৰকৰি আবে, দিবাক লাগয়,
তাহান পুৰিয়া মন ॥
বিশেষত তুমি, সব মহাজন,
প্ৰাণীত আতি বিনীত।
ক্ষুধিত ৰাজাৰ, কুমৰক অন্ন,
দিবাক হোৱে উচিত ॥
নিদিলেও তাৰা, দণ্ডি কৰি নিব,
তোৰা সবে কিকৰিবা।

তিলর কুশর, অধিকাৰ মাত্র,
পাছে দুঃখ পালে দিবা ॥
যদি দিবা সবে, শীঘ্রকৰি দিয়ো,
পালটি চলোহোঁ আৰ ।
পাছে বেদ শ্রুতা, ব্রাহ্মণে বোলয়,
দম্ভবাক্য শুনি তাৰ ॥
শুন নৰাধম, নুবুঝ নিয়ম,
হৰি পূজা দ্রব্যচয় ।
ঈশ্বৰে ভুঞ্জিলে, অৱশেষ ভৈলে,
তেবে দিবে যোগ্য হয় ।
কৈৰ কৰ্ণদত্ত, ৰাজাৰ কুমৰ,
কথা কহ ইটো ঠাই ।
তেহে ক্রোধ কৰি, আমা সবাহাৰ,
উড়ুয়াইবে কিবা ছাই ॥
হেন বাণী শুনি, ৰাজ পাত্র সবে,
পালটিলা দুঃখ মনে ।
ৰাজপুত্র আগে, কহিলা সমস্তে,
দেখিল মুনি নমানে ॥
শুনা সভাসদ, হুয়া নিশবদ,
বনপৰ্ব্ব পূণ্যকথা ।

ত্যজি আন কাম, বোলা ৰাম৷ৰাম
জনম নকৰা বৃথা ॥০॥

ধূম্রাক্ষৰ যজ্ঞ স্থানলৈ গমন এবং অগস্তি মুনিৰ লগত যুদ্ধ।

পদ।

পাত্ৰ সবে কহে কথা শুনা যুবৰাই।
মহা মহা মুনিগণে যজ্ঞ প্ৰবৰ্ত্তাই ॥
তোমাৰ কাহিনী কহি খুজিলোহোঁ অন্ন।
নিদিলেক অন্ন বুলিলেক কুবচন ॥
বোলে হৰি পূজা অৱশেষ হোৱা নাই।
অৱশেষ দ্ৰব্য হলে তেহে দিবে পাই ॥
যত ষড়ৰস পঞ্চামৃত দ্ৰব্যচয়।
আচোক মনুষ্য দেৱতাও নপাৱয় ॥
গন্ধে আমোদিত ক্ষুধা তৃষ্ণা তাৰ হৰে।
ঈশ্বৰে অৰ্পিত কৰিলেসে দিবে পাৰে ॥
হেন শুনি কুমৰৰ ক্ৰোধ ভৈলা মন।
ৰাজাৰ কুমৰ আতি পৰম দুৰ্জ্জন ॥

মন্ত্রিগণ সমে উভটিলা তেতিক্ষণ।
কংতোবেলি পাইলা পাছে কৰি কোপ মন।
যজ্ঞৰ সম্ভাৰ দেখি দাৰুণ স্বভাৱ।
লোভে আক্ৰমিল অতি সিহৰিল গাৱ॥
যথাতে আছয় বাউল অগস্তি মহন্ত।
ৰাজাৰ কুমৰ গৈয়া তথা মিলিলন্ত॥
ঋষিসমূহক চাই বুলিলা বচন।
ক্ষুধিত আমাক অন্ন কৰায়ো ভোজন॥
গালৱ বদতি শুনা ৰাজা মহাশয়।
এহিমতে বহু বাৰ বোলে দুৰাশয়॥
কিছু কিছু কৰি পাছে অগস্তি মাতিলা।
কৈৰ পৰা আসি বোপা তোচোৰা মিলিলা
ঈশ্বৰ অর্পিত ব্ৰহ্মময় প্ৰসাদক।
কেনমতে দিবোহোঁ তোহোক ভুঞ্জিবাক॥
পৰম ভাগ্যেসে আক লভিবাক পাই।
হেন প্ৰসাদক কেনে খোজাহা বোপাই॥
হেন শুনি ৰাজাৰ কুমৰ মূঢ় জন।
তাহাঙ্ক চাহিয়া হেন বুলিলা বচন॥ ॥
মোৰ পিতৃ মহাৰাজা ভোগ্যৰ ঈশ্বৰ
তাহান একল ময় দয়াৰ কুমৰ॥

পৃথিৱীৰ ভোগ্য যত আমাক যতন ।
তুমি কেন মতে হেন বোলাহা বচন ॥
অগস্তি বোলন্ত বোপা কহিলাহা কায ।
ভাল খাৰে পিন্ধে ভোগ্য কৰে যত ৰাজ ॥
কিন্তু মাধবৰ ইটো প্ৰসাদ দ্ৰব্যক ।
কতবা ভাগ্যেসে পাই ভুঞ্জিবে ইহাক ॥
ব্ৰহ্মা হৰ আদি যত দেৱ মহাজন ।
তাসম্বাৰ দুৰ্লভয়ে আৰকা ভোজন ॥
ঈশ্বৰৰ অৱশেষে ভকতে ভুঞ্জয় ।
আনে আক দেখিবাক যোগ্য নুহিকয় ॥
তথাপিতো তুমি ভালে কৰিলা বাঞ্ছিত ।
অৱশেষ ভৈলেসে তোমাক পাৰি দিত ॥
কুমৰে বোলয় আমি সবাহাতে চাৰ ।
ৰবিতলে ৰাজা আমি তাহান কুমাৰ ॥
অৱশেষ কেনমতে কৰিবো গ্ৰহণ ।
আৰে আগে আমবাক কৰায়ো ভোজন ॥
সকল জগতে জানা ৰাজাক পূজয় ।
ৰাজাৰেসে অৱশেষ জগতে খাৱয় ॥
ৰাজাৰ সমান পূজ্য নাহিকে অপৰ ।
কনে শেষ ভুঞ্জিবোহোঁ কথা গুৰুতৰ ॥

হেন শুনি অগস্তিৰ ক্ৰোধ উপজিল।
মহা গৰ্ব্ব কৰি আতি মাতিবে লাগিল॥
হাঁউৰে পাপিষ্ট কিকথা ৰটিলি।
ঈশ্বৰক অবহেলি পাতক সঞ্চিলি॥
হুক হুক কৰি যিটো সাৰণে ভুকয়।
শৃগাল সকলে বড় তাহাকে মানয়॥
মুষে মাৰ্জ্জাৰীক ভয়ে মানে বড়কৰি।
কীটে বাঘপকৰাক চিন্তে অতি ডৰি॥
যদি শৃগালৰ শিঙ্গ গজিয়া থাকয়।
আপোনাত কৰি বড় কাকো নেদেখয়॥
তই সেহিমতে দেখ ৰাজা শ্ৰেষ্ঠতৰ।
ঢিপ আঁৰে পৰ্ব্বত নেদেখে কোন নৰ॥
পেটুৰা নৃপতি সব আছে পৃথিবীত।
ৰাত্ৰি দিনে পুত্ৰ পৰিয়ালে মাত্ৰ চিত্ত॥
বৈষ্ণৱ বিপ্ৰক হিংসি আগ্ৰহ কৰয়।
আপোনাত পৰে কাকো বড় নমানয়॥
পিস্পৰাৰ মধ্যে দেখি বড় গোট যেন।
তোহোৰ নৃপতি সব জানিবিহি তেন॥
একেতিলে কাল বাঘে মুচৰি মাৰয়।
দান্ত নিকোটায়া সবে পড়িয়া থাকয়॥

পাপিষ্ঠ পামৰ নষ্ট দুষ্ট কুলাচল।
হেনবাক্য কিসক বটিলি দুৰাচাৰ ॥
ঈশ্বৰকো বোল হেন দুৰ্ম্মদ বচন।
দূৰগুছ পাপী তোক নাহি সম্ভাষণ ॥
ঋষিৰ মূৰ্ত্তিক দেখি লাগিলেক ভয়।
নাকেমুখে ঝাঁত ঝাঁত অগনি উঠয় ॥
ঈশ্বৰত কৰিয়া ৰাজাক বাখানিল।
এতেকেসে তান ক্রোধে অগনি উঠিল ॥
গালৱ বদতি ওৰা শুনা মহাৰাই।
দেখা বৈষ্ণৱৰ কেন দুঃখৰ অপাই ॥
মায়া আদি কৰি যত দেৱ দেবীচয়।
ঈশ্বৰেৰে আসম্বাক সমান কৰয় ॥
তাৰ জিহ্বা টানি কাটে যমৰ কিঙ্কৰে।
চৌৰাশী নৰক সিটো ভুঞ্জি ভুঞ্জি মৰে ॥
কৰ্ণদত্ত ৰাজাৰ পুত্ৰক দেখিয়োক।
বৈষ্ণৱক অৱগৰ্ব্ব কৰে যিটো মোক ॥
তোমাত কহও কুন্তীসুত মহাশয়।
মহন্তক অপমান নিদিবা নিশ্চয় ॥
বপুস্থতে বোলে শুনা জৈমিনি মহন্ত।
ধৰ্ম্ম নৃপতিত কথা গালৱে কহন্ত ॥

আয়ুঃ শ্রী যশঃ ধৰ্ম্ম কল্যাণ যতেক।
মহন্তক উপহাসে টুটয় প্রত্যেক॥
দেখা কেন ধূম্রাক্ষ কুমৰ নাশ হয়।
ঈশ্বৰক ন্যান কৰি মহত্ত্ব কৰয়॥
পিতৃ মাতৃ ৰাজ্যভাৰ আপুনি নাশয়।
ঋষিৰ ক্রোধক দেখি পাইলা মহাভয়॥
পাত্র মন্ত্রিগণ সবে চমকিল অতি।
জানো দহি ভস্ম কৰে মুনিয়ে তহিতি॥
মনেগুণি গাৰ মাৰি পালটী আসিল।
অনন্তৰে গৈয়া কতো দূৰত ৰহিল॥
পাত্রগণে বোলে আৰে শুনিয়ো কুমৰ।
ৰাজ্যক চলিয়ো আৰে কৰি খৰতৰ॥
কুমৰে বোলয় আমি নযাইবোঁ ৰাজ্যক।
কৰিবাক লাগে কিছু মুনি সমূহক॥
মোৰ আশাছেদ কৰে হুয়া বিপ্রজাতি।
যিমত অপায় আক কৰিবোঁ সম্প্রতি॥
দেখা মুনিবৰ কেনে দুৰ্জ্জনৰ মন।
বৈষ্ণৱক দুঃখদিবে কৰিলা যতন॥
মন্ত্রিগণে তাক বহু বাক্যে হাক দিল।
পৰম দুৰ্ম্মদ পাপী তাক নমানিল॥

অন্যো অন্যে মাতি বোলে মিলিল অপায়।
বংশে সমন্বিতে সবাহারে তল যায় ॥
জ্বলন্তা অগ্নির মাঝে কবিঙ্গার জাস।
আবেসে জানিলোঁ জীবনত নাহি আশ ॥
পুনরপি মন্ত্রিগণে বোলয় বচন।
শুনিয়ো ধূম্রাক্ষ মহারাজার নন্দন ॥
ঋষি সকলক দ্বেষ নকরিয়ো বাপ।
সকলে জগতে আমি পাইবোঁ বরতাপ ;
তাসম্বার দ্রোহে আয়ুঃ শ্রী নষ্টহয়।
অন্তকালে হোরে যায় নরক আলয় ॥
মুনি সকলর নোহে রাজা অধিকার।
তারাসবে কিছু দ্রোহ নাচরে কাহার ॥
হরিক আরাধি থাকে বনর মাঝত।
সকল প্রকারে আমাসার সুহি সম্ব ॥
এতেকেসে তাসম্বাক হিংসা যোগ্য নয়।
তাসম্বার দ্রোহে আপুনিসে নষ্ট হয় ॥
বিশেষত পরাক্রমী নোহে ধনুধর।
মহন্ত সবর জানা সহায় ঈশ্বর ॥
ঈশ্বর সহায় যার তার কাক ভয়।
ভকতর প্রতীকার ঈশ্বরে করয় ॥

হেন জানি তুমি আৰে ৰোপ পৰি হৰা।
বৈকুণ্ঠক দ্ৰোহ কৰি মিছাত নমৰা॥
চাৰিগোটা পাত্ৰ আমি মন্ত্ৰী দুই জন।
অৰ্ব্বুদেক লোক সমে কৈলোঁ আগমন॥
তযু পিতৃ আমাদেৰ বাক্য নেঠেলয়।
তুমি কেনে হোৱা হেন দাম্ভিক হৃদয়॥
গালৱ বদতি তাৰ মৃত্যু সন্নিহিত।
মিঠা বচনকো পাপী মানিলেক তিত॥
মৰণ কালত সিটো ৰটয় বিবুদ্ধি।
ভাল নমানয় সিটো বচন ঔষধি॥
হেন বাক্য সব যেবে মন্ত্ৰীৰ শুনিল।
ঘৃত পাই বহ্নি যেন দুগুণে জ্বলিল॥
হাউৰে পাপিষ্ঠ নষ্ট দুষ্ট কুলাঙ্গাৰ।
এতমান মোক কেনে কৰ তিৰস্কাৰ॥
বনবাসী ঋষিৰ যশক বখানস।
বৃদ্ধহুয়া আমাৰ বাক্যক নৰাখস॥
তোক কাটি এখনে কৰিবো খণ্ড খণ্ড।
গুছৰে দুৰ্জ্জন যাৱে নোহ ৰণ্ড ভণ্ড॥
তাৰ ক্ৰোধ দেখি আৰু পাত্ৰ চাৰিজন।
মন্ত্ৰী সমে দুয়োজনে বুলিলা বচন॥

শুনিয়োক ৰাজপুত্ৰ হেন খজ কিক।
শুদ্ধ বুদ্ধি দিয়ন্তে কি কাটাহা মন্ত্ৰীক॥
সুশুনাহা ভাল বাক্য আমবা সবৰ।
সবাকো কাটিয়া তুমি থাকা একেশ্বৰ॥
পাত্ৰ মন্ত্ৰী হুয়া ভাল মন্দ নকহয়।
ন্যায় নীতি স্মৃতি তন্ত্ৰ পূৰ্ব্বাপৰ চয়॥
দণ্ডিৰকে ভয়ে যিতো চমকি থাকয়।
পেট পোষা পাত্ৰ মন্ত্ৰী সেহি দুৰাশয়॥
ৰাজা সব অগ্নি পাত্ৰ মন্ত্ৰী জলময়।
প্ৰচণ্ড বহ্নিক সিটো নিৰ্ব্বাণ কৰয়॥
তুমি কাটিবাহা আমি তাহাতে ডুবিবোঁ।
দণ্ডিবাৰ কাৰ্য্যে ভাল মন্দ নকহিবো।
সদবুদ্ধি কন্তে যিটো মন্ত্ৰীক কাটয়।
সেহি মুৰ্খৰাজা তাৰ ৰাজ্য নষ্ট হয়॥
এহিমতে নীতি ধৰ্ম্ম কৈলা ছয়ো জনে।
তথাপিতো দুৰ্জ্জনৰ শান্ত নুহি মনে॥
বোলে সবে ৰাজাক চলোহোঁ উঠিয়োক।
প্ৰবাসত দুঃখ পাৱে সবে প্ৰজা লোক॥
ৰাজাৰ প্ৰবাসে প্ৰজা পাৱে বৰ দুঃখ।
চলন্তোক সৈন্যগণ ৰাজাক সম্মুখ॥

গালরে বোলন্ত কথা শুনা মহ্বাই ।
ক্রোধ করি রাজার কুমরে আছা চাই ॥
কৈবা চেরুটিয়াগণ শীঘ্রে আসি ধর ।
ইসব ছয়কো কাটি খণ্ড খণ্ড কর ॥
নরসিংহ নামে রাজা হিত কুমরর ।
দেখে কটা যায় ছয় গোটা মন্ত্রীবর ॥
আগ বাঢ়ি জাম্বুপারি মাতিয়া রাখিলা ।
কাটিবার রাখি পাছে চক্কায়া খেদিলা ॥
বপুত্রতে বোলে মুনি শুনিয়োক কথা ।
পাপিষ্ঠ ধূম্রাক্ষ আরু নরহিল তথা ॥
যিথানত পাতি আছে নৈবেদ্য অপার ।
সেহি থানে ঘোড়ার নামিয়া দুরাচার ॥
রাজার কুমার পটু কুঃদ্ধি মায়াত ।
ডোবোলা ছাগল বেশে পশিলা তথাত ।
হরির নৈবেদ্য দ্রব্য বিবিধ সম্ভার ।
মনঃসুখে দুরাচারে খাইলেক অপার ॥
কতিপয় দিন মান খায় পারেমানে ।
একদিনা অগস্তিয়ে চাহে সেহিথানে ॥
টুটিল নৈবেদ্য সব বহুতর আতি ।
মার্জারর রূপ ধরি রহিলা তহিতি ॥

বদতি গালৰ পাছে দেখিলা তথাত।
ছাগল গোটেকে খাই নৈবেদ্য সাক্ষাত ॥
দধি দুগ্ধ ঘৃত লাড়ু বহুবিধ অন্ন।
কলসে কলসে ঘৃত খাইলেক দুৰ্জ্জন ॥
মহিষ সমান ছাগ গোট ভয়ঙ্কৰ।
মেকুৰিয়ো তাৰ গৈয়া চাপিলা ওচৰ ॥
তাহাক দেখিয়া পাছে সঙ্কুচিত মন।
থাপদিয়া ডাবিত ধৰিলা তেতিক্ষণ ॥
ছাগল বৃহন্ত ছোট ভৈলেক মাৰ্জ্জাৰ।
খুঞ্চি দূৰে পেলাইলেক ছাগল দুৰ্ব্বাৰ ॥
যজ্ঞ মণ্ডপৰ বাজে উফৰি পড়িলা।
মাওঁ মাওঁ কৰি পাছে আটাসেক দিলা ॥
শুনি মুনি সমস্তৰ চমক লাগিল।
বোলে যজ্ঞ বিধ্বংসিবে অসুৰ আসিল ॥
এহি মতে মুনিগণ এক থান ভৈলা।
তাহাৰ আবাব শুনি চাহিবাক গৈলা ॥
বিড়ালক মেষে কোপে মাৰিবাক মনে
বিদ্যুত সঞ্চাৰে খেদি গৈলা তেতিক্ষণে ॥
ব্যাঘ্রে যেন চাম্প কৰি শৃঙ্গত তুলিল।
বিশাল দুই শিঙ্গে খঙ্গে খোঞ্চ এক দিল ॥

খানিলে ধৰণী খান টোলাবোল ভৈল।
খুৰাৰ আছোটে কতো দূৰ বহি গৈল ॥
বিড়ালৰ বেশমুনি গুণে মনে মন।
ছাগলৰ বেশ ইটো দানৱ দুৰ্জ্জন ॥
ময়ো ঘোৰৰূপ ধৰোঁ বৃহত শৰাৰ।
ইহাক মাৰিয়া যজ্ঞ ক্ষেত্ৰ কৰো স্থিৰ ॥
এহি বুলি ভয়ানক বিড়াল ভৈলেক।
ঐৰাৱত হস্তীসম দেখিয় প্ৰত্যেক ॥
তেজে ঘোৰ বাৱ আতি ক্ৰোধত নাদয়।
আটাসত কাণ ফাটে শুনি লাগে ভয় ॥
দেখি মুনি সমস্তৰ কাৰো স্থখ নাই।
অদভুত কাৰ্য্য ডৰে অন্তৰি পলাই ॥
কতো কতো ৰহিল যজ্ঞ ৰক্ষা ছুই।
ছাগল মাৰ্জ্জাৰ যুদ্ধ লাগিলেক দুই ॥
লাম্ফ দিয়া মাৰ্জ্জাৰে লোমত ধৰিলেক
গল ধাপৰিত ঘোৰ কামোৰ দিলেক ॥
ঢোলৰ সমান তাৰ মাংস ডোখৰেক।
মুখে আছাৰিয়া তাক পেলাইলা দূৰক ॥
তীক্ষ্ণতৰ শৃঙ্গে মেৰ খোঞ্চ এক দিল।
দুই আঠু মধ্যে যেন ত্ৰিশূলে ঘালিল ॥

চোট পায়া মেঘ গোটে ফোকারয় অতি।
তার ভেডনিত কম্পি যায় বসুমতী॥
বড় কুলক্ষণ অতি ছাগলে ভেডাই।
সুরাসুর লোকে শুনি মহাভয় পাই॥
কতো বোলে ধরণী পশয় পাতালক।
মহীধর সবে জানো এড়য় দেহক॥
কেহো বোলে মহামেরু পর্ব্বত ভাগয়।
আরে ত্রৈলোক্যর জানোঁ মিলিল প্রলয়॥
ঘোর মাওঁ ঘোর মাওঁ বিড়ালে নাদয়।
গাবর বিষত হুয়ো দেখে তমোময়॥
হুইহানো গাবর তেজ বহে ধারাসার।
মেরু মন্দরর যেন বহে গেরুধার॥
আকাশ ঢাকিল সবে দেবর বিমান।
সিদ্ধ সাধ্য বসুগণ আসিল সিথান॥
মেষ মার্জ্জারর যুদ্ধ দেখি ভয়ঙ্কর।
কিনো অদভুত কথা মিলিল অপর॥
হেন কথা নতু দেখি পূর্ব্বে নাহি শুনি।
হেন মতে কহে কথা যত দেব মুনি॥
গাগরে বোলন্ত কথা শুনা ধর্ম্মবার।
থানিক বিশ্রামি হুই গুঞ্জরি ফোঁফায়॥

ঝাম্পিল বিড়াল উপৰক লাঙ্গ তুলি।
লাঙ্গলৰ ঈশ যেন দশ নখ ফুলি॥
যেনবাঘে চাপৰ মাৰিলে হৰিণক।
দশনখে তুলি কাটি পেলাইলে মাংসক॥
চামৰ সদৃশ তাৰ দীৰ্ঘ লোমদাঁড়ি।
গোফা গোফ কৰি তাক পেলাইলে উভাড়ি
এক নাৰ মান মাংস গুছালে গাৰৰ।
বেদনাত ছাগলে এড়িলে থৰবৰ॥
ঈশ্বৰ অৰ্পিত থায়া প্ৰসাদ আছয়।
অজৰ অমৰ হুয়া আছে দুৰাশয়॥
দুই শিঙ্গ ঝোঙ্কাৰিয়া ভেড়াই আতি বলে।
মাৰ্জ্জাৰক ভূমিত পাৰিয়া বড় ছলে॥
ভড়ি দিয়া শৃঙ্গে ধৰিলেক বড় টানে।
দুই হাতে বিড়ালো ধৰিলা দুই কাণে॥
দুইকো দুই কামোৰা কামুৰি কৰে ধৰি।
আঝোৰা আঝুৰি কৰে বাগৰা বাগৰি॥
যোজনেক ভূমি সিটো খাল হুয়া গৈল।
ব্ৰহ্মাৰ নিৰ্ম্মিত খান পঙ্কাকুল ভৈল॥
যুদ্ধত পাইলেক দুয়ো সৰোবৰ তীৰ।
জলত উঠিল ঢেউ প্ৰচণ্ড গম্ভীৰ॥

দুই ৰাত্রি দুই দিন যুদ্ধ নিৰন্তৰ ।
ঋষিসব পলাই গৈল এড়ি বাড়ী ঘৰ ॥
যতমান যুদ্ধ ভৈল মেষ মার্জ্জাৰৰ ।
কহিয়া নাপাও ওৰ জানা নৃপবৰ ॥
যজ্ঞৰ হোমত জাত ৰাজাৰ কুমৰ ।
ঈশ্বৰ অৰ্পিত দ্ৰব্য ভুঞ্জিলে বিস্তৰ ॥
এতেকেসে বিড়ালে মাৰিবে নপাৰয় ।
যোগ অভ্যাসিবে মুনি মনে নপাৰয় ।
যোগবলে যিটো সাত সমুদ্ৰৰ জল ॥
গণ্ডুষ কৰিয়া সবে ৰাখিল কেৱল ।
পশু শৰাৰক পায়া সবে পাসৰিল ।
এতেকেসে মুনিবৰ যুদ্ধত ঘাটিল ॥
জলত ডুবিয়া দুয়ো টোল বোল ভৈলা ।
নাকে মুখে জলসব সোমায়া ৰহিলা ॥
হাঞয় বিড়াল গোট ঠস ঠস স্বৰ ।
পানীখায়া বল কিছু বাঢ়িল মেষৰ ॥
গালৰে কহন্ত পাঞ্চ পাণ্ডৱে শুনন্ত ।
বিড়াল স্বৰূপ পাছে অগস্তি গুণন্ত ॥
কিনো ইটো দাৰুণ অবধ্য মেষ গোট ।
সুৰাসুৰ লোকে আৰ কোনে সহে চোট ॥

কোনবা অসুৰে আসি আছে মায়া কৰি
দানৱ ৰাক্ষস গণ সবে মোৰ বৈৰী ॥
যুদ্ধবলে ইহাক নপাৰো জিনিবাক ।
যোগবলে ইহাক পাৰিবোঁ মাৰিবাক ॥
মুখ অগনিৰে দহি মাৰিবোহোঁ আক ।
এহি গুণি এৰিলন্ত বিড়াল মায়াক ॥
মহা যোগমূৰ্ত্তি পাছে অগস্তি ধৰিল ।
বহ্নিময় জটা শিৰে ভ্ৰূকুটি কৰিল ॥
চৰাচৰ কোটি অতি ধৌত দন্তচয় ।
কটীত কপীন যেন অগনি জ্বলয় ॥
শুক্ল লোমপান্তি উপৰক আছে বলি ।
হাতৰ পাৱৰ নখ আছে ফুলি ফুলি ॥
প্ৰতি লোমগাছে যেন অগনি উঠয় ।
চৈধ্যয় ভূবন যেন দহিবে পাৰয় ॥
মেযৰূপ ৰাজাৰ কুমাৰে চাহি আছে ।
মহাভয় পায়া সিটো গুণিলেক পাছে ॥
কিনো ইটো ব্ৰহ্মময় মূৰ্ত্তি ভয়ঙ্কৰ ।
নাশ কৰিবাক পাৰে লোক নিৰন্তৰ ॥
আৰু ক্ষণিকতে মোক মাৰিলেকহন্তে ।
পাত্ৰগণে হাক মোক দিলন্ত আসন্তে ॥

সবাহাৰে হাকে কেনে নথাকিলো তথা।
মৰিবাৰ কাযে মই আসিলোহোঁ এথা॥
ঋষিৰ মুৰ্ত্তিক দেখি কাম্পে সৰ্ব্ব কায়।
ইহাৰ হাতৰ আজি এড়ান নযায়॥
যিহক নোহোক চাটু নোবোলো বচন
দন্তবাক্যে জিনিবাক পাৰি সন্তজন॥
অগস্তিয়ো মনে মনে আলোচন্তে আছে।
দৈত্যগণ মোৰ চিৰশত্রু হুয়া আছে।
জানো তাৰ কোন গোট আসে মায়া কৰি।
ইহাক বলত মই নোহোঁ সৰিবৰি॥
বুঢ়াগাৰ্গ মোক আবে বহু দুঃখ দিল।
আৰু থানিতেক মোক মাৰিবে বহিল॥
যিবা খোজে তাক দিবোঁ বোলোহোঁ বচন।
তেবেসে ৰহিবে সবে ঋষিৰ জীবন॥
বদতি নৃপতি শুনি মিলিল সংশয়।
অগস্তিৰ সম কোন মহন্ত আছয়॥
ক্ষমাবন্ত দাতাবন্ত সুশীল ভূষণ।
তাসম্বাৰ শত্রু নাহি ইতিনি ভুবন॥
হেন অগস্তিৰ শত্রু দৈত্য কেনে হয়।
মোহোৰ মনত বৰ মিলিল সংশয়॥

শুনা সভাসদ পদ পৰম শোভন।
যুধিষ্ঠিৰ গালৱ সংবাদ বিতোপন॥
বিষ্ণু বৈষ্ণৱৰ কথা অমৃত সাক্ষাত।
দুয়ো কথা কৰে পাতকৰ স্কন্ধপাত॥
মিলয় মুকুতি সুখ গুছে ভবভয়।
অন্তকালে পাৱে গৈয়া বিষ্ণুৰ নিলয়॥
জানি যত্নে কৰা হৰি কথামৃত পান।
নাহি মহাপুণ্য আৰু ইহাৰ সমান॥
হেন জানি বুধজন এড়ি আন কায।
সত্বৰে লৈয়োক হৰি ভক্তৰ সমাজ॥
কহে কবিচন্দ্রে বাগেশ্বৰী অনুসৰি।
পোড়োক পাপৰ দাম বোলা হৰি হৰি॥

ছবি।

অনন্তৰে মহামুনি, ৰাজাৰ বচন শুনি,
গালৱে মাতিলা ধীৰ ধীৰ।
পূর্ব্বাপৰ কথাচয়, শুনিয়োক যেন নয়,
ধর্ম্মৰাজা পাণ্ডুসুত বীৰ॥
পূর্ব্বে দৈত্যগণ যত আছিলেক পাতালত
পাছে সবে উঠিয়া আসিল।

দেবতা গন্ধৰ্ব্ব যত সবাকো পীড়য় আতি
তেসম্বে ব্ৰহ্মাত গোচৰিল ॥
হেন শুনি প্ৰজাপতি দেৱক বুলিলা মাতি
অগস্তিৰ পাশক চলিয়ো।
পৃশ্নিগৰ্ভে নাৰায়ণে অসুৰক বধিবন্ত
মুনিজল আকৰ্ষিয়া দিয়ো ॥
এহি শুনি দেবগণ অগস্তিৰ পাশে যাই
স্তুতি নতি কৰিলা অপাৰ।
শুনিয়োক মুনিৰাই ব্ৰহ্মাসৃষ্টি নষ্ট যাই
দৈত্যগণে কৰে বুন্দামাৰ ॥
সাগৰৰ জলে বাস, নকৰে কাহাকো ত্ৰাস,
ফুৰে স্বৰ্গ পৃথিবী বিদাৰি।
তোমাৰ পাশক আইলোঁ, জলহীন কৰাসিন্ধু
তেবে দৈত্য মাৰিবাক পাৰি ॥
দেৱৰ বচনে পাছে, সাতো সাগৰৰ জল,
মুনি কমণ্ডলু ভৰি থৈল।
পৃশ্নিগৰ্ভ নাৰায়ণ, লৈয়ালগে দেবগণ,
অসুৰক সংহাৰ কৰিল ॥
অবশেষ দৈত্যগণ, এড়ি স্থান মান সবে,
দশোদিশে পলাই বৈলন্ত।

সিকালবে পৰা জানা অগস্তি ঋষিৰ দৈত্যে
শত্রু বুদ্ধি কৰিয়া মানন্ত ॥
এতেক্কেসে মহন্তৰো শত্রুৰ কাৰণ কৈলো
শুনিলাহা প্ৰশ্নৰ উত্তৰ।
আক পুনৰপি ৰাজা তোমাৰ আগত কহোঁ
কথাক ধূম্ৰাক্ষ কুমৰৰ ॥
বপুস্থতে বোলে বাপু শুনিবোক জৈমিনি
গালৱে কহন্ত যেন নয়।
মায়াবী মেষক পাছে অল্প অল্প কৰি তেবে
ব্ৰহ্মবাট অগস্তি মাতয় ॥
শুন অৰে বোপা তোৰ, কহিয়োক জাতি ধৰ্ম্ম
কেনে হেন বেশক ধৰিলি।
ঈশ্বৰৰ মহাযজ্ঞ, পৰম প্ৰসাদ ইটো,
কি কাৰণে তাক বিধংসিলি ॥
যাৰে নৌউ ভস্ম কৰো, আপোনাক ৰক্ষা কৰি,
তাৰে ভালে কহিয়ো আমত।
মেষৰ ভাৱক এড়ি, ৰাজাৰ কুমৰে পাছে,
মাতিলন্ত কৰি যোৰহাত ॥
শুনিয়োক সভাসদ, ভাৰতৰ পুণ্যপদ,
এড়ি সবে ভাষাভূষ কাম।

হৰিয়ো সন্তোষ হোক,   যম দায় নিবাৰোক,
ডাক ছাৰি বোলা ৰাম ৰাম ॥*।

॥ পদ ॥

গালব বদতি কথা শুনা পাঞ্চ ভাই ।
ধূম্রাক্ষে বুলিবে নৈলা অগস্তিক চাই ॥
কর্ণদন্ত ৰাজা মই তাহান কুমৰ ।
মৃগ মাৰিবাক আইলোঁ অৰণ্য ভিতৰ ॥
ক্ষুধায়ে পীড়িত হুয়া অন্নৰ কাৰণ ।
পঠায়া আছিলে এহি স্থানে মন্ত্রিগণ ॥
অনেক প্রকাৰে তাৰা অন্নক প্রার্থিলা ।
তোমৰা সকলে কিছু প্রসাদ নিদিলা ॥
আমি পুনু আসি পাছে খুজিলো অন্নক ।
নিদিলাহা কিছু আৰু বুলিলা কুবাক ॥
সিকাৰণে মহামেষ বেশক ধৰিলো ।
সবে যজ্ঞ বিধ্বংসিয়া প্রসাদ ভুঞ্জিলোঁ ॥
অদ্যাপিয়ো বেলোঁ মুনি শুনিয়ো বচন ।
মোৰ বাক্য নকৰিলে কৰিবোঁ যিমন ॥
যজ্ঞ বিধ্বংসিবোঁ সবে ঋষিক মাৰিবোঁ ।
তোমাকো ডুবায়া ঘোৰ জল মাঝে দিবোঁ ॥

নৌউ শুনা ধূম্রাক্ষৰ বলবীর্য্য চয়।
দেবাসুৰ নৰ সবে থৰতে কাম্পয় ॥
অনেক ধূৰ্ত্তালি বাক্যে তাঙ্ক ভুৰুকাইল।
তাহাৰ বচনে ঋষি বৰ ভয় পাইল।
মনত বোলন্ত যেহি খোজ তাকে দিবোঁ।
ঋষিসব ৰাখি যজ্ঞ ছুনাই আৰম্ভিবোঁ॥
ইটো পাপী ধূমকেতু গুচিলেসে ভাল।
পুনৰ্ব্বাৰ ঋষি মৃদুবচনে বুঝাইল ॥
শুন অৰে আমাৰ বচন ক্রুৰমতি।
যেহি খোজ তাহাক দিবোহোঁ তোক অতি ॥
কিন্তু মই শকতিয়ে যিবা পাৰোঁ দিত।
তাহাক খুজিবি তই কহিলো নিশ্চিত ॥
ধূম্রাক্ষে বোলয় মুনি কৰা অঙ্গীকাৰ।
নপৰা কথাক মই নোখোঁজোহোঁ আৰ ॥
যদি দিবা সত্যকৰা নুবুলি অন্যথা।
ঋষিবোলে সত্যে দিবো কহ মোত কথা ॥
এহিমতে সত্য কৰি ঋষিক বান্ধিল।
পাছে দুৰাচাৰে মাতি কহিবে লাগিল ॥
অস্ত্রে শস্ত্রে সবাহাতে হৈবোহোঁ অমৰ।
বৃক্ষ শিলা তৰু তৃণ আনো নিৰন্তৰ ॥

দেৱতা মনুষ্য আৰু যক্ষ ৰাক্ষসত।
তিনিয়ো ভুবন মাঝে লোক আছে যত॥
সবে মিলি কেহো মোক মাৰন্তা নোহোক।
এহিখানি বৰ মুনিৰাজ দিয়ো মোক॥
হেন শুনি অগস্তিয়ে অল্পকৰি হাসি।
বুলিলন্ত বাক্য তান মনে বিমৰষি॥
যিটো বৰ খুজিলিহি শুনৰে দুৰ্জ্জন।
আমি তাক দিবে নপাৰোঁহোঁ কদাচন॥
ব্ৰহ্মা মহাদেব আদি যোগেশ্বৰ চয়।
সিসবেসে বৰদাতা জানিবি নিশ্চয়॥
হেন বৰ দিবাক নপাৰোঁ আমি জান।
তোহোৰ আগত মই কহিলো প্ৰমাণ॥
তিল কুশ অধিকাৰী বিপ্ৰ নিৰন্তৰ।
নোহো বৰদাতা শুন ৰাজাৰ কুমৰ॥
তথাপিতো সত্যভৰি আমাক চান্দিলি।
সত্য নষ্ট ভৈলে ঘোৰ পাতক সাঞ্চিলি॥
এহি কহি কমণ্ডলু জল পৰশিল।
আথ বেথ কৰি বাক্য বুলিবে লাগিল॥
ঈশ্বৰৰ যজ্ঞভাগ ভুঞ্জিলি প্ৰসাদ।
হৈবেক দানব সেনা সবে অপ্ৰমাদ॥

যিবুলিল মাৰম্ভা নোহোক কেৰে মোক।
নব প্ৰহৰৰ পথে এহি কাৰ্য্য হোক॥
যাৰে তাৰে নজাৱ নহৈব মৰণ
অস্ত্ৰে শস্ত্ৰে নকাটোক বুলিলো বচণ॥
ধূপধূম্ৰ বঠী যিটো আনিয়া হানয়।
তোৰ মৃত্যু হৈব সেহি জান দুৰাশয়॥
মুখখান ছাগ মানুষৰ গাৱ হোক।
যাত মেষৰূপে তই ক্লেশ দিলি মোক॥
চল চল দুৰাচাৰ বিলম্ব নকৰ।
ক্ষীৰবন এড়াই তাত পাতিয়ো নগৰ॥
কুলাচল দানব যে তোৰ নাম হৈব।
তোহোৰ ভয়ত লোক সকলে কাম্পিব॥
মহা ব্ৰহ্মশাপ তাৰ তেখনে মিলিল।
ডাঙ্গৰ দীঘল অতিদেহা গোট ভৈল॥
তীক্ষ্ণতৰ শৃঙ্গ মুখখান ছাগলৰ।
ভোবোকাৰ ডাৰি গোঁফ দেখি লাগে ডৰ
আৰু কিবা হোৰে বুলি দানৱ ভয়ত।
তথাহন্তে আ'থ বেথে লড়িলা ত্বৰিত॥
গাৱৰ বেগৰ ভাগি পড়ে শাল তাল।
পশুপক্ষী ভয়পায়া পলাই পালে পাল॥

দিনা দুই অন্তেগৈয়া সেনাক দেখিল।
তাহাব ভাবক দেখি সকল ডড়িল॥
বিকট শবীব গোট মুখ ছাগলব।
তীক্ষ্ণদুই শৃঙ্গ অতি দেখি লাগে ডব।
পাত্র মন্ত্রী সবে পাছে ওছব চাপিল॥
কুমবব গাবেদেখি বিষাদ মিলিল॥
গালব বদতি কথা অতি আচবিত।
ঘোব ব্রহ্মশাপ আসি মিলিল তহিত॥
পঞ্চ প্রহবব যতমান লোকগণ।
ঋষি শাপে দানব ভৈলেক তেতিক্ষণ॥
বিকট কুবেশ ভৈলা বুদ্ধিত বিষম।
মানুষব গুছিলেক আচাব নিয়ম॥
সবে অমঙ্গল ভাব কুবুদ্ধি কঠোব।
মহাপাপচিত্ত কাবো নপাবয়ওব॥
অগস্তি সহিতে যত কুমবে কবিল।
ইটো গোপ্য কথা সিটো কাতো নকহিল॥
অর্ব্বুদেক লোক বনে গৈয়া আছিলেক।
তিনিভাগ মানে তাব দানব ভৈলেক॥
নগব সাজিয়া পঞ্চ প্রহবব পথ।
তহিত বহিলা সবে হয় হস্তী বথ॥

ধৰ্ম্ম পক্ষিগণে বোলে শুনা মুনিবৰ ।
বৈষ্ণৱ দ্রোহৰ কথা অতি গুৰুতৰ ॥
ধূম্রাক্ষ কুমাৰে বৈষ্ণবক দ্রোহ কৰি ।
প্ৰজাকো নাশিল আপুনিয়ো গৈল মৰি ॥
এহিমতে কুলাচল দৈত্য হুয়া ৰৈল ।
পুনৰ্ব্বাৰ অগস্তিয়ে যজ্ঞ আচৰিল ॥
কৰ্ণদত্ত ৰাজপুত্ৰ ধূম্ৰাক্ষ দানব ।
তোমাত কহিলা পুৰাতন কথা সব ॥
ধৰ্ম্মপক্ষী বোলে শুনা মুনি মহাসন্ত ।
এহিকহি মৌন ভৈলা গালব মহন্ত ॥
পাছে কুন্তী সুত ধৰ্ম্মৰাজ মহামানী ।
কৰযোৰ কৰি পুনু পুছিলা কাহিনী ॥
কহিয়োক গুৰুবাপ পাছৰ কথাক ।
তাৰ পিতৃ কৰ্ণদত্তে কিবা কৰিলেক ॥
তাৰশেষে কৈয়ো সিটো কথা নিৰন্তৰ ।
তোমাৰ মুখৰ বাণী অতি শ্ৰেষ্ঠতৰ ॥
গুছে ক্ষুধা তৃষা মহা শোক তাপচয় ।
শুনোতে শুনোতে মহাতৃষ্ণা নথগুয় ॥
হেন মহা গোপ্য কথা কোনে কহিবেক ।
তোমাৰ মুখত আমি শুনিলো প্ৰত্যেক ॥

মহাসাধু অগস্তিৰ চৰিত্ৰ শোভন।
তযূ মুখে বাজ পাতকৰ হুতাশন॥
এহি কহি প্ৰেমত মজিলা ধৰ্ম্মৰায়।
মুনিবৰে বুজি পাছে তান অভিপ্ৰায়॥
বোলে সাধু সাধু পাণ্ডুসুত মহাশয়।
অপূৰ্ব্ব কথাক তুমি পুছিলা নিশ্চয়॥
ইহাৰ শ্ৰবণে তৰিবেক সবে নৰ।
বিষ্ণুভকতৰ ইটো কথা মনোহৰ॥
লোকক কৃপায়ে তুমি পুছিলা আমাত।
পাতক শত্ৰুৰ ইটো কৰে স্কন্ধপাত॥
এহিবুলি মুনিবৰ প্ৰেমত মজিলা।
পুৰাতন কথা কহিবাক আৰম্ভিলা॥
শুনা পাছ কথা যুধিষ্ঠিৰ পাণ্ডুভাই।
কতিপয় মাস যেবে গৈলা সেহি ঠাই॥
কৰ্ণদত্ত নৃপতিৰ নাযাই সুপুহাই।
এক খানি পুত্ৰ পাইলো কত তপসাই॥
সিয়ো দুষ্ট ভৈল হাক ডাক নুশুনয়
বিপ্ৰ বৈষ্ণবক মহাক্লেশক দিবয়॥
অপযশ কথা আৰ সহিবোঁহো কত
মৃগ মাৰিবাক গৈল কি ভৈল বনত

ঋষিৰ সত্ৰত জানোঁ পশিলেক যাই ।
তাসম্বাক কিবা কষ্ট দিলেক সিঠাই ॥
কটু বাক্য বুলি তাসম্বাক বিধ্বংসিল ।
মহন্তৰ কোপে জানো অপায় মিলিল ॥
এতদিন ভৈল কেনে নাসিল পুতাই ।
এহি বুলি নৃপতিৰ নযাই সুপুহাই ॥
মহাদুঃখে ৰাজা যেবে আছে কৰি শোক
বনহন্তে পালটী আসিল কত লোক ॥
তাৰা সবে নৃপতিৰ আগে জান দিল ।
শুনা মহাৰাজ যেন অপায় মিলিল ॥
কাৰবনে পশু মাৰে তোমাৰ তনয় ।
আসিবাক বুলিল যতেক পাত্ৰচয় ॥
তাসম্বাক খেদিলেক কুমাৰ প্ৰচণ্ড ।
অসংখ্যাত লোকক কৰিলে উগ্ৰদণ্ড ॥
পাছে ঋষি সমূহৰ যজ্ঞ বিধ্বংসিল ।
দানৱ হৈবাক মুনিগণে শাপ দিল ॥
ভেৰা ছাগলৰ মুখ মনুষ্যৰ কায় ।
তীক্ষ্ণ দুই গোটা শৃঙ্গ দেখি পাই ভয় ॥
ব্যজন সদৃশ কাণ ডাঁৰি লোম বৰ ।
ভৈলেক বিকৃত ৰূপ তোমাৰ কুমৰ ॥

আৰু যতমান প্ৰজা আছিল লগত।
সবেয়ো দানৱ ভৈল ঋষিৰ শাপত ॥
কহিলো তোমাত যেন কৰিয়ো উপায়।
এহি বুলি প্ৰজাগণে কৰিলা বিদায় ॥
গালব বদতি শুনা ৰাজা ধৰ্ম্মমতি।
শুনি মূৰ্চ্ছা গৈলা কৰ্ণদত্ত নৰপতি ॥
পাত্ৰমন্ত্ৰিগণে পাছে ধৰিয়া তুলিল।
কতো বেলি মানে ৰাজা মুৰ্চ্ছিত আছিল ॥
চেতন লভিয়া পাছে কান্দে নৰপতি।
হাঁ বাপু ধুম্ৰাক্ষ কিভৈল তোৰ গতি ॥
ইহাকেসে লাগি বাপ ভৈলি হেনভাৱ।
তোহোৰ বিৰহে মই মৰো এহিঠাৱ ॥
কতভাগ্যে লভিলোহো যজ্ঞৰ কুণ্ডত।
শিশুধৰি ভৈলি বাপু হেনয় উন্মত্ত ॥
সন্ত মহন্তক দুঃখ দিলিহি অপাৰ।
তোহোৰ নিমিত্তে দুঃখ মিলিল প্ৰজাৰ ॥
চোৰ ডকাইতৰ ভাৱে কৰিলি অন্যায়।
সবাহাৰে পাপ যাই তোত লৈলে ঠায় ॥
আপোনাৰ দোষে আপুনিসে নষ্ট ভৈলি।
ব্ৰহ্ম অগনিত কেনমতে ঝাস কৈলি ॥

কোন বুদ্ধি তোহোৰ গুছিবে ইটোশাপ ।
বিধিৰ লিখন কৰ্ম্ম খণ্ডে কাৰ বাপ ॥
যৈকে যাহা তৈতে তোৰ উচ্ছৃঙ্খল কায
তোহোৰ প্ৰতাপে নষ্ট ভৈল সামৰাজ ॥
ভাল কন্যা ভাল দ্ৰব্য নবৈল লোকৰ ।
আপোনাৰ তই মাত্ৰ পুষিলি উদৰ ॥॥
অবশেষে আপোনাক আপুনি নাশিলি ।
ঘোৰ ব্ৰহ্মশাপে পড়ি স্বৰূপ এড়িলি ॥
এহিমতে ৰাজা বহু বিলাপ কৰিল ।
সংক্ষেপ পদত তাত লিখন নভৈল ॥
বপুস্থত বদতি শুনিয়ো মুনিজয় ।
বৈশ্বৰৰ হাতে হৰি ত্বষ্টক নাশয় ॥
আপোনাৰ দোষ হৰি ক্ষমাপণ কৰে ।
মহন্তৰ দ্ৰোহে অধোগতি হবে নবে ॥
কৰ্ণদত্ত মহাৰাজা পৃথিবী পালয় ।
যাহাৰ ৰাজ্যৰ প্ৰজা ধৰ্ম্মৰ আলয় ॥
তাহাৰ গৃহত স্থিতি ধূম্ৰাক্ষ কুমতি ।
আপোনাৰ দোষে পাপী গৈল অধোগতি ।
কিন্তু, তাৰ সঙ্গে আনো বহু প্ৰজাচয় ।
কুসঙ্গ দোষত নষ্ট ভৈলেক নিশ্চয় ॥

পাছে কৰ্ণদত্ত ৰাজা পুত্ৰৰ শোকত ।
সাজিবাক দিল গজ বাজী ৰথযত ॥
শুনা পাত্ৰগণ আমি চলিবোঁ বনক ।
কতমান দোষে শাপ দিলেক পুত্ৰক ॥
হয় হস্তী ৰথ ৰথী যতেক আছয় ।
আমাৰ লগত সবে চলোক নিশ্চয় ॥
দুতয় হাজাৰ বধূ আছয় পুত্ৰৰ ।
আৰু মোৰ মহিষী যতেক নিৰন্তৰ ॥
দিব্য যানে চলায়োক পুত্ৰক চাহোক ।
নগৰত আৰু নথাকোক একোলোক ॥
গালৱ বদতি ধৰ্ম্মৰাজ দিবা মন ।
কৰ্ণদত্ত ৰাজাৰ বাসনা কুলক্ষণ ॥
পুত্ৰৰ লগত তাৰো দুৰ্ঘট মিলিল ।
আপুনি মৰিল আনো প্ৰজাক নাশিল ॥
এতেকেসে কৰ্ম্মবাসনাত লোকচয় ।
মহন্তক দ্বেষকৰি সমুলে মৰয় ॥
প্ৰচণ্ড আদেশ কৰিলেক মন্দভাগী ।
সমস্তে প্ৰজাক সিটো মৰাইবাক লাগি ॥
প্ৰচণ্ড আদেশ বাণী শুনিয়া ৰাজাৰ ।
অযুতে নিযুতে প্ৰজা লড়িল অপাৰ ॥

ৰাজগণ বীৰগণ হয় হস্তী ৰথ।
প্ৰজায়ে যুড়িলে সাতদিবসৰ পথ॥
গজঘণ্টা শবদে ধৰণী মেলে ফাট।
প্ৰজাৰ ঘঞ্চালে পুৰিলেক স্বৰ্গবাট॥
এহিমতে চলে ৰাজা প্ৰজা বীৰচয়।
পাছে দেখিলেক অমঙ্গল তমোময়॥
হালধি ৰুধিৰ বহে পড়ে ধূমকেতু।
বহয় শোষক বায়ু প্ৰজাক্ষয় হেতু॥
চামুণ্ডা যোগিনী চুলিমেলি আগেস্থিত।
আকাশত জলে দেখে দুতয় আদিত্য॥
কুকুৰ শৃগালে কৰে আবাৱ প্ৰচণ্ড।
গৃধ্ৰ সবে নাদয় নবাজে বাদ্যভাণ্ড॥
এহিমতে বিমঙ্গল দেখিলেক যত।
পুত্ৰস্নেহে মন ৰাজা নামানে প্ৰত্যেক॥
ঋষিক কৰয় ক্ৰোধ পুত্ৰশত্ৰু মানি।
অহম্মদভাৱে খেদি যাৱয় অজ্ঞানী॥
পুত্ৰভাৰ্য্যা বিষয়ত থাকে যিটো জন।
বিষ্ণু বৈষ্ণৱত তাৰ অন্ধহোৱে মন॥
এহিমতে চলিযাই কতদিনমান।
অনন্তৰে পাইলা ক্ষীৰবন সন্নিধান॥

ধূম্রাক্ষৰ যত ভাৰ্য্যাগণ নিৰন্তৰ।
পশিলন্ত দানবৰ নগৰ ভিতৰ ॥
ঋষি সবে যজ্ঞৰ কাৰ্য্যক আচৰিলা।
পূৰ্ণাহুতি দিয়া পাছে যজ্ঞ বিসৰ্জিলা ॥
পূজাৰ কৰ্ম্মৰ যেবে অবসান ভৈল।
স্থানে স্থানে মুনিগণ যাইবে মন কৈল ॥
হেনবেলা কৰ্ণদন্ত ৰাজা মিলিলেক।
সকলে মুনিক সেহি স্থানতে পাইলেক ॥
ৰাজাক দেখিয়া ঋষিগণ যতমান।
আশংসা কৰিলা আগবাঢ়ি সেহিস্থান ॥
অগস্তি বদতি কৰ্ণদন্ত মহাৰাই।
কোন কাৰ্য্যে আগমন ভৈল ইটোঠাই ॥
মহাগোপ্যস্থান ইটো মনুষ্য লোকৰ।
পুণ্যবলে নিৰ্ম্মাণ কৰিছা সৃষ্টিকৰ ॥
ব্ৰহ্মময় স্থানইটো মায়া বিৰহিত।
বলে আত পশে যিটো হোৱয় বৰ্জিত ॥
তুমি কেনে প্ৰজাসমে আসিছা ইস্থান।
আমাৰ অ গত্ত কহিয়োক বিদ্যমান ॥
গালৱে বোলন্ত কথা শুনা নৰবৰ।
কিছুমান কোপে ৰাজা দিলন্ত উত্তৰ ॥

শুনা সত্যবাদী জিতেন্দ্রিয় মুনিচয়।
দ্বিজ জন্মে লোকৰ হিতক আচৰয় ॥
সদায়ে মহন্তসব পৰ উপকাৰী।
পৰবেসে হিত চিন্তে আপোনাকো মাৰি ॥
আপোনাৰ কিছু যদি অন্নোদ্ৰব্য হয়।
যাচক জনক তভো সুভুঞ্জি দিবয় ॥
ক্ষমাবন্ত দাতাৱন্ত দয়ালু অধিক।
মাৰিলেও প্ৰতীকাৰ নকৰে প্ৰাণীক ॥
হেনয় মহন্ত সব তোৰা সৰ্ব্বজ্ঞান।
কেনে হেন অধৰ্ম্ম কৰাহা বিদ্যমান ॥
অবোধ কুমাৰ মোৰ স্বভাবে দুৰ্জন।
সাধুহুয়া তোৰা নাশিলাহা কিকাৰণ ॥
লক্ষ লক্ষ লোকক বধিলা তোৰা কিক।
সুহিকা বৈষ্ণব তোৰা ৰাক্ষসতোধিক ॥
এহিমতে ৰাজাৰ উঠিল ক্ৰোধ যাই।
মৰণ বেলাত সিটো বিবুদ্ধি চেষ্টাই ॥
শুন অৰে কপটী ব্ৰাহ্মণগণ যত।
ৰাজাবেসে অধিকাৰ ধৰণী সমস্ত ॥
আছে ধৰামাজে যত জীবজন্তু নৰ।
নৃপতিৰ সত্ত্ব সিটো জান নিৰন্তৰ ॥

মোহোৰ চণ্ডাল মৃগ মাৰিবাক আইল।
ক্ষুধাতুৰ হুয়া অন্য দ্ৰব্যক চাহিল॥
শিশুধৰি হুয়া আছে দুৰ্জ্জন প্ৰচণ্ড।
প্ৰজাসমে তাহাক কৰিলা উগ্ৰদণ্ড॥
প্ৰাৰ্থকক হেন দণ্ড কমনে কৰয়।
চাহা তোমাৰাৰ দোষ হয় কি নহয়॥
যদি মোৰ পুত্ৰে আচৰিলে দ্ৰোহ যত।
তাৰ প্ৰায়শ্চিত্ত যত বিহিলা সমস্ত॥
অকাৰণে প্ৰজা সকলক কৈলা নাশ।
ব্ৰাহ্মণেসে ৰাক্ষস সবাকে কেনে খাস॥
সুহিকা বৈষ্ণব তোৰা কপটী সকল।
মিছামাত্ৰ তপ ব্ৰত কৰস কেবল॥
বিপ্ৰ বৈষ্ণবৰ হেন ক্ৰোধ প্ৰতীকাৰ।
কোন শাস্ত্ৰে কহে তোৰা কহিয়োক সাৰ॥
ক্ষত্ৰিয় ৰাজাৰ কৰ্ম্ম মাৰণ কাটন।
বিপ্ৰহুয়া হেন কৰ্ম্ম কৰ কিকাৰণ॥
ৰাজাৰ হেনয় কটু খৰতৰ বাণী।
মহাঋষি অগস্তিয়ে আছিলেক শুনি॥
সম্ভৱি অযুত মুনি অঠৰ হাজাৰ।
দিব্য ব্ৰহ্মসভাখান দেখি চমৎকাৰ॥

ব্ৰহ্মসভা মাজে যেন ব্ৰহ্মা প্ৰজাপতি ।
ঋষি সমাজত তেন ৰাউল অগস্তি ॥
ৰাজবাক্য শুনি আনো যত মুনিগণ ।
মৌনহুয়া আছে কিছু নুবুলি বচন ॥
কঠোৰ বচনে সবে জিম পড়ি গৈল ।
পাছে অগস্তিয়ে তাঙ্ক মাতিবাক লৈল ॥
শুনৰে ৰাজন্য মুৰ্খ দুৰ্জ্জনৰ তাত ।
মিছাত লপস দিয়া দোষ আমাসাত ॥
তোহাৰ তনয় সিটো অতি ক্ৰুৰ জন ।
বিষ্ণু বৈষ্ণৱৰ কৰি পৰম দোষণ ॥
অধোগতি ভৈল সিটো আপোন দোষত
সংসৰ্গ দোষত নাশ ভৈল প্ৰজা যত ॥
তাক লাগি তই কেনে কৰ মনকষ্ট ।
আপোনাৰ কলুষে আপুনি সিটো নষ্ট ॥
দুৰাচাৰপুত্ৰ হোৱে যাহাৰ বংশত ।
স্বৰ্গহন্তে পিতৃকো পেলাৱে নৰকত ॥
তোৰ ইটো কুলাঙ্গাৰ কুৎসিত তনয় ।
কুলধৰ্ম্ম যশ সবে কৰিলেক ক্ষয় ॥
খেদ পৰিহৰি ৰাজা গৃহে গতিকৰ ।
ঘোৰ অহঙ্কাৰ কৰি মিছাত নমৰ ॥

যিবুলিলি সকলে ৰাজাৰ অধিকাৰ।
পাষণ্ড বচন ইটো ৰটিলিহি চাৰ ॥
বিষ্ণুভকতৰ কোন অধিকাৰী আছে।
চক্রধৰি শ্রীহৰি ফুৰন্ত পাছে পাছে ॥
ৰাজাবোলাই ফুৰে আপোনাক বড়মানি।
কোন দিনা ধৰে কালে নির্ণয় নাজানি ॥
কালবাঘে ধৰিয়া ক্ষণিকে নাশ কৰে।
দান্ত নিকোটায়া সিটো আপুনিসে মৰে ॥
হৰিভকতত বিনে বড় আন নায়।
কালযমে থাকে জানা ভক্তক ডৰায়
হেনজানি ৰাজা তই শুনিয়ো উপায়।
আপোন ঘৰত থাক ৰাজ্য ভোগথায় ॥
ধন জন পুত্র ভার্য্যা সকলে নশ্বৰ।
তাক মোৰ মোৰ বুলি মিছাত নমৰ ॥
ঋষিৰ বচন হেন শুনি ক্রুৰজন।
গর্জ্জিবে লাগিলা ক্রোধে অন্ধহুয়া মন ॥
কালে যাক উপহাস কৰিলেক যায়।
ভক্তৰ বচন সিটো থাৰতো নাথায় ॥
অগস্তিৰ বাক্য যত উপলজ্যা কৰিল।
গর্ব্বকৰি বাক্য পাছে বুলিবে লাগিল ॥

শুন অবে অগস্তি ব্ৰাহ্মণ অম্লজন ।
ভকতৰ অধিকাৰ নোহে ৰাজ গণ ॥
হেন কথা মোহোক বুঝাস তই কিক ।
ৰাজাত কৰিয়া কহ ভক্তক অধিক ॥
তই সবাহাকে আজি নিবো নিজঠাই ।
কেনমতে ৰহদেখোঁ ডাঙ্গৰ বোলাই ॥
দুষ্টদ্বিজকুল আজি জলত ডুবাইবোঁ ।
তেবে তনয়ৰ কিছু প্ৰতিকাৰ পাইবোঁ ॥
গালৱ বদতি তাৰ মৃত্যু আসি পাইল ।
সৈন্য সমস্তক ধৰিবাক আদেশিল ॥
বড় বড় ব্ৰাহ্মণ সবক ধৰি আন ।
জলত ডবায়া থৈয়ো ছাৰি যাউঁকপ্ৰাণ ॥
খৰতৰ বাক্যবোলে ক্ৰোধ হয়া অতি ॥
দেখি ঋষি সকলৰ সঙ্কুচিত মতি ॥
মৰিবাৰ বেলা দুৰাচাৰে গেড়িপাৰে ।
দেখিয়া অগস্তি ঋষি চাহি আছে ঠাবে ॥
কমণ্ডলু জলচুই আচাম্ভ কৰিলা ।
প্ৰকোপিত ঋষি পাছে মাতিবে লাগিলা ॥
দুৰ্জ্জন অধম হেন কৰস অন্যায় ।
ঋষি সমুহক দুঃখ দেহ কিক লায় ।

তোৰ যত হয় হস্তী প্ৰজা নিৰন্তৰ।
মোৰ বজ্ৰবাক্যে সবে হুয়োক পাথৰ ॥
তয়ো শিলা হুয়া পড়ি থাক এহি স্থানে।
হেন কৰ্ম্ম বিপ্ৰক নকৰে যেন আনে ॥
গালব বদতি কথা শুনা পাণ্ডু ভাই।
আপোনাৰ পাপে পাপী অধোগতি যাই ॥
ঘোৰ শাপ শুনি সিটো ভয়ে তৰসিল।
দণ্ডৱত হুয়া ঋষি আগত পড়িল ॥
কাম্পে তৰতৰি আতি স্থিৰ নোহে কায়।
সমূলি বুড়িলো আজি তোমাক জোঙ্কায় ॥
সমস্তে বিনাশ ভৈল তযু অগনিত।
হে গুৰুবাপ মোক কৰিয়ো নিষ্কৃত ॥
তুমি সব ঋষিক কৰিলোঁ অপকাৰ।
অমোচন মহাপাপ সিজিল আমাৰ ॥
হে গুৰুদেৱ মই কৰোহোঁ কাতৰ।
কৰিয়োক কৃপা দাস ভৈলো চৰণৰ ॥
পৰম দুৰ্জ্জন আমি অহঙ্কাৰী জন।
তোমৰাৰ মহিমা নজানো বিচক্ষণ ॥
বৈষ্ণৱক হিংসিলে অল্পতে পাই ফল।
তোমাসাক দ্বেষকৰি যাও ৰসাতল ॥

এহিমতে ঋষিৰ আগত পৰি আছে।
অল্প হাসি মুনিবৰে মাতিলন্ত পাছে॥
অধম ক্ষত্রিয় জাতি অহঙ্কাৰী ঘোৰ।
মহা গৰ্ব্বে অপকাৰ আচৰিলে মোৰ॥
ৰাজ্যগৰ্ব্বে সন্ত ভকতক নমানস।
মহন্তৰ অধিকাৰী হৈবাক খোজস॥
যেন কোনে নকৰে সাধুক অপকাৰ।
তোৰ এহি প্ৰায়শ্চিত্ত জানিবিহি সাৰ।
শুন অৰে নৰাধম নৃপতি মুগুঢ়
মৰণ বেলাত তোৰ বুদ্ধি ভৈল শুদ্ধ॥
কিন্তু ব্ৰহ্মশাপ আক খণ্ডিবে নপাৰি।
শাপ অন্ত কহোঁ তাক শুন অহঙ্কাৰী॥
সাতযুগ অবসানে দ্বাপৰ শেষত।
হুইবে অবতাৰ হৰি যাদৱ বংশত॥
হৰিবন্ত ধৰণীৰ মহাভাৰ চয়।
দুষ্ট দৈত্য দানবৰ কৰিবন্ত লয়॥
হেন হৰিচৰণ পৰশ লভি ঐত
পাইবি মহাগতি মই কৰিলো নিশ্চিত
প্ৰজাসবো মুকুত হুইবেক সিটোকাল।
ক্ষেত্ৰৰ মাজক আৰে চল মহীপাল॥

হেন শুনি নৃপবৰ বেগে চলিগৈলা।
ঘোৰ ব্ৰহ্মশাপ আসি তেখনে মিলিলা॥
পৰ্ব্বত সমান সিটো শিলা এক ভৈল।
ধনু বান হয় হস্তী সিয়ো নাশ গৈল॥
তাহাৰ লগৰ যত পিম্পৰা পৰ্য্যন্ত।
পাথৰ স্বৰূপ হুয়া তথা ৰহিলন্ত॥
দেখা পাণ্ডুসুত কেনে দ্ৰোহ বৈষ্ণবৰ।
কোনে এড়াইবাক পাৰে পাপ গুৰুতৰ॥
পুতেকো দানৱ ভৈল বাপো ভৈল শিল।
সকলে প্ৰজাক দুই গোটে বিনাশিল॥
অল্প পাপী সঙ্গে পাপী হোৱয় বহুত।
চিৰকালো সিটো সব নোহয় মুকুত॥
প্ৰজায়ে সহিতে কৰ্ণদত্ত শিলা ভৈলা।
তাৰ যত ৰাজ্যশ্ৰী সবে অস্ত গৈলা॥
পুত্ৰৰ প্ৰসঙ্গে নষ্ট ভৈল মহীপতি।
দুষ্ট পুত্ৰ ভৈলে হেন হোয়ে বিসঙ্গতি॥
যাহাৰ কুলত এক হোৱে পাপকাৰী।
সকলে বংশক সিটো কৰে অনাচাৰী॥
ধুম্ৰাক্ষৰ ভাৰ্য্যা সব মাতৃসবে যাই।
সেহিভাৱে সবেয়ো ৰহিল সিটো ঠাই॥

ধৰিলা স্লেছৰ চিহ্ন পাষণ্ড আচাৰ।
জাতিধৰ্ম্ম এড়ি সবে ভৈলা একাকাৰ॥
মহাপৰাক্ৰমী দৈত্য ত্ৰিভূবনে গণি।
শত্ৰুগণ যেন তাৰ তুলাত অগনি॥
এতেকেসে বোলো প্ৰতি প্ৰতি তোমাসা৷
পৰম দুৰ্গম সিটো দিশ নযাইবাক॥
ধৰ্ম্মপক্ষিগণে বোলে শুনা মুনিসন্ত।
এহি কহি মৌন ভৈলা গালব মহন্ত॥
অৰ্জ্জুনে মাতিয়া বোলে শুনিয়ো আতাই
আমিয়ো চাহিবে খোঁজো দানবক যাই॥
ভীমে বোলে সেহি দিশে চলি যাইবো অ
বল বুদ্ধি ভাৱ কাৰ্য্য বিচাৰিবো তাৰ॥
মাদ্ৰসুত দুইহানবো হেনয় আশয়।
ধৰ্ম্মনৃপতিৰ মনে মিলিল সংশয়॥
বোলন্ত শুনিয়ো বাপু মোৰ চাৰি ভাই।
ঋষি হাক দিছে আমি নযাইবো সিঠাই॥
একে বধাসুৰক সুমৰি দহে প্ৰাণ।
ভালে এড়াইলোহোঁ মুনি অগস্তি নিদান।
হেন জানি বাপু সব কহোঁ সাৰতৰ।
নবাধিবা বাক্যক গালব মহন্তৰ॥

শুনিয়া গালবে বোলে আমাৰ আশয়।
তথাক চলিলে জানো প্ৰমাদ মিলয়॥
এতেকেসে বোলোঁ। তোৰা সবক বচন।
কিন্তু মহাক্ষেত্ৰ সিটো স্থান বিতোপন॥
যেহি লাগে কৰা বাপু তোৰা পাঞ্চ জনে।
এহি কহি মৌন ভৈলা ঋষি সেই থানে॥
পক্ষিগণে বোলন্ত জৈমিনি মুনিবৰ।
ঈশ্বৰৰ ইচ্ছাক বাধিবে কোন নৰ॥
ভূমি ভাৰ গুচাইবেক পাণ্ডবে বনত।
ঈশ্বৰৰ ইচ্ছা হেন আছয় মনত॥
তাক বাধিবাক জানা কমনে পাৰয়।
চাৰিয়ো পাণ্ডবে মনে কৰিলা নিশ্চয়॥
নৃপতিৰ মনে আগে সংশয় আছিল।
তীৰ্থৰ কাহিনী শুনি মন বিহৰিল॥
মনে ভাবে তীৰ্থক লাগয় দেখিবাক।
চাৰি ভাইক চাহি হেন বুলিলেক বাক॥
শুনা সৰ্ব্বজন পুণ্য ভাৰতৰ কথা।
তৰিবা সংসাৰ ভয় নাহিকে অন্যথা॥
ইহলোকে ভুকুতি অন্তিমে মোক্ষপদ।
হৰি হৰি বোলা সবে খণ্ডোক বিপদ॥

ঢুলড়ি ।

শুনা বীৰ চাৰি, আমাৰ আশয়,
যাইবাক মনো সুধাই ।
তথাপিতো সিটো, ক্ষেত্রৰ মহিমা,
শুনি যাইবে ইচ্ছা যাই ॥
দেখা মুনিবৰ, ইচ্ছা ঈশ্বৰৰ,
কোনে বাধিবাক পাৰি ।
হৃদয়ে প্ৰকাশি, চলাৰম্ভ হৰি,
পাণ্ডৱৰ ভ্রাতৃ চাৰি ॥
ৰাজাৰ বচন, শুনি বীৰবৰ,
ধনঞ্জয়ে মাতিলন্ত ।
কুলাচল বীৰ, আমিয়ো চাহিবোঁ,
কিমানৰ শক্তি মন্ত ॥
ভীমে বোলে দদা' শুনা মহীপাল,
বিদায় লৈয়ো মুনিত ।
কত দিনমানে, পাইবোহোঁ চলিয়া,
ক্ষীৰবন মনোনীত ॥
দুঃখ পাইবে প্ৰতি, উল্লাসিত চিত্ত,
দেহা অতি উজ্বাৰল ।

ঋষিত মেলানী, মাগিয় প্ৰভাতে,
উঠিলা সাজি সকল ॥
ঋষিক প্ৰণামি, পাণ্ডুৰ নন্দন,
বজাইলন্ত যাত্ৰা কৰি ·
আগে চলে ভীম, পাছে তিনি ভাই,
মধ্যে চলে বৰনাৰী ॥
উত্তৰৰ পথ, ধৰি চলি যান্ত,
এড়াই গুহা গিৰিচয় ॥
কতিপয় মাসে, পাইলা যাই পাছে,
কুলাচলৰ আলয় ॥
কিশোৰ বনত, বাস কৰি ৰৈলা,
দমঘোষ নদীতীৰে।
শ্বেতকেতু মুনি, তথাত আছয়,
গান্ধাৰ গিৰি কাথৰে ॥
গান্ধাৰ গিৰিক, ব্ৰহ্মা আসি থাকে,
মুনিগণ সঙ্গ কৰি।
মহা ৰম্যবন, পৰম গহন,
নাহি যাব সৰিবৰি ॥
সেহি স্থান পায়, পাণ্ডব সকলে,
কৈলা গৃহ বাড়ী ঘাট।

শ্বেতকেতু মুনি, আশ্রমক লাগি,
হোবে দণ্ড চাবি বাট ॥
তাহান সত্রক, চলি গৈলা বাজা;
চাবি ভ্রাতৃ সঙ্গে কবি।
দূবহস্তে মুনি, চাহিয়া আছন্ত,
নজনা ভাবক ধবি ॥
পবম সুন্দব, পাঙ্কোটা পুরুষ,
সঙ্গে দিব্যনাবী এক।
কোনবা আশয়ে, আসে মোব ঠাই,
নজানোঁ আক প্রত্যেক ॥
অনন্তবে গৈয়া, বাজা যুধিষ্ঠিব,
তাহান পাইলা গুচব।
যেন ভূমি ফাটি, উদিত হুই আছে,
দেবদেব মহেশ্বব ॥
শুক্লময় ছুই, জটা ভয়ঙ্কব;
শ্বেতবর্ণ গোফ ডাঁবি।
কটীত কপীন, নখ সব আছে,
বক্রভাবে ফুবি ফুবি ॥
ঋষিক দেখিয়া, বাজা সঙ্কোচিতে,
সমীপ চাপিলা যাই।

মালা জাপ্য এড়ি; শ্বেতকেতু মুনি;
নিরীক্ষি আছন্ত চাই।
নমো নাৰায়ণ, ভকত তাৰণ;
পূৰ্ণব্ৰহ্ম অবতাৰ ;
হেন কৃষ্ণপাৰ, প্ৰণামি ৰচিলো,
ছুলড়ি ছন্দ পৰাৰ ॥
জানি বুদ্ধজন, ক্ষমিয়ো দোষণ,
আমি নোহোঁ ধীৰমতি ।
আত ন্যূনাধিক, যত কিছু দোষ,
ক্ষমিবে মোৰে যুগুতি ॥
যেন মধুমাক্ষি, নানা ৰস আনি
মধুস্ৰবে এক কৰি।
তাক কোন জনে বাচিয়া আছয়
পান কৰে যত্ন কৰি ॥
ইটো কথা মধু আমি মাক্ষি প্ৰায়
পিয়ো আক কৰ্ণভৰি।
হৰি চৰণত দিয়া এক মন
যায়ো সংসাৰক তৰি ॥
গালৱ সংবাদ কুলাচলবধ
নাহিক আৰ উপায়।

ভণে কবিচন্দ্রে, এড়ি আন কাম,
বোলে সবে রাম রাম ॥ ✻ ॥

পদ।

পক্ষিগণে বোলে শুনা জৈমিনি বর।
যুধিষ্ঠির রাজা গৈয়া চাপিলা ওচর ॥
দেখি শ্বেতকেতু মুনি হরিক স্মরিলা।
কোন তুমি সব বুলি পুচিবে লাগিলা ॥
দিব্যরূপে ভূষিত মনুষ্য চারি জন।
আর জন দেখোঁ মহারাজার লক্ষণ ॥
অযোনি সম্ভবা এই রমণী রতন।
সর্ব্বসুলক্ষণা লক্ষ্মীতুল্যা বিত্তোপন ॥
ইটো ঘোরবনত ভ্রমিয়া ফুরা কেনি।
দেব কি মনুষ্য একো নির্ণয় নাজানি ॥
বাণ্টকবি কহা আমি ইঁও চিনা জানা।
তোমরা সবক দেখি লাগয় বহনা ॥
ধর্ম্মপক্ষিগণে বোলে শুনিয়ো জৈমিনি।
ঋষির বচন ধর্ম্মরাজে পাছে শুনি ॥
কহিবে লাগিলা সবে পূর্ব্বাপর যত।
ধৃতরাষ্ট্র নামে রাজা হস্তিনা পুরত ॥

তাহান ভাতিজা জানা আমি পঞ্চজন।
পাণ্ডুর স্থলন্ত ভৈলা আমার জনম ॥
দ্রোপদরাজার জীব এহেন্তে দ্রৌপদী।
অগণিত জাত মহাহোমকুণ্ড ভেদি ॥
আমি পাঞ্চ ভাই মাজে এন্তে বরনারী।
বনত ফুরোহোঁ পাছে রাজ্যভার হারি ॥
জ্যেষ্ঠপিতা পুত্র আছে নামে দুর্যোধন।
তেহে লভি আছে আমাসার রাজ্যধন ॥
কুট পাশে আমার সর্ব্বস্ব কাঢ়ি নিল।
পাঞ্চগুটা ভাই আমি বনক খেদিল ॥
মোর নাম যুধিষ্ঠির আন নাম ভীম।
অর্জ্জুন ইহান নাম গুণত অসীম ॥
নকুল সহদেব এহি যবঞ্জ কুমার।
পাঞ্চোজন বনবাসী কহিলোহোঁ সার ॥
তোমাক দেখিবে লাগি পরম কৌতুক।
ভার্য্যাসমে পাঞ্চোভাই আসিলোহোঁ ঐক ॥
হেন শুনি মুনিবরে অল্প হাস্য করি।
বুলিবে লাগিলা বাক্য বিষ্ণু বিষ্ণু স্মরি ॥
কিনো মহা শুভদিন মিলিল আমার।
আশ্রমে লভিলো তোরা সব সন্তসার ॥

থাকা সবে ঐত ইটো তীর্থ শ্রেষ্ঠতব।
আছে আত ঋষি মুনিগণ বহুতব ॥
সাধু সঙ্গে হৈবে হবি কথাব প্রসঙ্গ।
তাত দুঃখ দুব যায় মিলে মন বঙ্গ ॥
কিন্তু এক বচন শুনিয়ো নৃপবব।
আছে অদূবত এক দানব নগব ॥
কুলাচল নাম সিটো অসুবব বাজা।
ত্রিভুবনে অবধ্য সমবে অতি তেজা ॥
পাঞ্চ প্রহবব পথ নগব তাহাব।
তাক তোবাসব মাত্র নযাইবাহা আব ॥
দেবাসুব নব কেহো তাব সম নয়।
কোমল মনুষ্য পাইলে মাবিয়া খায়য় ॥
আব পবা হোবে পথ নব প্রহবব।
ইখানকো মাজে মাজে আসয় বর্ব্বব ॥
কিন্তু আত বল কবিবাক নপাবয়।
আছে ঐত মহা মহা ঋষি সমস্তয় ॥
এতেকেসে থাকিয়ো ইটো স্থানে মহাসুখে।
বনত ফুবিবে কিক লাগে মহা দুঃখে ॥
যুধিষ্ঠিবে বোলে শুনা মুনি মহামতি।
দমঘোষ তীবে আমি কবিছো বসতি ॥

ইচ্ছা হয় নিত্যে আত আয়াযাত কৰি।
কৃষ্ণকথা শুনিবোহোঁ তোমাক সাদৰি॥
শুনি মুনি প্ৰশংসিয়া বুলিলা বচন।
সাধু সাধু তোমৰাৰ সফল জীৱন॥
কৃষ্ণত আছয় যাৰ হেনয় ভকতি।
সিটো নৰ জানা ইহ লোকত সুকৃতি॥
তীৰ্থকো পবিত্ৰ কৰি ফুৰা তোৰাচয়।
বহুপুণ্যে তোমাক দেখিলো নিশ্চয়॥
এহিমতে ঋষি বহু প্ৰশংসা কৰিলা।
আশয় কৰিয়া পাদ্য অৰ্ঘ্য আনি দিলা॥
মান্যপায়া পাণ্ডৱ আসিলা পূৰ্ব্বস্থান।
এহি মতে আছা ৰাজা কতো দিনমান॥
অহা যোৱা কৰি থাকে ঋষিৰ আশ্ৰমে।
তীৰ্থক স্নানিয়া আছা এহি অনুক্ৰমে॥
শুনা পাছ কথা আক জৈমিনি মহন্ত।
কহো যেন মতে তান অপায় ভৈলন্ত॥
যাৰ যেন সমাবস্ত আছয় পূৰ্ব্বৰ।
তাক এড়াইবাক কাৰ শকতি বাপৰ॥
একদিনা পুণ্যপৰ্ব্ব মিলিল আসিয়া।
পাঁচোভাই চলি গৈলা তীৰ্থক লাগিয়া॥

দুই প্ৰহৰৰ পথ চলিয়া গৈলন্ত।
পুষ্প বাড়ী এড়াই জল নিকটে ৰৈলন্ত ॥
নাম মন্ত্ৰ স্মৰি ৰাজা স্নান সন্ধ্যা কৰি।
কৰিলন্ত স্তুতিপাঠ মাধৱক স্মৰি ॥
প্ৰণামো পুণ্ডৰীকাক্ষ লক্ষ্মীকান্ত হৰি।
অপাৰ সাগৰ তৰে যাৰ নাম স্মৰি ॥
যিটো মহা পুৰুষ পবিত্ৰ যাৰ নাম।
ব্ৰহ্মাৰো নমস্য পদ যিটো পূৰ্ণকাম ॥
তেহেন্তে ঈশ্বৰ দৈৱকীত অৱতৰি।
নন্দঘৰে বাঢ়িলা গোপৰ বেশ ধৰি ॥
হেন কৃষ্ণ হোক মোৰ হৃদয়ত থিত।
অবিৰতে ৰৌক তান পদে মোৰ চিত্ত ॥
এহিমনে আনো নানা কৰি স্তুতি নতি।
তীৰ্থস্নান কৰিয়া উঠিলা মহামতি ॥
পাছে চাৰি ভাই স্নান কৰি তীৰ্থ জলে।
বসিলন্ত গৈয়া এক তৰুবৰ তলে ॥
বহয় শীতল বায়ু মন্দ মন্দ গতি।
পুষ্পৰ সুৰভি গন্ধে মন মোহে অতি ॥
মধুমত্ত মধুকৰ উৎসৱে গুঞ্জৰে।
কোকিলৰ কুহু কুহু নাদে মনোহৰে ॥

যুধিষ্ঠিৰে বোলে বাপু শুনা চাৰি বীৰ ।
হেন মনে লয় চাহি ফুৰো তীৰে তীৰ ॥
ইহাতে থাকিল ক্ষুধা তৃষা হোৱে দূৰ ।
চাৰিও কাথৰে ফুৰো হোক মন পূৰ ॥
বদতি নকুল দদা বুলিলাহা ভাল ।
আছে কুলাচল অতি দানব বিশাল ॥
তীৰ্থ বন সমস্তে তাহাৰ অধিকাৰ ।
পৰম বলিষ্ঠ পাপী দন্দুৰ দুৰ্ব্বাৰ ॥
সেহি সমে কিবা জানো লাগয় কন্দল ।
গালৰে কহিছে সিটো দানৱ নিষথল ॥
তাৰ অনুচৰগণ ইহাত ফুৰয় ।
সেহি পাইলে আমাসাৰ মৰণ মিলয় ॥
এতেকেসে মোৰ মনে যাইবে ইচ্ছা নাই ।
ভীমে মাতিলন্ত পাছে নকুলক চাই ॥
বোলোঁ মোৰ বাণী আৰে শুনিয়ো ৰপাই ।
যিবা হুইবে হোৱে সিটো ঈশ্বৰ ইচ্ছাই ॥
যি কহিলা নোহে সিটো যুগুত বচন ।
ক্ষত্রি হুয়া যুদ্ধ ভয় কৰে কোন জন ।
মুহিকয় বীৰ সিটো পুৰুষ নোহয় ।
লোকৰ বীৰত্ব শুনি যিটো কৰে ভয় ॥

ক্ষত্রি হুয়া মাৰে বা মাৰয় এহি কাম ॥
দুয়ো কথা বথ:নয় ধৰণীৰ মাজ ॥
তুমি যি কহিলা ইটো সামান্যৰ নয়
বলিষ্ঠক ডৰে সিটো লুকায়া ফুৰয় ॥
ধনঞ্জয়ে বোলে দদা বুলিলাহা ভাল।
নকুলৰ বাক্য মোৰ কাণে নোসোমাল ॥
হেনয় বচন বাপু বুলিলি কিসক।
দেহৰ ভয়ত কোনে এড়য় ধৰ্ম্মক ॥
ধৰ্ম্মক কৰন্তে যদি মিলয় মৰণ।
তাহাৰ হোৱয় অভ্যুদয় পুণ্যগণ ॥
দানৱক ভয়ে আমি তীথক নযাইবোঁ।
অৰণ্য মাজত পশি লুকায়া থাকিবোঁ ॥
ঈশ্বৰৰ ইচ্ছা যেহি আছে সেহি হৈবে।
কৰম আৰ্জ্জিত বাপু কমনে বাধিবে ॥
এহিমনে পাঞ্চভাই আলোচ কৰিল।
পূৰ্ব্ব কৰ্ম্মে দৰশিল হৰিষে চলিল ॥
পুষ্পবনচয় সবে তীৰ্থৰ তীৰত।
মাথা চপৰায়া আছে দেখয় সমস্ত ॥
ফুলি ফুলি আছে নানা ৰঙ্গে পুষ্পচয়।
দেখি সিটো শোভা অতি আনন্দ হৃদয় ॥

কণ্টকী শ্রীফল আম জাম নারিকল।
বারহয় মাসত তাত পাই সবে ফল॥
পকি পকি আছে দিব্য দশনৈয়া কল।
ভীমসেনে আনি তাক দমাইলা সকল॥
দেব পিতৃ তর্পিয়া কৃষ্ণক চিন্তি মনে।
ভুঞ্জিলন্ত ফল পাঞ্চো ভাই রঙ্গ মনে॥
পাছে তৈর পথা আন স্থানক লড়িল।
পশ্চিমর পারে গৈয়া উপাগত ভৈল॥
সেহিবেলা তথাতে মিলিল অথান্তর।
কুলাচল দানবর ফুরৈ অনুচর॥
কুলাচল রাক্ষসর আহার কারণ।
কোমল মনুষ্য চাহি ফুরে চরগণ॥
দেবাসুর নরে কাকো নাহি করে শঙ্কা।
মৎস্য যেন ধরিলৈয়া যাই মৎস্যরঙ্কা॥
পাণ্ডবক দেখিয়া আনন্দ অতিশয়।
খল খলি হাসি আরু টকালি পারয়॥
কৈবহন্তে কোমল মনুষ্য আসি ভৈল।
কুলাচল নৃপতির আহার মিলিল॥
দশগোট অনুচর পর্ব্বত সমান।
শাল বৃক্ষসম বাহু কুলা যেন কাণ॥

থুলন্তব মাথা অতি কুরুকুটা কেশ।
মস্য ঘ্রাণে বাস্তি আসে দেখন্তে কুবেশ॥
কিলকিল কবে কিছু মুবুজিয় মাত।
পর্ব্বত সদৃশ বাট ভেটি বৈল তাত॥
বোলে অবে কৈব আইলি মানুষ চন্ডাল
তোমবা সবব আজি মিলিলেক কাল॥
দানব বাজাক নিয়া ধবি বান্ধি দিবোঁ।
নৃপতিব কাছে বব মহিলাক পাইবোঁ॥
এহিবুলি ধবিবাক আক্রান্ত কবিলা।
বহ বুলি ভীমে এক বৃশক ধবিলা॥
আজোব মাবিয়া তাক উভাবিয়া তুলি।
কোবাইবে লাগিলা মহাবেগে হু বুলি॥
এক এক কোবে মাবিলেক দশজন।
দেখি পাঞ্চ পাণ্ডবব ভৈল বঙ্গ মন॥
দশ দানবক পাছে মাবি সেই ঠাই।
আৰু কিছু কৃবিলেক সবোধব চাই॥
অনন্তবে উলটি আসিল নিজ স্থান।
দ্রৌপদীত সবে কথা কৈলা বিদ্যমান॥
এহিমতে কতদিন আছা মহাবাই।
দানবব চবিয়া ফুবয় ঠাই ঠাই॥

ঋষিগণ বাজে যত মনুষ্য পাৱয়।
ধৰি নিয়া দিয়ে সবে ৰাজায়ে খাৱয় ॥
একদিনা নকুল সহদেৱ দুই ভাই।
মৃগ মাৰি ফুৰে কৌৰবনত সোমাই ॥
চাৰিগোটা দানবক তথাতে দেখিল।
সন্নিত চাপিয়া তাৰা পুছিবে লাগিল ॥
কোন তোৰা দুই জন নৰতে উত্তম।
কিহেতু ফুৰাহা ইটো কানন দুৰ্গম ॥
ইভিতি সিভিতি হোৱে সতৰ দিনৰ।
কুলাচল নৃপতিৰ ৰাজ্য নিৰন্তৰ ॥
কৈৰ পৰা আসি তোৰা ইহাত পশিলা।
অনুচৰ দানৱক তোৰা কি মাৰিলা ॥
জাতি জন্ম তোমবাৰ কৈয়ো নাম গ্ৰাম।
হেন নৰ নৌউ দেখো জগতে উপাম ॥
হেন শুনি সহদেৱে দিলন্ত উত্তৰ।
শুন কহো চাৰি দানৱৰ অনুচৰ ॥
পাণ্ডু নৃপতিৰ পুত্ৰ ৰাজা যুধিষ্ঠিৰ।
তান ভ্ৰাতৃ হওঁ আমি চাৰি মহাবীৰ ॥
সহদেৱ নাম মোৰ নকুল ইহান।
ভীম ধনঞ্জয় আমাথেৰ জ্যেষ্ঠ জান ॥

যুধিষ্ঠিৰ ৰাজা সবাহাতে শ্ৰেষ্ঠতৰ।
তীৰ্থ স্নান কৰি আমি ফুৰো নিৰন্তৰ॥
ভীমক জোঙ্কায়া দশ দানৱ চৰিয়া।
আপোনাৰ দোষে সিটো গৈলেক মৰিয়া॥
এহি শুনি চাৰি জনে পায়া কিছু ভয়।
বোলে দশ জনক মাৰিল এহি চয়॥
কৈৰ বা মনুষ্য ইটো কৈক লাগি যাইব।
জোঙ্কাইলে আমাক মাৰি যমক দেখাইব।
এতেকে ইহাক মাতিবাক নলাগয়।
মানুষৰ বেশে কিবা দেৱ আসিচয়॥
বিষম মনুষ্য জাতি বৈৰী দানৱৰ।
ইহাক জোঙ্কাইলে মিলিবেক আথান্তৰ॥
এহি শুনি কিছু আৰু নুবুলি বচন।
শীঘ্ৰ কৰি চলিয়া গৈলেক চাৰিজন॥
জাহ্নৱ নদীৰ তীৰে পাতিয়া নগৰ।
কুম্ভবাট নামে আছে সেনাপতি বৰ॥
অনেক দানৱ সেনা তাৰ লগে আছে।
দেৱ নাগ নৰ তৃণ প্ৰায় তাৰ কাছে॥
চাৰি চৰে তান আগে সবে কথা কৈল।
শুনা সেনাপতি কাৰ্য্য অপায় মিলিল॥

কৈবৰা মনুষ্য পশি বনৰ ভিতৰ।
বধিলন্ত দহ দানৱৰ অনুচৰ॥
পাণ্ডুৰ তনয় যুধিষ্ঠিৰ নাম তাৰ।
আৰু চাৰি ভ্ৰাতৃ আছে বড় বলিয়াৰ॥
বনত ফুৰয় সিটো তীৰ্থ স্নান কৰি।
আমাকো মাৰিল হন্তে আসিলো সাদৰি॥
হেন শুনি কুঞ্চবাট দানৱ দুৰ্ব্বাৰ।
ক্ৰোধে অঙ্গ হুয়া গৰ্জ্জি বোলে বাৰে বাৰ॥
শুন সেনাগণ কাৰ্য্য বিঘাত মিলিল।
আমাৰ ৰাজ্যত আসি যমে দেখা দিল॥
এতদিন নুশুনিলো হেন বিসঙ্গতি।
মনুষ্যে দানৱ মাৰে কাহাৰ শকতি॥
দশ গোটা চাৰ সিটো কোনবা কালৰ।
মহা বুদ্ধিমন্ত সবাহাতে শ্ৰেষ্ঠতৰ॥
দেৱতাৰ সেনাপতি বীৰ কাৰ্ত্তিকক।
সম্মুখ সমৰে যিটো সবে ভঙ্গাইলেক
হেন দশ চাৰ মাৰে মানুষ চণ্ডাল।
তাৰ প্ৰতীকাৰ কৰিবাক লাগে ভাল॥
আমি শেদি যাও আসা বিচাৰিয়া চাওঁ।
মায়াবী মনুষ্য তাক কাটি মাৰি থাওঁ॥

তাক যদি বিচাৰিয়া ধৰি নামাবিবো।
দানব ৰাজাৰ আগে কি কথা কহিবো॥
ধৰ্ম্মপক্ষিগণে বোলে শুনা মুনিবৰ।
আলচিয়া দুই বীৰ বজাইল সত্বৰ॥
অসংখ্যাত প্ৰজা লগে খৰ উট যান।
নেউল বানৰ কত পৰ্ব্বত প্ৰমাণ॥
ওলায়া আসিলা সবে কৰি আড়ম্বৰ।
কৰিলেক পূজা গৈয়া মহা ভৈৰবৰ॥
নলৈল ভৈৰবে পূজা দেখিলা সাক্ষাত।
আনো বিঘ্নঙ্গলচয় মিলিল তথাত॥
দেখি দুয়ো সেনাপতি সঙ্কোচিত ভাৱ
নেদেখিয়া শুভ চিহ্ন স্বচ্ছ নোহে গাৱ॥
তথাপি অসংখ্য সৈন্য সব সঙ্গে লৈয়া।
মহাঘোৰ অৰণ্যত প্ৰবেশিল গৈয়া॥
পাত পাত কৰি সবে বিচাৰি ফুৰয়।
ঋষিৰ আশ্ৰম মানে চাহিলা নিশ্চয়॥
দমঘোষ নদী পাৰ হুয়া দৈত্য বল।
তীৰে তীৰে বিচাৰিয়া ফুৰয় কেবল॥
অনন্তৰে ধৰ্ম্ম নৃপতিৰ বাড়ী পায়।
দানৱক. ল তাত পশিলেক যায়॥

ৰাজাৰ বেবন্ধা গৃহ নব খান মান।
তাত পাতি আছে কূটচক্র বিদ্যমান ॥
বসি আছা ধৰ্ম্মৰাজা কৃষ্ণক সুমৰি।
চাৰি বীৰে আছে চাৰি পাশে সেবা কৰি ॥
হেন বেলা দানৱৰ সেনা অসংখ্যাত।
ৰাজাৰ আবাস দেখি পশিলেক তাত ॥
ভাঙ্গি চিঙ্গি লুড়ি পুড়ি খায় নিৰন্তৰ।
আপোনাৰ ভাৱে বটে কুকথা বিস্তৰ ॥
দেখি মহাক্রোধে উঠি বীৰ বৃকোদৰ।
উপাৰি আনিলা এক শাল তৰুবৰ ॥
আগ গোট ভাঙ্গি দুই হাতে তুলি লৈলা।
কালান্তক যম যেন উপস্থিত ভৈলা ॥
বহ বুলি খেদিয়া গৈলেক দ্রুতগতি।
দেখি সবে দানৱৰ হৰাইল সুৰতি ॥
কৈৰ পাপিষ্ঠিয়া বুলি কোবাইবে লাগিলা।
মহাভয় পায়া সবে দানৱ ভাগিলা ॥
কতো হলে জোঙ্গে কতো নদীত পড়িল।
অসংখ্য দানৱ সেনা বিপাকে মৰিল ॥
ভাগিল দানৱ সেনা কাছুটিক এড়ি।
কতো জান দিল সেনাপতি আগে লড়ি ॥

শুনা সেনাপতি কার্য্য মিলিল বিঘাত।
মনুষ্যে মাৰিলে সেনাগণ অসংখ্যাত ॥
দমঘোষ নদীৰ দক্ষিণ কাপৰত
পাতিছে আশ্রম এক অতি মনোগত ॥
গৃহ সব বান্ধি আছে পৰম যতনে।
আমি পশিলোহো তাক চাহিবাক মনে ॥
ওচৰ চাপিবে আমি নপাইলো তাহাৰ।
ডাঙ্গৰ মনুষ্য এক আসি চমৎকাৰ ॥
দাঙ্গধৰি কোবায়া মাৰিল নিৰন্তৰ।
খেদি আসি ধৰিবেক পলায়ো সত্বৰ ॥
আৰু তাৰ ভিতৰত কতবা আছয়।
এক গোটে মাৰিবাক সবাকে পাৰয় ॥
পক্ষিগণে বোলে কথা শুনা মহামতি।
হেন শুনি জিৰবিলা দুয়ো সেনাপতি ॥
পৰম আটোপে কোপে গৰ্জ্জি খেদি যাই
দিনান্তে পাইলেক পাছে পাণ্ডৱৰ ঠাই।
ইপাৰে ৰহিল তাৰা সব সিপাৰত।
চাহিলা সমস্তে তাৰ গৃহ বাড়ী যত ॥
পলাইবেক বুলি আৰু তথা নৰহিলা।
নৃপতিৰ ঘৰ বাড়ী জপ্টায়া ৰহিলা ॥

দেখি রাজা যুধিষ্ঠিৰ বিষাদিত মন।
অৰ্জ্জুনক চাহি হেন বুলিলা বচন ॥
দেখা বাপু ধনঞ্জয় কাৰ্য্য বিসঙ্গতি।
আমাক পাইলেক কুলাচল যে দুৰ্ম্মতি ॥
প্ৰতি প্ৰতি আমাসাক গালবে বান্ধিল।
আমাৰ দুঃখৰ কাযে বাধা নথগুল ॥
পৰম দাৰুণ দৈত্য অজৰ অমৰ।
মহাযোগী অগস্তিৰ পায়া আছে বৰ ॥
ইহাৰ হাতত আমবাৰ মৃত্যু হৈব।
হেন শঙ্কটত আৰে কমনে ৰাখিব ॥
এহি কহি যুধিষ্ঠিৰ ৰাজাৰ বিকল।
হেন শুনি মাতিলন্ত ভীম মহাবল ॥
শুনা দদা দৈবৰ সমান বলী নাই।
একেতিলে কাল অগ্নি দহি কৰে ছাই ॥
আছিলেক বধাসুৰ ত্ৰিভুবনে সাৰ।
যাহাৰ সমান বীৰ বলী নাহি আৰ ॥
সুৰাসুৰে সেনাগণ অবধ্য তাহাৰ।
চাৰি শুটা ভ্ৰাতৃয়ে কৰিলো ছাৰখাৰ ॥
কৃষ্ণৰ কৃপাত দেৱতাৰ বৰ দানে।
তৃণ সম দেখো দৈত্য আছে যত মানে ॥

কোনে বুজিবেক ঈশ্বৰৰ লীলাচয় ।
যাহাৰ লীলাত ব্ৰহ্মা হৰো মোহ হয় ॥
কোনে তৰ্কিবাক পাৰে লীলা ঈশ্বৰৰ ।
কটাক্ষতে নষ্ট হোৱে সুৰাসুৰ নৰ ॥
কোন বস্তু কুলাচল দানৱ দুৰ্জ্জন ।
তাহাক লাগিয়া ভয় নকৰোহো মন ॥
কৰ্ম্মে যেহি আছে তাহা মিলিবেক জানা ।
তাহাৰ কাৰণে দদা কাহাকো নামানা ॥
হেন শুনি ধনঞ্জয়ে দিলেক উত্তৰ ।
ভাল কহিলেক দদা বীৰ বৃকোদৰ ॥
শুভাশুভ জয় পৰাজয়ৰ কাৰণ ।
ঈশ্বৰত পৰে আক কৰৈ কোন জন ॥
যাৰ যিবা হৈবে যৈত কমনে বাধয় ।
আমাৰ লিখিত কোনে কৰিবে নিৰ্ণয় ॥
তিনি বাৰ মৰি মৰি হও উতপন্ন ।
মাৰোঁ কিবা মাৰে কোনে কৰিবে গণন
বিধাতা ঠেকাইলে দানৱৰ সমুহত ।
আমবাৰ মৃত্যু কিবা সেহি হবে হত ॥
কোনজনে আক কৰিবাক পৰিমিত ।
হেন জানি নৰবাই থিৰকৰা চিত্ত ॥

শুনি ধর্ম্মরাজা হুনাই দিলন্ত উত্তর।
ভাল কহিলাহা ধনঞ্জয় বীরবর॥
তথাপিতো কালক করিয়া বিমরিষ।
ফুরিবাক লাগি কার্য্য নুহি বিষদৃশ॥
কাল গুণি ফুরিলাত নিমিলে অপাই।
দুস্ফূস্ত জনক যেন বিঘিনিয়ে পাই॥
হেন শুনি সহদেবে বোলন্ত বচন।
আপুনি কহিছা দদা পুর্ব্বর কারণ॥
রঘুবংশে হৈয়াছিল রাম অবতার।
বনত ফুরন্তে তান যেনয় ব্যাপার॥
আপুনি ঈশ্বর নররূপে অবতার।
তথাপি বনত বড় বিঘিনি অপার॥
রাক্ষস দানব যত বধিলেক রামে।
তহিতে সীতাক হরি নিলেক রাবণে॥
অনেক যতনে পাছে সীতাক পাইলন্ত।
বনবাস দুঃখক লোকক দেখাইলন্ত॥
স্বরূপত আপুনিয়ে বিষ্ণির ঈশ্বর।
দেখাইলন্ত দুঃখসব মনুষ্য সবর॥
আমি পুনু ক্ষুদ্রজীব মনুষ্য শরীর।
পদ্মপত্র নীর যেন নুহিকয় থির॥

আমবাৰ দুঃখশ্রম কি কহিবে লাগে।
মহাকাল বাঘ দেখা ফুৰে আগে আগে ॥
বৈশম্পায়ন বোলে পৰীক্ষিতৰ তনয়।
সহদেৱে কৈলা মহা ধৰ্ম্মৰ নিৰ্ণয় ॥
তাক শুনি কুন্তীসুতে নিজমে ৰহিল।
সেহিকথা চাবি পক্ষী মুনিত কহিল ॥
অনন্তৰে দানৱ সমুহে ৰুলি দিল।
ধৰধৰ মাৰমাৰ বোলেক উঠিল ॥
ৰাজাসমে চাবি বীৰ দ্ৰোপদ জিয়াৰী।
চমকি ৰহিলা মনে একোৱে নাচৰি ॥
অৰ্জ্জুনে বোলন্ত দদা কিবা চাহা আৰ।
মিলিল সমৰ ঘোৰ দানৱ দুৰ্ব্বাৰ ॥
এহি বুলি আগে বেগে উঠি ধনঞ্জয়।
ধৰিলা গাণ্ডিৱ ধনু ক্ৰোধে অতিশয় ॥
দিব্যশৰ লৈয়া ধনু টঙ্কাৰ কৰিলা।
দানৱ গণৰ মহা চমক লাগিলা ॥
দুইপৰ মানে বেলা বাহিয়া গৈলেক।
ৰাজাক প্ৰণামি চাৰি বীৰে ৰজাইলেক ॥
অনন্তৰে দেখিলেক দানৱ বহুত।
অৰ্জ্জুনক মাতিয়া বোলন্ত বায়ুসুত ॥

দেখ বাপু চারিপাশে দানবে জন্টাই।
ঝাণ্ট করি চারি পারে চলো চারি ভাই॥
ভীমর বচনে সবে ক্রোধ গুরুতর।
তিনি বীরে প্রহারিলা শর নিরন্তর॥
কারো উরু কটিস্কন্ধ নাকটি কাটিল।
আধাকটা মানে কটো নদীত পড়িল॥
দমঘোষ নদীখান রুধিরর নয়।
শর সব পড়ি শোত বহুত উতয়॥
তিনি বীরে শরহানি কাটিলা বিমান।
গুণ্ডি পিল্পবার দল উতে সেহিমান॥
পাছে বৃকোদরে গদাধরি ঝাম্প দিল।
যেহেন গোরালে তাল কোবাইবে লাগিল॥
অস্ত্র শস্ত্র হারিবার শকতি নভৈল।
হাড় থাড় ভাগি সবে থরথরে গৈল॥
কতো ভয়ে ঝাম্পদিয়া নদীত পড়য়।
ঢোকাচোকে পানীখায়া ধরিয়া উঠয়॥
যেন বাঁজি উঠে ঘোর বারিষা কালত।
ঢাকিলেক নদী দুই প্রহরর পথ॥
মারিলে দানর সেনা পালে বহুমান।
সিপারক গৈলা কতো সেনাপতি খান॥

হাইঙ্কুই কৰি কহে থিৰক নজাই।
মাতিবে নোৱাৰে মুখে বচন নোলাই ॥
আদেশিয়ো সেনাপতি পলাইলেসে ভাল।
মূৰ্চ্ছিধৰি আসি অছে চাৰি গোটা কাল ॥
দানৱৰ সেনা মাজে নির্ঘাত পড়িল।
গোটেকো নেৰাইল সবে দানৱ মৰিল ॥
তৃতয় অর্ব্বুদ সেনা তোৰা দুহস্তৰ।
মিছায়ে মৰিয়া চলিলেক যমঘৰ ॥
কতো গুটী বীৰ লৈয়া আছা ইথানত।
তোমাৰো খেমাল্মী মানে ভাঙ্গিব সমস্ত ॥
হেন শুনি সেনপতি ক্ৰোধত বোলয়।
হাঁয়ুৰে লাড়ি কা কেনে বচন বটস ॥
কিসক মাৰিলে আমবাৰ সৈন্যমত।
কোন মণ্ডকিনীৰ পিটো পুত্ৰ কেনেমত ॥
পক্ষিগণে বোলে শুনিয়োক-মুনিবৰ।
ভয়ে পৰ্ব্বত খসি-শৈল হুলো দানবৰ ॥
বাত বাত-প্ৰবীৰৰ লোম শিহৰয়।
ক্ৰোধৰ বেগত-কেন আগনি উঠয় ॥
মনে মনে-গুণি হুলো কৰে আলোচন।
আমৰা সবৰো পাছে মিলিবে মৰণ ॥

কিবা হৰ কিবা ব্ৰহ্মা কিবা পুৰন্দৰ।
কোন মূৰ্ত্তি ধৰি আছে আকৃতি সুন্দৰ ॥
কুঞ্জৰাটে বোলে ওবা শুনা সেনাপতি।
নিশ্চয়ে জানিবা ভৈল মৰণৰ জীতি ॥
কোন দেৱে মূৰ্ত্তিধৰি আসিয়া আছয়।
মাৰিলেক সৈন্যসব লগাইলেক ভয় ॥
যিহোক সিহোক তভো কৰিবো সমৰ।
এহি বুলি ধাইলা সবে কৰি খৰতৰ ॥
ধনুবাণ শেল শূল ধৰি নিকলিল।
অসংখ্য দানৱ বীৰ লগত চলিল ॥
দেখি চাৰি বীৰে দনুজৰ লাহাৰিক।
আগ বাঢ়ি গৈলা ক্ৰোধ কৰিয়া অধিক ॥
খেদিযাই সহিত চাপিলা চাৰি জন।
দেখি জম্বু সেনাপতি বুলিলা বচন ॥
কোন তুমি সব কৈৱা আমাৰ বনত
হেনমতে সৈন্যসব মাৰা কেনেমত ॥
বাণ্টকৰি চিনা কন্যা আমাক দিয়োক
ৰাজাৰ আগত গৈয়া কহিবাক হোক ॥
নকুলে বোলয় দাদা দেখিয়োক তাক।
কুলাচল হেন আগে জানিছিলো তাক ॥

মুহি দিচো গোট ইটো মন্ত্রীসে তাহাব।
কেমে চমৎকাব দেখা মহন্ত দুর্ব্বাব ॥
নেউলব জান আরু গোট শূকবব।
দুই গোট জন্তু যেন পর্ব্বত মন্দব ॥
অতি সত্যকালব যতেক পশুচয়।
বৃহন্ত শবীব সেহিমতে বহিচয় ॥
দেখিয়ো অদ্ভুব কেনে বৃহন্ত শবীব।
অলঙ্কাবে প্রকাশিত কর্ণ কব শিব ॥
এহিকহি চাবিবীবে ওচব চাপিল।
অনন্তবে কুরুবাটে বচন বুলিল ॥
কেনে তুমি সবে হেন কর্ম্ম আচবিলা।
অসংখ্য হাজাব সৈন্ত কিসক মাবিলা ॥
কেনে হেন অন্যায় কবাহা ইটো ঠাই।
কুলাচল বাজাক কিঞ্চিতো শঙ্কা নাই ॥
অর্জ্জুনে বোলন্ত তান কাহলি কাবণ।
নৌতি শুন মহাবাজা পাণ্ডুব নন্দন ॥
তাহাব সে ভ্রাতৃ আমি দেখ চাবিজন।
সবাহাতে বব এন্তে নাম ভীম সেন ॥
মোব নাম ধনঞ্জয় জানিবি নিশ্চয়।
নকুল সহদেব দুয়ো বীবতে অজয় ॥

হেন শুনি খড়্গে দুয়ো মাতে গর্জ্জ করি।
মানুষ শকতি হেন কর্ম্ম আছ করি॥
মরিবাক প্রতি কিছু ভয় নকরিলি।
আপোনর অনুতাপ আপুনি চিন্তিলি॥
শুন অরে মানুষিয়া চৈতন্য আচার।
কেন হেন মতে মার সৈন্য আমাসার॥
আজি তোমরার মৃত্যু সম্প্রিত চাপিল।
এহি বুলি দুয়ো বীরে শর প্রহারিল॥
দশোদিশ আকাশ ঢাকিল নিরন্তরে।
বারিষা কালত যেন মেঘে বৃষ্টি করে॥
আরু তার লগর যতেক বীরচয়।
সিসবেয়ো মহাঘোর শর বরিষয়॥
ধনঞ্জয়ে বোলে দদা কিবা চাহা আর।
দানব গণক শীঘ্র করা প্রতীকার॥
হেন শুনি ভীমে পাছে ঘোর গদা ধরি।
কোবাইবে লাগিলা মহা সিংহ নাদ করি॥
গদাঘাতে শত শত দানব মরয়॥
তথাপিতো কেহ পাছ ভঙ্গি নকরয়॥
প্রহারে ভীমক শেল শূল শরচয়।
চট চটী করি আসি নিলাগে কুটয়॥

পক্ষীগণে বোলে অবা শুনা মুনি সন্ত।
ভীমৰ মহিমা কোনে কহিবে পাৰন্ত॥
শৰ ঘাৱে সকল শৰীৰে তেজ বয়।
ফুলিল মন্দাৰ যেন দেখি সেহি নয়॥
তথাপিতো তাক গণাগণ নকৰয়।
গদাঘাতে অসংখ্যাত দানৱ মাৰয়॥
হেন বেলা ধনঞ্জয়ে শৰ প্ৰহাৰিলা।
দুনাই সেনাপতি দুইকো নিসন্ধি বিন্ধিলা।
নেউল শূকৰ দুয়ো যানকো ঢাকিল।
তথাপিতো সিটো দুই বীৰ নটলিল॥
অৰ্জ্জুনক প্ৰহাৰয় কুঞ্জৰাট বলী।
প্ৰহাৰ কৰিয়া ৰঙ্গে হাসে খলখলি॥
যতেক হানয় শৰ কুন্তীৰ কুমাৰ।
কিঞ্চিতো নডৰে গণাগণ নাহি তাৰ॥
দেখি অদভুত মনে ধনঞ্জয় বীৰে।
মোৰ শৰে নিশাচৰে কটাক্ষো নকৰে॥
নিৰ্ব্বিষ ভৈলেক মোৰ শৰ যত যত।
নিসন্ধি কুটিল আৰ সকলে গাৱত॥
সবে কেৱতাৰ বাণ তিখাল বিশাল।
তথাপি তাহাৰ দেখো সুকুটৰ চাল॥

তাত মহা বিস্ময় মানিয়া কুন্তী সুত।
দেৱতাৰ শৰ সব হানয় বহুত ॥
সিবেলাত মাদ্রীৰ তনয় দুই বীৰ।
সেনাপতি শৰ ঘাৱে নসহে শৰীৰ ॥
দুহানো বীৰক সিটো যুঝে একেশ্বৰ।
পৰম প্রচণ্ড দুয়ো মাদ্ৰৰ কুমৰ ॥
শূকৰৰ যান তাৰ পৰ্ব্বত প্রমাণ।
দুহানো প্রহাৰে তাৰ বেদনা প্রধান ॥
ঢলো পৰো কৰিসিটো ফোকায় ডেডাই।
গড় গড় কৰৈ যেন ভূমি ফাটি যাই ॥
ধাৰা দণ্ডে তেজ বহি নদীত পৰয়।
তেজে তোল বোল গাৱ দেখে তমোময় ॥
মনে বোলে কিনো ইটো চৰা মানুষৰ।
মোৰ শৰে পড়ি ইটো নযাই যম ঘৰ ॥
এহি বুলি মহা ঘোৰ শৰ বৰিষিল।
নকুল সহদেৱ দুইকো নিসন্ধি কুটিল ॥
নসহে শৰীৰ বিষে দেখে তমোময়।
কৃষ্ণ স্মৰি তথাপিতো শৰ প্রহাৰয় ॥
সহদেৱে বোলে দাদা প্রহাৰিয়ো বাণ ;
শূকৰ গোটৰ আগে ছাৰাৰু পৰাণ ॥

এহি বুলি-গাৰ-বলে ধনুর্ব্বাণ ধৰি।
প্ৰহাৰিলা দিব্যশৰ ছয় লক্ষ কৰি॥
সহিবে নপাৰি দুয়ো বীৰৰ সন্ধান।
চলিয়া পড়িল সিটো পৰ্ব্বত প্ৰমাণ॥
নাকে মুখে ৰুধিৰ চাদিয়া নিৰন্তৰে।
পড়িল শূকৰ্বী গোট ধৰণী ওপৰে॥
লাম্ফ মাৰি দৈত্য গোট ভূমিত পড়িল।
মনত বোলয় মোৰ মৰণ মিলিল॥
এহি বুলি ধনু এড়ি ধৰিলেক শূল।
ইটো দুই মনুষ্যক কৰোহো নির্ম্মূল॥
এহি শূলঘাৱে যেবে মানুষ নমৰে।
তেবে জানিবোহোঁ মই যাইবো যমঘৰে
হানিলেক শূলপাট প্ৰচণ্ড আন্দোলে।
মৰে মাদ্ৰীসুত দুই দেৱগণে বোলে॥
প্ৰলয়ৰ বহ্নি যেন জ্বলে ধমধম।
চন্দ্ৰ সূৰ্য্যগ্ৰহ তেজ পড়িল নিজম॥
হাহাকাৰ কৰে দেৱ বিদ্যাধৰচৰ।
আজি মৰি যায় দুই মাদ্ৰীৰ তনয়॥
শূল হানি খলখলি দানৱে হাসয়।
মৰি মানুষৰ চৰা যা যমালয়॥

নকুল সহদেৱে ঘোৰ শৰ প্ৰহাৰিলা।
তাহাৰ শূলত পড়ি ছাই হুয়া গৈলা ॥
জানিলেক দুই বীৰে মিলিল মৰণ।
ৰাম কৃষ্ণ নাম সুমৰন্ত ঘনে ঘনে ॥
কতো দূৰে দেখিলেক ভীম বহাবলা।
চোট দুই ভাই যমপুৰে যায় চলি ॥
হা কিনো ভৈল বুলি লাম্ফ লাম্ফ কৰি।
ধাই আসিলেক বেগে গদাগোট ধৰি ॥
দেৱ মাৰি মহাচোটে কোবেক দিলেক।
খণ্ড খণ্ড কৰি শূল ভাঙ্গি পাড়িলেক ॥
জয় জয় কৰিলেক সিদ্ধ মুনিগণ।
দুই ভাই পাণ্ডৱৰ ৰহিল জীবন ॥
শুনা আৰু জৈমিনি ভক্তৰ কথাচয়।
হৰিক ভজিলে কোনে মাৰিবে পাৰয় ॥
নকুল সহদেৱ দুই ভকত কৃষ্ণৰ।
তাঙ্ক কি মাৰিবে পাৰে দানব বৰ্ব্বৰ ॥
দেখা বুধজন কেনে ভক্তৰ মহত্ব।
জানি ভক্তি ধৰা প্ৰভু কৃষ্ণচৰণত ॥
ভাৰত ভূষণে কহে ইসে তত্ত্বসাৰ।
বোলা হৰি হৰি বৈকুণ্ঠত ইচ্ছা যাব ॥

ছবি।

পক্ষিগণ নিগদতি শুনা মুনি মহামতি
মহাজন পাণ্ডবৰ কথা।
সহদেব নকুলৰ বৃকোদৰ অৰ্জ্জুনৰ
যেনমত যুদ্ধ ভৈল তথা॥
শূল হানি সেনাপতি চাহি আছে এক চিত্তি
দেখে শূল নাশ ভৈল যায়।
মনত আসুখ কৰি বোলে মোৰ ভৈল মৃত্যু
পৰিঘেক ধৰি যায় ধায়॥
শুন অৰে মানুষীয়া বৰ বীৰ বোলাইলিহি
মোৰ শূল অস্ত্ৰ নাশ কৰি।
পৰিঘৰ প্ৰহাৰত তোৰ প্ৰাণ লৈবোঁ আজি
খানিতেক ৰহ মোৰ বৈৰী॥
আমাৰৰ লোক যত মাৰি আছ বাৰে বাৰ
তাৰ আজি কৰো প্ৰতিকাৰ।
কৈৰ পৰা আসি তই ঠনগণ চাৰি গোটা
আমাৰ চিন্তিবে খোজমাৰ॥
আজি জানো তোৰা চাৰি আমাৰ হাতত পড়ি
যমৰ ঘৰক চলিবেক।

এহি কহি ক্রোধ বেগে পৰিঘ হানিয়া খঙ্গে
চাহি আছে তাহাক প্রত্যক ॥
হেন দেখি বায়ুসুতে গদা ধৰি মহাক্রোধে
আগ বাঢ়ি চাহিয়া আছয় ।
দেখিয়া দানব গোটে মুদগৰ হানিলেক
ভীমৰ মৰণ চিন্তি তয় ॥
হেন দেখি কুন্তীসুতে মনে বিমৰষি বোলে
দানবৰ দেখিয়া অকাজ ।
তুভিতি সঙ্কট আসি মিলিল মোহোৰ লেখোঁ
পৰি জানোঁ যাওঁ যমৰাজ ॥
হেন দেখি[illegible]ো বীৰে শৰ সব প্রহাৰিলা
পৰিঘক দূৰতে ছেদিল ।
দেখিয়া ভীমৰ মনে কিছু মান স্বস্থ হয়া
মুদগৰে কোব এক দিল ॥
গদাৰ কোবত সিটো চূর্ণীকৃত্য হয়া পড়ি
দানবৰ সিঞ্চতি মিলিলা ।
সেহি বেলা ভীম বীৰে গদা গোট তুলি ধৰি
বিস্বাদ শবদে খেদি গৈলা ॥
হুবুলি ক্রোধ কৰি কালান্তক যম যেন
মহা বেগে কোব এক দিল ।

দেখিয়া দানব গোটে মহাবেগে দেব মাব
শত হাতমানে অস্তবিলা ॥
গদা কোবে দানবক নপাইলেক দেখি পাছে
গদা এড়ি বৃক্ষ লৈলা তুলি।
দেখিয়া দানবে পাছে মুষল ধবিয়া ধাইল
আজি মানুষীয়া মাবোঁ বুলি ॥
অনন্তবে দুই হস্তব কোবা কোবি মিলিলেক
চাপ চুপ কবৈ কোলাহাল।
মহাবীব বৃকোদব আটাসেক দিয়া পাছ
তাব মাথে কোবেক বৈসাইল ॥
বৃক্ষব কোপত আব হাব [illegible] গেল
মবিলেক দানব দুর্জ্জন।
মহাবীব বায়ুপুত্রে কৌতুহলে বহিলেক
জয় জয় কবৈ দেবগণ ॥
নমো নমো নাবায়ণ দুঃখ ভয় বিনাশন
ভৃত্য ভয়হাবী সদানন্দ।
পূর্ণব্রহ্ম সনাতন আদিদেব নিবঞ্জন
পুবাণ পুরুষ জগবন্দ্য ॥
হৃদয়ব গুরু তুমি তোমাব কৃপাত আমি
বিবচিলো ইটো পুণ্যকথা।

তন্নুপদ পঙ্কজৰ,   মকৰন্দ মধু পিয়া,
মোৰ মন ৰহোক সৰ্ব্বথা ॥
নৰৰূপে অৱতৰি,   পৃথিবীৰ ভাৰ হৰি,
নন্দ ঘৰে গোধন চৰাই।
তাহান চৰণ দুই,   হৃদয়ত ধৰি মনে,
ৰাম হৰি বুলিয়ো সদাই ॥

পদ।

ধৰ্ম্মপক্ষিগণে বোলে জৈমিনি মহন্ত।
পাণ্ডু পুত্ৰ ভীমে দানৱক বধিলন্ত ॥
তিনি ভাই মিলি তথা ৰহিয়া আছয়।
কতো দূৰে ধনঞ্জয়ে সমৰ কৰয় ॥
ভীমে বোলে অৰ্জ্জুনৰ সঙ্গে চলি যাওঁ।
দানৱ গোটৰ বল পৰাক্ৰম চাওঁ ॥
এহিবুলি তিনিবীৰে তথা চলিলন্ত।
ইন্দ্ৰৰ নন্দনে ঘোৰ সমৰ কৰন্ত ॥
কুঞ্জবাটে তথা তিনিবীৰক দেখিলা।
মহা খৰতৰ কৰি শৰ প্ৰহাৰিলা ॥
নিসন্ধি কৰিয়া অৰ্জ্জুনক ভেদিলেক।
শৰবিষে ধনঞ্জয় বিভ্ৰুতি প্ৰত্যেক ॥

ঢলো পৰো কৰে হাত ভৰি নচলয় ॥
দানৱ গোটৰ মহা উধুতি বাঢ়য় ॥
ভ্ৰাতৃৰ দেখিয়া হেন মৰণ সংশয়।
মহাবাৰ ভীমৰ যে নসহে হৃদয় ॥
যিটো অৰ্জ্জুনৰ শৰে পৰ্ব্বত ভেদয়।
তিথাল বিষাল অতি দেখি লাগৈ ভয় ॥
চুইলে প্ৰাণ হৰে অল্পশত মনুষ্যৰ।
দানৱৰ গাৱত পড়য় হেন শৰ ॥
নকৰয় কাট কুট চুৰ্জ্জন দানৱ।
অৰ্জ্জুন ভৈলন্ত তাত মহা পৰাভৱ ॥
পাছে বৃকোদৰে আগ বাঢ়ি গদাধৰি।
কোবাইবে লাগিলা ঘোৰ চণ্ডনাদ কৰি।
কেণ্ট কেণ্ট কৰি পাক ফুৰে চুৰাচাৰ।
নেউলৰ মাথে দিলা গদাৰ প্ৰহাৰ ॥
শৰ হানিবাৰ সিটো থৰ নপাৰয়।
বৃকোদৰ বীৰে পাকফুৰি কোবাৱয় ॥
ৰবলন্ধ তাহাৰ মৰণ নাহি কয় ॥
পাছে বৃকোদৰকো ভেদিলা শৰচয় ॥
নাকে মুখে ভীমকো হানিলা শৰচয়।
চক্ৰ লাগি গৈলা ভীমসেনৰ হৃদয় ॥

অর্জ্জুনৰ শৰে সিটো কিছু নঘাতিল।
মোকো জলাকলা কৰি নিসন্ধি আসিল॥
নেউল গোটত আগি ভাগিলোহোঁ ৰণে।
আক আৰ বধিবে পাৰিবে কোন জনে॥
এহি বুলি থমকি ৰহিলা বীৰবৰ।
পৰীক্ষীত পুচন্ত কথা জয়মুনিবৰ॥
কাৰ বৰ পাই কুঞ্জৰাট মহাবলী।
গুছক সংশয় মোত কহিয়ো সমুলি॥
তুমি সবে জানা যত পূর্ব্বকথা চয়।
আমাৰ আগত তাক কহিয়ো নিশ্চয়॥
ৰপুস্থতে বোলে কথা শুনিয়ো পৃথ্বীৰ।
যেনে কহিছন্ত মার্কণ্ডেয় মুনিবৰ॥
ভদ্ৰানামে দেবী তাঙ্ক দানৱে পূজিল।
বহু পূজাখাই দেবী তাক দেখা দিল॥
বোলে মোত কিবা খোজ দানৱ নন্দন।
তোত তুষ্ট ভৈলো বৰ লয়ো যেই মন॥
বোলে আই তুমি যদি মোক দিবা বৰ।
নেউলৰ যানে হৈবোঁ অজৰ অমৰ॥
মোক যেন কেহো গোটে মাৰন্তা নোহোক।
আন একো নলাগয় আকে দিয়ো মোক॥

দেবী বোলে খুজিলি তুস্কৰ বৰ তই ।
শুন কুম্ভবাট এক বাক্য বোলো মই ॥
যোনি দ্বাৰে বাজ হুয়া আছে যত লোক ।
সিটো সবে মাৰিবাক নোৱাৰিবে তোক ।
অদ্বাৰে বজাৰে যিটো মনুষ্য কেবল ।
সেহি তোৰ মৃত্যু হৈবে কহিলোঁ সকল ॥
এহি বুলি অন্তৰ্দ্ধান দেবীয়ো ভৈলেক ।
এতেকে বধিবে কেৱে নপাৰে প্ৰত্যেক ॥
নকুল সহদেব দুয়ো পৰম নিপূণ ।
ইহাৰ হৈবেক মৃত্যু জানা তপোধন ॥
বৰ বলে বাঢ়িয়া আছয় কুৰুজন ।
ভীম অৰ্জ্জুনৰ হাতে নিমিলে মৰণ ॥
ই কথা থাকোক পাছে শুনা যেন হয় ।
ভীমৰ শকট বৰ মৰণ মিলয় ॥
দুই বীৰে অন্যো অন্যে কহয় কাহিনী ।
ভীম দদা অৰ্জ্জুনৰ বল ভৈল হানি ॥
হেৰা দেখা তাসম্বাৰ প্ৰাণৰ সংশয় ।
আমি আগ বাঢ়ি তাক যুঝিবে লাগয় ॥
এহি বুলি দুই জনে ধৰি ধনুশৰ
আগক বাঢ়িল ভয়ানক দানৱৰ ॥

খল খলী হাসি পাছে দানৱে বোলয়।
শুন মানুষৰ চৰা নমৰিবি তয় ॥
দুৰ দেখ তোৰ হেৰ পৰে দুই জন।
ভই দুই মৰ আৰে কিসৰ কাৰণ ॥
পালটিয়া চল তেৱে আপোন দেশক।
বৰ দায়া লাগে দুই মনুষ্য বালক ॥
সহদেৱে বোলে অৰে ডৰুৱা কিসক।
আমাৰ শৰত পৰি যাইবি যম লোক ॥
হেন বাণী শুনি তাৰ ক্রোধ গুৰুতৰ।
দুহাঙ্কো হানিল বেগে অসংখ্যাত শৰ ॥
সনাইন্ত ত্রিশূল যেন দেখি লাগৈ ডৰ
উপৰৰ পৰা বেগে হানে ঘোৰ শৰ ॥
বপুস্তুত বদতি শুনিয়ো জয়মুনি।
নকুল সহদেৱ দুই তুলাত অগনি ॥
দানৱৰ শৰ পায়া জ্বলিল অপাৰ।
ঘৃত দানে বহ্নি যেন জ্বলে চমৎকাৰ ॥
কাটন ফুটন শৰ দাৰুণ বিশাল।
মহা বেগে দুয়ো বীৰে হানে পালে পাল ॥
সিৱেলা দুহানো ঘোৰ প্ৰভাৱ প্ৰচণ্ড।
দেৱ গণে বোলে দৈত্য হোৱে খণ্ডভণ্ড ॥

সহদেৱে নেউলক হানিলা দশশৰ।
তিনি পাট ফুটি তাৰ বঝাইল সত্বৰ ॥
আৰু সাত পাট তাৰ গাৱে লুকাদিল।
শৰ বিষে গিৰিষাই বাগৰি পড়িল ॥
কতো দূৰমানে লড়িলেক মহীখণ্ড।
সহদেৱ মহাবীৰ দাৰুণ প্ৰচণ্ড ॥
ডেৱ দিয়া ভূমিত নামিল দুৰাচাৰ।
দেখিয়া নকুলে শৰ কৰিল প্ৰহাৰ ॥
নকুলৰ শৰপাট বাটতে ছেদিল।
দেখি মাদ্ৰীসুতে মহাক্ৰোধত জ্বলিল ॥
ভাল ভাল তিনি পাট লৈলেক নৰাচ।
এক শৰে ধনুৰ কাটিলা গুণ গাচ ॥
আৰু দুই পাট শৰে হৃদয়ে ভেদিলা।
ছোট পায়া দানৱে ক্ৰোধত প্ৰকম্পিলা ॥
ধনুনাশ ভৈল তাৰ ত্ৰিশূল ধৰিল।
নকুলক বোলে তোৰ মৰণ মিলিল ॥
নকুলে বোলয় তই কতেক লপস।
এতিক্ষণে তই কিবা আপুনি মৰস ॥
শুনি দৈত্যে মহাশূল প্ৰহাৰ কৰিল।
ঘোৰ বহ্নি কুণ্ড যেন আকাশে চলিল ॥

দেখি সহদেৱে বৰুণৰ শৰ হানি ।
কাটিলেক শূলপাট নিমাইল অগনি ॥
দেব গণে বোলে সাধু সাধু সহদেৱ ।
তোমাৰ সমান ধনুৰ্ধৰ নাহিকেৱ ॥
নকুলে বোলয় মনে ইহাঙ্ক মাৰিবোঁ ।
মোৰ দুই ভাইৰ আজি মানক সাৰিবোঁ ॥
এহিবুলি দুপাট বাণ বাচি লৈল ।
নাগমুখ বাণ গোট প্ৰহাৰ কৰিলা ॥
এক পাটে শৰে হৃদিশালি ধৰিলেক ।
আৰু গোটে তাৰ স্কন্ধ ছেদিল প্ৰত্যেক ॥
কবন্ধ শৰীৰ তাৰ ভূমিতলে পড়ি ।
নকুলক ধৰিবাক যাই বেগ ধৰি ॥
দুইহাত মেলি জাম্পে ধৰণী কম্পাই ।
হলহল কৰি গলে ৰুধিৰ বজাই ॥
দেখি দেৱাসুৰে সুমৰয় ৰামৰাম ।
কোনো কালে নভু দেখি শুনি হেন কাম ॥
ৰঘাসুৰ ৰণে যত ৰাক্ষস দানৱ ।
সিসবৰ হেন মত নাহি পৰাভৱ ॥
ইটো দানৱৰ কিনো অমৰ শৰীৰ ।
কাটিলেক স্কন্ধ তাৰ মাদ্ৰীসুত বীৰ ॥

হৃদয়ত ঘোৰশৰে ভেদিয়া আছয়।
তথাপিতো উঠি সিটো তাবুকি ফুৰয় ॥
যদি তাৰ হৃদয়ত শৰ নহানয়।
তাহাৰ মহত কোনে সহিবে পাৰয় ॥
নকুলক হাত মেলি পাৰে হেন জানি।
সহদেবে ডাঙ্গি ধৰি ধনু খান টানি ॥
উভট কৰিয়া কঙ্কালত কোবদিল।
আক কোবে গিৰিষাই ভুমিত পড়িল ॥
মৰিল দানৱ গোট ভাৰ দূৰ গৈলা ;
সিদ্ধমুনি বিদ্যাধৰ মহাৰঙ্গ ভৈল।
ভীম ধনঞ্জয় দুই তথাকে আসিলা।
নকুল সহদেব দুইকো সাবটি ধৰিলা ॥
গলাগলি কৰি চলি গৈলা চাৰি ভাই।
গধূলিকা বেলা তথা প্ৰবেশিলা যাই ॥
আদি অন্তে যত কথা নৃপতি পুছিলা।
ধনঞ্জয়ে সবে তাঙ্ক ৰাজাত কহিলা ॥
শুনিয়া ৰাজাৰ মহা হৰিষত মন।
চাৰিয়ো ভ্ৰাতৃক প্ৰশংসিলা ঘনে ঘন ॥
কৃষ্ণকৃষ্ণ স্মৰি ৰাজা তথাতে ৰহিলা।
স্নান সন্ধ্যাকৰি পাছে অন্নক ভুঞ্জিলা।

পাছে সুখে শয়ন কৰিলা চাৰিবীৰ।
দিনাচাৰি মানে ভৈলা নিৰুজ শৰীৰ॥
হেন মতে ৰহিলন্ত চাৰি মহাবীৰ।
চৰিষ শৰীৰ আতি ধৰ্ম্ম নৃপতিৰ॥
পুছে মুনিবৰে পক্ষিগণ কহিয়োক।
পাছে কিকৰিলে সিটো কথা জনায়োক॥
ধূম্ৰাক্ষৰ নাম কেনে কুলাচল ভৈলা।
কোন জনে তাহাৰ হেনয় নাম থৈলা॥
তাহাৰ লোকৰ হেন শকতি মহত্ত্ব।
কেন মতে তাহাক পাণ্ডৱে কৈলা হত॥
সবিশেষে শুনু মই বৈষ্ণৱৰ কথা।
মহন্ত পাণ্ডৱে পাছে কি কৰিলে তথা॥
শুনিতে শুনিতে মোৰ তৃষ্ণা বাঢ়ি যাই।
যেন অমৃতৰ পানে তৃপ্তি নপলাই॥
শুনি চাৰি মহন্তৰ প্ৰেমাকুল মন।
সাধু সাধু মুনি তুমি জানো মহাজন॥
বিষ্ণু বৈষ্ণৱৰ কথা বেদৰ ৰহস্য।
ঈশ্বৰ কৃষ্ণক ইটো সত্য কৰৈ বশ্য॥
মহামুনি দ্বৈপায়নে যিমান কহিলা।
মহামুনি মাৰ্কণ্ডেয় আমাক পঢ়াইলা॥

যামল সংহিলা হংসকাকী বহুতৰ।
পুৰাণ মিশ্রিত আমি জানো পূর্ব্বাপৰ ॥
তোমাত কহিবে পাইলো কত ভাগ্য বলে
পৃথিবীৰ লোকে আক পাইবেক সকলে ॥
ছুইবেক বৈকুণ্ঠ গামী এড়াই দুঃখ ভয়।
আক এক চিত্তে যিটো শ্রবণ কৰয় ॥
ব্ৰহ্মাৰ আগত কৈলা হংস নাৰায়ণে।
তৰিবেক লোক আৰ শ্রবণ কীর্ত্তনে ॥
ইটো কথা দ্বৈপায়ণ মুনি কহিছন্ত।
আক শুনি ভণি লোকে অমৰ হোৱন্ত ॥
পক্ষিগণে বোলে আবে শুনা মুনিবৰ।
যিবেলাত শাপ পাইলা অগস্তি বাউলৰ ॥
কুলশীল জ্ঞান ৰূপ সবে দূৰ গৈল।
এতেকে তাহাৰ নাম কুলাচল ভৈল ॥
শোভন মনুষ্য দানৱৰ বৃত্তি ভৈল।
এহি কার্য্যে তাৰ কুলাচল নাম থৈল ॥
এহিমতে বলে পৰাক্রমে দুৰাচাৰ।
থাণ্ডিৱ স্থানৰ হন্তে বাঝ নোহে আৰ ॥
দিশে দিশে সেনাপতি সব দিয়া চয়।
পৰদল পাইলে সিটো সকলে মাৰয় ॥

তিনি অর্ব্বুদেক সৈন্য সেনাপতি দুই।
পাণ্ডবে মাৰিলা গৈল ভস্মীভূত হুই ॥
অনন্তৰে অবশেষ বীৰ গোট চাৰি।
দিনা দশমানে পাইলা ৰাজাৰ ওৱাৰি ॥
বহল সমাজে উচ্চাসনৰ উপৰে।
বসিয়া আছয় সিটো মহা আড়ম্বৰে ॥
সেহি বেলা ভগনীয়া সেনা বিদ্যমান।
চাৰিটা দানবে যায় কহে সেহি থান ॥
আদেশ নৃপতি সবে কাৰ্য্য বিসঙ্গতি।
মনুষ্যে মাৰিলে তযু দুই সেনাপতি ॥
তাহাৰ লগত বীৰ যতেক আছিল।
তিনি অৰ্ব্বুদেক সেনা নিগুটি মাৰিল ॥
মহা ভয়ানক ৰণ কৰিলেক তথা।
আচল মনুষ্য তাৰ কিকহিবোঁ কথা ॥
যুধিষ্ঠিৰ ৰাজা হন্তু চাৰি ভ্ৰাতৃ তাৰ।
এক গোটা ভীম নাম মহাবলিয়াৰ।
আৰু গোট অৰ্জ্জুন যেখিতে চমৎকাৰ।
নকুল সহদেৱ দুয়ো সম নাহি আৰ ॥
কুম্ভবাট সেনাপতি দুহন্তে মাৰিল।
ডিঙ্গিত কাটিলা সিটো গাণ্ডিৱে যুঝিল ॥

বার্ত্তা কহিবাৰ হেতু পলায়া আসিলো।
যেন লাগে কৰা দেব তোমাত কহিলো॥
হেন শুনি কুলাচল দানব দুৰ্জ্জন।
দণ্ড দুই মানে আছে নুবুলি বচন॥
সবাকো শুনায়া পাছে গৰ্জ্জি বহুতৰ।
আচল মনুষ্য আইলা কোনবা দিশৰ॥
দুই মহা সেনাপতি বলে নাহি সম।
কেন মতে আচল মনুষ্য ভৈলা যম॥
নজানোহোঁ তাক কোন বিধাতা সৃজিল।
মোৰ থানে আসি সিটো সৈন্যক মাৰিল॥
মোহোৰ কথাক সিটো শুনি আছে নায়।
সিকাৰণে দুই সেনাপতি মাৰে পায়॥
হা কুঞ্জবাট সেনাপতি মাজে সাৰ।
যাহাৰ সমান বীৰ বলি নাহি আৰ॥
যম বৰুণক কৰিবাক পাৰৈ হত।
কেনে মৰিলেক অল্প মনুষ্য হাতত॥
অতমান সৈন্য মোৰ মাৰিলে কিসক।
জানো কৈত লাগ পাও সিটো মনুষ্যক॥
কিবা পলাই যাৱে মাৰি মোৰ সেনাচয়।
মোহোক ভয়ত কিবা লাগক নেদয়॥

সবে বন প্ৰদেশত বিচাৰি ফুৰিবোঁ ॥
দুই সেনাপতি মৃত্যু মান্যক সাৰিবোঁ।
কংনাশ দুঃখ বিমল দীৰ্ঘশিৰ।
এহি চাৰি পাত্ৰ তাৰ দুৰ্জ্জয় শৰীৰ ॥
বোলে চাৰিপাত্ৰ শুনা কৰি একমন।
আচল মনুষ্য তাক ধৰি এতিক্ষণ ॥
ভগনীয়া সেনা চাৰি চলোক লগত।
দেখায়োক মনুষ্যৰ থান যেন মত ॥
এহিবুলি আদেশ কৰিয়া দুৰাশয়।
সমাজ ভাঙ্গিয়া ভিতৰক গৈলা তয় ॥
পক্ষিগণে বোলে মুনি শুনা পাছে কথা।
হেন শুনি সৈন্য সবে চলি গৈলা তথা ॥
যথাত আছন্ত পাণ্ডুপুত্ৰ চাৰিবীৰ।
মুনি স্থানে আয়াযাত কৰে যুধিষ্ঠিৰ ॥
আগে পাছে বহি গৈল দিন দশমান।
একদিন কুন্তীসুতে মাতে সেহিথান ॥
বদতি নৃপতি অবা শুনা চাৰি ভাই।
আমি বিমঙ্গল সবে দেখোঁ ইটোঠাই ॥
সোণগুই শাল্মিনী গৃহত বিৰাজয়।
মুখ চাই কেৰুগণে আবাৰ কৰয় ॥

আনো বিমঙ্গল সব দেখো বহুতৰ।
ইটো স্থান এড়ি আসা গুছোহোঁ সত্বৰ॥
আৰু অদ্ভূত বাপু শুনা ভ্ৰাতৃগণ।
যিটো দুই সেনাপতি জপাইলেক ৰণ॥
তিনি অৰ্ব্বুদেক লোক পড়িল ৰণত।
তাৰ জানো সুখে নিদ্ৰা নাসয় মনত॥
কিবা দুই চাৰি দিবসতে দিয়ে ধাৰ।
মিলিবেক ৰণ কুলাচল আমৰাৰ॥
শুনি আছোঁ মহা সিটো দাৰুণ বিশাল।
তাহান সমান বীৰ নাহি একোকাল॥
এতেকেসে বোলো বাপু মোৰ বোলধৰা।
আন স্থানে যাইবে প্ৰতি সবে মন কৰা॥
শুনি বৃকোদৰে হেন বুলিলা বচন।
হেনয় কুবাক্য দদা বোলা কিকাৰণ॥
দানৱক ডৰে আমি কুবিবোঁ পলাই।
ইসব বচন আৰু নোবোলা দুনাই॥
হেন শুনি ধনঞ্জয়ে বুলিলা বচন।
যদিবা আমাৰ দদা মিলয় মৰণ॥
ক্ষত্ৰি হুয়া যিটো মৰণক ডৰাৱয়।
তিৰীতো অধিক তাক ভুজঙ্গ বোলয়॥

যদি কুলাচলে কৰে আমাক বিঘাত।
তথাপি বৈলক্ষ কিছু নাহিকে আমাত॥
কিন্তু ইথানৰ যেবে অন্তৰিয়া যাওঁ।
দেবাসুৰ মনুষ্যাত কুযশক পাওঁ॥
দানবক ভয়ে পাঞ্চো পাণ্ডৱ পলায়।
বনৰ মাজত সবে ফুৰন্ত লুকায়॥
এহিতো কুযশে জানা ধৰণী যুড়িব।
যাবে চন্দ্র দিবাকৰে কীৰিতি ৰহিব॥
এহিমতে চর্চ্চা কৰে পাঞ্চ বীৰবৰ।
শুনা পাচ কথা আৰু আত অনন্তৰ॥
মহা ভয়ানক কুলাচল সৈন্যগণ।
ৰণস্থলি ঢাকি সবে কৰিল গমন॥
জলস্থল ঋষিৰ আশ্ৰম পর্য্যটিয়া।
নিৰন্তৰে চলে সবে ৰণক লাগিয়া॥
বিটবিট কৰি বিচাৰিয়া যুড়ি যায়।
অনন্তৰে পাইলা গৈয়া পাণ্ডৱৰ ঠাই॥
দেখিলেক গৃহৰ আশ্ৰম মনোহৰ।
ইপাৰে ৰহিলা সবে প্ৰজা নিৰন্তৰ॥
চতুর্থ দিনৰ পথ যুড়ি প্ৰজাচয়।
কিচ কিচ কিল কিল আৰাৱ কৰয়॥

পক্ষিগণে বোলে শুনা জৈমিনি মহন্ত।
প্ৰজাৰ আৰাব পাছে পাণ্ডবে শুনন্ত॥
ধৰ্ম্মৰাজা বোলে ঘোৰ মিলিল সমৰ।
দানবৰ সৈন্যে বেঢ়ি বৈল নিৰন্তৰ॥
আজি যেনো ঈশ্বৰৰ কটাক্ষ পড়িল।
পাণ্ডব সবৰ জানো নিকাৰ মিলিল॥
এহি বুলি ৰাজা কৃষ্ণ কৃষ্ণ স্মৰিলন্ত।
অনন্তৰে ৰাজাক অৰ্জ্জুনে মাতিলন্ত॥
আমি চলি যাওঁ দদা দানব বধিত।
আমবাৰ কিবা দুঃখ মিলয় তহিত॥
এহিবুলি চাৰি মহাবীৰে নমিলন্ত।
আশীষ কৰিয়া ৰাজা সাবটি লৈলন্ত॥
ভীমৰ কান্ধত গদা অতি ভয়ঙ্কৰ।
হাতে ধনুৰ্ব্বাণ যেন রুদ্ৰৰূপে হৰ॥
গাণ্ডীব ধৰিয়া ধনঞ্জয় মহাবলী।
দোগোটা অক্ষয় টোণ পিঠিভাগে তুলি॥
অগনি সমান বীৰে প্ৰকাশ কৰয়॥
যুগান্তৰ অগ্নি যেন দেখি লাগে ভয়॥
হাসো হাসো কৰে বীৰ আনন্দ অপাৰ।
নকুল সহদেৱ দুয়ো মহা চমৎকাৰ॥

দ্রৌপদী সহিতে ৰাজা আগ বঢ়াইলন্ত।
কেশৰী সমান চাৰিবীৰ চলিলন্ত॥
অনন্তৰে দেখে গৈয়া নদীৰ তীৰত।
অসংখ্যাত ৰহিছে দানব বীৰ যত॥
পক্ষী পড়িবাৰো সন্ধি নাহি কয় তয়।
চতুৰ্থ দিনৰ পথ জুড়িয়া আছয়॥
অৰ্জ্জুনে বোলন্ত দদা জপায়ো সমৰ।
দানৱ সেনাক আমি প্ৰহাৰোহো শৰ॥
সহদেৱে বোলে ইটো কথা যোগ্যনয়।
অবোলনে কোন বীৰে সমৰ কৰয়॥
শাবধান হৈলে ৰণ কৰিবে উচিত।
ক্ষত্ৰিয়ৰ ধৰ্ম্ম ইটো সুহিকে বিহিত॥
এহি মতে কথা কহি চাৰিয়ো চলয়।
আচল মনুষ্য দেখি দানৱে বোলয়॥
হেৰ দেখ বিচাৰ কৰিবে নলাগয়।
আপুনি মিলিছে মাত্ৰ মাৰিবে লাগয়॥
কতো গোটে বোলে ওৰা চাহা কেন মত।
হেনমত দেখানাই মোৰ বয়সত॥
দেবকি অসুৰ মনুষ্যৰ হেন থান।
সবাকো দেখিছো যত দেব নৰমান॥

ইটো তিনি যুগ জানো মোৰ বয়সত ॥
দেবাসুৰে যুঝে প্ৰজা বীৰ আছে যত।
হেন শুনি আৰু গোটে মাতে গৰ্জ্জ তৰি।
ইহাক খাইবাক আমি আছো মন কৰি॥
আৰু গোটে বোলে তাৰ কথা নোহে সাৰ
কুঞ্জৰাট বীৰে জানা সম নাহি যাৰ ॥
তাহাকো খাইবাকঁ প্ৰতি কৰ তই মন।
সবাকো কোবাই মাৰিবেক এতিক্ষণ ॥
একে কুলাচল বিনে আন কোন গোট
ইটো চাৰি বীৰৰ সহিবে পাৰে ছোট ॥
কিবা ব্ৰহ্মা হৰ চন্দ্ৰ সূৰ্য্য অগ্নি কাল।
মায়া কৰি আসি আছে দেখিবাক ভাল ॥
এহিমতে কথা কহিলন্ত নিৰন্তৰ।
পাৰ হুয়া গৈলা পাছে চাৰি মহাবীৰ ॥
দানবৰ সেনাগণ দেখি জিকৰিল।
প্ৰমত্ত কেশৰী যেন ফুলিঙ্গ দেখিল ॥
ধৰ মাৰ কৰি সবে বোল এক দিল।
কহিবাৰ কথা আসি আগতে মিলিল ॥
কিবা আৰ সহায় হোৱয় দেৱচয়।
নপালায়া যুঝিবাক তাতেসে আসয় ॥

এহি কহি ধৰ মাৰ দিলে সবে তাক।
বহুতৰ প্ৰজাগণে ধাইলেক তাহাক ॥
কাণ্ডে খাণ্ডে যাঠি জোঙ্গে কতো ঘোৰশৰে।
বাৰিষাৰ মেঘে যেন বৰিষণ কৰে ॥
যেন পৰ্ব্বতক ঢাকি কৰৈ বৰিষণ।
পাণ্ডৱক হানে দানবৰ সেনাগণ ॥
এহি মতে দণ্ড দুই মানে প্ৰহাৰিল।
পাণ্ডৱ সবৰ লোম গাছ নলড়িল ॥
আগক আসিয়া হানে মহাশৰ যত।
কৰৈ আটি মুটি অতি দাৰুণ মহন্ত ॥
কৃষ্ণৰ বিজয় মহা কবচ প্ৰভাৱে।
পীড়াক নপাৱে আতি চাৰিবীৰে গাৱে ॥
দেখা জন্মিজয় কেনে মহন্তৰ বল।
পৰম বৈষ্ণৱ যত পাণ্ডৱ সকল ॥
ভাৰহৰিবাৰ পদে ভৈলা অৱতাৰ।
তাহানে বংশত ভৈলা জনম তোমাৰ ॥
আৰু শুনা যেন কথা কৈলা পক্ষিবৰে।
তোমাত কহিবোঁ শুনি থাকা নিৰন্তৰে ॥
শুনা বৃদ্ধ জন পুণ্যকথা মনোহৰ।
কুলাচল বধ-মৃত্যুদশা পাণ্ডৱৰ ॥

আৰু এক চিত্তে যিটো শ্ৰৱণ কৰয়।
গুচে অপমৃত্যু সুখে মুকুতি পাৱয় ॥
নমো নন্দসুত গোপ বেশে ধেনু চাৰি।
কৰ্ণে গুঞ্জমণি বেত্ৰ শিঙ্গা বেণুধাৰী ॥
মাথাত ময়ুৰ পাখি গলে বনমালা।
ত্ৰম্বাৰ বৰণ ৰূপ ধৰি আছা ভালা ॥
গৰুড় বাহনে গতি লক্ষ্মী জায়া যাৰ।
হেন নন্দসুত পাৱে মিনতি আমাৰ ॥
বদতি ভাৰতচন্দ্ৰ এহি মোৰ কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম ॥

দুলড়ি।

ধৰ্ম্ম পক্ষিগণে, মুনিত কহন্ত
পৰম ৰহস্য কথা।
শুনা তাত পৰে চাৰিয়ো পাণ্ডৱে
সমৰ কৰিলা যথা ॥
দানৱ সকলে কুলি দিয়া তাত
প্ৰহাৰিলা বৰ বেগে।
দেখি চাৰি বীৰে তাহাক চাহিয়া
ধনুধৰি সেহি ছেগে ॥

কম্বুগ্রট নামে সেনাপতি এক,
দারুণ অতি দুর্জ্জয়।
ধনুৰ্ব্বাণ ধৰি, মৃগৰ বাহনে,
বচন হেন বোলয়॥
শুনহে আচল, মানুষ্য চাৰিটা,
কিসক হেন আচন্ত।
সেনাপতি সমে, অসংখ্যাত সৈন্য,
মাৰি কৈলি খণ্ড ভণ্ড॥
নাজানো তোহোৰ, কত সাথ আছে,
কোনোবা দেবে ৰাখয়।
যদি দিগপাল, গণে ৰাখে আসি,
মৰণ তবো মিলয়॥
তোৰা সবে জানো, কৰ্ণে নউ শুন,
কুলাচল বীৰবৰ।
তাহাৰ নামত, ডৰে সুৰ নৰ,
নাহিকে তোমাৰ ডৰ॥
আজি চাৰি মৰি, যাইবি যম ঘৰ,
মিলিল কাল তোহোৰ।
আছোক ৰাজাৰ, কথা আমি সবে;
কৰিবোহোঁ প্ৰতিকাৰ॥

হুৰ দেখ চাই, চাৰিকো বেড়িয়া,
বীৰ সেনা ৰহিছয়।
মনত আলোচ, পলায়া এড়ইবো,
সিটো আশা মুহিকয়॥
বুঢ়াৰ হাতত, চেঙ্গেলি পড়িলি,
পলাইবাৰ নাহি পুৰী।
চৰি ভিতি বেঢ়ি, বাঘ জালি কৰি,
সকলে মাৰিবোঁ ধৰি॥
একো একে বীৰ, দেবৰো অবধ্য,
তুমি মাত্র চাৰি জন।
সেনাসব মাৰি, পলাই নগৈলে,
ৰিপাঙ্গে ভৈল মৰণ॥
পাছে ভীমে বোলে, শুনবে দানৱ,
মহত্ত্ব বখান কত।
এতিক্ষণে তুণ্ড, মুণ্ড ভাগিবেক,
মোহোৰ গদা কোবত॥
তোৰ কুম্ভবাট, আৰো সেনাপতি,
যমপুৰে গৈলা মৰি।
চাৰিয়ো শিশৱ, দানৱ মাৰিবো,
সবে এক দিকি কৰি॥

এহি বুলি বীৰে, গদা গোট তুলি,
ঝাম্প দিলা বেগ ধৰি।
গদাৰ কোবত, শত সহস্ৰেক,
ৰাক্ষস মাৰয় মৰি॥
যেন ত্ৰিনয়নে, পৰ্ব্বত কোবাই,
পশুক কৰিলা অস্ত॥
বৃকোদৰ বীৰে, সেহিমত ভাৱে,
দানৱ সব মাৰন্ত॥
পশু গোট যানে, সেনাপতি গোট,
কোবায়া যেবে মাৰিল।
আৰু সৈন্য গণ, কোবাইবে লাগিল,
অন্তক যেন মিলিল॥
একৈক কোবত, বেহুপতা যত,
দানৱ বীৰ মাৰয়।
কতো আঁৰ হয়, কতো পলাৱয়,
কাতৰ কতো কৰয়॥
নকুল সহদেৱ, ধনঞ্জয় বীৰে,
শৰ প্ৰহাৰিবে লৈলা।
ইভিভিৰ মহা, সেনা গণ মানে,
সবে যমপুৰে গৈলা॥

দেখি আরু যত, মহাবীৰ গণে,
শৰ প্ৰহাৰিবে লৈলা।
চাৰি বীৰে মিলি, অসংখ্য হাজাৰ,
দৈত্যৰ মাৰ চিন্তিলা ॥
চাৰিয়ো দিশৰ, সৈন্য গণ মানে
মৰিল কতো ভাগিল।
কতো লক্ষ কোটি, পলায়া গৈলেক,
ৰাজা আগে জান দিল ॥
চাৰি বীৰে পাছে, ৰণ জয় হুয়া,
আপোন স্থানক গৈলা।
পক্ষিগণে বোলে, শুনা মুনি বৰ,
পাছে যেন কথা ভৈলা ॥
দিনা এক আগ, ধৰিয়া আসয়,
কুলাচল দুৰ্ব্বিনয়।
উট খৰ গাধ, তাহাৰ ভৰত,
ধৰণি থান কাম্পয় ॥
ময় মত্ত হস্তী, হাজাৰে হাজাৰে,
মাহুতে সমে চলয় ॥
তাহাৰ মহত, দেখি অতিশয়,
ত্ৰিদশৰ মহাভয় ॥

মৃত্যু সীমনাৰ,　　　বাৰ্ত্তা সুহি কয়,
　　মনত কথা আছয়।
তাহাৰ বাজ্যৰ,　　　পৰা আৰু তিনি,
　　দিনৰ পথ হোৱয়॥
সেহি বেলা যায়,　　　ৰণ ভগনিয়া,
　　সেনায়ে কথা কহয়।
আদেশ গোসাঞি,　　　যেহেন যুগুত,
　　কৰিবে তাক লাগয়॥
অৰ্ব্বুদ নিৰ্ব্বুদ,　　　সেনাক মাৰিলে,
　　আচল মনুষ্যে তথা।
কতেক কৰিবোঁ,　　　দুঃখৰ বৃত্তান্ত,
　　যেন মত ভৈল তথা॥
শুনি কুলাচল,　　　ৰাজাৰ সমাজ,
　　কাংস পৰি জিম গৈল।
অন্তো অন্তে বোলে,　　　আচল মনুষ্য,
　　হাতত মৰণ ভৈল।
মত্ত-মান বীৰ,　　　দুইবাৰ মাৰে,
　　তাকা চাৰি গুটি বীৰ।
কোন কেন মতে,　　　তাহাক মাৰিবে,
　　আপত সুহিকৈ থিৰ॥

এহি মতে সবে; চিন্তা দুঃখ করে,
আছে মানে লোক যত।
দেখা মুনিবর, মহাকষ্ট কেনে,
মহত্তর বিবোধত॥
বৈষ্ণব দ্রোহিক, যুগে যুগে হরি,
দুঃখ তাপ দেন্ত অতি।
দেখা কুলাচলে, অগস্তিত দ্রোহে,
পায়য় কেনে বিপত্তি॥
হেন জানি সবে, মহন্তত দ্রোহ,
নকরিবা কদাচিত॥
দেখা কুলাচল, বৈষ্ণব হিংসাত,
বিপদ মিলে ত্বরিত॥
জানি বুধ লোক, ভক্তক আদরি,
ধরা হরি গুণ নাম।
পাপ দূর হোক, অন্তকে ছাড়োক,
ডাকি বোলা রাম রাম॥

পদ।

মুনিক সন্মুখি বপুষ্মন্ত মহাশক্ত।
পাণ্ডবর চরিত্র যুদ্ধর কথা কন্ত॥

অনন্তৰে কুলালচল ৰণক চলিল ।
মনত বোলন্ত মোৰ মৰণ মিলিল ॥
অসংখ্য অপাৰ সেনা মাৰিলা আমাৰ ।
চাৰি গোটা মনুষ্য কি বলত অপাৰ ॥
কোন দেৱে মায়া কৰি আসিয়া আছয় ।
আৰ যুদ্ধে মোৰ মহা শঙ্কট মিলয় ॥
তাহাকো মাৰিবো ঘোৰতৰ শৰ ঘাৱে ।
আমাৰ বলৰ সিটো নউ আটা পাৱে ॥
আজি তাক ঘোৰ বাণে কৰিবোঁ বিনাশ ।
আমাৰ আগত তাৰ দেখা কেন সাশ ॥
শুনা সেনাপতিগণ ৰাজা সমস্তয় ।
একশত ৰাজা মোৰ সাজোক নিশ্চয় ॥
আক যত বীৰগণ মোহোৰ আছয় ।
আগহুয়া চল সবে কৰিয়া বিজয় ॥
তাৰ আদেশক শুনি ৰাজা বীৰ যত ।
মহা বেগে সাজি পাৰি লড়িল সমস্ত ॥
শুনা মুনিবৰ সিটো অগস্তি সম্ভৱ ।
সত্যৰ শেষত শাপ পাই আছে পাম্বৰ ॥
সত্যৰ ব্যৱস্থা তাৰ গাৱত আছয় ।
ৰৰ ৰৰ লোক আতি দেখি লাগে ভয় ॥

সহৰিষ মনে সাজি কৰিলা গমন।
উট বলধিৰ কতো ছাগলৰ যান॥
খৰ বিড়ালৰ কতো গাধ শূকৰৰ।
একৈ একৈ বাঘ ঘোঙ্গ দেখি লাগে ডৰ॥
মত্ত হস্তিগণ তাৰ লেখা জোখা নাই।
পৰম প্ৰচণ্ড তাক দেখি ভয় পায়॥
পৰ্ব্বতৰ সম তাত চাচাৰি মাহুত।
সুবৰ্ণ সম্বহা ৰত্ন অলঙ্কাৰে যুত॥
মাজে মাজে জোন দিল সুবৰ্ণ ৰজত।
কহিবে নপাৰি তাৰ হস্তীৰ মহত্ত্ব॥
পৰম সুখদে ৰঙ্গে প্ৰজাগণ যত।
যেন লোক সব থাকে অক্ষয় স্বৰ্গত॥
নাহিকয় ভয় চিন্তা দুঃখ কষ্ট তাপ।
কুলাচল ৰাজাক দেখন্তে যেন বাপ॥
কিন্তু লোক সব ভৈল আচাৰ বৰ্জ্জিত।
অগস্তিৰ শাপে সবে ভৈল কুণ্ঠচিত্ত॥
নাহিকে বিগ্ৰহ মহা সুখতে আছিল।
ৰাজাৰ আদেশ পায়া জিকাৰ উঠিল॥
যত বন শাল তাল বৃক্ষ লতা চয়।
প্ৰজাৰ আন্দোলে ধুলা হয়া যে উড়য়॥

নাহি একো সৈন্য লেখা জোখা পরিমাণ।
পক্ষী পড়িবারো সন্ধি নাহি একো স্থান॥
অষ্টম দিনর পথ যুড়ি চলি যায়।
হিন্দোল আন্দোল করি, ধরণী কম্পায়॥
গির গির করি সবে ধরণী কাম্পয়।
মহীধর সবে রৈলা পায়া মহাভয়॥
সবারো পাছত কুলাচল চলি গৈল।
যত বীর গণ মানে আগে হুয়া রৈল॥
শতেক মহিষে তার রথখান বয়।
তীক্ষ্ণতর শৃঙ্গতার দেখি লাগে ভয়॥
সুবর্ণ বলয়া তার মণি মুকুতার।
সবে শরীরতে সুবর্ণর অলঙ্কার॥
মেঘ ফুটি তারা যেন করয় প্রকাশ
মহিষ রথর তার তেনয় আভাষ॥
চারিটা সারথি আতি বীর মধ্যে সার
সকলে পারন্ত রত্নময় অলঙ্কার॥
তাহার শরীর গোট মণ্ডিত রতন।
ছাগলর মুণ্ডতার কান্ধ দুই খান॥
দুই গোটা শৃঙ্গতার ত্রিশূলর নয়।
তাহাতে লগায়া আছে ভূষণ শোভয়॥

ভয়ঙ্কৰ গল তাতে হাৰ মণিচয়।
খচিত ৰতনে তাতে প্ৰকাশ কৰৰ॥
কঙ্কণ কেয়ুৰ কৰে বলয়া যে তাৰ।
পৰ্ব্বত সমান দেহা দেখি চমৎকাৰ॥
দেৰাঙ্গ বসনগণ ৰত্নে বিৰচিত।
কাল মেঘ খণ্ডে যেন আদিত্য উদিত॥
অৰ্দ্ধেক যোজনমানে ৰথে ঘুড়িচয়।
উৰ্দ্ধেও ততেক মানে চড়া অতিশয়॥
শ্বেতছত্ৰ খান তাৰ পৰম প্ৰখ্যাত।
মুকুতা মুৰাৰী সবে আৰিছে তাহাত॥
ধনুখান ধৰি আছে মহা ভয়ঙ্কৰ।
স্থানে স্থানে টোন বান থৈ আছে বিস্তৰ।
গদা শূল মুষল পৰশু খড়্গচয়।
মুদ্গৰ শায়ক তোমৰ বজ্ৰময়॥
ভল্ল ভিণ্ডীপাল অসি চৰ্ম্ম চক্ৰ যত।
সবে অস্ত্ৰেশস্ত্ৰে সিটো পৰম পাৰ্গত॥
মহাবলবন্ত যাৰ নাহি সৰিবৰি।
কোনে তাক যুঝিবে পাৰয় সাশ কৰি॥
কিন্তু যদি পঞ্চ দিন বাটন্ত হোৱয়।
তেবে তাৰ বাজ তৈলে সংশয় আছয়॥

এহি জানি সিটো থাকন্তি পথ নবঝাই।
তাহাব ভিতবে পশি থাকয় সদাই॥
পক্ষিগণে বোলে জৈমিনি শুনিয়োক।
তাব আগে চলিলেক অসংখ্যাত লোক॥
অনন্তবে পাণ্ডু পুত্র গণক দেখিল।
দানবব সেনাগণে জিঙ্কবি উঠিল॥
প্রচণ্ড আবাব কবি বোলয় বচন।
আচল মনুষ্যগণ আস এতিক্ষণ॥
যাব যিবা যান সবে তাহাত চড়িয়া।
গর্জ্জন কবয় সবে নদী তীবে বৈয়া॥
আস আস মানুষীয়া নপলাব ভবে।
আমাব আগত যুদ্ধ কবিয়ো সত্ববে॥
পলালেয়ো তিনিয়ো ভুবনে বিচাবিবোঁ।
ব্রহ্মাব লোকব পবা বিচাবি আনিবোঁ॥
এহি মতে আন বহু বচন বটয়।
তাক নসহিলা চাবি পাণ্ডুব তনয়॥
ধনুবাণ ধবিয়া বাজাক প্রণমিয়া।
আটোপ কবিয়া সবে গৈলেক চলিয়া॥
বামকৃষ্ণ নামক উচ্চবি ঘনে ঘন।
আগ পাছ কবিয়া চলিলা চাবি জন॥

কতো দূৰে বৈয়া দম ঘোষক তৰিলা।
দানব সেনাৰ গৈয়া বেহুত পশিলা ॥
বৰ বৰ বীৰগণে আগ হুয়া বৈল।
চাৰিয়ো বীৰক দেখি গৰ্জ্জিবাক লৈল।
মাৰিলিহি আমাৰাৰ বাপ মমা ভাই।
তোমৰাৰ হৈবে আজি বিপত্তি বিলাই ॥
কতো বোলে তোমৰাৰ দেখি দায়া লাগে।
নপলায়া কিসক আসিলা ৰণ আগে ॥
ঘোৰশৰে তোমৰাৰ মিলিবে মৰণ।
আগ পাছ চাহি যদি নকৰাহা ৰণ ॥
আৰু.গোটে বোলে শুঁৰা শুকোৰাহা কিক
আমাৰ বলত কৰি তাহাৰা অধিক ॥
একে মহাৰাজা কুলাচলন্ত বিনায়।
তাহান সমান বলী ত্ৰিভুবনে নায় ॥
হেৰা দেখা বৰ গোটে গদা আছে তুলি।
সবাকে মাৰিবে ইটো কোবায়া সমূলি ॥
আৰু গোট দেখা ঘোৰ ধনুবাণ ধৰি।
মাৰিবে সবাকো মহা বাণক প্ৰহাৰি ॥
এহি চাৰি বীৰে ত্ৰিভুবন বিনাশয়।
ৰথাসুৰ বধে আক দেখিছো নিশ্চয় ॥

ত্ৰিভূৱন বিজয় সৈন্যৰ সীমা নাই।
একৈক বীৰত ইন্দ্ৰ হাৰিয়া পলাই॥
হেন ৰঘাসুৰৰ দাৰুণ বীৰ যত।
চাৰি গুটিমধ্যে কৰিলা সবে হত॥
যিটো ৰঘাসুৰ বীৰ ত্ৰিভুৱনে সাৰ।
বাসৱে হাৰিয়া যাত আছে বাৰম্বাৰ॥
যিটো ৰঘাসুৰে মহেশৰ বৰ দানে।
তাসম দেখে পৃথিবীৰ বীৰ মানে॥
হেন ৰঘাসুৰক কৰিলা চাৰখাৰ।
মহাবলন্ত ইটো পাণ্ডৱকুমাৰ॥
কলিকতে আমসাৰ চড়াইবে পৰাণ।
ইবাৰ জীবাৰ আশা নেদেখেহো আন॥
ত্ৰহি মতে পাণ্ডৱৰ মহা কীৰ্ত্তিচয়।
অন্যো অন্যে দানৱৰ বীৰ বখানয়॥
পক্ষিগণ বদন্তি শুনিয়ো মুনিবৰ।
অতি অদ্ভুত কথা পাণ্ডৱ সমৰ॥
অনন্তৰে পাছে দানৱৰ বীৰগণ।
শৰ হানিবাক সবে কৰিলেক মন॥
প্ৰহাৰিলা শৰ সবে লেখা জোখা নাই।
চাৰিয়ো বীৰক যেন মেঘেক বাকোই॥

যেন মেঘে ঢাকিলেক ৰাৰিষা কালত ।
অৰ্জ্জুনে বোলন্ত কাৰ্য্য ভৈল বিসঙ্গত ॥
এহি বুলি ধনুখান টঙ্কাৰ কৰিলা ।
কতো দূৰ মানে ৰণ ধৰণী লড়িলা ॥
চমকি ৰহিলা দানৱৰ সেনাগণ ।
সেহি বেলা চাৰি বীৰে জপাইলেক ৰণ ।
চাৰিবীৰে শৰ সব আথাকে হানিলা ।
দানৱৰ শৰকাটি মুকলি কৰিলা ॥
পাছে ধনঞ্জয়ে বাণ প্ৰহাৰিবে লৈলা ।
দানৱ সবক দ্ৰুতে কাটিবে লাগিলা ॥
কাৰো নাক কান কাৰো কাটে কক্কালত ।
হাতন্তে কাটয় কতো ধনুবাণ যত ॥
আধা কটা হৈয়া কতো পড়ে ধৰণীত ।
কাৰো বাণে সমে কাটি কৰে চূৰ্ণাকৃত ॥
এহিমতে মহাচোট কৰিলা সমৰ ।
ধনঞ্জয়ে কাটিলন্ত বাৰ বহুতৰ ॥
নকুল সহদেৱ দুয়ো কৰে ঘোৰ ৰণ ।
দুয়ো বীৰে কাটিলে বহুত বীৰগণ ॥
তিনি হস্তে কৰিলে দানৱ ধুলামাৰ ।
দেখি দানৱৰ ভৈল বিষাদ অপাৰ ॥

মহাভয়ে বোলে আজি বুড়িল সমুলি ।
কুলাচলে আমাক বাধিবে কিবা বুলি ॥
বিগুটিয়া মাৰিবেক জ্ঞাতিৰ আগত ।
লোকৰ হাতত মৰা সেহি ভালমত ॥
যত বংশ বৃদ্ধি হবে তাহাকে পালিব ।
মোৰ অৰ্থে মৰি গৈল লোকত কহিব ॥
এহি বুলি ধনু ধৰি মহাবীৰগণ ।
চাৰি পাণ্ডৱক সবে জপাইলেক ৰণ ॥
ভীম ধনঞ্জয় যে নকুল সহদেৱ ।
ভেদিলেক মহাশৰে ভাল নাহি কেৱ ॥
শৰ পায়া জাজ্বল্য সমান চাৰি ভাই ।
যেন হুতাশন জ্বলে ঘৃতাহুতি পাই ॥
কাটন কুটন শৰ প্ৰহাৰ কৰিলা ।
ৰৰ ৰৰ বীৰসৱ নিসন্ধি ভেদিলা ॥
সহিবে নপাৰি মোৰ শৰৰ সন্ধান ।
পাছ গুছি যাবে সবে ছোট পায়া টান ॥
সেহি বেলা বৃকোদৰে গদা তুলি ধৰি ।
কোবায়া মাৰয় মহা চণ্ডনাদ কৰি ॥
পক্ষিগণে বোলে মহামুনি তপোধন ।
হুৰধিয়া যায় যাদৱৰ সেনাগণ ॥

যথাত আছয় মহা বীৰ গণমানে।
পাছ গুছি যায়া ৰহিলেক সেহি থানে॥
আইস বুলি সিটো সবে সেনা পাছ কৰি।
প্ৰহাৰিলা মহাশৰচয় ধনু ধৰি॥
সেহি বেলা ভীমক হানিলে শৰ চয়।
সকলে শৰীৰ ঢাকি ৰুধিৰ বহয়॥
দধিসেন শ্ৰুতসেন মৃগাঙ্ক মিহিৰ।
এহি চাৰিগোটা অতিশয় মহাবীৰ॥
উট বলধিৰ যান চাৰিবো ডাঙ্গৰ।
মহাধনুধৰ শৰ জানে বহুতৰ॥
দধিসেনে বোলে অৰে আচল মাণুষ।
আমাৰ সৈন্যক মাৰি বোলালি পুৰুষ॥
হৰি শঙ্কৰত যদি লভস শৰণ।
আমাৰ হাতত তভো মিলিবে মৰণ॥
এতেকতে ধনঞ্জয় বীৰ মধ্যে সাৰ।
দধিসেন বীৰক যে কৰিলা প্ৰহাৰ॥
দুই গোটা নৰাচ হানিলা ধৰ টানে।
কাটিলেক ৰানৰে তিখাল দুই বাণে॥
পুনৰপি ধনঞ্জয়ে প্ৰহাৰ কৰিলা।
তাকো শৰ হানিয়া ৰাবৰে নিবাৰিলা॥

অৰ্জ্জুনে বোলন্ত ইটো মোকে ভূৰুকায় ।
ঘনে ঘনে মোৰ বাণ কাটিয়া পেলায় ॥
এহি বুলি ক্ষুৰ বাণ প্ৰহাৰ কৰিলা ।
আকৰ্ণ পুৰিয়া টানি শৰ প্ৰহাৰিলা ॥
মহা ছোটে খেদি যায় ক্ষুৰ ধাৰ বাণ ।
তাৰ বাণ কাটি কৰিলেক খান খান ॥
ধনু খান হাতেতে কাটিলা দানবৰ ।
পুনৰ্ব্বাৰ শৰ এক মাৰি বীৰবৰ ॥
দধিসেন বীৰক যে তথাতে কাটিলা ।
উট গোট কাটি তাৰ বাহুক ছেদিলা ॥
দধিসেন পড়িবাৰ দেখি বীৰগণ ।
একেবাৰে ধাইলে সবে কৰি কোপমন ॥
কাটিন ফুটিন বাণ গণ প্ৰহাৰিলা ।
ইন্দ্ৰৰ তনয় বীৰে নিশঙ্কে ফুটিলা ॥
ফুলিলা মন্দাৰ যেন বসন্ত কালত ।
মহাবীৰ ধনঞ্জয় ভৈলা আশকত ॥
আকাশৰ পৰা সবে বৰিষয়ে শৰ ।
শৰ পায়া উথলিল কুন্তীৰ কুমৰ ॥
বিটৌ বাণে বধাসুৰ বীৰক কাটিলা ।
সেহিং মহাশৰ ধনে প্ৰহাৰ কৰিলা ॥

দানব সৈন্যত গৈয়া পশিলেক বাণ।
স্কন্ধ কটী হাত কাটি কৰে খান খান ॥
এহিমতে শত শত কাটিলেক বীৰ।
পলাই দানব সেনা ৰণে নোহে থিৰ ॥
হেন দেখি দনাবৰ আৰু বীৰগণ।
ধনঞ্জয় বীৰক জপাইলা সবে ৰণ ॥
হানে গদ মুদগৰ পৰিঘৰ ঝাক।
বৃকোদৰ বীৰে দুৰ হন্তে দেখি তাক ॥
একেশৰে দানবে মাৰয় বেঢ়ি ধৰি।
গদা তুলি আছোটে ধাইলেক ক্রোধ কৰি।
বেঢ়ি অর্জ্জুনক সবে প্রহাৰয় শৰ।
ধৰ ধৰ মাৰ মাৰ কৰে নিৰন্তৰ ॥
প্রহাৰিবে প্রতি অর্জ্জুনৰ শক্তি নাই।
পাক দিয়া ধনু ধৰি আছে সেহি ঠাঁয় ॥
ভীমে বোলে মৰয় মোহোৰ প্রাণ ভাই।
এহি বুলি তাঁহাৰ মাৰুত পশে যায় ॥
পর্ব্বত সমান একো বীৰ বানে সমে।
ভীমক হানয় বেঢ়ি দাৰুণ বিষৰে ॥
মৰসাশ কৰি বায়ুসুত মহাবলী।
কোবাইবে লাগিলা ঘোৰ গদা মোট তুলি।

কাবো কোঁষ ভবি ভাগে কাবো ঘান মবে ।
মহাছোটে দুঃখ পায়া বাগড়িয়া পড়ে ॥
হানিবাক প্রতি কেহো নপাবয় ঘব ।
হুহি লাগি গৈলা সবে বীব দানবব ॥
কতোহো পলায়ে কতো ফুবে বগুবায় ।
পলাই উটথব কতো বাহন পেলায় ॥
আই বাপু বুলি কতো আটাশ পাবয় ।
আপোনাব সৈন্য কতো গছকি মাবয় ॥
দেবগণে বোলে কিনো বিষম সমব ।
ভীমব সমান কেহো নাহি বীববব ॥
অর্জ্জুন বন্ধন মুক্ত দানব গুছিল ।
জয় ভীম বুলি সর্ব্বলোকে প্রশংসিল ॥
হুসকি বহিল সবে দৈত্যে বাজু ধবি ।
নকুল সহদেব প্রহাবিলা টান কবি ॥
ছেদি ভেদি নেই দানবব সেনাচয় ।
মহা ভয়ে পাছু গুটি বিভঙ্গে চলয় ॥
ধর্ম্মপক্ষিগণে বোলে শুনা মুনিবব ।
হুসকি বহিলা সেনা তিনি প্রহবব ॥
পূর্ব্বে থাকিবব চিত্র কবিয়া আছয় ।
[illegible] তিনব পথ যদি বাজ হয় ॥

এতেকে তাহাৰ জানা মৰণ মিলয়।
ধূম্রাক্ষ দানৱে ভালে ইহাক জানয়।
এতেকেসে সিটো তাৰ বাজ নোহোৱয়॥
খাস্তিৰ ভিতৰে সৈন্য মাজত আছয়।
হুসকিয়া সেনা সবে সমীপ চাপিল॥
যেন মহা সাগৰক কাথৰে ৰাখিল॥
শিৱ শিৱ কৰি সবে ভয়ে হোসকয়।
ৰহ ৰহ বুলি সবে চেৰটিয়া চয়॥
ভাঙ্গ ধৰি কোবাৱয় তথাপি নৰয়।
নোকোবাৰি বুলি সবে কাতৰ কৰয়॥
হস্তী যুথ ৰহি আছে তাহাৰ কোলত।
যুড়িয়া আছয় তিনি প্ৰহৰৰ পথ॥
সেহি বেলা হস্তিয়াৰ সেনা আগুলিল।
মাহুত সমূহে ঘোৰ শৰ জাক দিল॥
লোহাৰ মুষল প্ৰহাৰয় গজচয়।
তাৰ চোটে মহা মহা পৰ্ব্বত ভেদয়॥
অস্ত্ৰ শস্ত্ৰ হানিবাৰ চেগ নাহি কৰ।
অৰ্জ্জুনক বৃকোদৰে বচন বোলয়॥
শুনা বাপু শৰ হানি মাৰা হস্তীচয়।
যেথা হস্তী হস্তিয়াৰ সেনা আছিলয়॥

বিষম সমৰ মিলিলেক ঘোৰতৰ।
হেন শুনি অৰ্জ্জুনে ধৰিয়া দিব্যশৰ॥
নৰাচ ভূষণ্ডি সৰ্প মুখ ত্ৰিকণ্টক।
প্ৰহাৰিবে লৈলা মত্তহস্তী সমূহক॥
হস্তীৰ শুণ্ডৰ ডাঙ্গ সৰ খৰতৰ।
তাহাত লাগিয়া চিটিকিয়া যাই শৰ॥
হেন দেখি কুন্তীসুত বীৰ মহাশয়।
ধনুত যুৰিলা আনি অগ্নি শৰচয়॥
হস্তী সেনা সমূহক কৰিলা প্ৰহাৰ।
উঠিল অগনি ধম ধম অনিৰ্ব্বাৰ॥
প্ৰলয়ৰ বহ্নি যেন দশোদিশ চলি।
দহিয়া নিৰয় যেন তুলাত অগনি॥
পৰ্ব্বত সমান হস্তী বহ্নি তাপ পায়।
গিৰিশ গিৰিশ কৰি ভাগিয়া পলায়॥
কতো গোটে আধাপোড়া হয়া পাক হুৰে।
মাহুতে সহিতে কতো ভূমিত বাগৰে॥
হাজাৰ দশেক মানে পুড়িয়া মৰিল।
বাকী হাজাৰেক মানে জলত ডুবিল॥
মাহুত উবাৰি সবে বনক লৈলা।
মত্তহস্তী তথা আৰু গোটেকো নৰহিলা॥

দেখা মুনিবব কেনে ভক্তব মহত্ব।
সুবাসুবং ব্রহ্ম সৃষ্টি দহিবে শকত ॥
কিন্তু মাধবব সেবা মনত মানিয়া ॥
হবিব আজ্ঞাক মানি থাকয় বহিয়া ॥
ইকথা থাকোক পাছ কথা শুনিয়োক
বাজাব পাছত বহিলেক সর্ব্বলোক ॥
দেখি বাজা বব বব বীব আগে আনি।
সবাকো মাতিয়া বোলে খবতব বাণী ॥
শুনা মহাবীব সবে আমাব বচন।
আচল মনুষ্য তাক জপায়োক বণ ॥
বাজা সবো যাহা সবে কবি দৃঢ়তব।
সবে মিলি সাজ হুয়া মনুষ্যক ধব।
ধবিবাক যদি নপাবাহ. বুদ্ধিবলে।
কোবাস্ত্র মাবাহা তোবা বেড়িয়া সকলে ॥
দেখা দেখা মহা মহা মত্তহস্তীচয়।
দ্বিতীয় অযুত পাঞ্চ সহস্র হোবয় ॥
অগনি লাগিয়া সবে পুড়িয়া মবিল।
অসংখ্য হাজাব মহাবীব বিনাশিল ॥
আমাব আগত মহাবীব বোলাইলেক।
আজিকাব যুদ্ধি তাব কবিয়োথকোক ॥

নেদেখে মৰণ ক্ষুদ্ৰ চৰা মানুষৰ।
প্ৰাণৰ কাতৰে দেখা কৰয় সমৰ ॥
এহি কহি ৰহিলেক কৰ্ণদত্ত সুত।
শুনি বীৰগণ ভৈলা ৰণক সযুত ॥
আটাইশ অযুত পাঞ্চ সহস্ৰ প্ৰধান।
শতেক নৃপতি তাৰ সম নাহি আন ॥
এহি মতে চলে যেৰে ধনুবাণ ধৰি।
ক্ৰোধৰ বেগত সবে কাম্পে হাত ভৰি ॥
সিংহনাদ কৰি সবে উচ্ছৃত যানত।
যম যম কৰি সবে লড়িল সমস্ত ॥
বপুস্নতে বোলে মুনি শুনা নিৰন্তৰ।
কিছু মন সঙ্কুচিত চাৰি পাণ্ডৱৰ ॥
ভীম বোলে বাপা মোৰ শুনা তিনি ভাই।
আজিৰ সমৰ আৰ সেহৰে নেড়ায় ॥
তোমৰা সবৰ মনে থুকি কি নপায়।
মোৰ মনে মৃত্যু হেন মিলিব ইঠাই ॥
এহি বুলি বায়ু সুতে হৰিক স্মৰিলা।
চাৰি বীৰে অনুৰাগে ৰণক চলিলা ॥
সেহি বেলা দানবৰ বীৰ নিৰন্তৰ।
পাঙুলি বেলাতে সবে লগাইলা সমৰ ॥

অনন্তরে দিবাকর হৈলা অস্তগত।
নিশি হৈলে বল পাবে নিশাচর যত॥
দুই দণ্ড নিশি যাণ্টে চন্দ্রের উদয়।
ভেটিলেক গৈয়া দানবের বীরচয়॥
আটোপ টঙ্কারে সবে কলি এক দিল।
চারিয়ো দিশত বীরে ঝণ্টায়া রহিল॥
থমকি রহিল অন্ধকার রাত্রি মানে।
পরম দারুণ যুদ্ধ মিলিল সেথানে॥
রাম কৃষ্ণ রাম কৃষ্ণ করন্ত কীর্ত্তন
কৃষ্ণর চরণ অতি নিমজিল মন॥
শুনা সভাসদ মহা মহন্তর কাম।
পরম সঙ্কটে বেড়ে হরি গুণ নাম॥
হরিয়ো নামতে আছে নামো ভকততে
শ্রবণ কীর্ত্তন মাত্র করন্ত সততে॥
হেন জানি বুধ জন করি স্থির মন।
সবে পরিহরি কথা ভাবন্ত শ্রবণ॥
আত পরে হিত নাহি দুর্ব্বোধ কলিত।
ঘরে থলি পান করা কৃষ্ণ কথামৃত॥
পুত্র ভার্য্যা ধন জন সম্বোক সর্ব্বোন।
তাই মাত্র থাকে কালে ঘরে যেতিক্ষণ।

পদ।

এই লোকে পৰলোকে হৰিসে বান্ধৱ।
জানি হৰি নাম লোৱা পৰম উৎসৱ॥
ভাৰত ভুষণে বোলে মই মহাদীন।
নিজ দাস কৰি মোক ভক্তি ধনে কিনা॥
নমো নমো নাৰায়ণ পূৰ্ণ ব্ৰহ্ম হৰি।
গোপ বেশে নন্দ ঘৰে আছা অৱতৰি॥
হেন কৃষ্ণ চৰণ কমল মকৰন্দ।
পান কৰি মন মোৰ বহোক আনন্দ॥
শুনি আছো তুমি প্ৰভু পতিতৰ ধন।
মোক নাচাড়িবা প্ৰভু দেৱ নাৰায়ণ॥
জন্মে জন্মে তোমাৰ চৰণে মোৰ গতি।
এহি মন পূৰণ কৰিয়ো লক্ষ্মীপতি॥
আত পৰে গোপীনাথ নাহি মোৰ কাম।
সভাসদ লোকে বেড়ি বোলা ৰায় ৰাম॥

ছবি।

ধৰ্ম্ম পক্ষিগণে বোলে, শুনিয়োক জয় মুনি
যেন ভৈল আত অনন্তৰ।
চন্দ্ৰমা উদিত ভৈল, অন্ধকাৰ দূৰ গৈল
সেহি নিশা লাগিল সমৰ॥

অসংখ্য দানব বীৰ হাতে ধৰি ধনুশৰ
উট বলধিত উঠি যায়।
লক্ষ কোটি হাজাৰেক দানবৰ মহাবীৰ
পদাতিৰ সীমা সংখ্যা নাই ॥
চন্দ্ৰ ৰশ্মি ধৌত প্ৰায় যেন কালি মেঘ যায়
নক্ষত্ৰ প্ৰকাৰ চাৰি বীৰ।
হৰ হৰ শিৱ শিৱ দানবৰ সবে বোল
গৰ্জ্জন ভৈলেক তাতে ধীৰ ॥
অৰ্জ্জুনৰ ধনুখান চিকি মিকি কৰে কান্তি
যেন মেঘে বিজুলী সঞ্চাৰ।
নিশাচৰ সবে তাক তৰ্কিবাক নপাৰয়
চমক লাগিল আতি ৰবে ॥
অনন্তৰে পুৰন্দৰে ৰজনী পতিক চাহি
বুলিলন্ত হেনয় বচন।
মহাভাৰ দূৰ গৈল দেৱৰ সন্তোষ ভৈল
পাণ্ডৱে কৰয় ঘোৰ ৰণ ॥
ক্ষুধা তৃষা তাপ যত মনুষ্য লোকত আছে
পাণ্ডৱত সবে মিলি চয়।
শুনিয়োক শশধৰ অমৃত পায়শ দিয়া
তাক দূৰ কৰিবে লাগয় ॥

হেনয় বচন শুনি অমৃত পায়শ লৈয়া
চলি গৈল কশ্যপ তনয়।
যেবে সমবক মনে শব ধনু ধৰি ক্রোধে
আগ বাঢ়ি সম্মুখে আছয়॥
সেহি বেলা নিশাকৰে দানবক বেঢ়িলেক
কুঁহৰি আন্ধাৰ কৰি আতি।
অমৃতৰ পাত্র লৈয়া পায়শ সহিতে দিলা
ভুঞ্জিলন্ত পাণ্ডবে তহিতি॥
মহাবীৰ বৃকোদৰে উদৰ পুৰিয়া খায়া
অজৰ অমৰ ভৈলা কায়।
আৰু তিনি ভাই পাছে অমৃতক পান কৰি
মৃত্যু দশা এড়াইলা তথায়॥
প্রিয় বাক্যে আশ্বাসিয়া আসম্বাক প্রশংসিয়া
চন্দ্রে হেন বুলিলা বচন।
মহন্তৰ দেহ গুটি লোক উপকাৰে ধৰে
আমি কৰো আপুনে যতন॥
এতেকেসে তোমৰাক বাধিয়া ক্ষুৰন্ত হৰি
মহাসুখে মাৰিও দানব।
এহি বুলি শশধৰ স্বৰ্গক চলিয়া গৈল
মন সুখে ৰহিলা পাণ্ডব॥

দেখা রাজা জন্মিজয় মহন্ত পাণ্ডব চয়
তোমার জনকর তাত।
পররেসে উপকারে তাসম্বার বনবাস
দিলা হরি জানিবা সাক্ষাত॥
জগতরে চিন্তিহিত তিনি লোকে অবিদিত
জানি রাজা করা থির মন।
পাছে যেন মতে রণ মহামুনি বিদ্যমান
ধর্ম্ম পক্ষি কবিলা কথন॥
অনন্তরে চারি বীরে অমৃত পায়স ভুঞ্জি
তেজ বল বাঢ়িল অপার।
দুঃখ শ্রম দূর গৈল আনন্দ অপার ভৈল
জীব আত্মা প্রফুল্ল সবার॥
তিনি বীরে ধনু ধরি টঙ্কার কবিলা তেবে
ভীমে গদা গোট তুলি গৈলা।
হেন দেখি দৈত্য বীরে বেঢ়ি থাইল নিরন্তরে
মহা কোলাহল শব্দ ভৈলা॥
পরশু তোমর শূল ত্রিকর্ণিক কানিয়াল
হানি অতি দিলেক জোলক।
হেন দেখি বৃকোদর গদা কোবাইবাক লৈলা
মরি সেনা যাদ্র যম লোক॥

শুনিয়োক সভাসদ ভাৰতৰ পুণ্য পদ
আত পৰে নাহি মোক্ষ কাম।
কৃষ্ণ পদ ধৰি অতি মনে দৃঢ় কৰি ৰতি
পাপৰ পুড়িয়ো সৰে দাম॥

হৈবো বনপৰ্ব্ব পদ শুনা হুয়া নিশবদ
বৈকুণ্ঠে যাইবাৰ যাৰ কাম।
ভাৰত ভুষণ কবি বিৰচিলা পদ ছবি
নিৰন্তৰে বোলা ৰাম ৰাম॥

পদ।

ৰপুসুত ৰদতি শুনিয়ো মুনিবৰ।
মিলিল অদ্ভুত ৰণ দেখি ভয়ঙ্কৰ।
তিনি বীৰে প্ৰহাৰে প্ৰচণ্ড ঘোৰ বাণ
দানবৰ বীৰ সৰে কৰে খানখান॥
দানৱে প্ৰহাৰে অতি মহাচণ্ড বেগে।
চাৰি পাণ্ডৱক যায় ফুটে সেহি চেগে॥
দেখি বীৰ বৃকোদৰে নাপেক্ষি তাহাক।
ৰহ ৰহ বুলি বেগে দিলে ঘোৰ ডাক॥

কোবাইবে লাগিলা মহা গদা গোট তুলি।
কৈক যাইবি পাপীষ্ঠিয়া মাবিবো সমুলি॥
যেহেন গুৱালে পাল মাজত পশিয়া।
কোবায়া নিবয় ডাঙ্গ উপব তুলিয়া॥
গাৱব বেগত কতো উফবি পড়য়।
ভীমক দেখিয়া কতো হোবে মহাভয়॥
হেন নাহি বীব একো ভীমক যুঝয়।
তাহান কর্ম্মক দেখি সবাবো বিস্ময়॥
আৰু তিনি বীবে মাবে শব বহুতব।
মবিয়া দানব বীব যাই যম ঘব॥
এহিমতে চাবি বীবে সংহাবিলা যত।
ভবিলেক যমপুব সেনাব গিবত॥
কুলাচল বাজা আছে কতো দূবে চায়।
তাহাব সম্মিত সবে চাপিলেক য়ায়॥
বোলে কিনো অবধ্য মনুষ্য চাবিজন।
সুবাসুব লোকে আৰু কোনে কবে বণ॥
এহি বুলি যুঝিবাক কবিলেক মন।
বজ্রকেতু নামে তাব মন্ত্রী একজন॥
পবম প্রচণ্ড তাবো মহিষব বথ।
ধনুধবি আগ বাঢ়ি নিবাবিলা পথ॥

দুই পাট শৰ বীৰে ভীমক হানিলা।
বৰ টানে ভীমৰ যে হিয়াত ভেদিল ॥
হামুখুৰি খায়া বীৰ ভূমিত পড়িল।
উফৰিল গদা তান সম্নিতে নবৈল ॥
হেনমত তাহাক নকুলে দেখিলেক।
বোলে কুলাচল হেৰা ৰণে আসিলেক।
ভালেতো ইহাৰ কথা গালবে কহিলা।
প্ৰথমে আসিয়া ভীম দদাক হানিলা ॥
এহি বুলি লৰড়িয়া ধৰিলা ভীমক।
মহাবীৰ বৃকোদৰে দেখিলা যমক ॥
সেহি বেলা সহদেৱে বোলে অৰ্জ্জুনক।
দেখা কুলাচল ৰাজা আসিলা ৰণক ॥
মহিষৰ ৰণে ভীম দদাক খেদয়।
মহা ঘোৰ শৰ জালে তাহাক ঢালয় ॥
ইটো অস্ত্ৰ বীৰ মৰিবাৰ কথা থৈয়ো।
ৰাণ্ট কৰি আপুনে ভীমৰ লাগ লয়ো ॥
অস্ত্ৰ বীৰ মই আক কৰোহো দোহাৰ।
তুমি চলিয়োক এহি সম্মত আমাৰ ॥
ধনঞ্জয়ে বোলে বাপু তুমি একেশ্বৰ।
জানোহো তোমাক চালে দানৱ বিস্তৰ ॥

মোৰ মনে কিছুমানো সুখ নকৰয়।
জানো কুলাচল বীৰে ভীমক ঢালয় ॥
এহি বুলি চাৰি ভিতি চক্ষু বলাই চাইলা।
ধবল ৰজনী দূৰে দৰশন পাইলা ॥
থাক সহদেব বুলি লৰড়েক দিল।
দশ দণ্ড পথ চাৰি দণ্ডে যে মিলিল ॥
ওচৰ চাপিয়া বোলে কি ভৈল বিপত্তি।
মিলিল মৰণ দেখো ভীমৰ অহিতি ॥
এহি বুলি ধনু এড়ি সাবটি ধৰিল।
দদা দদা বুলি পাছে মাতিবে লাগিল ॥
বজ্রৰ সন্ধানে বৃকোদৰক ঢালিল।
মহাবীৰ অচেতনে ভূমিত পড়িল ॥
বপুস্নেতে বোলে মুনি শুনিয়োঁ বচন।
একে স্থানে বৈলা পাণ্ডু পুত্র তিনি জন ॥
বজ্রকেতু বোলে মোৰ পূৰ্ণ ভৈল মন।
আচল মনুষ্য তিনি গোট এক থান ॥
ইয়ো দুই গোটকো মাৰিবোঁ মোৰ বাণে।
তিনিকো বথত তুলি নিবোঁ ৰাজা স্থানে।
এহিবুলি তিনি পাট শৰ তুলি লৈল।
ধনুত জুড়িয়া মাৰিবাৰ মন কৈল ॥

দেখি ধনঞ্জয় বীৰে পাছক চাহিলা।
দানবে হানয় শৰ বিনাশ মিলিলা ॥
এহি বুলি ধনঞ্জয়ে ধনুক ধৰিলা।
তিনিটা নৰাচ আনি গুণত জুড়িলা ॥
দেখিয়া দানবে শৰ হানিলেক ডাটি।
অর্জ্জুনৰ তিনি শৰ পেলাইলেক কাটি ॥
শৰ ছন্ন হৈবাৰ দেখিয়া ধনঞ্জয়।
বোলে মোক ইটো জনে টালিবে খোজয় ॥
এহি বুলি বাসবৰ শৰ পাট আনি।
গুণত জুড়িলা কুন্তীসুত মহামানী ॥
দ্রুত কৰি তাক কাটিলেক একে শৰে।
দারুণ দানবং মৰি গৈল যম ঘৰে ॥
আৰ দুই শৰ হানি সাৰথি কাটিলা।
চাৰি শৰে চাৰি গোটা মহিষ মাৰিলা ॥
মৰিল দানব চাৰি বীৰ ৰণজয়।
সিদ্ধ বিদ্যাধৰে বহু আনন্দ কৰয় ॥
অনন্তৰে বৃকোদৰে চেতন লভিলা।
দুই ভাই তুলি ধৰি বচন বুলিলা ॥
বোলে দদা শৰীৰৰ বেদনা গুছিল।
শৰ দূৰ ভৈল তনু রুধিৰ বহিল ॥

বোলে বাপু মোৰ স্বচ্ছ ভৈল কলেবৰ।
গদা গোট কোন্ খানে গৈলেক হাতৰ।
এহিবুলি দণ্ড দুই মানে বিশ্ৰামিলা।
শুনা মুনি সহদেবে যি কাৰ্য্য কৰিলা॥
বৰ বৰ দানবৰ বীৰগণ মানে।
সবাকো ঢালিলা বীৰে দাৰুণ সন্ধানে॥
ছোট পায়া দৈত্য সেনা মৰসাশ কৰি।
সহদেব বীৰক যে চৌপাশে আবৰি॥
যেহেন বাঘক বেঢ়ি হৰিণ ৰহিল।
ধৰ মাৰ কৰি সবে ৰুলি এক দিল॥
দানবৰ আৰাৱে লঙ্ঘিল স্বৰ্গ কোল।
চাৰিয়ো ভিতিত উথলিল মহাৰোল॥
দেখি তিনি ভ্ৰাতৃৰ মিলিল মহা ভয়
হা বাপ সহদেব মৰণ মিলয়॥
শীঘ্ৰ বেগে চলিলেয়ো লাগ নপাৱয়।
ঐৰ পৰা তিনি প্ৰহৰৰ পথ হয়॥
এহি মতে তিনি বীৰে বিষাদে চলিলা।
শুনা মুনি সহদেৱে যিমত কৰিলা॥
বোলে মোক দানবে মাৰিবে মন কৰি
বৰ বৰ বীৰ ধাৱে চৌপাশে আবৰি॥

শৰ প্ৰহাৰিবে যদি মই মন কৰো।
আগে আসম্বাৰ জানো প্ৰহাৰতে মৰো॥
এহি বুলি ৰাম কৃষ্ণ নাম উচ্চৰিল।
ভকতক ৰাখি হৰি হৃদয়ে পশিলা॥
এক কাল কৰি ধনু খান তুলি লৈলা।
মহা চণ্ড নাদ কৰি কোবাইবে লাগিলা॥
বজ্ৰময় ধনুতাৰ মহিমা প্ৰচণ্ড।
বৃত্ৰাসুৰ বধিবাক ইন্দ্ৰে দি আছন্ত॥
তাৰ এক ভাগে ধৰি বীৰে কোবাৱয়।
কোবে কোবে দৈত্য শত পঞ্চাশ মৰয়॥
দানব সকলে প্ৰহাৰিবে নপাৱয়।
শৰ চাপিবে কাৰো শক্য নাহি কয়।
মহা বেগে চাৰি দিকে কোবায়া ফুৰয়।
কুমাৰৰ চাক যেন দানব ঘুৰয়॥
দেব সবে বোলে কিনো ৰণ ভয়ঙ্কৰ।
বিজয় হোস্তক বীৰ পাণ্ডুৰ কুমৰ॥
এহি মতে ছয় দণ্ড মানে প্ৰহাৰিল।
অসংখ্য হাজাৰ দৈত্য কটক মৰিল॥
সহিবে নপাৰি তান প্ৰহাৰ দুৰ্ব্বাৰ।
অন্তৰি ৰহিলা সবে ভয় হৃয়া বৰ॥

অমৃতব পানে বাঢ়ি আছে মহাশয়।
তান কি মহত্ত্ব জানো দানবে সহয় ॥
দানবে সাগবে তল নিবাক খুজিল।
কৃষ্ণব চবণ মাবে উদ্ধাব কবিল ॥
দেখা মুনিবব ভকতব শক্তি বল।
অভকত সকল যাবয় মার্গ তল ॥
লৈয়োক প্রমাণ আরু পাণ্ডব সবত।
কোটি কোটি লোক চাবি জনে কৈলা হ
যতেক মবিল তাব লেখা জোখা নাই।
কতো বেলি চাবি বীব ভৈল একে ঠাই।
পর্ব্বাগণে বোলন্ত জৈমিনি মহাশয়।
চাবি দণ্ড মানে মাত্র বজনী আছয় ॥
ঘোব নিশাকালে সিটো বণতে চলিল।
কুলাচল বাজাব আগত জান দিল ॥
শুনিয়ো গোসাঞি কার্য্য ভৈল বিসঙ্গতি
মানুষে মাবিল তব যতেক পদাতি ॥
তিনি গোটা মহাবীব ধনুর্দ্ধব সাব।
গদাধব ভাঙ্গব মনুষ্য গোট আব ॥
কিবা যম বাসবয়ে আসিল ছুর্ব্বাব।
মহাদেব আইলা কিবা লোক মাবিবাব ॥

ইস্থানক খেদি আসি তোমাকো ধৰিব ।
তুমি বিনে আন বীৰে তাক কি কৰিব ॥
হেন কথা শুনিয়া ধূম্ৰাক্ষৰ জন ।
কৰ কৰ কৰি খঙ্গে চোবাৱে দশন ॥
চল মন্ত্ৰীগণ মই যুঝিবাক যাওঁ ।
আচল মনুষ্য যম কৰণে পঠাওঁ ॥
এহি বুলি মহা কোপে আছে মন্দ জন ।
পুহাইল ৰজনী ভৈল আদিত্য প্ৰসন্ন ॥
অনন্তৰে কুলাচলে গুণে মনে মন ।
ঋষি বৰে মোৰ ঐত নিমিলে মৰণ ॥
ইন্দ্ৰ চন্দ্ৰ বায়ু বহ্নি যেহিকি নোহয় ।
কদাচিতো মোৰ আত মৃত্যু নুহিকয় ॥
নব প্ৰহৰৰ মই নহৈবোঁ বাহিৰ ।
তাত মোক মাৰন্তা নাহিকে কোনো বীৰ ।
এতেকে সে ইহাৰ ভিতৰে ৰণ দিবোঁ ।
মোহোৰ ভিখাৰ শৰে মানুষ বধিবোঁ ॥
এহিমতে আলোচিয়া কৰ্ণদক্ত সুত ।
যুঝিবাক মনে পাছে ভৈলেক সংযুত ॥
বোলে মোৰ সেনাপতি আছে যত মান ।
আগবাঢ়ি লগে চলি যাউক ৰণ স্থান ॥

বাজাব আদেশ সবে শুনি হেন মত।
চলিল বণক বেগে সেনাপতি যত ॥
পক্ষিগণে বোলে কথা শুনা মুনিবব।
পাণ্ডবব কাহিনী ইহাব অনন্তব ॥
বজনী প্রসন্ন দেখি চাবি বীব বব।
স্নান কবিবাব হেতু লড়িলা সত্বব ॥
মহা বেগে গৈলা দুই প্রহবব পথ।
স্নান সন্ধ্যা কবিলন্ত নদীব জলত ॥
অমৃত সমান সিটো জল সুশীতল।
স্নান পান কবি অতি ভৈলা কৌতূহল ॥
নাহি ক্ষুধা তৃষ্ণা শ্রম পানে অমৃতব।
স্নান কবি চাবি বীব উঠিলা সত্বব ॥
ভীমত পুছিলা পাছে নকুলে নিশ্চয়।
সেহি গোট দদা কুলাচল হয় নয় ॥
ধনঞ্জয় দদা বিনাশিল ঘোব শবে।
সেহি কুলাচল হেন মোব মনে ধবে ॥
ভীমে বোলে সিটো কুলাচল সুহিকয়।
মহা বীব তাব পবাক্রম অতিশয় ॥
এহিমতে চাবি জনে কথা আলোচিলা
অনন্তবে গৈয়া বণ ভূমি প্রবেশিলা ॥

যেবে যান্ত চাৰি বীৰ কৰি পথগতি।
দেখন্ত নিমিত্ত আনো বিমঙ্গল অতি॥
আকাশত দেখে কতো দুই সূৰ্য্য জলে
মুখ চায় ফেৰুৱা ৰাৱয় কৌতুহলে।
ঘনে ঘনে গৃধ্রসবে কৰৈ কোলাহল॥
বাম বাহু বাম ঊৰু ফন্দয় সকল॥
ভীমে বোলে বাপু ধনঞ্জয় মহা বল।
আমাৰ মৰণ হেতু দেখি অমঙ্গল॥
ইসব অশুভে কহে আমাৰ মৰণ।
কৰে ঘনে ঘনে মোৰ উদবিগ্ন মন॥
ধৰ্ম্ম পক্ষিগণে বোলে শুনা মুনি সন্ত।
এহি মনে চাৰি বীৰে পথত চলন্ত॥
অনন্তৰে বিণি বিণি দেখয় পাণ্ডব।
যেন কাল মেঘ খণ্ড আসয় দানব॥
মাৰ মাৰ তোল তোল প্ৰকাৰ ঘঞ্চাল।
পৃথিবী কাটয় গজ ঘণ্টাৰ আস্ফাল॥
আকাশত থাকি দেখে দেব নিৰন্তৰ।
আজি মিলিলেক মহা যুদ্ধ ভয়ঙ্কৰ॥
সবাৰো মাজত মহিষৰ ৰথবৰ।
দিব্যশ্বেত ছত্ৰ খান তাহাৰ উপৰ॥

যেন মেঘ মাজে কৰে চন্দ্ৰৰ প্ৰকাশ ।
হেন চমৎকাৰ কুলাচলৰ আভাস ॥
অসংখ্যাত সেনা গণ চলে আগে পাছে ।
অস্ত্ৰ শস্ত্ৰ ধৰি অতিশয় যুদ্ধ কাছে ॥
দেখি চাৰি বীৰ কিছু ভৈলেক জামৰ ।
বোলে আজি মিলিল সমৰ ভয়ঙ্কৰ ॥
আমাক চালয় নুহি দৈত্যৰ মৰণ ।
কৃষ্ণ বিনে কৰৈ কোনে দুৰ্গতি তাৰণ ॥
আগ নবাঢ়িয়া আমি থাকো বাজুধৰি ।
থাৰতে থাকিয়া প্ৰহাৰিবো বেগ কৰি ॥
এহিমতে তথাতে ৰহিলা চাৰি ভাই ।
অনন্তৰে দানৱৰ সেনা পাইলা যাই ॥
বিণি বিণি চাৰিবীৰ দেখি জিকৰিল ।
আচল মনুষ্য দেখো আগতে মিলিল ॥
সবাহাকে পাছ কৰি কুলাচল ৰায় ।
ৰথবাহি পাণ্ডৱৰ আগে গৈলা ধায় ॥
হেন দেখি তাৰ আৰ বীৰ গণ যত ।
সবেয়ো ধাইলেক খজে বাজাৰ পাছত ।
অনন্তৰে চাৰিবীৰে ধনুবাণ ধৰি ।
সচল পৰ্ব্বত যেন কটাক্ষো নকৰি ॥

হেন দেখি দানবৰ বীৰ আছে যত।
যুঝিবে লাগিলা সবে ৰাজাৰ আগত॥
আমি বিদ্যমানে তুমি যুঝিবে লাগয়।
অল্পবলি মানু ষক আমি কৰোঁ ক্ষয়॥
হেন শুনি দানবক ৰাজা আদেশিলা।
মহা মহাবীৰগণ সমস্তে চলিলা॥
আগ বাঢ়ি চাৰিবীৰ ৰহিয়া আছয়॥
দানবৰ সেনা বেঢ়ি শৰ বৰিষয়॥
গদা ধনু ধৰি চাৰিবীৰ বলিয়াৰ।
আগত ৰহিয়া আছে পৰ্ব্বত আকাৰ॥
কাণ্ড খাণ্ডে জাঠি জোঙ্গ হানে মহাছোটে।
চাৰিয়ো বীৰক বিন্ধিলেক গোটে গোটে॥
দেখি বায়ুসুতে বীৰে মন নিয়মিল।
আছোট কৰিয়া গদা গোটক ধৰিল॥
কোবাইবে লাগিলা মহাচণ্ডনাদ কৰি।
দানবৰ বীৰমানে লগাইলে দাদৰি॥
দেখি দৈত্যগণে ধৰি ধনুশৰ কোপে।
হানিবে লাগিলা শৰ পৰম আটোপে॥
নিৰন্তৰে ভীমক বিন্ধিলা মহাবাণে।
ছুটিছাটি ফুটি যায় দাৰুণ সন্ধানে॥

পাখিময় ভৈল সবে ভীমৰ শৰীৰ।
অকাৰ্য্য দেখিয়া কোপে ধনঞ্জয় বীৰ ॥
ধনুধৰি গন্ধৰ্ব বাণক প্ৰহাৰিল ।
কঙ্ক পাখি ছায়া আছে পুৰন্দৰে দিল ॥
মস্তক উছাৰি তাক প্ৰহাৰিলা ডাটি ।
দানবৰ বীৰ সবে পেলাৱয় কাটি ॥
কাৰো উৰু কটি কন্ধ নাকটি কাটয় ।
গিৰিস গিৰিস কৰি ভূমিত পড়য় ॥
যেন মহাবায়ু তালফল সবসৰে ।
অৰ্জ্জুনৰ শৰে তেনে দানবক মাৰে ॥
বৃহত যানৰপৰা বাগৰি পড়য় ।
গিৰিসিত কৰি মহীমণ্ডল লড়য় ।
এহি মতে মৰে দানবৰ সেনাচয় ॥
দেৱ সবে অৰ্জ্জুনক প্ৰশংসা কৰয় ।
সাধু সাধু ধনঞ্জয় বীৰ মধ্য সাৰ।
তিনিয়ো লোকত বলে সম নহি যাৰ ॥
অসংখ্য দানব বীৰ এক পাট শৰে।
মাৰিয়া পেশিল ঝিটো যমৰাইৰ ঘৰে ॥
পক্ষিগণে খোলে মুনি শুনিয়োক পাছে ।
গদাধৰি ভীমসেনো তথা ৰহি আছে ॥

গন্ধর্ব্ব বানৰ ছোট পায়া দৈত্য গণ।
ভীমক এড়িয়া সবে ভাগিল তেখন॥
কাটি মাৰি শৰপাট প্ৰচণ্ড বেগত।
পুনু আসি অৰ্জ্জুনৰ ৰহিলা টোনত॥
সহদেব নকুলেয়ো কৰে ঘোৰ ৰণ।
তিনি বীৰে মাৰিলেক বহু বীৰ গণ॥
দানবৰ অনেক তেসম্বে চাৰি জন॥
ৰথি বীৰথিৰ লাগিলেক ঘোৰ ৰণ।
যতেক কাটয় মানে ততেক বাঢ়য়।
দানব সকলে পাছ ভৰি নকৰয়॥
সিবেলাত ঘোৰ ৰণ ভৈলা অদভুত।
পাছে বীৰ গণে কোপ কৰিয়া মনত॥
অন্যায় সমৰে মাৰিবাক মন কৰি।
পাণ্ডৱক বেঢ়িলেক চৌভিতি আৱৰি॥
সিংহনাদ কৰি বেগে বেঢ়িলেক যায়।
কতো দূৰে কুলাচল ৰাজা আছে চায়॥
হৰ হৰ কৰি ৰথ আগ বঢ়াইলেক।
দেব সবে হাহাকাৰ কৰয় প্ৰত্যেক॥
বোলে কিনো অকাৰ্য্য মিলিল পাণ্ডৱৰ
দানবে মাৰয় কৰি অন্যায় সমৰ॥

বায়ু সুতে বোলে কথা ভৈল বিপৰ্য্যয়।
অন্যায়ে আমাক হেৰা দানবে মাৰয় ॥
কেন মতে বাপু ৰৈবে জীৱন আমাৰ।
কোনে কৰিবেক দানবক প্ৰতিকাৰ ॥
অৰ্জ্জুনে বোলন্ত দদা কৰা থিৰ কায়।
শঙ্কট বেলাত হেলা কাৰ্য্য সুজুৱাই ॥
যাবত শকতি আছে তাৱে বৈথা বায়
অনুকুল বায়ু হৰি কাখৰ চপায় ॥
এতহন্তে ওচৰ চাপিলা বীৰ চয়।
সম্মুখে বাঢ়িয়া সবে প্ৰহাৰ কৰয় ॥
গদা মুদ্গৰ আৰ পৰশু অপাৰ।
তাসম্বাৰ গাৱত পড়য় ধাৰা সাৰ ॥
চণ্ডনাদ কৰি সবে গাৱত পৰয়।
চাৰিয়ো পাণ্ডবে বাম হৰি উচ্চৰয় ॥
হৰি পদ প্ৰসাদে খণ্ডিত নখাগীল।
চাৰি ভিতি চাৰি বীৰ আটোপে বহিল ॥
মহা বলী বৃকোদৰে গদা গোট তুলি।
একোকো নগণি কোবায় হু বুলি ॥
ত্ৰিশুল পৰিঘ শেল গদা মুদ্গৰ।
বৃষ্টিধাৰ যেন সবে পড়ে দানৱ ॥

কটাক্ষো নকৰে তাত ভীম মহাবলী।
গদাঘাতে দানবক মাৰয় নিদলি ॥
উঠিল দানবমাঝে আৰ্ত্তনাদ ৰোল।
তিনিধীৰে বাণহানি কৰিলেক টোল ॥
ধনুৰ কোবত মৰে দশ পাঞ্চ কুৰি।
ভীমত গদাৰ কোবে ফুৰয় বাগড়ি ॥
উট বলধি খৰ যান চাগলৰ।
কতো মুৰ শূকৰ কতোহো বিড়ালৰ ॥
পণ্ডিত সমান একো একো বীৰচয়।
ধনু গদা কোবে সবে ভুমিত পড়য় ॥
কতো বাগুৰাই লাগি ফুৰয় বাগৰি।
তথাপিতো গোটেকো নকৰে পাছ ভৰি ॥
এহি মতে দণ্ড দুই মানে যুঝি চয়।
চাৰিয়ো বীৰৰ গাৱে ৰুধিৰ বহয় ॥
বিষৰ ছোটন্ত কতো যমক দেখয়।
তথাপিতো তাক গণাগণ নকৰয় ॥
গদাধনু-ধৰি সবে মাৰৈ দৈত্য সেনা।
বাহু এড়ি ভাগে সবে হুয়া চেনাবেনা ॥
কাৰো কাটি স্কন্ধ কাৰো নাকটি ভাগিল।
কতো আধা কটা দৈত্য ভুমিত পড়িল ॥

কাৰো ভূৰু ভোসণ্ডিল লাগিয়া কুঠাৰ।
লক্ষ লক্ষ দানব পড়িল অনির্ব্বাৰ।
তেজে তোল ৰোল ভৈল সবে ৰণস্থলি।
শোণিতৰ মহা এক নদী যায় বলি॥
কতো অস্ত্র শস্ত্র এড়ি মাৰিল লবড়।
কতো পৃথিবীত পড়ি কৰে ধৰফৰ॥
সহিবে নপাৰি চাৰি বীৰৰ মহত্ত্ব।
ভাগিবে লাগিলা দানবৰ সেনা যত॥
হস্তী ঘোড়া নিকলয় যেহি যৈক ঠাবে।
বৰ বৰ দৈত্য ভয়ে পাছমুখে ধাৱে॥
দেখিলন্ত কেহো কাৰোঁ ওপৰে পড়য়।
নচাৰে কাহাকো কেৰে খচকি মাৰয়॥
এহি মতে দানবৰ মিলিল প্ৰলয়॥
দেবগণে দেখি ৰঙ্গে কৰে জয় জয়॥
দানব মাৰিলে যেবে হৰিষ লভিল।
সাধু সাধু বুলি সবে পুষ্প বৰিষিল॥
হৰি ভকতৰ কৈত অসাধ্য আছয়।
চাৰি গুটি পাণ্ডব ভৈলেক ৰণজয়॥
দেখি কুলাচল ৰাজা ভয় ভৈলা মন।
ইহাৰ হাতত মোৰ হইবেক মৰণ॥

ঋষি বৰ দিয়া আছে আমাক পূৰ্ব্বত।
নহৈবে মৰণ মোৰ সীমা ভিতৰত॥
এতেকে কিমতে মোৰ হুইবেক মৰণ।
মোৰহাতে মৰিবে মানুষ চাৰিজন॥
বিচাৰি চাহিলোঁ। সবে কেহ আৰ নাই।
চাৰিগুটি মনুষ্য ফুৰয় এহি ঠাই॥
শুনা সভাসদ পদ কুলাচল বধ।
ভুকুতি-মুকুতি যাত পাৱয় সম্পদ।
হেনজানি একচিতে কৰিয়ো শ্ৰবণ।
বৈকুণ্ঠক যাইবাৰ যাহাৰ আছে মন॥
অষ্টাদশ ভাৰত সুহিক আৰ তুল।
পুৰাণ সংহিতা হংসকাকী আৰ মূল॥
ভাৰত ভূষণে কহে এড়ি আনকাম।
সভাসদলোকে বেচি বোলা ৰাম ৰাম॥

ছুলড়ি।

পক্ষিগণে বোলে শুনা মুনিসন্ত
পাছৰ যেন বৃত্তান্ত।
কুলাচল ৰাজা সেনা ভঙ্গ দেখি
আগবাঢ়ি আসিলন্ত॥

মহাবীৰগণ আগে পাছে তাৰ
যোগান ধৰি চলয়।
চাৰিয়ো পাণ্ডৱে তাহাক দেখিয়া
ভৈলেক অতি বিস্ময়॥
সহদেৱে বোলে দেখিয়োক দদা
তাৰ কেনে পৰাক্ৰম।
শতেক মহিষে ৰথখান বহে
ত্ৰিভুৱনো সুহি সম॥
হাজাৰে হাজাৰে বহু অলঙ্কাৰে
দেখিতে অতি বিড়ঙ্গ।
পৰ্ব্বত প্ৰমাণ মুণ্ডগোটজলে
তীক্ষ্ণতৰ দুই শৃঙ্গ॥
ভেৰা ছাগলৰ মুখ যেন তাৰ
মুখ অতি ভয়ানক।
ভালেতো পাণ্ডৱে আমাক বাধিল
ইদিশক আসিবাক॥
আৰু দেখা দদা ইহাৰ লগত
চলে যত বীৰগণ।
বলয় কিৰিটি কৰিছে ভূষিত
সবে দিব্য আভৰণ॥

পৰ্ব্বত সদৃশ অলঙ্কাৰ সব,
কৰিছে তাক ভূষিত।
নক্ষত্ৰ সহিত, নবগ্ৰহ সমে,
চন্দ্ৰমা যেন উদিত ॥
ক.তক যুগৰ, বয়স ভৈলেক,
তভো নতু বৃদ্ধ হয়।
বল পৰাক্ৰম দেখন্তে তাহাক,
মাৰিবে কোনে পাৰয়
এ.কে ভগবন্ত হৃষীকেশ বিনে,
কমনে আক বধিব ॥
অনুমানে জানো, আমৰা চাৰিয়ো,
ভ্ৰাতৃক ইটো মাৰিব ॥
হেন বাণী শুনি. মহাবীৰ ভীমে,
মাতিয়া বোলন্ত পাছে।
শুনা মোৰ বাণী, বাপু সহদেব;
কৰ্ম্মে যিবা যাৰ আছে ॥
জনম যেমন, মৰণক প্ৰতি,
হয়া আছে নিৰন্তৰে।
ইটো ভূগোলত, মৰণক প্ৰতি;
কেন যুদ্ধে জয় কৰে ॥

অপযশে যদি, মরণ মিলয়,
তাকেসে মৃত্যুবোলয় ।
কুবৃত্তি মরণে, জানিবা নিশ্চয়,
নরকত বাস হয় ॥
এহিমতে যেবে, কাহিনী কহিয়া,
চারিয়ো পাণ্ডব আছে ।
আগে বাঢ়ি যাই, কুলাচল রাজা,
বচন বুলিলা পাছে ॥
অর্দ্ধ যোজনর, উপবর পরা,
বুলিবে লৈলা বচন ।
শুন অবে কৈর, আচল মনুষ্য,
মোহোত দেস চিনন ॥
কৈরপরা ঐত, আসিয়া মিলিলি;
ঠনগণ চারি জন ।
কতনো তোহোর শকতি আছয়
মার মোর বীরগণ ॥
ইতিনি লোকত, মোহোক জোকারে,
হেন নাহি ররিভলে ।
ভয় সবে জানো, নৌউ শুন মোর,
কথাক কর্ণে কেবলে ॥

আন কোন জন, সখা আছে কৈয়ো,
বলীনো কত সিজন।
আমবার কিনো, দোষ পাইলা তোবা,
বাঢ়ি কব সবে বণ ॥
কতবা দোষক, আচবিলে তোব,
মোবা ইটো প্রজাগণ।
সুহি তিবী বৈবী, সীমা বৈবী সুহি,
কিসক তেন লক্ষণ ॥
অনাদোসে যিটো, লোকক মাবয়,
সুহিকে ক্ষত্রিয় জন।
বালক সকলে, উলজ্বা কবয়,
বৃদ্ধক যে কি কাবণ ॥
তুমি চাবি গুটি, মনুষ্য বালক,
কি কার্য্যে আসি মবিলা।
যেন বিষফল, নজানি অজ্ঞান
মনুষ্যে পান কবিলা ॥
এহিমতে আনো, নানা মতে তাবে,
মত বুলিলেক বাক।
সংক্ষেপ পয়াবে, পদ বাঢ়ে দেখি,
নিলিখিলোঁ আমি তাক ॥

জানি বুদ্ধ জন, কবি একমন,
শাস্ত্রক বিচাৰি চাই ।
তেবে মোক সবে, নিন্দা কৰিবাহা,
যেবে ইটো কথা নাই ॥
শাস্ত্র নিবিচাৰি, পাষণ্ডেসে নিন্দে,
পৰম সিটো অজ্ঞান ।
বৈষ্ণব সবৰ, সুকীর্ত্তি বাঢয়,
তাৰ নৰকত থান ॥
ভাৰত ভূষণে, কৃষ্ণৰ চৰণে,
শৰণ মাগয় পড়ি ।
পাণ্ডৱ চৰিত্র, কুলাচল বধ,
ৰচিলা পদ ছুলড়ি ॥
জানি সভাসদ, হুয়া নিশবদ,
ইহাক কৰা শ্রৱণ ।
ঘোৰ সংসাৰত, কৃষ্ণ কথা বিনে,
নাহিকে আন তৰণ ॥
বিষয় সম্পদ, ক্ষণে নাশ হয়,
পাপ বাঢ়ে নিতে দায় ।
আৰ আশা এড়ি, সাতে পাঁচে বেড়ি,
ডাকি বোলা ৰাম ৰাম ॥

পাদ।

ধৰ্ম্মপক্ষিগণে বোলে শুনিয়ো জৈমিনি।
দানব ৰাজাৰ বাণী চাৰি বীৰে শুনি॥
অনন্তৰে ধনঞ্জয়ে দিলেক উত্তৰ।
শুন যোগভ্ৰষ্টী কৰ্ণদত্তৰ কুমৰ॥
আপোনাৰ পাপত আপুনি হোৱে হত।
ভয় নাশ ভৈলি যেন ঋষিৰ ক্ৰোধত॥
তিনিয়ো যুগৰ বৃদ্ধ হুয়া কিকৰিলি।
জ্ঞান শূন্য বুঢ়া যেন ডুবিয়া ৰহিলি॥
অজ্ঞান বালক আমি সুবুঝোহোঁ কায।
ভয় জানি অসুৰ কৰিলি সামবাজ॥
যিবুলিলি বালকৰ ক্ৰোধ বিপৰ্য্যয়
নিক্ৰোধী বাপেৰ তোৰ শিলা হুয়াচয়॥
যিবুলিলি সুভীয়া বালকে বিষ খাই।
নিৰ্ব্বুদ্ধীয়ে ভুঞ্জিয়া কুবেশ আছ পাই॥
বপুস্বতে বোলে শুনা জৈমিনি মহন্ত।
কৈলা কুন্তী সুতে তাৰ জাতকৰ্ম্ম যত॥
বাপেকবো কহিলা আজন্ম কথা যত।
শুনি কুলাচল অতি ক্ৰোধিলা মনত॥

হাউরে মনুষ্য তোর মরণ মিলিল।
মোর জাতকর্ম্ম তয় কিমতে জানিল॥
মোর হাতে আজি মরি যাইবি চারিজন
এহি বুলি করকরি চোবাবে দশন॥
পরম প্রচণ্ড ধনু তুলিয়া ধরিল।
চারিপাট দিব্যশর গুণত যুরিল॥
দীঘল তিখাল মহাশর চমত্কার।
চারিয়ো বীরক হানিলেক একেবার॥
দেখি চারিবীর কিটাইলেক শর পাই।
ঘৃতদান পায়া যেন অগনি উধাই॥
চারিবীরে কোপ মনে শরঝাক দিল।
দানবর বাজা তাক দূরতে ছেদিল॥
দেখিয়া অর্জ্জুনে শর মারিবে লাগিল।
অর্দ্ধে উর্দ্ধে চানি অনি নিসন্ধি ঢাকিল॥
নেদেখিয় দানবক ঘোর অন্ধকার।
দেবে বোলে দানবর চিন্তিলেক মার॥
মহিষর রথখান বিপাকে ফুবর।
গাতর ভিতরে যেন দেখি তমোময়॥
অনন্তরে তার যত লগবীয়া বীর।
ভীম নকুলক ধাইলা কোপিত শরীর॥

শুদ্ধবর্ণ নাম তাব মহা মন্ত্রিবব।
বীবমধ্যে তাক প্রশংসয় নিবন্তব ॥
সেহি সহদেবক ধাইলেক আথে বেথে ।
উঠিয়া আছয় চাবি গোটা খব বথে ॥
ডাঙ্গব দীঘল মহাবীবতে প্রধান ।
সহদেব বীবক হানিলা দুই বাণ ॥
দুই বাহু ভেদি অতি কবয় সন্ধান।
পাছে সহদেবে প্রহাবিলা চাবিবাণ ॥
দুই শবে হৃদয়ত সন্ধানে পূবিল ।
একশবে ধনুখান হাততে কাটিল ॥
পুনবপি ধনু তাক ধবিবে নিদিল।
খুববাণ হানি তাব মাথাক কাটিল ॥
চাবিবাণ হানি চাবি খব মাবিলন্ত।
সাবথিক কাটিয়া আটোপ কবিলন্ত ॥
সিদ্ধ বিদ্যাধব সবে প্রশংসা কবিলা।
মহাবীব সহদেব দানব বধিলা ॥
তোমাব সমান ধনুধব কেহো নাই।
প্রহবেক মানে বণ কবৈ সেহি ঠাই ॥
অনন্তবে কর্ণদন্ত মত্ত মহাবলী।
অর্জ্জুনব শবসব পেলাইলা নিভলি ॥

প্রসন্ন করিয়া মহাধনু টঙ্কারিল।
দিব্য শরচয় অর্জ্জুনক প্রহারিল॥
বাটতে কাটিলা কুন্তীসুত মহাশয়।
কুলাচলে শরহানে অর্জ্জুনে কাটয়॥
বোলে কিনো মনুষ্যর চরার প্রভাব।
মই বিনে আন কোনে সহে পরাভব॥
এহি বুলি দুইপাট শর প্রহারিল।
এক পাটে ধনুর যে গুণক কাটিল॥
আরু পাটে বক্ষঃস্থল ভেদিলেক যাই।
হুসকি রহিলা বীর মহা চোট পাই॥
হেন দেখি নকুলে হানিলা শরচয়।
তাহার শরক কট কট নকরয়॥
অর্দ্ধ যোজনর তার চরা রথ খান।
চিলমুঠি হুয়া পড়ে নকুলর বাণ॥
এতেকে তাহার গাবে নিবিন্ধয় ভালে।
দেখি সহদেবো আসিলেক সেহি তালে॥
দুই ভাই মিলি শরজাক প্রহারিল।
দানব রাজার চাল নোম নিবিন্ধিল॥
বিষম সমর হেন দেখি দেবগণ।
পাণ্ডবক লাগি সবে খেদ করে মন॥

বৃকোদৰে বোলে কিনো অকাৰ্য্য মিলয়।
দুই ভাইৰ শৰে তাক চুকি নপাৰয় ॥
চাৰিকোণে বেঢ়ি আছে বীৰ নিৰন্তৰ।
দেখিয়া ভীমৰ শঙ্কা লাগিল মনৰ ॥
বপুস্থতে বোলে মুনি শুনা তাতপৰ।
যেবে গুণ ছেদিলন্ত বীৰ অৰ্জ্জুনৰ ॥
মনত বোলন্ত মোৰ মিলিল মৰণ।
বঘাসুৰ বধিবাৰ এহি ধনুখান ॥
দেবগণে দিয়া আছে মহা বজ্রময়।
ব্রহ্মাবাক্যে বিশ্বকৰ্ম্মা গঢ়িয়া আছয় ॥
হেনয় ধনুৰ দেখোঁ গুণ ছেদ ভৈল।
অনুমানে মোহোৰ মৰণ বাৰ্ত্তা কৈল ॥
এহি বুলি মনদুঃখে কৃষ্ণ কৃষ্ণ স্মৰি।
থৈলন্ত ভূমিত ছিগাধনু কাতি কৰি ॥
এতহন্তে গিৰিশাই পড়িল মহীত।
কটা ধনুখান উঠি লড়িলা ত্বৰিত ॥
চিকিমিকি কৰে ধনু আগতে দেখিল।
কতোদূৰমানে সিটো ধৰণী লড়িল ॥
পৰম কৌতুকে কুন্তীসুত মহাবলী ॥
মহাবল দিয়া ধনুখান লৈলা তুলি ॥

কাটিল ভাঙ্গৰ ধনু কাম মানিকৰ।
চিকিমিকি কৰৈ যেন কান্তি আদিত্যৰ
পুত্ৰৰ স্নেহত ধনু দিল পুৰন্দৰ।
ধৰিবে শকতি তাক নাহি মনুষ্যৰ॥
কৃষ্ণত ভকত মহাবীৰ ধনঞ্জয়।
হৰি ভকতৰ কৈত অসাধ্য আছয়॥
ছুইবাৰ মানে টঙ্কাৰিয়া আৰোহিলা।
দানবৰ সেনা মাঝে থলক লাগিলা॥
দূৰক লাগিয়া সবে চাৱে নিৰন্তৰ।
আমাক যুঝিবে আসিলেক পুৰন্দৰ॥
গুণকটা ধনুখান অন্তৰ্দ্ধান ভৈল।
বাসৱৰ গৈয়া ধনুশালত ৰহিল॥
পক্ষিগণে বোলে মুনি শুনিয়ো সমস্ত।
পাণ্ডৱ সমান কোন আছয় ভকত॥
যাহাৰ সঙ্গক হৰি ক্ষণেকো নেৰন্ত।
সৰ্ব্বভাবে ভকতক ৰাখিয়া ফুৰন্ত॥
মাধৱৰ ভকত হোৱয় যিটো জন।
দেৱতা সকলে পুৰে তাসম্বাৰ মন॥
দেখা অৰ্জ্জুনত কেনে দেৱৰ আদৰ।
আপোনাৰ ধনুক দিলয় পুৰন্দৰ॥

ইকথা থাকোক আবে শুনা পাছ কথা।
সহদেব নকুলে কবিলে যেন তথা॥
দুই বীবে যতমান হানিলেক শব।
বথত পড়য় কুলাচল দানবব॥
গাবত পড়য় যিবা সিয়ো ঢিল হয়।
দেখি দানবব মনে উধুতি বাঢ়য়॥
ভীমে বোলে কেনে হেন ভৈল বিসঙ্গতি।
বীবথী বথিব বণ মিলিল অহিতি॥
এহি বুলি বৃকোদবে থমকি আছিল।
ধনু পাই ধনঞ্জয় দুগুণে জ্বলিল॥
বজ্রসম ধনু তাত শিলিমুখ শব।
মন্ত্র পঢ়ি ধনুত যুবিলা নিবন্তব॥
অতিবল দিয়া কর্ণ মাণে টানিলন্ত।
সিংহনাদ কবি বীবে হানি পঠাইলন্ত॥
হৃদয়ত পড়ি পিঠি পাছে বাজ ভৈল।
বব প্রাপ্ত নিমিত্তে তাহাব প্রাণ বৈল॥
বথত পড়িল ঢলি কর্ণব তনয়।
সিদ্ধ মুনি বিদ্যাধবে কবে জয় জয়॥
নকুলে বোলন্ত দদা হানা আকথাব।
দুবাচাব দানব চলোক যমধাব॥

অৰ্জ্জুনে বোলন্ত বাপু হেন কি বোলয়।
বিমুখ জনক কোনে প্ৰহাৰ কৰয় ॥
মই মহা ক্ষত্ৰিকুলে ধনুৰ্ধৰ সাৰ।
বিমুখক কাতৰক কৰিবোঁ প্ৰহাৰ ॥
এহি কথা কোনে কহে যুগুত নোহয়।
মৰণক ভয়ে বিমুখক প্ৰহাৰয় ॥
এতেহন্তে কুলাচল সন্ধুকি উঠিল।
অৰ্জ্জুন বীৰক উচ্চৈঃস্বৰে প্ৰশংসিল ॥
সাধু সাধু আচল মনুষ্য বীৰবৰ।
অনুমানে জানোঁ। হোৱ দেবতো অপৰ ॥
সফল মানুষ মাতৃগৰ্ভে উপজিল।
বিমুখ শক্ৰক যাতো শৰ নকৰিল ॥
এহি বুলি ধনুখান তুলি মহাবেগে।
তিনি বাণে অৰ্জ্জুনক ভেদে সেহি চেগে ॥
যমক দেখিল পাণ্ডুসুত মহাবলী।
তগমগি ৰুধিৰ চাদিলা হলহলী ॥
পাক ফুৰি বহি পাছে ধনু আস্ফালিলা।
চাৰি পাট নৰাচ বে গুণত যুৰিলা ॥
মহাবেগে কৰি বীৰে হানিয়া খেদাইল।
এক পাটে ধনুখান হাতত্তে কাটিল ॥

আরু তিনি পাট তাৰ হিয়াত পড়িল।
পুংখমানে তল গৈল আচোটে ঘামিল ॥
পাছে দৈত্যে হানিলেক অসংখ্যাত শৰ।
স্থানে স্থানে ভেদিল শৰীৰ অৰ্জ্জুনৰ ॥
মহাবীৰ অৰ্জ্জুন কিঞ্চিতো নটালল।
মহা খৰোতৰে অতি শৰজাক দিল ॥
নাকে মুখে গাৱে তাৰ ফুটিল সন্ধানে।
মহিষ গণকো হানিলেক বড় টানে।
শতেক মহিষ গাৱে গাৱে ভেদিলেক।
শৰচোটে পাক কৰে মহিষ শতেক ॥
আগু আগু কৰি সহে আটাশ তেজয়।
কিসে নাদ কৰে হেনমত অতিশয় ॥
ত্ৰৈলোক্যৰ লোকৰ কাণত দিলে তাল।
থমকি ৰহিলা আঠ দিগজ বিশাল ॥
সেহি বেলা বৃকোদৰে ছিদ্ৰক লভিয়া।
মহিষ যুথৰ পাছে মাৰত পশিয়া ॥
কোবাইবে লাগিলা অতি চণ্ডনাদ কৰি।
কাৰো শৃঙ্গ ভাঙ্গে কাৰো ভাঙ্গে দুই ভৰি ॥
এহিমতে দুই দণ্ড মানে প্ৰহাৰিল।
ত্ৰিংশ গোটামানে তেৰে মহিষ পড়িল ॥

হেন দেখি তাব লগড়িয়া বীবগণে।
ভীমক হানিবে লৈলা দারুণ সন্ধানে॥
চোট পায়া অস্তবিল বায়ুব তনয় ।
সেহিবেলা হানিলে অর্জ্জুনে শবচয় ॥
কাটন ফুটন মহাশব তীক্ষ্ণতব ।
শবীব শালিল কুলাচল দানবব ॥
শবীব ঢাকিয়া অতি রুধিব বহয় ।
ফুর্ব্বণি লাগিল কম্পে দেখি তমোময় ॥
হবহব কবি বথখান পাকফুবে।
হেন দেখি অর্জ্জুনক মাতে বৃকোদবে ॥
পূর্ব্বে বব দিয়া আছে অগস্তি দুর্জ্জয়।
নবপ্রহবব ভিতবত নমবয় ॥
এতেকেসে হুসকিয়া যাইবাক লাগয়।
ইহাব হাতত আছে আমাব সংশয় ॥
অর্জ্জুনে বোলন্ত দদা কহিলাহা ভাল।
পাপিষ্ঠ দানব আগ নবাঢ়ে সকাল ॥
তথাপিতো আব যল পবাক্রম চাও ॥
নোহে মাবো মুহি আপুনিয়ে মবি যাও ॥
পক্ষিগণে কহে মুনি শুনা তাতপব ।
শ্রীহানি হুয়া আসে চাবি পাণ্ডবব ॥

পাছে দৈত্যে আথে বেথে কাটি শৰচয়।
অৰ্জ্জুনক প্ৰতি মহাকোপে গৰজয় ॥
হাঞ্চুৰে মানুষ চৰা মুনিসাই বৰ।
গোটাচাৰি শৰ সহ মোহোৰ হাতৰ ॥
ক্ৰোধমনে ধনুত যুৰিয়া দুই বাণ।
পাণ্ডৱক হানিলেক কৰি মুষ্ঠি টান ॥
দেখি কুন্তীসুত ধনঞ্জয় মহামানী।
বোলে মোক ভেদিবে খোজয় শৰ হানি ॥
দুই শৰ হানি দুই বাণ নিবাৰিলা।
দেখি দৈত্যে নবপাট শৰ প্ৰহাৰিলা ॥
ধনঞ্জয়ে কুৰিশৰে বিনাশিলা তাক।
বোলে আজি শূল হানি নাশিবোহোঁ আক ॥
মোহোৰ আগত আৰ অত মুনিসাই।
এহি বুলি শূলপাট ধৰিলা উচাই ॥
শূলধৰি দৈত্যে ঘোৰ আটাসেক দিল।
সকল জগতে বোলে পৃথিবী কাটিল ॥
দেখি অৰ্জ্জুনৰ চমকিত ভৈলা কায়।
ভীমসেনে বোলন্ত ভ্ৰাতৃৰ প্ৰাণ যায় ॥
তিনিখান মুখ শূল অগনি সমান।
বজ্ৰলোহে গঢ়ি আছে অতিশয় টান ॥

মহাভয়ানক দেখিলাতে লাগে ভয় ।
বিধূম অগনি যেন জ্বলন্তে আছয় ॥
দেবগণে দেখি খেদে করে হাহাকার ।
এহি শূলঘাৱে ধনঞ্জয় যাইবে মার ॥
মারোঁ। মানুষক বুলি হানিলেক তুলি
আকাশক চানি শূল চলয় হান্ধ্‌লি ॥
সিদ্ধ বিদ্যাধর দেব তরসিয়া গৈল
মেঘর মাঝত পশি আর হুয়া রৈল ॥
হেন দেখি ইন্দ্রসুতে ক্রোধ করি বর ।
বজ্রদন্ত নামে শর লৈলা বাসবর ॥
যিতো শরে পুরন্দরে অসুর জিনিল ।
বিষ্ণুতেজ দিয়া ঋষি অগস্তি গঢ়িল ॥
বজ্রকুট বজ্রদন্ত দুই পাট শর ।
বঘাসুর বধিবাক দিলা বজ্রধর ॥
সেহিশর গুণত যুরিলা ধনঞ্জয় ।
গরুড়র পখা চাই আছে বজ্রময় ॥
বিষ্ণুমন্ত্র লিখি আছে পখার উপরে ।
তাক চাই পঠন করিলা বীরবরে ॥
বিষ্ণু মন্ত্র পঠন করিলা যেতিগণ ।
কাটিলেক শর যেন কাল হুতাশন ॥

বজ্রময় গাণ্ডি তাৰ পাৱ ভয়ঙ্কৰ।
লহলহ জিহ্বা অতি দেখি লাগে ডৰ ॥
শূলপাট আসে বেগে আকাশে উধাই।
যুৰিলেক শৰ বীৰে আকাশক চাই ॥
আকর্ণ পূৰিয়া হানিলেক মহাবলী।
উঠিলেক মহা অগ্নি শৰৰ নিকলি ॥
শৰৰ প্ৰভাবে দেবাসুৰ মহাভয়।
জানো ঘোৰশৰে সবাহাকে বিনাশয় ॥
আকাশ চানিয়া শৰ বহি যাই চানি।
শূলপাট পাইল যেন তুলাত অগনি ॥
ছাই কৰি পাড়িলেক ধৰণী মণ্ডলে।
শূল নাশি শৰপাট চলে কৌতুহলে ॥
দানব গণত বড় বাণ্ডৰি লাগিল।
কোলাহলে কাকো কেৱে গৰকি মাৰিল ॥
কুলাচল বাজাবো লাগিল মহাভয়।
এতিক্ষণে মোৰ কেনে মৰণ মিলয় ॥
কিনো বৰ পূৰ্ব্বে মোক অগস্তি দিলেক।
সিটো বৰ নষ্ট জানো ভৈলেক প্ৰত্যেক ॥
কত যুগ বহি গৈল বৰ দুৰ ভৈল।
ব্ৰাহ্মণৰ বৰ কোন কালে গুচি গৈল ॥

আজি দেখো মোৰ কেনে হেন বিপর্য্যয়।
খাস্তিৰ ভিতৰে কিয় মৰণ মিলয় ॥
দেখা মুনি দুৰ্জ্জনৰ কিমত আশয়।
মহন্তৰ বাক্য বজ্র উলঙ্ঘা কৰয় ॥
কোটি কোটি যুগে তাৰ খলন নোহয়।
যাবে বৈষ্ণৱন্ত পুনু শৰণ নলয় ॥
মহন্ত অগস্তি তান বচন পল্লৱ।
অস্থি ভেদি আছয় ধূম্রাক্ষ দানবৰ ॥
এহি মতে শৰপাটে শূল নাশ কৈলা।
দানৱ গোটৰ গৈয়া গলত লাগিলা ॥
ছাগলৰ স্কন্ধ তাৰ তীক্ষ্ণ লোমচয়।
বহু মনিগণে তাত মণ্ডিয়া আছয় ॥
মনি সমে তাৰ সবে লোমক ছেদিলা।
বজ্রময় গল ছেদিবাক নপাৰিলা ॥
আগমুৰি শৰপাট বৈলক্ষ পাই।
ইন্দ্রৰ স্থানক গৈলা আকাশে উধাই ॥
অৰ্জ্জুনৰ শৰত নভৈল মৃত্যু তাৰ।
সিদ্ধ বিদ্যাধৰ সবে কৰৈ হাহাকাৰ॥
হেন শৰে তাক ছেদিবাক নপাৰিল।
পাণ্ডৱ সবৰ জানো মৰণ মিলিল ॥

কুলাচল দানবৰ মনত বিস্ময়।
আছিল মনুষ্য কিনো পৰম দুৰ্জ্জয় ॥
বিকৃত মুণ্ডিল সবে ডাঁৰি লোমচয়।
ধনুধৰি অৰ্জ্জুনক গৰ্জ্জিয়া মাতয় ॥
শুন অৰে মনুষ্যৰ চৰা অপজন।
মোহোৰ হাতত তোৰ মিলিবে মৰণ ॥
টিল পায়া মহতালি কৰিয়া ফুৰিল।
এবেসে যুঝস ৰণ টানত বাজিল ॥
আজি যেবে প্ৰাণ বহে কৰিবি মহত্ত।
বীৰ বখানিয়া তেবে ফুৰিবি লোকত ॥
অনন্তৰে কুন্তীৰ তনয় বীৰবৰ।
দানব ৰাজাক হেন দিলন্ত উত্তৰ ॥
কতনো চকুৱা ফাৰ দানব বৰ্ব্বৰ।
সহ আজি পৰাভৱ মোহোৰ শৰৰ ॥
শূলনষ্ট ভৈল তোৰ তভো লাজ নাই।
আমাৰ আগত হেন কৰ মুনিসাই ॥
পক্ষিগণে বোলে মুনি শুনা মহাশয়।
এহিবুলি অৰ্জ্জুনে ধনুক ধৰি ভয় ॥
মহাজন্ন বাণ তিনিপাট যুৰিলন্ত।
প্ৰচণ্ড আটোপে কোপে হানি পঠালন্ত ॥

মহা বেগ কৰি তাৰ হিয়াত পড়িল।
খৰতৰ বেগে পিঠিপাছে সৰকিল॥
তিনি গোট সৰ্প যেন পশিলা গৰ্ত্তত;
ধনুবাণ এড়ি ৰাজা পড়িল ৰথত॥
দুই দণ্ড মানে পড়ি নিচুকি আছিল।
নিমাইবাৰ বহ্নি যেন দুগুণে জ্বলিল॥
ধনুখান ধৰি বাৰে কৰিলা টঙ্কাৰ।
মহাচোটে শৰ সব হানিলা অপাৰ॥
ঠাট ঠাট অৰ্জ্জুনৰ পড়য় গাৱত।
শৰ হানিবাৰ শ্ৰোত নপাৰে তাৱত॥
পুঙ্খমানে তলগৈয়া বহে শৰচয়।
পাণ্ডু পুত্ৰ অৰ্জ্জুনৰ মৰণ মিলয়॥
ধনুশৰ এড়ি বীৰ ভূমিত পড়িল।
কৃষ্ণ কৃষ্ণ বুলি পাছে চেতন হৰিল॥
পড়িল অৰ্জ্জুন দেখিলন্ত ভীম বীৰ।
হা প্ৰাণভাই বুলি অস্থিৰ শৰীৰ॥
দেখি কুলাচল ৰাজা ৰথৰ নামিল।
অৰ্জ্জুনক আনিবাক সত্বৰে চলিল॥
বোলে পৰাক্ৰমী ইটো মহাবলী বীৰ।
ইহাক নগৰে নিয়া কৰো প্ৰতিকাৰ॥

এহিবুলি কোল চাপি হাত মেলিলেক।
গদাধবি বায়ু সুতে পাইলেক প্ৰত্যেক॥
ধবিবাকে মনে মাথা চাপৰ কৰিল।
গাৱবলে কাতি কবি কোব এক দিল॥
যেন পৰ্ব্বতৰ শৃঙ্গে বজ্র প্ৰহাৰিল।
কুবি হাত মানে তাৰ শৃঙ্গক ভাঙ্গিল॥
যাঠি হাতমানে সিটো বাগৰিয়া গৈল।
আৰু কোব মাৰি বাক ভীমে খেদি গৈল॥
দেখি আথে বেথে কবি উঠি মহাৰাগে।
ভীমৰ কোখত খোঞ্চা দিল শৃঙ্গ আগে॥
তীক্ষ্ণতৰ শৃঙ্গৰ প্ৰহাৰ তান ভৈল।
মহা চোটে বায়ুৰ পুত্ৰৰ প্ৰাণ গৈল।
শৃঙ্গৰ বিষত সিটো যমক দেখিল।
আপোনাৰ শৃঙ্গ গোট হাতে তুলি লৈল॥
যাঠি গোটা মুনিসব ভাৰ তাৰ শৃঙ্গ।
বস্ত্র আভৰণে তাক দেখিতে বিবিঙ্গ॥
ধাৰে বহি যাই আতি কধিৰ বিস্তৰ।
গেৰু ধাৰ নিজৰয় যেন পৰ্ব্বতৰ॥
দেখিয়া নকুল সহদেৱ দুইবীৰ।
দুই ভাই পড়িলাত নসহে শৰীৰ॥

আগ ভেণ্টি দুই বীরে শর জাক দিল।
দানব গোটক বেগে নিসন্ধি ফুটিল॥
আথ বেথ করি রথে উঠিল তথাই।
দুই হস্তক দেখি তার ক্রোধ চরিযাই॥
দুই গুটী চরার দেখিয়ো কেন কায।
আর দুই গোটা মরি গৈল যমরাজ॥
এহি বুলি অসংখ্যাত শর ধনু তুলি।
হানিলেক আথে বেথে দুই হস্তক বুলি।
দেখি দুয়ো বীরে তার শর নগণিল।
বহুতর দিব্য বাণচয় প্রহারিল॥
কাটন ফুটন মহাশর প্রহারিল।
টিলমুঠি হুয়া তার গারত পড়িল॥
এতেকে তাহার গারে নভৈল সন্ধান।
পাছে দৈত্যে দুহাস্তক হানি চারিবাণ॥
বোলে মানুষর চরা যাস যমঘর।
এহি বুলি দুই হাকো হানিলা চারিশর
দুর্জ্জয় দারুণ বাণে দুইহাকো ভেদিল।
হৃদয়ত পড়ি পিঠি পাছে শরকিল॥
পড়িলেক দুয়ো বীর একেক প্রহারে।
দেখিয়া দেবতাসবে হাহাকার করে॥

হৰি হৰি কিনো ভৈল বিপত্তি আমাৰ।
চাৰিগুটা পাণ্ডৱ গৈলেক যমঘাৰ॥
পক্ষিগণে বোলে শুনা জৈমিনি মহন্ত।
সুৰাসুৰ লোকৰ বিষাদ অপৰ্য্যন্ত॥
অনন্তৰে কুলাচল ৰাজা দুৰ্ব্বিনয়।
চাৰি পাণ্ডৱক চালি আনন্দ হৃদয়॥
যত পাত্ৰ মন্ত্ৰি সৈন্য আছেমানে তাৰ।
যোগানে ৰহিলা সবে বেঢ়ি চমৎকাৰ॥
গৃহক চলিবে প্ৰতি কৰিলেক মন।
মন্ত্ৰি সকলক হেন বুলিলা বচন॥
চাৰিগোটা মনুষ্যৰ শৱ নিবেলাগে।
তৈলত ভাজিয়া ভক্ষকৰা মহাবেগে॥
তাৰ চাই সবে যাৰ বিষ মাৰিবেক।
সকলে লোকৰ দুঃখ গুচিবে প্ৰত্যেক॥
বপুস্বতে বোলে কথা অকাৰ্য্য মিলয়।
তৈলত ভাজিল নিকৈ পাণ্ডৱ মৰয়॥
দুবঙ্গ দেশত জম্বুনদীৰ তীৰত।
আছিলেক মহাৰাজা বিষ্ণুত ভকত॥
মহা সখিয়ন্ত ভৈল কৰ্ণদত্ত সমে।
তাহান ৰাজ্যক আসি থাকা অনুক্ৰমে

যিবেলাত অগস্তিয়ে তাহাক শাপিল।
সঙ্গ দোষে অশ্বরথ নৃপতি পড়িল ॥
দেহ গোট সঙ্গদোষে দানব ভৈলেক।
মহাভক্তি জ্ঞান কিন্তু রহিল প্রত্যেক ॥
সদায়ে বিষ্ণুর নাম কীৰ্ত্তন করন্ত।
এক তিল মানো বিষ্ণু নাম নচাড়ন্ত ॥
দেখা মুনিবর হরি ভক্তর মহত্ব।
দেহসে বৰ্জ্জিত হয় ভক্তি শুদ্ধ সত্ব ॥
দেখে চারিবীর হরিভক্ত মহাবীর।
আসম্বার চারিগুটী পবিত্র শরীর ॥
তাক নিয়া অনাচারী দানব নিশ্চল।
ভাজি পুড়ি অপবিত্র করিবে কেবল ॥
এহি বিমরষি পাছে নৃপতি মহন্ত।
কুলাচল দানবক মাতিয়া বোলন্ত ॥
শুনা মহারাজা কুলাচল মহাশয়।
তোমার আগত মই কহওঁ নিশ্চয় ॥
আচল মনুষ্য ক্ষুদ্র কীটর আশয়।
জীবন্তে নাশিলে লোক মরিলে নাসয় ॥
অশুভর পরা কিছু শুভক নাপাই।
এতেকে ইসব নিলে কিছু শুভ নাই ॥

বিশেষত আমবাব যত দৈত্য চয়।
আচল মনুষ্য আক চুইবে নলাগয়॥
ইহন শুনি কুলাচলে বুলিলা বচন।
সাধু সাধু রাজা যত কহিলা কাৰণ॥
স্বৰূপ বচনে তুমি মোক শান্ত কৈলা।
আচল মনুষ্য আক চুইবাক নিদিলা॥
চলয়ো ৰাজ্যক আবে শীঘ্র কৰি যাঁও।
কত সেনা হত ভৈল বিমৰিষি চাও॥
এহি শুনি গিৰিশাই কটক লড়িলা।
গজঘণ্টা শবদত স্বৰগ পূৰিলা॥
দেখা জন্মিজয় কেনে কাৰ্য্য ভকতৰ।
পৰোক্ষে কাৰ্য্যক সাধে ভকত জনৰ॥
এতেকে ভকত শ্ৰেষ্ঠ জানা সংসাৰত।
জম্বুৰথ নৃপতিত বুঝিয়ো সমস্ত॥
তয়ু পিতামহ চাৰি ৰাখিলা কিমত।
বপুষ্টতে কৈলা মহামুনিৰ আগত॥
শুনা সভাসদ গণ ৰহস্য পৰম।
ইহাৰ শ্ৰৱণে হোৱে পাপ উপসম॥
বিষয়ৰ আশা চাড়ি শুনা এক চিত্তে।
ইসে মোক সাধিবেক দোৰ্যোব কলিতে॥

যত ধন পুত্র পত্নী টাটকব খেড়ি।
কালে পাইলে একেতিলে হুইবে এড়াএড়ি॥
থাক মোব মোব বুলি মবিচা এখন॥
সবে পাড় বৈবে কালে ধবিবে যেখন॥
হেন জানি ধবা বন্ধু কৃষ্ণব ভকতি।
বিষ্ণু বৈষ্ণবব কথা শুনা এক চিত্তি॥
আতপবে নাহি আউব তবণ উপায়।
ভাবত ভূমিত নব তনু আছা পায়॥
বিফল নকবা বিষয়ক কবি পান।
কাল সর্পে গিলি আছে দেখিয়ো প্রমাণ॥
এক চিত্ত মনে হবি নামে কবা বতি।
বোলা হবি হবি পাপ যাওক অধোগতি॥

ছবি।

বপূস্তুত সব আগে জৈমিনি পুচন্ত পুন
কৈয়ো মেন মত পাছ কথা।
কূলাচলে মেবে চাবি পাণ্ডবক চালি গৈল
পাছে কেন কবিলন্ত তথা॥
যুধিষ্ঠিব পৃপববে কেন মন্তে গুনিলন্ত
গুনি কিবা কবিলন্ত ভূপ।

ষড়ন্তুৰ দুঃখচয়, শুনি মন অসহয়,
তাহাক কহিয়ো তুমি বাপ ॥
কুলাচল ধূমকেতু, কোনে তাৰ বধহেতু,
কৰিলেক ধৰণী মণ্ডলে।
তাৰসম পৰাক্ৰমী, কোনজনে বধিলেক,
শুনি থাকো কৈয়ো কৌতুহলে ॥
ধৰ্ম্ম পক্ষিগণে বোলে, শুনা মহা মুনি বৰ,
ইটো কথা পৰম গহন।
ভুকুতি মুকুতি ভক্তি, অবিলম্বে পাৱে সিটো,
আকযিটো কৰয় শ্ৰৱণ ॥
পূৰ্ব্বত নজানে কেৱে কৃপাময় ব্যাসদেৱে,
মাৰ্কণ্ডেয় মুনিত কহিলা
মহাগুৰু মাৰ্কণ্ডেয়ে, আমাসাক পঢ়াইলন্ত,
ইটো সবে মাধবৰ লীলা ॥
তুমি মহা ভাগ্যৱন্ত, তোমাৰেসে হন্তে আৰে
পৃথিবীত হৈবেক প্ৰচাৰ।
ইহাক শ্ৰৱণ কৰি, কলি পাপ সাগৰত,
লোক সব হৈবেক নিস্তাৰ ॥
কিনো মহা ভাগ্যোদয়, আমাৰ মিলিল আৰে,
বিষ্ণু বৈষ্ণৱৰ কথা যত।

মনৰ ভিতৰে আৰে, প্ৰকাশ ভৈলেক ভাৰে
তোমাৰ প্ৰশ্নৰ প্ৰসাদত ।
এহি বুলি ধৰ্ম্মপক্ষী প্ৰেমে গদ গদ ভাৱে,
শুক স্মৰি হৰিক স্মৰিলা ।
প্ৰথমতে যুধিষ্ঠিৰে, ভ্ৰাতৃৰ মৰণ শুনি
ধিকৰিলা তাহাকে কহিলা ॥
পক্ষিগণ নিগদতি, শুনা মুনি মহামতি,
ধৰ্ম্মৰাজা গৃহত আছয় ।
কন্দে যাৰ কৰ উৰু, বিনাবাতে ভাগে তৰু,
মুখচাই কেৰুবা বচয় ॥
গৃধ্ৰ সবে আটাসয়, ৰণে জেঠি টীকাৰয়,
অগণি দক্ষিণ দিশচনি ।
ৰাজাৰ সমুখ আসি, হাকুল ব্যাকুল কৰি,
কান্দে সবে বনৰ হৰিণী ।
বাৰবাৰ দ্ৰৌপদীৰ, কম্পয় দক্ষিণ অঙ্গ,
নকান্দন্তে লোহো বহি যাই ।
নিশ্বাস আসয় ঘনে, উঠি সন্তাপিত মনে,
নৃপতিক বোলন্ত বিনাই ॥
শুনিয়োক নৰদেৱ, তোমাক কহোঁহো সেৱ,
চাৰি ভাইৰ নিশ্চিত মৰণ ।

সর্গণ লাগিল পারে, শোকে কেনে তনু তারে,
এহি বুলি নমিলা চরণ ॥
শুনি পাছে যুধিষ্ঠিরে, ক্রন্দন করিবে লৈলা,
শোকে দুঃখে দেখে অন্ধকার।
রণক যাইবার আজি, পঞ্চম দিবস হৈলা
পালটিয়া নাসিলন্ত আর ॥
এহিমতে মন দুঃখে, বিলাপন্ত দুয়ো জনে,
কতো করে পথ নিরীক্ষণ।
সেহি বেলা অশরীরি, পরম যাতুক আতি,
শুনিলন্ত আকাশী বচন ॥
শুনিয়ো নরেন্দ্র তুমি, তোমাত কহওঁ আমি,
হয়া আছে কার্য্য বিসঙ্গতি।
তুয় ভ্রাতৃ চারিজন, রণে হৈলা নিপতন,
যেন লাগে করিয়ো যুগুতি ॥
হেন শুনি নরনাথ, মূর্চ্ছিত হৈলেক প্রায়,
যেন মাথে বজ্রপাত হৈলা।
দেখিলেক অন্ধকার, কৃষ্ণ কৃষ্ণ বুলি আর,
আসনতে পড়ি মূর্চ্ছা গৈলা ॥
জয় নমো নারায়ণ, পূর্ণ ব্রহ্ম সনাতন,
ভকতজন ভব দুঃখহর।

ভাৰত ভূষণ কবি, বিৰচিলা পদ ছবি,
মহা যশ ভক্ত পাণ্ডৱৰ ॥
আৰ আগ পাছ যত, হ্রস্ব দীৰ্ঘ বিপৰীত,
তাৰ দোষ ক'ৰ উপসাম।
আমাৰ বালক মন, ক্ষমি সমাজিক জন
নিৰন্তৰে বোলা ৰাম ৰাম ॥

লেচাড়ি।

চাৰিয়ো ভ্ৰাতৃৰ মৃত্যু শুনি, মূৰ্চ্ছিত ভৈলেক মহা মান
বুড়িল বুলিয়া যাজ্ঞসেনী ধৰিলন্ত
কতো বেলি ৰহি আছিলন্ত, কৃষ্ণ কৃষ্ণ হৰি উচ্চৰা
মনত গুণিয়া আছন্ত নৃপতি সন্ত ॥
কৈক যাইবোঁ আৰে কি কৰিবো, কমন বুদ্ধিক আচৰা
কোনে দিবে আসি মোৰ চাৰি খানি ভাই।
এবাৰ মাৰিলে বকাসুৰে, গৈয়া আছিলেক যমপুৰে
জীল অগস্তিৰ হাবৰ পৰশ পাই ॥
হা হৰি ভাগ্যে কিনো ভৈল, চাৰি গুটি ভ্ৰাতৃ কোথা গৈ
কোন জনে আৰে তাহাক দিবে দেখাই
যেবে ভাগ্যক লাগপাই, একে লগে যম পুৰে যাই
মহা সুখে থাকো পাণ্ডৱৰ পাঞ্চ ভাই ॥

াৰ মৰণ শুনি আৰে, পাপী দুৰ্য্যোধনে ৰঙ্গ পাইবে,
অকণ্টকে ভুঞ্জিবেক মহা ৰাজ্যভাৰ।
াক স্মৰি দুৰ্য্যোধনে সুখ শান্তি সদা নাহি মনে,
আৰে মহা সুখে নিদ্ৰা আসিবেক তাৰ॥
াবিধ কিনো লিখিলাহা, কেনমতে হেন ৰঙ্গ চাহা,
দানৱৰ হাতে লিখিলা কেনে মৰণ।
ান ৰাজন্য কুলে জাত; পাণ্ডু নৃপতিৰ বংশে খ্যাত,
সিটো ক্ষত্ৰিকুল সকলে গৈলোহো ছন॥
সমসৰ চাৰি বীৰ, কেনে হেন ভৈল দুঃশৰীৰ,
মোহোৰ কাৰণে হেন বিসঙ্গতি ভৈল।
ৰিত গালৱ মহাজনে, বাধা কৰিলেক জানি মনে,
মৰণৰ হেতু তাহান বাক্যে নবৈল॥
হমতে ৰাজা কান্দিলন্ত, পাছে কৃষ্ণ স্মৰি ৰহিলন্ত,
শোকে দুঃখে আতি শৰীৰ ভৈল জাময।
ৌপদ নন্দিনী নৰ নাৰী, দহে দেহা স্বামী সব স্মৰি,
পড়িয়া থাকিলা ৰাস্তাৰ হুয়া ওছৰ॥
ী নিগদতি মুনিবৰ, দেখা অপমৃত্যু মহন্তৰ,
ইটো সংসাৰত সাৱাম্যৰ কোন লেখা।
াক্ৰো জিনয় চাৰি বীৰ, পৰম বৈষ্ণৱ মহা বীৰ,
তাসম্বাৰ দুঃখ কেন অপমৃত্যু দেখা।

হেনা সভাসদ ইটো পদ, পৰম ৰহস্য বিদগ্ধ
ইহাৰ শ্ৰৱণে অপমৃত্যু দূৰ যাই।
আক শ্ৰদ্ধা কৰি যিটো জনে, গাৱয় শুনয় অণুক্ষণে,
সিটো অন্তকালে বৈকুণ্ঠত পাৱে ঠাই॥
ভাৰত ভূষণ অল্পমতি, ৰচিলা লেচাড়ি ছন্দ অতি
অগাধ সমুদ্ৰ বনপৰ্ব্ব কথা সাৰ।
দ্বৈপায়ণ মহামুনিবৰে, পুৰাণ সংহিতা নিবন্ধে
এক বাক্য কৰি যতনে কৈলা প্ৰচাৰ॥
তাহাক চাহিয়া অনুসাৰ, যেন মতি লৈল আমাসাৰ
ৰচিলোঁ পৰাৰ বৈষ্ণৱৰ গুণনাম।
জানি সভাসদ সাধুজনে, কৃষ্ণৰ চৰণ ধৰি মনে
উচ্চ কৰি ডাকি ঘুষিয়োক ৰাম ৰাম॥

পদ।

শুনিয়ো বোলন্ত ধৰ্ম্ম পক্ষীৰ আগত।
কৈয়ো পাছ কথা পাংৰৱ যেন মত॥
কিমতে জীলন্ত পাণ্ডৱৰ চাৰি ভাই।
কিবা কৰিলন্ত ধৰ্ম্মৰাজা সিটো ঠাই॥
কুলাচল ৰাজাক কিমতে বধিলেক।
সবে কথা শুনোঁ মোক কাহ্নো প্ৰত্যেক।

হেনতো অপূর্ব্ব কথা নৌত্তি শুনে কেৱে।
লোকক কৃপায়ে বিৰচিলা ব্যাসদেৱে ॥
আমাৰ ভাগ্যৰ হেতু শুনিবাক পাওঁ।
এতেকেসে তোমাৰাৰ পাৱত বিমাওঁ ॥
হেন প্রেম বাণী শুনি চাৰিয়ো মহন্ত।
গদ গদ বাক্যে পুনু সম্বুদ্ধি মাতন্ত ॥
শুনা মহা মুনিবৰ চৰিত্র অপৰ।
কহিবোহো মহাশুদ্ধ চৰিত্র সত্বৰ ॥
সত্বৰ হিয়াক হৰি কেণেকো নেৰন্ত।
শুনা পাছে যুধিষ্ঠিৰে যেন কৰিলন্ত ॥
মনে বিমৰষি ৰাজা কৰিলন্ত সাৰ।
কৃষ্ণ বিনে কোনে কৰে আমাক নিস্তাৰ ॥
ভৃত্য প্রিয় কৃষ্ণ বিনে নাহিকয় আন।
আমি পাঞ্চ পাণ্ডৱৰ কৃষ্ণে জীৱ প্রাণ ॥
তাহান্ত বিনায় বন্ধু নাহি ত্রিভুৱনে
আমি পাঞ্চ ভাই পশিছো শৰণে ॥
এহি বুলি ৰাজা বিজনক চলিলন্ত।
অৰ্চিতি কুশাসন পাৰি বসিলন্ত ॥
বপুহন্তে বোলে মুনি শুনিয়ো সাক্ষাত।
ধৰ্ম্ম নৃপতিৰ কথা থাকোক এথাত ॥

দেৱ সবে যি কৰিলে শুনা বিদ্যমান ।
দশ দিগপাল গৈল বাসৱৰ থান ॥
চন্দ্ৰ সূৰ্য্য বায়ু বহ্নি কুবেৰ বৰুণ ।
অশ্বিনী কুমাৰ আৰু অষ্টবসুগণ ॥
অনন্তৰে বায়ুয়ে মাতিলা বাসৱক ।
শুনা দেৱৰাজ যেন ভৈলেক বিপাক ॥
কুলাচলে ঢালিলেক চাৰি পাণ্ডৱক ।
তাসম্বাৰ জীৱনক নিচিন্তা কিসক ॥
দুই দিন ভৈল আজি ৰণত পড়িল ।
সবে দেৱগণে এহি কাৰণে আসিল ॥
যেমন প্ৰকাৰে জীৱে তাৰা চাৰিজন
উপায়ে নিয়মে তাক কৰিয়ো যতন ॥
পুৰন্দৰে বোলে মই জানি আছোঁ আক
উপায় নপাওঁ পাণ্ডৱক জীয়াই বাক ॥
চন্দ্ৰে বোলে জানিবা পাণ্ডৱ নমৰয় ।
অজৰ অমৰ অমৃতৰ পানে হয় ॥
গণ্ডগোল কৰি পান কৰিছে নিশ্চয় ।
হেন পাণ্ডৱৰ কৈত মৰণ আছয় ॥
কিন্তু শৰ ঘাৱে হুয়া আছে জৰ জৰ ।
ঘটাৱে মহন্ত সিটো অজৰ অমৰ ॥

অশ্বিনী কুমাৰে তাক জীৱাইবে পাৰিব।
বিশল্যকৰণী কৰি শৰীৰ জ্যাবিব ॥
শশধৰ বচন প্ৰশংসা সবে কৰি।
দেৱক বোলন্ত ইন্দ্ৰে বচনে সাদৰি ॥
শুনা দেৱ সব মোৰ মনৰ আশয়।
দ্বাৰকাক যাউক ঋষি ব্ৰহ্মাৰ তনয় ॥
যেন মতে কুলাচল দানব মৰয়।
কৃষ্ণৰ আগত তাক কহিবে লাগয় ॥
পৰম দৰ্পিষ্ট অগস্তিৰ বৰ দানে।
কৃষ্ণ বিনা তাহাক বধন্তা নাহি আনে ॥
পাণ্ডৱৰ মৃত্যু কুলাচল বধ কাজ।
তাক যেবে আপুনে কৰন্ত যদুৰাজ ॥
ইটো কথা মুনিবৰে কহিয়োক যাই।
যেন লাগে কৰন্তোক আপুনি গোসাঁই ॥
এহি শুনি ব্ৰহ্মাসুতে তথা নৰহিলা।
আকাশ গমনে গৈয়া দ্বাৰকা পশিলা ॥
ৰুক্মিণী সহিতে হৰি যথাত আছন্ত।
অন্তৰীক্ষে মুনি গৈয়া তথা কহিলন্ত ॥
অৰ্জ্জুনৰ মৰণ শুনিয়া বনমালী।
অপমান বিষাদ-কৰিলা মাথা তুলি ॥

নাবদে বোলন্ত দেৱ তুমি ভাব বয়।
কুলাচল হাতে যদি পাণ্ডৱ মৰয় ॥
বদন্তি মাধৱ মুনি শুনা পূর্ব্বাপৰ।
তুমি জানা কৈতো মৃত্যু নাহি পাণ্ডৱৰ ॥
কোন জনে তাসম্বাৰ চিন্তিব মৰণ।
মই যাক ৰাখিয়া ফুৰোহোঁ সৰ্ব্বক্ষণ ॥
এহি বুলি ঋষিক পূজিলা নাৰায়ণ।
চলিয়া গৈলন্ত তেবে ব্ৰহ্মাৰ নন্দন ॥
অনন্তৰে কৃষ্ণে হেন মতে কৰি মন।
কুলাচল দানৱক বধিবে যতন ॥
গৰুড় সহিতে পাৰিশদ গণ সমে।
তাক মাৰি পাণ্ডৱক জীয়াও অনুক্রমে ॥
এহি মনে গুণি হৰি তথাতে বহিলা।
শুনা যেন যুধিষ্ঠিৰ নৃপতি কৰিলা ॥
কুশাসনে বসি ৰাজা কৰি এক চিত্তি।
কৃষ্ণক স্মৰি ৰাজা কৰন্ত মিনতি ॥
নমো নমো পূর্ণব্রহ্ম দেৱ সনাতন।
গোপাল স্বৰূপে তুমি ৰাখা ধেনুগণ ॥
অতর্ক মহিমা ব্রহ্মা হৰে মহামায়।
হেন হৰি গোপ ৰূপে বাহক কান্ধয় ॥

সহস্ৰ আননে যাক বিভাগি গাবয় ।
হেন হৰি কংস ভয়ে গোকুলে ৰহয় ॥
সৃষ্টি স্থিতি প্ৰলয় কটাক্ষে হৰে যাৰ ।
ইটো কোন কৰ্ম্ম তুমি হৰা ভূমি ভাৰ ॥
যাৰ ৰোমৰন্ধ্ৰে কোটি ব্ৰহ্মাণ্ড হোৱয় ।
সেহি হৰি গোপী বশ্য হুয়া বিচৰয় ॥
যাৰ স্থূল সূক্ষ্মলীলা নজানয় কেৱ ।
যশোদাৰ হাতে বন্ধ লৱে হেন দেৱ ॥
যিটো পূৰ্ণানন্দ থাকা পূৰ্ণ বৈকুণ্ঠত ।
হেন হৰি গোপৰূপে ভৈলাহা বেকত ॥
কমনে গমিবে তযু লীলা ব্যবহাৰ ।
অনন্ত নিগমে সীমা নাহি পান্ত যাৰ ॥
ভকত বৎসল হৰি গুপ্ত অৱতাৰ ।
ভকতে জানয় হেন মহিমা অপাৰ ॥
দৈবকী নন্দন নাম ধৰি আছা তুমি ।
তুমি আজ ব্ৰহ্ম হেন নজানোহো আমী ॥
কভো আমি বোলো হোকা নন্দৰ তনয় ।
তুমি শুদ্ধ অচিন্ত্য অনন্ত নিৰাময় ॥
মহন্তক [illegible] ৰখিবাহা তুমি ভাৰ ।
[illegible] যাৰ চিন্তিয়াহা নাই ॥

তোমাক প্ৰাৰ্থিল শিৱ বিৰিঞ্চি পুৰ্ব্বত।
জন্ম বাদ ভৈলা বসুদেৱৰ গৃহত ॥
ভকতৰ বাক্য ৰাখি গৈলা ব্ৰজপুৰ।
ভকত বৎসল তুমি সবাৰ ঠাকুৰ ॥
ভকতক ৰাখি নাথ কৰা সৰ্ব্বভাৱে।
যেহেন পুত্ৰক প্ৰতিপাল কৰে মাৱে ॥
আমি পাঞ্চ গুটি ভাই তোমাৰ কিঙ্কৰ
পক্ষী যেন পক্ষ ঢাকি থাকা দমোদৰ ॥
হে কৃষ্ণ তুমি বিনে গতি নাহি আন।
আমি পাঞ্চ পাণ্ডৱ তুমি আত্মা প্ৰাণ ॥
তুমি জগততে আছা জগতো তোমাতে।
প্ৰকট স্বৰূপে বসি আছাহা সবাতে ॥
কিন্তু ভকতৰ সঙ্গে থাকা সৰ্ব্বক্ষণ।
হৃদয়ত প্ৰকটী আছাহা সনাতন ॥
পূজা বিধি জ্ঞানে কৰ্ম্মে তোমাক নপাই
শ্ৰৱণে কীৰ্ত্তনে বশ্য হোৱা যদুৰাই ॥
ধৰণীৰ দুঃখ দেখি ব্ৰহ্মায়ে পুৰ্ব্বত।
তোমাক প্ৰাৰ্থিয়া আনি কৰিলা বেকত
পৰম ঈশ্বৰ বসুদেৱৰ তনয়।
বৃন্দাবন কৈলানন্দ কৃষ্ণ জয় জয় ॥

কংসৰ ভয়ত যেন গোকুলে চলিলা।
জগত তাৰণ হেতু কৰি বহু লীলা॥
এহি মতে কৃষ্ণৰ কহিয়া গুণ চয়।
কৰিবে লাগিলা স্তুতি কুন্তীৰ তনয়॥
নমো নন্দসুত নমো পুতনা শোষণ।
শকট ভঞ্জন দেৱ যশোদা বন্ধন॥
ভকত বৎসল তুমি ভাৰ বিনাশন।
নমো গোপ মূৰ্ত্তি প্ৰভু দেৱ সনাতন॥
শিংগা বেত বেণুধাৰী জগত মোহন।
অঘ বক নাশী নমো ব্ৰহ্মাক মোহন॥
ইন্দ্ৰ মখ ভঙ্গ মহাগৰ্ব্ব বিনাশন।
বাত বৃষ্টি হন্তে ব্ৰজ পুৰক ৰক্ষণ॥
ঘোৰ কালিদমন ভকত ভয় হাৰী।
শৰতে ৰমিলা যিটো গোপৰ কুমাৰী॥
যিটো ভকতৰ দুঃখহাৰী নিৰঞ্জন।
মহা দুষ্ট শঙ্খচূৰ চিৰিলা মাৰণ॥
কেশীক বধিলা মধুপুৰী পৰবেশ।
কুবলয় পীড়ক বধিলা হৃষীকেশ॥
ভকতৰ ভয় দুখ কৰা নিবৰ্ত্তন।
কংস জৰাসন্ধ মাৰি ৰাখি ভক্তগণ॥

তাৰিলা মাধৱে ভক্ত ৰাজা সমন্তক ।
ৰাজসূয় যজ্ঞ যিটো কৰাইলা আমাক ॥
শিশুপাল বধিয়া চিন্তিলা বন্ধ তাৰ
হেন হৰি চৰণত প্ৰণতি আমাৰ ॥
শঙ্কট বিগ্ৰহে বনবাস দুৰ্গমত ।
যিটো কৃষ্ণে ত্ৰাণ কৰি আছাহা সতত ।
ঘোৰ বধাসুৰ বধে সংশয় মিলিল ।
মহা যজ্ঞ কৰি নাথ তাতো উদ্ধাৰিলা ॥
দুৰ্ব্বাসা সাগৰে তল যাও বংশে স্বমে ।
তাতো ৰক্ষা প্ৰভু কৰিলাহা অনুক্ৰমে ॥
ইবাৰো ৰাখিয়ো দেব পাঞ্চো পাণ্ডুৱক ।
জীয়ায়া ৰাখিয়ো প্ৰভু তোমাৰ ভৃত্যক ॥
হে কৃষ্ণ কৃষ্ণ বৃষ্ণি কুলৰ কমল ।
ভকতে গাৱয় তযু চৰিত্ৰ অমল ॥
তন্ত্ৰ মন্ত্ৰ পূজা কৰি তোমাক নপাই ।
কেৱলে কীৰ্ত্তনে বশ্য হোৱা যদুৰাই ॥
তুমি বিনে আমাৰ বান্ধৱ নাহি আন ।
সোপনে সচেতে তোমাকেসে কৰোঁ ধ্যান
ধৰ্ম্ম পৰিশপণে বোলে শুনা মুনিবৰ ।
হেন মহা স্তুতি কৰিলন্ত নৃপবৰ ॥

স্তুতি এড়ি কুন্তী সুতে চিন্তিবাক লৈলা।
নিজ রূপে কৃষ্ণ হৃদয়ত ব্যক্ত ভৈলা॥
শিরত কিরীটি শোভে কপালে তিলক।
মকর কুণ্ডল কর্ণে কুটিল অলক॥
শরত চন্দ্রকো নিন্দি উজ্জ্বল বদন।
অধর অরুণ দন্ত মুকুতা গঠন॥
বর তিলফুল জিনি নাসা প্রকাশিত।
মদনর ধনু জ্রুর দেখি হরৈ চিত্ত॥
অরুণ নয়ণ চঞ্চরিত মনোহর।
পাচির চিবুক আতি দেখিতে সুন্দর॥
সিংহ বক্ষ স্কন্ধ গ্রীবে কৌস্তুভ জ্বলয়।
হার গজমতি বনমালা বিরাজয়॥
বহল হৃদয় ঊর্দ্ধ শ্রীবৎসর পান্তি।
উদরত তিনি রেখা শোভে উদ্‌ভ্রান্তি॥
আজানু লম্বিয়া জলে বাহু চারি খান।
শঙ্খ-চক্র-গদা-পদ্ম আছে বিদ্যমান॥
বজ্রর শলকা নিন্দি অঙ্গুলীর পান্তি।
বাকাহিরকর বজ্র অঙ্গুষ্ঠী বলন্তি॥
সুগম্ভীর নাভী বিধি জন্মিছা যাহাত।
পাট পীত তুলি বস্ত্র মেলিলা তারত॥

করিকর নিন্দি উরু জ্বলে অতিশয়।
দুখানি চরণ পদ্ম ভক্তের আশ্রয় ॥
রতুর নুপুর বজে পরম গহণ।
ভকত জমর তিনি তাপ বিনাশন ॥
পরম মোহন মুর্ত্তি হয়াছে বিদিত।
পদতল রাতুল কোমল মনোনীত ॥
তাতে পঞ্চ চিহ্ন জ্বলে দেখিতে উৎসব।
দেখিলা হৃদয়ে হেন রূপের বিভব ॥
আখি মুদি আনন্দে রহিলা ররবর।
তৈলস্ত বাহির দিব্য রূপ হৃদয়র ॥
অভ্যন্তরে নেদেখিয়া নয়ন মেলিল।
পূর্ণানন্দ মাধবক আগতে দেখিল ॥
নয়নর নীর বহি যাই ধারা সারে।
প্রেমে গদ গদ তত্তি মাতিবে নপারে ॥
কতোক্ষণ মানে পাছে চিত্ত স্থির করি।
করিবে লাগিলা স্তুতি হই কর যুরি ॥
নমো নমো পূর্ণ ব্রহ্ম কৃষ্ণ অবিকার।
সৃষ্টি স্থিতি প্রলয় কটাক্ষে হোরে যার ॥
যার মায়া পাশে বন্ধ চৈধর ভুবন।
হেনয় তোমার পায়ে পশিলোঁ শরণ ॥

ধ্যানতো নপাই যাক মহা যোগী চয়।
ভকত সকলে সদা তোমাক পাবয় ॥
তাম্র কাংশ সুবর্ণব শিলা মৃত্তিকাব।
প্রতিমা কবিয়া যিটো আবাধে তোমাব ॥
সি সব ভকতে লাগ নপাবে তোমাক।
শ্রবণ কীর্ত্তনে মাত্র পাবৈ দেখিবাক ॥
এতেকে ভকত সবে যশ কীর্ত্তনতে।
তোমাক কবন্ত বশ্য জানিয়া সততে ॥
যোগীবো অগম্য তুমি ভক্তবো বান্ধব।
সর্ব্ব ভাবে তুমি বাখি সুবাহা মাধব।
আমি পাঞ্চ পাণ্ডব তোমাব নিজ ভৃত্য।
এতেকে আমাত নাথ হোৱাহা বিদিত ॥
তুমিবিনে আমাব বক্ষক আব নাই।
কুলাচলে মাবিলে মোহোব চাবি ভাই ॥
পক্ষীগণে বোলে আবে শুনিয়ো জৈমিনি।
বাজাব কারুণ্য হেন নাবায়ণে শুনি ॥
পবম সাদবে তুলিলন্ত ধবি হাত।
বোলন্ত উঠিয়ো বাজা সিজিব সমত ॥
আদি হন্তে আমাত কহিয়ো সবে কথা।
শুনি স্থিব হৈলা যুধিষ্ঠিব মহাবাজা ॥

আখি মুখ মুচি কৃষ্ণ চৰণক চাই।
মধুৰ বচনে বিনাৱন্ত মহাবাই ॥
শুনা বুধ জন কৃষ্ণ চৰিত্র গহন ।
এক চিত্ত কৰি আক কৰিয়ো শ্রবণ ॥
যুধিষ্ঠিৰ বাক্যে আৰ লৈয়োক প্রমাণ।
কৃষ্ণৰ আগত ৰাজা বোলে বিদ্যমান ॥
পূজা তন্ত্রে মন্ত্রে জানা কৃষ্ণক নপাই ।
কেৱলে কীর্ত্তনে বশ্য হোৱা যদুৰাই ॥
হেন জান সত্য মানি শুনা কৃষ্ণ কথা
ইহেন মনুষ্য জন্ম নকৰিয়ো বৃথা ॥
পৰম ৰহস্য ইটো চৰিত্র কৃষ্ণৰ।
আক পূর্ব্বে শুনা ভনা নাই একো নৰ।
দ্বৈপায়ন মুনি মাৰ্কণ্ডেয়ত কহিলা।
মার্কণ্ডেয় মুনি ধৰ্ম্ম পক্ষিক পঢ়াইলা ॥
ধর্ম্মপক্ষিগণে যে জৈমিনিক কহিলা ।
মহা পুণ্যতম ইটো মাধৱৰ লীলা ॥
সংসাৰ নিস্তাৰ ইটো পৰম শোধন।
ধৰিয়োক দৃঢ় কৰি মহা জ্ঞানীগণ ॥
ৰচিতি ভাৰত চন্দ্র কৃষ্ণৰ কিঙ্কৰ ।
লোক নিন্দা নকৰিবা মহাবুধ নৰ ॥

পাপৰ অন্তক ইটো হৰি গুণ নাম।
আন কাম এড়ি ডাকি বোলা ৰাম ৰাম ॥

দুলড়ি ।

বপু শুতে বোলে　　শুনা মুনিবৰ
　　পৰম ৰহস্য কথা ।
ভকত ব সল　　প্ৰভু দামোদৰ
　　ৰহিয়া আছন্ত তথা ॥
দিব্য চতুৰ্ভুজ　　তনুসৰ সূৰ্য্য
　　প্ৰকাশ কৰন্ত আতি ।
সকলে বৃত্তান্ত　　সুধিলন্ত যেবে
　　মাধৱে ৰাজাক মাতি ॥
পূৰ্ব্বাপৰ প্ৰভু　　আপুনে জানাহা
　　নাহি ৰাজ অভ্যন্তৰ ।
তথাপি আমাৰ　　মুখত বেকত
　　কৰা প্ৰভু দামোদৰ ॥
ব্ৰহ্মা ক্ষেত্ৰ হন্তে　　পালবৰ্গ স্থানে
　　আছিলোহোঁ কতদিন ।
ইথানে আসিবে　　বাধিলন্ত মুনি
　　দেখিয়া সমস্তে চিন ॥

কর্ণদত্ত সুত হৈয়াছে দানব
অগস্তি মুনির শাপে।
সেহি আসি মোর চারিয়ো ভ্রাতৃৰ
মারিলন্ত বর তাপে॥
কেন মতে মোর চারি ভ্রাতৃ জীৱে
আবর নাহি উপায়।
তোমার দুখানি চৰণত বি
রক্ষা কর্ত্তা আন নাই॥
শয়নে ভোজনে উপবাস ব
সচেতে আরো সোপনে।
নাহি নাহি বন্ধু ইতিনি লোক
. তোমার চরণ বিনে॥
এতেক কহিয়া রাজা যুধিষ্ঠি
চরণ আগে পড়িল।
ভকত বান্ধব চারিহাত মে
রাজাক তুলি ধরিল॥
মকবিধা জয় জনা নয়না
বোলোহো মিষ্ট বচন।
কুলাচল বধি তবু চারি ভ্রা
করিবো মই রক্ষণ॥

ভকতৰ পদে　　মোৰ বড় শ্ৰদ্ধা
　　সাধো সবে প্ৰয়োজন।
সৰ্ব্বক্ষনে জানা　　ভকত সবক
　　কৰিয়া সুবো ৰক্ষণ ॥
এহি বুলি হৰি　　ৰজাৰ আগত
　　অন্তৰ্দ্ধান ভৈলা পাছে।
তথা দিয়া ৰাজা　　কুন্তীৰ তনয়
　　চাৰি ভিতি চাহি আছে ॥
কিবা মই আৰে　　দেখিলোঁ সপোন
　　আছোহো খিয়ান কৰি ।
এতিক্ষণে মোক　　দেখাদি আছিলা
　　জানো কৈক গৈলা হৰি ॥
হাঁ নাথতুমি　　সকামী জনক
　　কৰিলাহা পৰিত্যাগ ।
নিস্কাম স্বৰূপে　　তোমাৰ ভকতে
　　সদায়ে পাৱয় লাগ ॥
মই মহা ক্ষীণ　　ভকতি বিহীন
　　ৰাখো বিষয়ক প্ৰতি ।
তুমি পুনু নাথ　　নিষ্কাম ঈশ্বৰ
　　সবেৰো ভকত গতি ॥

ধৰ্ম্ম পক্ষিগণে মুনিত পুছন্ত
বহস্য কথা পৰম।
জানি জন্মিজয় তুমিয়ো শুনিলা
ইটো মহা মোক্ষতম ॥

শুনা সভাসদ পৰম সম্পদ
কৃষ্ণৰ চাৰু চৰিত্ৰ।
তেজি আনকাম বোলা ৰাম ৰাম
যাব বৈকুণ্ঠক চিত্ত ॥

ঝুমুৰি।

অনন্তৰ দেৱহৰি।
নিজ যোগ বেশ ধৰি ॥
গৰুড়ক আনিলন্ত।
নিজ ৰূপ ধৰিলন্ত ॥
কিৰীটি কুণ্ডল হাৰ।
বনমালা পেচন্দাৰ ॥
শঙ্খ-চক্ৰ পদ্ম গদা।
ধৰিয়া আছন্ত তদা
কত্মুনবসূৰ্য্য জ্বলে।
গৰুড় স্কন্ধত চলে ॥

পাৰিষদ সেনাগণ।
দেখি আতি বিতোপন ॥
সবাৰো সাৰঙ্গ চাপ।
দৰশনে হৰে তাপ ॥
অলঙ্কাৰে প্ৰকাশয়।
চাৰি ভুজ মনোময় ॥
সবাহাৰে বনমালা।
গাৱ আদিত্যৰ জ্বালা ॥
সাৰি সাৰি প্ৰকাশয়।
ঘোষে আতি জয় জয় ॥
নদী বন সৰোবৰ।
বহি বৈল নিৰন্তৰ ॥
মধ্য সৈন্য মাঝ কৰি।
প্ৰকাশ কৰন্ত হৰি ॥
গিৰ গিৰ কোলাহল।
স্বৰ্গত লাগিল তাল ॥
মন্দৰ আকাৰ দেখি।
প্ৰকাশে গৰুড় পক্ষী ॥
স্কন্ধে নাৰায়ণ দেৱ।
পাৰিষদে কৰই সেৱ ॥

ছত্র ছামৰে ঢোলে।
যেন মহা সূৰ্য্য জলে॥
হেন অদভুত কথা।
নৌ শুনি যথা তথা॥
দেখা মহা মুনিবৰ।
মহিমাক মহন্তৰ॥
পাণ্ডবৰ পদে হৰি।
মহা যোগ মায়া কৰি॥
দানবক বধিবাৰ।
পাণ্ডৱৰ প্ৰতিকাৰ॥
ৰঙ্গমনে নাৰায়ণে।
দিব্য পাৰিষদ গণে॥
শুনিয়োক সভাসদ।
কুলাচল বধ পদ॥
পৰম ৰহস্য সাৰ।
আতপৰে নাহি আৰ॥
হৰিৰ ৰহস্য কথা।
নুশুনিলে জন্ম বৃথা॥
জানি শুদ্ধ বুদ্ধ জন।
হৰি পাৰে দিয়া মন॥

ইহাক শ্ৰৱণ কৰা।
বৈকুণ্ঠৰ পথ ধৰা ॥
মনুষ্য শৰীৰ পাই।
কেনে আছা বাট চাই ॥
কাল অজগৰে গিলে।
আয়ু যাই তিলে তিলে ॥
ইহাক শ্ৰৱণ কৰি।
সুখে ভৱ নদী তৰি ॥
বৈকুণ্ঠত লৱা বাস।
কৰি আতি অভিলাষ ॥
ভাৰত ভূষণে কয়।
কেশৱৰ গুণ চয় ॥
তেজি বিষয়ৰ কাম।
ডাকি বোলা ৰাম ৰাম ॥

—০—

পদ।

ধৰ্ম্ম পক্ষিগণে বোলে শুনা মুনিবৰ।
পাছৰ কাহিনী আৰু চাৰি পাণ্ডৱৰ ॥
যি বেলাত কুলাচলে চাৰিকো চালিলা।
দেবতা সবৰ মনে বিষাদ মিলিলা ॥

অশ্বিনী কুমাৰ দুইকো মাতি স্তুব বাই।
পাণ্ডৱক জীৱাইবাক দিলেক পঠাই ॥
পাছে দুয়ো সূৰ্য্য স্তুতে মহাবিদ্যা কৰি।
জীৱাই ৰহিলা চাৰি মৌনে নিদ্ৰা ধৰি ॥
অমৃত সিঞ্চিয়া পাছে ৰোহিণীৰ পতি।
অজৰ অমৰ কৰি ৰাখিলা তহিতি ॥
কৃষ্ণ কৃষ্ণ নাম মাত্ৰ কৰন্ত কীৰ্ত্তন।
ধনুৰ্ব্বান এড়িয়া ৰহিলা চাৰিজন ॥
হেন শুনি মুনিবৰে বুলিলা বচন।
পাণ্ডৱ জীবাৰ কথা কৈলা তপোধন ॥
দুৰাচাৰ কুলাচলে ঢালি তাসম্বাক।
কোন কৰ্ম্ম কৰিলেক কহিয়োক তাক।
যিটো দেব সনাতন পুৰ্ণকাম হৰি।
তেন্তে কোন কাম কৰিলন্ত মায়া কৰি ॥
ভকতৰ মিত্ৰে তান হন্ত মহা মিত্ৰ।
বৈষ্ণৱৰ বিৰোধীক কৰা চূৰ্ণীকৃত্য ॥
নাহি শত্ৰু মাত্ৰ হৰি সবাহাতে সম।
ভকতৰ কামে মাত্ৰ হোৱন্ত বিষম ॥
এতেকে কহিবো তান চৰিত্ৰ বিচিত্ৰ।
ভকতৰ দুঃখে তান আকুলিত চিত্ত ॥

এহি বুলি মুনিবৰে প্ৰেমত মজিলা।
শুনি ধৰ্ম্ম পক্ষী সবে কহিবে লাগিলা॥
শুনিয়োক পাছ কথা জৈমিনি মহন্ত।
পৰম ৰহস্য কথা কহিবো একান্ত॥
পৰম ভকত পাণ্ডৱক ৰণে জিনি।
নগৰ পশিল কুলাচল মহামানী॥
ৰণ বাদ্য কৰিয়া পশিল অভ্যন্তৰ।
কৰে জয় জয় তাৰ লোক নিৰন্তৰ॥
দিব্য-সভা পাতি সিটো পুছে সমস্তত।
কতমান সৈন্য বীৰ পড়িল ৰণত॥
কৈৰ পৰা অপূৰ্ব্ব মনুষ্য আসি ভৈলে।
অদাচিতে আসি মোৰ সৈন্যক মাৰিলে॥
আচম্ভিত কৰিয়া গৈল আপুনিয়ো মৰি।
কিবা দেব কিবা ঋষি আইল মায়া কৰি॥
সৰ্ব্বকালে ঋষি সবে আমাক নিন্দয়।
বাৰে বাৰে আমবাৰ বধক বাঞ্চয়॥
হেন শুনি তাৰ মন্ত্ৰী দিলেক উত্তৰ।
ৰণত পড়িল দেব সৈন্য বহুতৰ॥
মহাবীৰ মৰি গৈল আঠাইশ অযুত
পোন্ধৰ অজুত গজ পড়িল ৰণত॥

শুনি কর্ণ দণ্ড সুতে বিষাদ কৰিলা ।
সেহিবেলা মহাঘোৰ উত্‌পাত মিলিলা ॥
সভাৰ মাঝত ফেৰুৱাৰ কোলাহল ;
ধৰিবে খোজন্তে লুকাৱয় তত্কাল ॥
উপৰত গৃধ্রগণে আৱাৱ কৰয় ।
হালধি ৰুধিৰ দুই আদিত্য জ্বলয় ॥
চক্র ছামৰ খসি পৰে ঘনে ঘন ।
বাম বহু বাম উৰু ফন্দয় নয়ন ॥
আনো নানামত দেখে বিমঙ্গল চয় ।
অনুমানে কহে জানো মৰণ মিলয় ॥
পড়িবে বিঘাত পাপী নমানয় তাক ।
মহা দ্রোহ কৰিয়া ঘালিছে পাণ্ডৱক ॥
পুৰ্ব্বে মহন্তৰ শাপে ভ্রষ্ট হুয়াচয় ।
ইবাৰ হিংসিয়া পাপী সমুলে নাশয় ॥
শিব যামলত হৰি কহিছ সাক্ষাত ।
ৰাজা সব নাশ হবৈ বৈষ্ণৱ হিংসাত ॥
শুনিয়ো পাৰ্ব্বতী মই কহওঁ তোমাত ।
অনৰূপে নৰেন্দ্রৰ নোহে আয়ুপাত ॥
বৈষ্ণৱক কষ্ট লগাই কৰে আয়ু হত ।
তাক মই সংহাৰ কৰোহোঁ বাস্তৱত ॥

কুমন্ত্রী সকলে ৰাজা আগে বাখানয়
মহন্ত সবৰ অপৰাধ তুলিকয় ॥
সবে ৰাজ্য নষ্ট যাই তাহাৰ বচনে।
তাহাক মানয় সত্য মূঢ় ৰাজাগণে ॥
যদি অঁাতা হৱে ৰাজা না চৰিবে তাক।
তাক কাণ্টি ৰাখিবেক ৰাজ্য আপোনাক ॥
আনো নানা মতে কহিচন্তে ত্রিপুৰাৰি।
অল্পকৰি কহিলো বহুল্য পৰিহৰি ॥
কহিলোহো মুনিবৰ তোমাত সাক্ষাত।
কুলাচল দানবৰ ভৈলা আয়ু পাত ॥
কতিপয় দিন যেবে এথাতে আছয়।
গিড় গিড় শবদ মিলিল অতিশয় ॥
ষাঠি প্রহৰৰ পথ প্রজায়ে যুৰিলা।
নদী গিৰি বন সবে ধুলি উঠি গৈলা ॥
ৰাজ্যৰ প্রজাক মানে কৰিল বিঘাত।
আবাৰ কৰয় প্রজা কৰে উতপাত ॥
অনন্তৰে কুলাচল ৰাজাৰ আগত।
ভগনিয়া লোকে শোকে কান্দয় তাৰত ॥
দেখিয়ো গোসাঞি আসি পৰাঠ মিলিল।
ইটোমহা ৰাজ্যভাৰ তোমাৰ ভাগিল ॥

হেন মত কথা একো কানে নৌ শুনি।
চাৰিখান হাতে লোক দেখিয়াছা কোনি॥
হাতে হাতে দুতয় দুতয় শৰ চাপ।
কোনে সহিবাক পাৰে তাহাৰ প্ৰতাপ॥
বড় বড় বীৰে আসি ধাইলেঁা বড় ৰাগে।
ক্ষুদ্ৰ কি পতঙ্গ ভৈলো তাসম্বাৰ আগে॥
যিমান মাৰিলে লোক তাৰ সীমা নাই।
আমবাৰ শৰঘাৰে ভুৰু ভঙ্গ নাই॥
লুড়ি পুড়ি ভাঙ্গি মাৰিলে গ্ৰাম্য দেশ যত।
চাঁৰিভিতি ঝণ্টায়া ৰহিছে নগৰত॥
এক জনা আসে আৰু সবাৰে মধ্যত।
মন্দৰ পৰ্ব্বত যেন পক্ষী উপৰত॥
ছত্ৰ ছামৰে অলঙ্কাৰৰ দীপিতি।
চাহিতে নপাৰি কোটি সূৰ্য্যৰ জেউতী॥
শঙ্খ সিংহানাদত লড়িল স্বৰ্গ কোল।
জয় জয় আটাসে শুশুনি মাত বোল॥
পক্ষিগণে বোলন্ত জৈমিনি মহাশয়॥
দিব্য সভা মাঝে সিটো পশিয়া আছয়॥
হেন কথা শুনি তাৰ সংশয় মিলিলা।
মহা মহা বীৰগণে চমকি ৰহিলা॥

কাংশ পৰি জিম গৈল সকলে সমাজ ।
মনে মনে গুণে কুলাচল মহাৰাজ ॥
মোৰ মৃত্যু পক্ষ জানো মিলিলেক আসি।
কৈৰ চতুৰ্ভুজ সেনা পৰিল প্ৰকাশি।
বিষ্ণুত বিনাই কাৰো চাৰি হাত নাই ।
মায়া কৰি আসে মোক মাৰিবাক লাই ॥
ঋষি বৰ দিয়া আছে ইতিনি ভুবনে ।
নগৰত মাৰিবে নপাৰে একো জনে ॥
এহি হেতু আনকয়ে নকৰো সংশয়।
কিন্তু চাৰি হাতে সেনা আসিয়া আছয় ॥
এতেকেসে মনে কিছু লাগিল বিস্মিত।
তথাপিতো যুদ্ধ কৰি ভঙ্গাইবোঁ তুৰিত ॥
বপুসুতে বোলে মুনি শুনিয়োক তাত।
সবাকে শুনায়া ৰাজা বোলে তুলি হাত ॥
শুনা পাত্ৰ মন্ত্ৰি সব এড়া আন মন।
মিলিল পৰাঠ হেৰা চলো এতিক্ষণ ॥
কিন্তু আমি কাহাৰো বিৰোধ কৰা নাই ।
কিবা হেতু বিষ্ণু আসে আমাসাক ধাই ॥
নাহিকে বিবাদ কাকো নকৰো কন্দল ।
মোক ধাৰে আসে কেনে বিষ্ণু মহাবল ॥

হেন জানি বীৰগণ সেনাপতি চয় ।
সাজিয়া চলিয়ো আজি মিলাইবোঁ প্রলয় ॥
কোন শত্রু আমি তাৰ নাই চিন. জনা ।
তভো দন্দকিনি হৰি আসে কি কাৰণা ॥
তাহান চৰ্চ্চাক আমি নকৰো কিঞ্চিত ।
তথাপিতো আসে ধাৱে কিনো বিপৰীত ॥
স্বপ্নতো যাহাৰ আমি নাম লোৱা নাই । .
হেন বিষ্ণু কিকাৰণে আসে মোক ধাই ॥
আবে মোৰ দোষ নাই দেব দেবী সাক্ষী ।
ভাল মন্দ তোমৰা সকলে আছা দেখি ॥
বিমুকুত নামে এক মন্ত্রী আছে তাৰ ।
আগ হুয়া বোলে সিটো কৰি নমস্কাৰ ॥
শুনা দানবৰ নাহা বচন আমাৰ ।
আমি একো দ্রোহ চিন্তা নাহিক তাহাৰ ।
ব্রহ্মা হৰি বিষ্ণু এহি দেব তিনিজন ।
তিনি হন্তে হোৱে স্থিতি উৎপত্তি মৰণ ॥
ব্রহ্মায়ে স্রজন্ত ৰুদ্র দেৱে সংহৰন্ত ।
সবাহানে মুখ্য দেব বিষ্ণুৱে পালন্ত ॥
তাহান্ত ভকতি জানা কৰে যিটো জনে ।
তাঙ্ক ৰাখি ফুৰা তেন্তে পৰম যতনে ॥

বৎসৰ স্নেহত যেন ধেণু নছাড়য়।
সেহি ভাৱে ভকতক ৰাখিয়া ফুৰয় ॥
শুনি আছো ভক্ত পাণ্ডৱৰ পাঞ্চো ভাই
বনে বনে ফুৰে তীৰ্থ ঋষি মুনি চাই ॥
তুমি যাই তাসম্বাক ৰণত মাৰিলা।
ভক্তৰ স্নেহত হৰি যুদ্ধক আসিলা ॥
পাণ্ডৱ পৰমভক্ত শুনিছো লোকত।
তান অৰ্থে আমাক মাৰিবে সমৰত ॥
নোঁউ শুনা বিষ্ণু ৰামৰূপে অবতৰি।
বনক চলিলা পিতৃবাক্য শিৰে ধৰি ॥
বালি ও সুগ্ৰীব দুই ভাই মহাবল।
ৰাজ্যৰ নিমিত্তে ঘোৰ কৰয় কন্দল ॥
বনত সুগ্ৰীৱে লৈলা ৰামত শৰণ।
ভকতৰ অৰ্থে ৰামে গৈয়া তেতিক্ষণ ॥
মহাবলী বালি ৰাজা এক পাট শৰে।
ভকতৰ পদে মাৰিলন্ত ৰঘুবৰে ॥
বিষ্ণুৰ ভকত আৰু বীৰ বিভীষণ।
তাঙ্ক ৰাজ্য দিলা মাৰি দুৰ্জ্জয় ৰাৱণ ॥
হৰিৰ সেৱক সুৰপতি দেৱবৰ।
বামন স্বৰূপে বিষ্ণুত আসিয়া সত্বৰ ॥

বালক নিকালি ৰাজ্য দিলন্ত ইন্দ্রক।
হেনসে মাধব ৰক্ষা কৰন্ত ভক্তক ॥
আন চৰ্চ্চা নাহি কৰি ফুৰা এহি কাম।
যিটো জনে তাহান জপিয়া ফুৰে নাম ॥
হেনয় হৰিক তুমি নজানা কিসক।
তাহান সেবক ঢালি আছা পাণ্ডবক ॥
আটাস পাৰিয়া নাম ধৰি দিয়ে ডাক।
এতেকতে বিষ্ণু আসি ৰাখি ফুৰে তাক ॥
অপূৰ্ব্ব মনুষ্য চাৰি হৰিৰ ভকত।
তাহাৰ লগত সদা ফুৰন্ত বনত ॥
খাইবে পিন্ধিবাৰ কিছু নাহিকে উপাই।
তথাপি তাহাৰ লগে ফুৰে সৰ্ব্বদাই ॥
এতেকেসে হৰি আসি আছে মায়া কৰি।
আমাক তোমাক সবে বিনাশিবে ধৰি ॥
ভকতৰ শক্ৰুৱে তাহান শত্ৰু হয়।
ভকতৰ মিত্ৰে তান মিত্ৰ বুলি কয় ॥
বপুষ্মন্তে বোলে কথা শুনা মুনিবৰ।
বেদৰ উত্তম বেদ উপনিষদৰ ॥
বিষ্ণুভক্ত মন্ত্রীয়ে কহিলা কথা যত।
কহিলোহোঁ ইটো সবে তোমাৰ আগত ॥

হেন কথা শুনি পাছে কুলাচল ৰাই ।
গৰ্জ্জিবে লাগিলা ক্ৰোধে নয়ন ঘুৰাই ॥
শুন অৰে পাত্ৰ মন্ত্ৰী বীৰগণ যত ।
আছিল মনুষ্য মই মাৰিলোঁ ৰণত ॥
মোৰ সেনা হস্তি ঘোৰা মাৰিল যতেক ।
চাৰিগুটী মাত্ৰ মই মাৰিলোঁ প্ৰত্যেক ॥
কিবা হানি কৰিলোহোঁ আমি মাধৱৰ ।
কেন হেতু আমাসাক জপাবে সমৰ ॥
আমি কিছু অপৰাধ নকৰোঁ তাহাৰ ।
তথাপিতো আমাক কৰয় অপকাৰ ॥
বধিবোহো বিষ্ণুক আমাৰ দোষ নাই ।
সেৱকক স্বামীকে থৈবোহোঁ একে ঠাই ॥
আনৰ আশয়ে জানো মোকো কৃষ্ণে চাৰে ।
কুলাচল বীৰৰ সি নতু আটা পাৰে ॥
দেখ দেখ বীৰগণ কিমত অন্যাই ।
আনৰ কৰত আনজনে পানী খাই ॥
সমৰে সাজিয়ো যাওঁ বিলম্ব নকৰি ।
পাৰিষদ বীৰ মাৰে মাৰো বান্ধি ধৰি ॥
ৰাজাৰ বচন হেন শুনি বীৰগণ ।
গিৰিলাই সমাজ জাগিলা তেতিক্ষণ ॥

অন্তেৰ পুৰত কুলাচলো প্ৰবেশিলা ।
মাতৃ সকলক প্ৰদক্ষিণে প্ৰণামিলা ॥
পত্নী সমুহক প্ৰিয় বচন বুলিলা ।
বিষ্ণু সমে আমবাৰ কন্দল মিলিলা ॥
দু.শৰীৰ দুমবন্ত দুই পুত্ৰবৰ ।
পৰম স্নেহৰ দুই অদ্ভুত কুমৰ ॥
দুই হস্তকো চুম্বন কৰিয়া প্ৰণামিলা ।
তাৰা দুই বাপৰ চৰণে প্ৰণামিলা ॥
দুশৰীৰে বাপেকক বুলিলা বচন ।
কিকাৰণে পিতৃ মাধৱক কৰা ৰণ ॥
জগতৰ নায়ক ভকত প্ৰিয়কৰ ।
সুৰাসুৰ সবাহানে ভেহেন্তে ঈশ্বৰ ॥
তাহাক যুঝাহা তুমি কিসৰ কাৰণ ।
তাহান বিৰোধে তবু মিলিবে মৰণ ॥
যদি বোলা বিটো ৰণে সাজি আসিছয় ।
তাক ক্ষমা কৰিবাক কিসক লাগয় ॥
ভকত বৎসল প্ৰভু দেৱ নাৰায়ণ ।
শৰণ পশিলে তুষ্ট হৈবন্ত এখন ॥
হেন জানি বাপ তুমি মোৰ বোল কৰা ।
দান্তে খেৰ কামুৰি বিষ্ণুৰ পাৱে ধৰা ॥

কৃপালু ঈশ্বৰ হৰি ৰাখিবে তেখন ।
তাহান সেৱাত নিস্তৰিবে পিতৃগণ ॥
পুত্ৰৰ বচন হেন শুনি কুলাচল ।
ঘৃত দানে যেন আতি জ্বলিল অনল ॥
শুন'অৰে অধম পামৰ পুত্ৰ তই ।
বিষ্ণুত শৰণ লৈবোঁ হেন কহ মই ॥
কাটিলোহোঁ হস্তে ৰহি থাক ইকেলাত ।
পালটি আসিয়া কৰিবোহোঁ কষ্টপাত ॥
এহি বুলি দুৰাচাৰ তথা নৰহিলা ।
খৰতৰ বেগে আসি ৰথত উঠিলা ॥
চল চল বুলি সৈন্য চলাইলেক ধাই ।
চতুৰ্ভুজ সেনাগণে আছন্ত ৰচাই ॥
চাৰিয়ো কাষৰে বেঢ়ি কৰন্ত ঝোকাৰ ।
সাগৰ গহন সেনা দেখি চমৎকাৰ ॥
গজ যূথ সহিতে দানৱ বীৰ যত ।
মহা আৱৰ্ত্ত কৰি প্ৰবেশে ৰণত ॥
বিংশতি অযুত গজ মহা ভয়ঙ্কৰ ।
তাৰ কোৰাই পাৰিক পেলে দনবৰ ॥
অস্ত্ৰে শস্ত্ৰে সৰাবে একোবে ভেদিবাক ।
কোৰাই আবৰ সবে বিপক্ষ লোক ॥

চারি ভিতি দেখিলেক সেনা নিরন্তর ।
পারিষদ সেনাগণ যেহেন সাগর ॥
রথে চড়ি প্রকাশ করয় কুলাচল ।
ঝিঙ্করি উঠিলা পারিষদ সেনা বল ॥
মাহুতে খুঞ্চিল ডাঙ্গ মারে কোর হাঁনি
মাধবর সেনাক মারিবে লৈলা চানি ॥
হেন দেখি মহা বেগে যত বীরচয় ।
দানবর সেনা হস্তী পেসে যমালয় ॥
অসংখ্য হাজার গজ কাটিলেক জুরি ।
তথাপিতো দানবে নকরে পাছ ভরি ॥
হুসকি চলয় চারিভুজ সেনাগণ ।
জয় জয় হরি ঘোষ ঘোষে ঘনে ঘন ॥
হেন দেখি নন্দক খিজয় মহাবলী ।
হস্তিগণ কাটি মারি লৈযাস্ত নিভলি ॥
দুই বীরে কাটিল মাহুত হস্তী যত ।
কতেক কহিবোঁ ইটো সংক্ষেপ পদত ॥
হেন দেখি দৈত্যসব থমকি রহিল ।
পাছ গুচি হস্তী সব পলাইবে লাগিল ॥
পারিষদ দুই প্রহারয় শরচয় ।
কতো শুণ্ড ঠেঙ্গ কতো মাহুত কাটয় ॥

বাগৰি পড়য় কতো আধাকটা হুই ।
ডেৱ দিয়া কতো গোট লৱড় মাৰই ॥
কতো হস্তী আটাস পাৰয় গুরুতৰ ।
বাগৰয় চাৰি ঠেঙ্গ কৰিয়া ওপৰ ॥
আধাকটা সেনা কতো ভূমিত বাগৰে ।
অস্ত্র শস্ত্র এড়ি কতো ধৰফৰ কৰে ॥
এড়ে মূত্র মল কতো লাগি বগুৱাই ।
ৰঙ্গে পাৰিষদ সেনাগণে আছে চাই ॥
পক্ষিগণ বদতি শুনিয়ো মুনিবৰ ।
মিলিল প্ৰলয় ঘোৰ দানব দলৰ ॥
দুই পাৰিষদে হস্তিযূথ ভঙ্গাইলন্ত ।
অনন্তৰে সৈন্যৰ বেহুত পশিলন্ত ॥
পাৰিষদ দুইৰ মহা দেখিয়া বিক্ৰম ।
দানৱে বোলয় ইটো দুই কালযম ॥
এহি বুলি লাগিলেক ভয়ঙ্কৰ ৰণ ।
আকাশে চাপিয়া আসিলেক দেৱগণ ॥
ইন্দ্ৰ চন্দ্ৰ বায়ু বহ্নি বৰুণ কুবেৰ ।
সিদ্ধ বিদ্যাধৰ আৰু চাৰণ কিন্নৰ ॥
আকাশে চাপিয়া সবে কৰে হৰি ৰৱ ।
ভণি পাৰিষদ সব পৰম উৎসৱ ॥

নাহিকে ভাগৰ ৰৰিষয় শৰচয় ।
দানৱৰ সেনাত লাগিল মহাভয় ॥
তথাপিতো পাছ ভৰি গোটেকে নকৰে ।
বিন্দাবাৰ কৰি আগ বাঢ়ি ধাবে ধৰে ॥
কাণ্ডে খাণ্ডে জাঠি জোঙহানে ভিণ্ডী পাল।
নৰাচ তোমৰ শূল হানে পালে পাল ॥
পাৰিষদ সেনাগণ ৰণে নঘাটন্ত ।
দানৱগণক মহা সমৰ কৰন্ত ॥
দুখান সাগৰ যেন ভৈল একত্তৰ ।
হুল স্থূল কৰে যেন কুম্ভীৰ মগৰ ॥
যেন মহা মেঘে বৃষ্টি কৰে কোলাহল ।
যুধিষ্ঠিৰ সেনা মৰি যাই পালে পাল ॥
মহা শৰে ঢাকিলেক ধৰণী মণ্ডল ।
লড়ে মহী খণ্ড অতি কৰে টলবল ॥
কতো বেলি দানৱ সকলে ভঙ্গ দিল ।
পৰাক্ৰম পাণ্ড যেহ দ্বিগুণ ভাবিল ॥
হেন দেখি তাৰ বড় বড় বড় বীৰ ।
[illegible] পৰাহাৰ [illegible] শৰীৰ ॥
[illegible] [illegible] হাতীলত [illegible] [illegible] ।
কত্তো [illegible] [illegible] [illegible] কৰি [illegible];

পর্ব্বত আকার সবে ধান ভয়ঙ্কর।
ভয়ানক বেশ আতি দেখি লাগে ডর॥
একে একে জিনিবারে পারে সুরাসুর।
হেনয় অসংখ্য ধাইল দানব প্রচুর॥
আকাশ ঢাকিয়া মহাশর বরিষয়।
পারিষদ সেনাগণ নিসন্ধি চালয়॥
দেখিয়া বিজয়ে আগবাড়ি ধনু ধরি।
দানবক প্রহার করিলা টান করি॥
নন্দকেও মহা কোপে বাণ বরিষয়।
দানবর বীরগণে দেখে তমোময়॥
পাছে দৈত্যে হুহাকো তেজিল ঘোর শবে।
পাছগুচি গৈল পারিষদ নিরন্তরে॥
দুয়োজনে মহাপীড়া পায়া অতিশয়।
শারঙ্গ আকুষি মহাশর বরিষয়॥
মাধবর পারিষদ অজর অমর।
তারকি জিনিবে পারে দানব বর্ব্বর॥
কারো কটী স্কন্ধ হাত তরিক ছেদিল।
গিরিশ গিরিশ করি ভূমিত পড়িল॥
একো একো পড়ন্তে পৃথিবী খণ্ড পড়ে।
শত শত ঠাঁজন্তু মরি গৈল বস্তু তলে॥

পুনরপি আরু সবে দানবে খণ্ডিল।
দুই জন পারিষদে নিসন্ধি চালিল॥
অবধ্য শরীর দুইরো নাই ক্ষতি ক্ষুণ।
চারস্তেসে যাই বল আরকা দুগুণ॥
পরম আটোপে অতি ধরি ধনু শর।
কাটিবে লাগিলা দানবক নিরন্তর॥
তাত পাছে আরু চারি পারিষদে ধাইলা।
দানবর বীরগণ জন্টায়া রহিলা॥
কাটিবে লাগিলা নারায়ণ শর হানি।
দানব সৈন্যেক যেন তুলাত অগনি॥
দানব দলক দহি করিলেক ছন্ন।
মরিল বহুত কুলাচল সৈন্যগণ॥
পাছগুচি যাই সবে পায়া ভয় যব।
বিজয়ারি হাসে পারিষদ নিরন্তর॥
সবে চতুর্ভুজ সেনা করে সিংহনাদ।
দানব গণর হৈল পরম বিষাদ॥
প্রাণক চাকিয়া তথাপিতো করে রণ।
পরশু মুষল শূল করে বরিষণ॥
প্রাণান্তিকো দানবে মকরে পাছ ভরি।
দেখি দেবগণে স্তুনবন্ত হরি হরি॥

বোলে কিনো তুৰ্ম্মদ দানব সেনাগণ ।
ভালেতো পাণ্ডবে আত হাৰিলেক ৰণ ॥
সিদ্ধ শৰীৰৰ পাৰিষদগণ যত ।
তাসম্বাকো গণাগণ নকৰে মনত ॥
এহি মতে কহে কথা সিদ্ধ বিদ্যাধৰে ।
শুনা মুনিবৰ আৰু কথা আতপৰে ॥
কুলাচল ৰাজা পাছে নগৰ ওলাইল ।
চাৰিয়ো দিশক পাছে চক্ষু ফলাই চাইল ॥
পক্ষী পড়িবাৰো সন্ধি নেদেখিল আৰ ।
চতুর্ভুজ সেনা দেখি লাগে চমৎকাৰ ॥
মনত বোলয় মোৰ মিলিল মৰণ ।
কিনো অদভুত ইটো দেখে সেনাগণ ॥
আমি যাক ঢাকি আছোঁ ঘোৰ সমৰত ।
এগোট নাহিকে দেখো আহবে লগত ॥
যেহিকি নোহক তভো কৰিবোঁ সমৰ ।
বিষ্ণুৰ হাতত মৰি হৈবোহোঁ অমৰ ॥
কতৰা ভাগ্যেসে পাইলো ইসম্বক লাগ ।
মোক হৰি মাৰিবন্ত মিলিলেক ভাগ ॥
বৈকুণ্ঠে চলিবো নাৰায়ণ হাতে মৰি ।
মোক কৃপা কৰি জানো আসিলন্ত হৰি ॥

মই মহাদ্ৰোহ কৰি আছো গুৰুতৰ ।
মহন্তক কৰিছোঁ বৈলক্ষ ভয়ঙ্কৰ ॥
এহি মতে তাৰ অতি সুবুদ্ধি মিলিল ।
হৰিৰ হাতত মৃত্যু নিশ্চয় কৰিল ॥
উলটি গৃহত পশি লৈয়া মন্ত্ৰিগণ ।
পুত্ৰ দুইক আনিয়া দিলেক সিংহাসন ॥
অভিষেক কৰিলেক পূৰ্ব্ব ব্যবহাৰে ।
শিখালেক যত ৰাজনীতি নিৰন্তৰে ॥
দুঃশৰীৰ পুত্ৰক পাতিলা দৈত্যেশ্বৰ ।
দুমন্তক যুৱৰাজ থাপি অনন্তৰ ॥
ৰজাইলা ৰণক আতি ঘম ঘম কৰি ।
ৰথে উঠি হাতে মহা ধনুশৰ ধৰি ॥
দেখা মুনিবৰ কেনে কৃপা ঈশ্বৰৰ
দুৰ্জ্জনৰো সুবুদ্ধি বঢ়ান্ত দামোদৰ ।
কোননো কৃপালু আছে কৃষ্ণত বিনাই ।
ৰক্ষ দানৱকো প্ৰভু তাৰন্ত গোঁসাই ॥
হেন জানি মুনিবৰ কৰিয়ো ভজন ।
আক যেন নপাসৰা তাহান চৰণ ॥
নমো দ্বৈপায়ন গুৰু বিপ্ৰৰূপ হৰি ।
তোমাৰ কৃপাক আমি আছো আশা কৰি

এহি কহি ধৰ্ম্মপক্ষী প্ৰেমত মজিল ।
হৰিৰ চৰিত্ৰ পুনু কহিবে লাগিল ॥
দেখা বুধজন কেনে কৃপা ঈশ্বৰ ।
অধমো উত্তম হোৱে সঙ্গে ভকতৰ ॥
শত্ৰু ভাবে সঙ্গ মাত্ৰ লভি পাণ্ডৱৰ ।
কুলাচল ভৈলা কেনে দেখা হৰিপৰ ॥
এতেকে সন্তৰ সঙ্গে হৰি ভক্তি ধৰি ।
তান গুণ নাম মুখে লৈয়ো যত্ন কৰি ॥
ইহেন মনুষ্য জন্ম সেহৰে নপাই ।
চিন্তামণি জন্ম হেৰা হাততে হৰাই ॥
উমান নোপোৱা কাল অজগৰে গিলে ।
ধন জন জীৱন যাইবেক এক তিলে ॥
যিটো পুত্ৰ দাৰাক মনত আশা কৰি ।
নিচিন্তি আছাহা কৃপাময় দেৱ হৰি ॥
সকলো থাকিবে লগে যাইবে পাপ পুণ্য ।
যিদিশ চাহিবা সবে দেখিবাহা শূন্য ॥
নমো নমো নাৰায়ণ পূৰ্ণব্ৰহ্ম হৰি ।
ভাৰ হৰণৰ হেতু আছা অৱতৰি ॥
হেনয় কৃষ্ণৰ পাৱে কৰিয়া প্ৰণতি ।
ৰচিলো পয়াৰ ইটো কথা গুঢ় অতি ॥

জানি মহাজনে মোক নিন্দা নকৰিবা।
শাস্ত্র সব চাহি সবে প্ৰমাণ কৰিবা ॥
হংসকাকী ব্ৰহ্ম যামলৰ ঠাই ঠাই।
মহাগুৰু দ্বৈপায়নে দি আছে দেখাই ॥
তান অনুৰূপে আমি লিখিলোঁ কেবলে।
মধু ঘৃত দুগ্ধে যেন অতিস্বাদ বলে ॥
পৰম ৰহস্য ইটো শাস্ত্ৰ মধ্যে সাৰ।
ধৰ্ম্মপক্ষী মুখে ভৈল লোকত প্ৰচাৰ ॥
যেনয় দেখিলোঁ আমি তাকে বিৰচিলোঁ।
বিষ্ণু বৈষ্ণৱৰ কথা প্ৰকটি কহিলোঁ ॥
ভাৰত ভূষণে কহে এড়ি আন কাম।
হৰিক মনত স্মৰি বোলা ৰাম ৰাম ॥

ছুলড়ি।

ধৰ্ম্ম পক্ষিগণে স্নাতিয়া কহন্ত
শুনা মহামুনি সন্ত।
পাৰ্ব্বিবন গণে তুলাই সৈন্যক
মাৰি সাজ কৰিলন্ত ॥
মৰণক ডৰে পাছক হুলকি
চলি গৈল সৈন্যচয় ॥

যি থানত ৰহি, মন্ত্রি পাত্র সমে,
দানব ৰাজা আছয় ॥
দেখি মন্ত্রি সবে, শৰ বৰিশিলা,
ঢাকি দিশ নিৰন্তৰে।
অন্ধকাৰ ভৈল, ৰবিৰ কিৰণ,
আচ্ছাদিল আতিবৰে ॥
অন্ধকাৰ পায়া, মাধবৰ সৈন্যে,
তথাতে থমকি আছে।
দেখি বড় বড়, পাৰিষদ গণে,
বাণ বৰিষিলা পাছে ॥
দৈত্যশৰ ছেদি, কৰিল প্রসন্ন,
আন্ধাৰ সবে গুছিল।
মন্ত্রি সমূহক, থানিকো নাপোৰি,
গাৱে গাৱে প্রহাৰিল ॥
সহিবে নোৱাৰি, দানব পদাতি,
ৰাজাৰ পাছে ৰহিল।
পাৰিষদ গণে, ছেদি ভেদি নাই,
যুদ্ধে কেহো নপাৰিল ॥
দেখি কুলাচল, ৰাজা মহা খঙ্গে,
বচন বলিবে লৈল।

শুনা পাৰিষদ, কি কাৰণে হেন,
তোমবাৰ কিবা ভৈল ॥
কোন অপৰাধে, সৈন্যক মাৰাহা
ইটো কথা আচৰিত।
পাৰিষদ হুয়া, দন্দ কিনি ফুৰ,
গৰ্ব্ব কৰি অনুচিত ॥
মাধৱৰ লগে, থাকি কেন মতে,
প্ৰাণি হত্যা দোষ কৰ।
মহা মনোহৰ, বেশ ধৰি কিক,
লোকৰ দ্ৰোহ আচৰ ॥
মহন্তৰ হেন, সুহি ব্যবহাৰ,
শত্ৰু মিত্ৰ নাহি কয়।
জীৱ সমূহৰ, হিতক চিন্তয়,
বৈষ্ণৱ তাকে বোলয় ॥
শুণ্ডি পিম্পৰাক, আদি কৰি যত,
আছে যত প্ৰাণীগণ।
সবাৰো আনন্দ, সাধিবেক ভেবে,
সাধুৰ হেন লক্ষণ ॥
কাম ক্ৰোধ লোভ, মোহ অহঙ্কাৰ,
দম্ভ দ্বেষ বিবৰ্হিত।

সর্ব্বত্র দয়ালু, কারুণিক ভাব,
সবাতে অতিপীৰিত ॥
এহিমতে আনো, বাক্য বুলিলন্ত,
কুলাচল ৰাজা তয় ।
তাহাক সুশুনি, পাৰিষদ চয়ে
মহাশৰ বৰিষয় ॥
হেন দেখি পাছে, ৰাগি দৈত্যপতি,
মনত কৰি আক্রোশ ।
ইসবক আজি, বধত সেকিবোঁ,
নথাকোক মোৰ দোষ ॥
এহি বুলি বীৰে, মহিষ ৰথত,
দিব্য ধনুখান ধৰি ।
মহাশৰ চয়, প্রহাৰিবে লৈলা,
আতি সিংহনাদ কৰি ॥
অতি খৰোত্তৰে, আকাশৰ পৰা,
পড়ে মহা অস্ত্রগণ ।
যেন মহামেঘে, প্রলয় কালত,
কৰে মহা বৰিষণ ॥
মহানাদ কৰি গর্জ্জে দৈত্যবৰে,
ভয় ভৈল সুৰনৰ ।

আকাশক এড়ি, বিমানে উধিয়া,
গৈল সিদ্ধ বিদ্যাধৰ ॥
মেঘৰ আঁৰত, লুকিয়া ৰহিল;
দশ দিগপালগণ ॥
সহিবে নপাৰি, পাৰিষদ সেনা,
ভাগিলেক তেতিক্ষণ ॥
কতোহো পলাৱে, কতো হোসকিয়া,
যাৱে শত সহস্ৰেক।
সহিবে নপাৰি, মুক্ষ চৌধজনে,
অন্তৰে গৈলা প্ৰত্যেক ॥
চতুৰ্ভুজ সৈন্য, যতেক পড়িল,
তাৰ সীমা সংখ্যা নাই।
তাৰ শৰে পাড়ি, দিব্য বিমানত,
চড়িয়া স্বৰ্গক যাই ॥
অক্ষয় স্বৰ্গত, ৰহিলন্ত সবে,
কৰিয়া মনে ইচ্ছিতি।
পক্ষীৰ বাক্যত, মিলিল সংশয়,
জৈমিনিৰ মনে আতি ॥
নমো নাৰায়ণ, ভৱ বিনাশন,
ভকতৰ দুঃখ হৰ।

তোমাৰ চৰণে, পশিলোঁ শৰণে,
মন পুৰা মহেশ্বৰ ॥
ভাৰত ভূষণে, কৰে কাউ বাউ
নেৰিবা মোক মৰণে।
তেজি আন কাম বোলা ৰাম ৰাম
সভাসদ যত জনে ॥

—০—

পদ।

কৰ যোৰ কৰি পাছে জৈমিনি পুচন্ত।
মিলিল সংশয় মোৰ চাৰিয়ো মহন্ত ॥
যিটো প্ৰজাগণ ধৰ্ম্ম ময় তনু হয়।
বিষ্ণুৰ লগত সবে সুখতে আছয় ॥
তাৰাসব কিকাৰণে আসিয়া ৰণত।
দানৱৰ হাতে মৰি উঠি বিমানত ॥
অক্ষয় স্বৰ্গক্ কেনে কৰিলা গমন।
ইহাক শুনিবে ৰৰ উত্ৰাৱল মন ॥
হেন সব কথা আন কেৱে নজানয়।
তোমবাৰ মুখে বাজ হৈবাক লাগয় ॥
শুনি বপুহ্নতে হেন প্ৰশ্ন মনোময়।
কহিবে লাগিলা পুৰাতন কথাচয় ॥

অযোধ্যাবাসীয়ে নব শৰীৰে সহিত।
আছয় স্বৰ্গত সুখ ভুঞ্জি বিপৰিত॥
নব শৰীৰেৰে স্বৰ্গ ভুকুতি ভুঞ্জয়।
ইটো অতি আচৰিত কথা বিপৰ্য্যয়॥
আন মতে স্বৰ্গে গতি কৰিতে নাপাৰি।
যাসো লগে নিলা প্ৰভু ঈশ্বৰ মুৰাৰি॥
সিকাৰণে দানৱৰ হাতত মৰাইল।
পূৰ্ব্ব দেহা এৰি পুনু স্বৰ্গক চলিল॥
অক্ষয় স্বৰ্গত বৈলা মহা ভোগ্য পাই।
কহিলো প্ৰশ্নৰ কথা ইটো মুনিৰাই॥
অনন্তৰে পাৰিষদে হুয়া বিমোহিত।
হুসকিয়া গৈলা শৰপায়া বিপৰিত॥
মহিৰ ৰথত সিটো মহাবেগ ধৰি।
যেন অন্তকালে ৰুদ্ৰে প্ৰজা ক্ষয় কৰি॥
দেখি পাৰিষদে পুনু ধাইলা খৰতৰে।
নিৰন্তৰে প্ৰহাৰ কৰিলা ঘোৰ শৰে॥
মাৰিলা অনেক দানৱৰ সেনাগণ।
দেখি মহা বীৰগণে কপাইলে ৰণ॥
শুক্ৰজিত মন্ত্ৰীয়ে কুমুদ পাৰিষদে।
সুনন্দক প্ৰহাৰিলা দানৱ দুৰ্ম্মদে॥

মিত্রাক্ষে নন্দক হানে ঢাকি নিবন্তব।
সিবিমুক্ষ বিজয়ব লাগিল সমব॥
চম্পূকণ্ঠে জয়ে কবে দারুণ সন্ধান।
মেঘাসুবে জয়ন্তে প্রহাবে বিদ্যমান॥
এহিমতে আনো মহা. বীবগণ যত
হনাহনি কবে সবে ঘোব সমবত॥
বপুস্থত বদতি শুনিয়ো মুনিবব।
সেহিবেলা ভয়ঙ্কব মিলিল সমব॥
পবম বলিষ্ঠ পাবিষদ গোবিন্দব।
শাবঙ্গ টঙ্কাবি বেগে ববিষয় শব॥
সত্যব ব্রতিত আছে দানব সকল।
তিনি যুগ বহি গৈল টুটে নাহি বল॥
সবে পবাক্রমী শবশ্রমী অতিবেক।
জানে বহুতব বণ সন্ধান প্রত্যেক॥
তাসম্বাব মহাশব পায়া ববিসণ।
নিশ্প্রভ ভৈলেক ববি নবহে পবন॥
সহিবে নপাবি তাব দিগজ সকলে।
জানুপাবি বহিলেক ধবণীব তলে॥
ইতিতি উঠয় বহি কবে টলবল।
থলকি সাগব সবে ঝিকলিল জল॥

মৎস্য মকব কশ্যপব হুল স্থূল।
অনন্তবো হুসকিল নিষ্কম্প লাঙ্গুল॥
অন্ধকাবে বহিলেক দেবাসুব চয়।
মিলিল প্রলয় ব্রহ্ম সৃষ্টি নষ্ট হয়॥
ববিষয় শব কাবো নাহি ভঙ্গজয়।
পাবিষদে জিনে কিবা দানবে জিনয়॥
এত হন্তে পাবিষদগণ বলিয়াব।
আবাব শকতি বল সবাহাতে চাব॥
মাধবব পাবিষদ পবম গহন।
আসম্বাব সমান হৈবেক কোন জন॥
অনন্তবে কুমুদে সাবঙ্গ টানি ধবি।
চাবিগোটা শব মাবিলন্ত লক্ষ কবি॥
শুদ্ধ জিতে চাবিয়ো শবক বিনাশিলা।
দেখিয়া কুমুদে পুনু শব ঝাক দিলা।
নাকে মুখে তাহাব ভেদিলা ঘোব বাণ।
কিটাইল দানবে পায়া দারুণ সন্ধান॥
তিনি যুগে অবধ্য দানব মাসুবিয়া।
কুমুদক মহাশবে থৈলেক শালিয়া॥
চোটপায়া কুমুদে তুলিয়া ধনুবব॥
গুণত যুবিলা আনি নাবায়ণ শব॥

আৰ বাৰ তাক শৰ কৰিবে নেদিল।
নাৰায়ণ স্মৰি মহাশৰ প্ৰহাৰিল ॥
প্ৰকাশিত কৰি দিশ শৰ বহি যাই।
কাটিয়া পেলাইলা তাৰ শিৰ ঝটৰাই ॥
আৰু তাৰ বৰাহ যানকো কাটিলন্ত।
কুমুদ যে পাৰিষদে ৰণ জিনিলন্ত ॥
অনন্তৰে নন্দকে কৰিয়া কোপবৰ।
মিত্ৰাক্ষক প্ৰহাৰ কৰিলা ঘোৰ শৰ ॥
সন্ধান সহিল তাত নটলিল মতি।
অতিবেগে শূল হানিলেক তাঙ্ক প্ৰতি ॥
বহি যাই শূলপাট অগনি উধাই।
ডাক দিয়া বোলে অবে তোৰ প্ৰাণ যাই ॥
দেখিয়া নন্দকে মনে কিছু চমকিল।
হৰিক সুমৰি খুৰবাণ প্ৰহাৰিল ॥
আকাশত খুৰবাণে তাক লাগ পাই।
খণ্ড খণ্ড কৰি তাক কাটিবে লগাই ॥
দেখিয়া মিত্ৰাক্ষে পুনু হানি দশ শৰ।
পাৰিষদ নন্দকক ভেদিল সত্বৰ ॥
গোবিন্দৰ পাৰিষদে চোট পাইলা টান।
হৰি সেবা নিমিত্তে সে নগৈলেক প্ৰাণ ॥

ঢলো পড়ো কৰি যেবে খানিক আছিল।
স্বস্থ হুয়া ব্ৰহ্মদত্ত বাণ প্ৰহাৰিল ॥
পড়িল সন্ধানে শৰ অতিশয় টান ।
কঙ্কালতে কাটি তাক কৰিলা দুখান ॥
যান গোট কাটি মহা সিংহনাদ কৰি ।
দানৱক জিনিয়া থাকিলা ধনু ধৰি ॥
সুনন্দক দুৰ্ম্মদে ঢাকিলে শৰ কৰি ।
খানিতেক মানে বীৰে বৈলা ধনু ধৰি ॥
সাৰঙ্গ ধনুক বীৰে ধৰি টঙ্কাৰিল ।
নাগ মুখ তিনি পাট শৰ প্ৰহাৰিল ॥
বিষ্বাদ শবদে তাৰ পড়িল হিয়াত ।
পিঠিত সৰকি হাড় ভাঙ্গিলা তাহাত ॥
চিত দিয়া বেগ টানে উফৰি পড়িল ।
মৰিল দানৱ গোট পৃথিবী লড়িল ॥
আৰ শৰে তাৰ মৃগ যানক ছেদিল ।
পাৰিষদ সুনন্দে দুৰ্ম্মদ বিনাশিল ॥
চম্পুকণ্ঠে জয় পাৰিষদক হানিল ।
মহা বাণে হৰিদাসে তাক মৰ্ষিল ॥
চক্ৰবাণ হানি তাৰ ছেদিলন্ত শিৰ ।
ৰণত বিজয় ভৈল জয় মহাবীৰ ॥

মেঘাসুৰ দানবে কৰিয়া মহাখঙ্গ।
পাৰিষদ গোটত মোহোৰ হেন ভঙ্গ॥
এহি বুলি গদা মুগদৰ ধৰি কৰে।
দেৱ দিয়া যান হস্তে নামিয়া সত্বৰে॥
জয়ন্ত বীৰৰ বেগে সন্নিত চাপিলা
মুদ্গৰ তুলি বেগে কোৰ এক দিলা॥
দেৱ দিয়া জয়ন্তে অন্তৰি বেগ কৰি।
ছেদিলেক শিৰ তাৰ চক্ৰপাট ধৰি॥
মেঘাসুৰ বীৰ গৈল যমৰ সদন।
আনো পাৰিষদগণে জিনিলেক ৰণ॥
পক্ষিগণে বোলে মুনি শুনা যেন মত।
অসংখ্য দানৱ বীৰ পড়িল ৰণত॥
হুসকিয়া গৈল আনো বীৰগণ যত।
ৰহিৰে নপাৰি পাৰিষদৰ আগত॥
কতো দূৰে আছে কুলাচল দৈত্যৰাই।
দেখে বীৰগণ মানে বিভঙ্গে পলাই॥
পাৰিষদগণে মহাবেগে খেদি যাই।
বোলে সেনাপতিগণ কিবা আছ চাই॥
হেৰ দেখ সৈন্যগণ বিভঙ্গে ভাগয়।
তাহাক দেখিয়া কেনে ৰহিয়া আছয়॥

রাজার বচন হেন শুনিয়া প্রখর।
একে বারে ধাইলেক দানব নিরন্তর॥
অসংখ্যাত গজ বৃষ মেষ সিংহ যত।
বাঘ ঘোড়ে ধারে কতো উঠি শৃগালত॥
নসহে ধরণী খণ্ড আন্দোল আবারে।
টলবল করে সবে যেন মহাবারে॥
মাধবর সেনাক ঢাকিলে আতিশয়।
দেখি তারা সবো কিছু পাইলা মহাভয়॥
বোলে আমরাক জানো করে বুন্দামার।
বেড়িয়া ধরিল ররে দানব অপার॥
হানে কাণ্ডে খাণ্ডে জাঠি গদা মুদ্গর।
পরশু মুষল ভিণ্ডিপাল শূল শর॥
ঝাকে ঝাকে পড়ে কিছু পরিমিত নাই।
শর হানিবাক কেরে প্রেতিক নপাই॥
পাছু গুচি চলে কতো পলারে লররি।
চারি দণ্ডমান পথ গৈলা দড়পড়ি॥
দেখি হেন প্রচণ্ড দারুণ সেনাগণ।
মহা পারিষদগণে জপাইলেক রণ॥
সারঙ্গ ধরিয়া চক্রবাণ নিরন্তর।
হানিবে লাগিলা খরতর করি যব॥

সেহি বেলা দানব মৰিল যত যত।
তাক নিলিখিলো আৰু সংক্ষেপ পদত ॥
দানবৰ সেনাগণ অসংখ্য পড়িল।
মহা ভয়ানক যম নগৰ ভৰিল ॥
তথাপিতো পাছ ভৰি দানবে নকৰে।
আগ বাঢ় আসে চক্ৰধাৰে কাটি মাৰে ॥
চাৰি যোজনৰ পথ আগ বাঢ়ি আইল।
মাধৱৰ সৈন্য মানে পাছ হোসকাইল ॥
হেন দেখি দানৱ ৰাজাৰ মন ৰঙ্গ।
আগক চলিল লৈয়া নিজ প্ৰজাসঙ্গ ॥
যেন মহা মেঘ খণ্ড দেখিয়া তাহাক।
খেদি লৈয়া যাই চতুৰ্ভুজ সেনাজাক ॥
তিনি প্ৰহৰৰ অন্তে আছা নাৰায়ণ।
পাছ গুচি চলে তান মহা সেনাগণ ॥
কতো বেলি পাৰিষদ সেনা ঝিঙ্কৰিল।
আন্দোলন কৰিয়া শৰ হানিবে লাগিল ॥
হানে চক্ৰ অসি গদা পৰশু ত্ৰিকণ্ট।
তথাপিতো দানবৰ নাহি কটগট ॥
বিঙ্গাবাৰ কৰি সবে আটাস পাৰয়।
চক্ৰহানি পাৰিষদে দানব কাটয় ॥

কতো বেলি ভঙ্গ দিল দানব পদাতি।
দশোদিশে ভাগে মহাভয় পায়া আতি ॥
বপু সুত বদতি শুনিয়ো মুনিবব।
আছে সেনাপতি তাব সবাতে অপব ॥
নাম তাব পঞ্চাসুব বীব মধ্যে সাব।
পূর্ব্বে সিদ্ধমুনি নাম আছিল তাহাব ॥
মহাবব পায়া আছে দেবতা সবত।
ত্রিদশক বাখি আনি দৈত্যব ভয়ত ॥
যেবে পৃশ্নি মাধবে দৈত্যক বধ কৈলা।
তেবে সিদ্ধমুনি পাছে নিজ স্থানে গৈলা ॥
ঋষি শাপে নাম পায়া আছে পঞ্চাসুব।
বণত জিনিবে সিটো পাবে সুবাসুব ॥
সিংহব বাহন তাব দেখি ময় মত্ত।
হেন বীব আছে কুলাচলব লগত ॥
কোনে কহিবাক পাবে তাহাব মহত্ত্ব।
বুঝিবাক সিটো কবিলেক অভিমত ॥
ধনু ধবি মহাবেগে সিংহক ভকাই।
পাবিষদ সেনাব মাজত পশি যাই ॥
যেন বৃত্রাসুবে পূর্ব্বে দেব সৈন্যে পশি
প্রচণ্ড আন্দোলে লগাইলেক ধসমসি ॥

সেহিমতে গিয়ো বিষ্ণু সোনাত পশিল।
হাতা গাবি কবি সবে পিষিবে লাগিল।
কাকো হাতে হেম্পোচয় আছাব মাবয়।
কতোহো মাথাত বজ্র টোকব ঘালয়॥
ঠোঙ্গোনা মুকুতি ঘাতে মাবিল বিস্তব॥
অসংখ্য হাজাব সৈন্য নিলা যমঘব॥
হেন বিপবীত পাবিষদে দেখি পাছে।
একে বাবে ধাইলা অস্ত্র শস্ত্র ধবি কাছে॥
সবেয়ো বেঢ়িলা তাক দোষক নচাই।
ইহাক সমুলে বেঢ়ি মাবিতে যুৱাই॥
এহি আলোচিয়া সবে বেঢ়িয়া ঝপাই।
খবতব বেগে সবে হানিলেক যাই॥
কতো চক্র হানে কতো পবশু তোমব।
শত সহস্রেক বেঢ়ি প্রহাবয় শব॥
পর্ব্বতক বেঢ়ি যে মেঘে ববিষয়।
তাহাকো তেমনে সবে বেঢ়িয়া হানয়॥
ভাগবিল সবে হবি সেনাগণ যত।
গোটেকো নিবিন্ধে শবে তাহাব গাৱত॥
দেখি দেব সিদ্ধ বিদ্যাধব মহাভয়।
অস্ত্রে শস্ত্রে তাহাক গোটেকে নেভেদয়॥

পঞ্চাস্থৰে বোলে অৰে পাৰিষদ গণ।
কৃষ্ণৰ চৰণে সবে পৈশস শৰণ ॥
মোৰ দোষ নাই তেবে যমক চলিবি।
আপোনাক ৰাখিবাক কেৱে নপাৰিবি ॥
শুনা জয় বিজয় কুমুদ চিত্ৰসেন।
জয়ন্ত সুনন্দ নন্দ আনো যত জন ॥
তোৰা সব মাধৱৰ পাৰিষদ চয়।
তোমৰাক ঢালিবাৰ শকতি আছয় ॥
কিন্তু মই নকৰোহোঁ ইমত কাৰ্য্যক।
মোক মাৰি পাঠায়োক আপোন থানক ॥
এহি বুলি অসংখ্যাত শৰ বৰিষয়।
পঞ্চাস্থৰ বীৰে গণাগণ নকৰয়।
ভাগিলেক পাৰিষদ সেনা নিৰন্তৰ।
হুসকি চলয় সবে হৰিৰ ওচৰ ॥
বোলন্ত জৈমিনি কিনো কথা বিপৰ্যয়।
পাৰিষদ শৰে দানবক নিবিন্ধয় ॥
মহা চক্ৰবাণ হানে হাজাৰে হাজাৰে।
তাহাত নমৰে আতি কটাক্ষো নকৰে ॥
ইটো আচৰিত কথা মিলিল সংশয়।
তুমি সব মহাজন ছেদিবে লাগয় ॥

পক্ষিগণে বোলে ইটো কথা গুরুতৰ।
তোমাত কহিবোঁ হংস কাকী ৰহস্যৰ॥
পৰম যোগেন্দ্ৰ ভক্ত বৈকুণ্ঠ নাথৰ।
তাক মাৰিবাৰ কোন শকতি বাপৰ॥
পৰম ভকত তেন্তে অজৰ অমৰ।
আপুনি কৰয় যিটো নাহিকে অপৰ॥
এহি হেতু পাৰিষদে নপাৰে বধিত।
শুনা পাছ কথা যেন ভৈলেক তুহিত॥
পলাই মাধৱৰ সেনাগণ নিৰন্তৰ।
বিস্ময় ভৈলন্ত সবে সিদ্ধ বিদ্যাধৰ॥
পাৰিষদ সবে যাই বিষ্ণুৰ আগত।
কহিবে লাগিলা পঞ্চাসুৰৰ মহত্ত্ব॥
হে প্ৰভু দেব বড় ভৈল আথান্তৰ।
পঞ্চাসুৰ নামে সেনাপতি দানৱৰ॥
আমি সব পাৰিষদ ভাগৰিলো তাত।
অস্ত্ৰ শস্ত্ৰ তাহাৰ নিবিন্ধে কিছু গাত॥
যত অস্ত্ৰ যন্ত্ৰ তাৰ গাৱত পড়য়।
ভোটা হুয়া যাই তাৰ চাল নিবিন্ধয়॥
হেনয় দানৱ যদি আৰু গোট হয়।
তাহাক মাৰন্তা চৈধ লোকত নোহয়॥

হেন শুনি হৰি হাসিলন্ত খলখলি।
তাক কেৰে নৰ্জানিয় মহাভক্ত বুলি ॥
এহি কহি বিজয়ক মাতি ভগৱন্ত।
আপোনাৰ চৰণৰ নুপুৰ দিলন্ত ॥
শুনিয়ো বিজয় মোৰ লৈয়োক নুপুৰ।
আক হানি দানবৰ দৰ্প কৰা চুৰ ॥
মাথা পাতি বিজয়ে নুপুৰ ধৰিলন্ত।
পৰম কৌতুকে ৰণভূমিক গৈলন্ত ॥
পাৰিষদ সেনা বেঢ়ি যাই নিৰন্তৰ।
যথা পঞ্চাসুৰ বীৰে কৰয় সমৰ ॥
জয় জয় শব্দ মিলিল কোলাহল।
ৰণ ধৰণীত বড় লাগিল ঘঞ্চাল ॥
আকাশ চানিয়া সিংহ যানত চড়িয়া।
পঞ্চাসুৰ বীৰে ফুৰে প্ৰজা সংহৰিয়া ॥
তাক যুঝিবাক নাহি কাহাৰ শকতি।
অন্তৰি পলাৱে মহাভয় পায়া অতি ॥
হাহাকাৰ কৰি মহা ভয়ে চমকিল।
সেহি বেলা জয় পাৰিষদ প্ৰবেশিল ॥
আকাশত তাৰ মাথা আছে মেঘ চুই।
শৰ প্ৰহাৰিবে কাৰো পৰিমিত নুই ॥

সাৰঙ্গ টঙ্কাৰি ভয় পাৰিষদ বলী।
শুন পঞ্চাসুৰ বুলি হাসি খল খলি॥
কেনে বিপৰীত হেন কৰস অমন।
মোৰ হাতে আজি তোৰ চলিব জীবন॥
হেন শুনি মহাবীৰ মায়াবী দানব।
আকাশৰ পৰা মাতে কৰিয়া উৎসব॥
শুন অৰে মোহোৰ বচন যেন ঠান।
পাৰ যদি বাণ হানি লৈয়ো মোৰ প্ৰাণ॥
মোক মাৰি তোমাৰাৰ সাধ্য কৌতুহল।
নপাৰস যদি তেবে প্ৰাণ ৰাখি চল॥ ॥
এহি বুলি মহা শৰ সব প্ৰহাৰিল।
আকাশ বিয়াপি ৰবি ৰশ্মিক ঢাকিল॥
ভৈল ঘোৰ অন্ধকাৰ নাকলিয় দিশ।
হেন দেখি কৰে সবে দানবে হৰিষ॥
মৰে পাৰিষদ সবে নপাৰয় উলি।
আমাৰাৰ দুঃখ আৰে গুচিল সমুলি॥
এহি কহি দানব কটকে দিলে কুলি।
মাধবৰ প্ৰজাত লাগিল হুলস্থুলী॥
অনন্তৰে জয় বীৰে শঙ্কট দেখিল।
পাৰিষদ সমূহৰ মৰণ মিলিল॥

এহি বুলি আথে বেথে হৰিক সুমৰি।
মাথাৰ মণীৰ উপৰক তুলি ধৰি ॥
আকাশ চাহিয়া পাছে দলি হানি দিল
বিষ্ণুৰ নুপুৰ বেগে বাঢ়িবে লাগিল ॥
অন্ধকাৰ চম্ম কৰি আপুনি চলিল।
প্ৰলয় কালত যেন বলাহে গৰ্জিল॥
নমো নাৰয়ণ বুলি পঞ্চাসুৰে চাই।
বোলন্ত মিলিল মোৰ বধৰ উপায় ॥
অজি ধৰি মোৰ দুঃখ দুৰ্গতি গুচিল।
তিনি যুগে আদ্য শৰীৰক সুমৰিল ॥
ৰহিলন্ত বীৰে স্মৰি নাৰায়ণ নাম।
মনে মাধবৰ পাৱে কৰিলা প্ৰণাম ॥
বপু সুতে বোলে অবা শুনা মুনিবৰ।
অদভুত মহিমা কৃষ্ণৰ মঞ্জীৰৰ ॥
প্ৰকাশিত হুয়া বেগে বাঢ়িবে লাগিল।
চন্দ্ৰ সূৰ্য্য নক্ষত্ৰ গণক প্ৰকম্পিল ॥
ৰশ্মি জ্বালে পীড়িলেক বিমান সকল।
প্ৰভাহীন হুয়া ৰবি কৰে টলবল ॥
আকাশে উধাই যাই প্ৰচণ্ড প্ৰভাৱ।
পঞ্চাসুৰ বীৰক পাইলেক সেহি ঠাৱ ॥

মহাচণ্ড শবদ ভৈলেক ঘোৰতৰ।
যেন মেৰু মন্দৰৰ খসিল শিখৰ ॥
ঝনাৎকাৰ কৰি তাৰ শিৰক ছেদিলা।
ভয়ানক গাণ্ডি গোট ভুমিত পড়িলা ॥
সিংহ যান গোটাকো ছেদিলা তাৰক্ষণে।
ত্ৰস্ত হুয়া বৈলা যায় কৃষ্ণৰ চৰণে ॥
পঞ্চাসুৰ মহাবীৰ ৰণত পড়িল।
কতো দুৰ মানে ৰণ ধৰণী লড়িল ॥
তাৰ নিজ আত্মা গোট দিব্য ৰূপ ভৈলা।
গলে বনমালা হাতে চাৰি অস্ত্ৰ লৈলা ॥
পাৰিষদ ৰূপে শ্বেত বৈকুণ্ঠক গৈলা।
তাৰ কৰ্ম্ম দেখি সবে বিস্ময় লভিলা ॥
হৰি ভকতৰ সবে মহত্ব নিশ্চয়।
দেহ ধৰি ভোগ্য কৰি ভক্তি প্ৰবৰ্ত্তয় ॥
পৰম ভকত তেন্তে বৈকুণ্ঠ নাগৰ।
আছিলেক বসুতেহে উপৰি জন্মৰ ॥
নৰ জন্ম হৈবে লাগি ব্ৰহ্মাত প্ৰাৰ্থিলা।
হেন দেখি বিধাতায়ে তাহাত পুছিলা ॥
মহা পুণ্য দেহ দেৱতাৰ অতিশয়।
তপ জপ জজ্ঞ দানে আক নপাৱয় ॥

হেন বস্তুরূপ পায়া পৰম দুষ্কৰ ।
তুমি কেনে বাপু বাঞ্ছা কৰা মনুষ্যৰ ॥
তোমাৰ তথাপি ইকামনা পুৰ হোক ;
ভোগ কৰি মহা ভকতিক আচৰোক ॥
মনুষ্য শৰীৰে হৱে ভকতি যিমত ।
নপাৰে কৰিতে কিছু দেৱ শৰীৰত ॥
ইহাক জানিয়া তুমি তাহাক প্ৰাৰ্থিলা ।
এতেকেসে তাতে মহা ভকতি কৰিলা ॥
শুনা পাছুকথা মুনি যুদ্ধ যেন মত ।
সাৰশেষ কহোঁ কথা তোমাৰ আগত ।
যেবে পঞ্চাসুৰ বীৰ ৰণত পড়িল ।
তেবে কুলাচল ৰাজা ক্ৰোধত জ্বলিল ॥
শোকে কোপে অন্ধকাৰ দেখে তমোময় ।
যুঝিবাক মনে তেবে কৰিলা নিশ্চয় ॥
যোজনেক মানে তাৰ ৰথ মহীৱৰ ।
চড়াও হোৱয় জানা তাহাৰ ৰথৰ ॥
শ্বেত চামৰ সুৱৰ্ণৰ ছত্ৰচয় ।
মাজে মাজে হীৰা বজ্ৰ মণি বিৰাজয়
মহাকাল মেঘে যেন প্ৰকাশয় তাৰা ।
মহা ৰথ খান আতি দেখি জাতিষ্কৰা ॥

বিদ্যুত সঞ্চারে বেগে ডাকিলেক তাক।
আগে পাছে চলে অংসখ্যাত বীর জাক॥
পার্ষদ বীরক ধাইলেক খরতরে।
কাণ্ডে খাণ্ডে জাঠি জোঙ্গ হানে নিরন্তরে॥
যথাত আছন্ত সনাতন দেবহরি।
গরুড় বাহনে মনোহর রূপ ধরি॥
শিরত কিরীটি কর্ণে মকর কুণ্ডল।
শ্রীবৎস কৌস্তুভ নব আদিত্য উজ্জ্বল॥
বনমালা হার মনি কটিত কিঙ্কিণী।
পাট পীত তুনি গরুড়র কন্ধে জিনি॥
আজানু লম্বিত ভুজ জলে চারিখান।
ধরিছা সারঙ্গ গদা আরো চক্র বাণ॥
কোটি সূর্য্য সম প্রকাশন্ত চক্রপাণি।
ভকতর পদে হরি যুঞ্জন্ত আপুনি॥
হেন মহা রূপ কুলাচলে দেখিলন্ত।
খানিতেক মানে মনে মনে গুণিলন্ত॥
অপূর্ব্ব মনুষ্য মই যাহাক মারিলো।
তাহার গোটেক দেখো লগত নাসিল॥
বৈকুণ্ঠর নাথ এহি জানিলো নিশ্চয়।
কিনো চারু চতুর্ভুজ রূপ ধরি চয়॥

ঝিনো মহা ভকত বৎসল নাৰায়ণ।
মোক মাৰিবাক মনে কৰিছে যতন ॥
আন হাতে মৰি মই বৈকুণ্ঠক যাইবোঁ।
নিন্দিত শৰীৰ ঋষি শাপক এড়াইবোঁ ॥
এহি বুলি মন তাৰ হৰিত মজিল।
মৰিবাৰ মনে সিটো নিশ্চয় কৰিল ॥
চাৰিয়ো দিশক বীৰে চক্ষু বলাই চাইলা।
মাৰে সেনাগণ তাক দৰশন পাইলা ॥
প্ৰভুৰ বিপত্তি দেখি ক্ৰোধ জ্বলিলেক।
বোলে পাৰিষদগণ দিবোঁ আজি সেক ॥
সাম্প্ৰতে আপুনি মাধৱৰ পাশে যাওঁ।
পাছে সবে পাৰিষদ বীৰক ঝণ্টাওঁ ॥
এহি বুলি ৰথ ডাকিলেক ভৰ ডৰি।
আগবাঢ়ি বৈল মহা যত্নে বাজু ধৰি ॥
শুনা সভাসদ পদ কুলাচল বধ।
সকলে শাস্ত্ৰতে ইটো মহা বিদগদ ॥
কৃষ্ণৰ চৰিত্ৰ ইটো পৰম ৰহস্য।
ইহাৰ শ্ৰৱণ হৰি হন্ত নিজ বশ্য ॥
আক এক মনে যিটো কৰয় শ্ৰৱণ।
ঝিলয় মুকুতি কৰৈ বৈকুণ্ঠে গমন ॥

বদতি ভাৰতচন্দ্ৰ গোবিন্দ কিঙ্কৰ।
মোক ভক্তি দান দিও প্ৰভু গদাধৰ॥
আমি মহা পতিতক তাৰিবে লাগয়।
মোক নাতাৰিলে নাম কলঙ্কি হোৱয়॥
সুখে দুঃখে মুখে মোৰ নাছাৰোক নাম।
সভাসদ লোকে ডাকি বোলা ৰাম ৰাম॥

ছবি।

ধৰ্ম্ম পক্ষিগণে বোলে, শুনিয়োক জৈমিনি,
যেন কথা ভৈলা তাত পৰ।
মহাবলী কুলাচল, মাতিবে লাগিলা পাছে,
শুনিয়োক দেৱ দামোদৰ॥
ৰাজাও সুহিকা তুমি, সুহিকা ক্ষত্ৰিয় বীৰ,
তুমি ব্ৰহ্ম বৈকুণ্ঠ নায়ক।
আমি মহা গৃহবাসী, দাম্ভিক প্ৰচণ্ড ক্ৰোধী,
কেন মতে ঋঙ্কাৰা আমাক॥
বিশেষত তুমি মহা, পৰম কৃপালু হৰি,
তোমাৰ বাহিকে পৰ পুন।
সকলে জগত ইটো, তোমাৰ পালন হয়,
মোৰ সৈন্য মাৰা কোন গুণ॥

ঈশ্বৰ পুরুষ তুমি, সবাহাতে সম ভাৱ,
শত্রু মিত্র নাহিকে তোমাৰ ।
আমি পৃথিবীত সদা, গর্ব্ব অহঙ্কাৰ ক্রোধী,
লোকৰ চিন্তোহো প্ৰতিকাৰ ॥
শুনিয়োক নাৰায়ণ, মোক যদি কৰা ৰণ,
আছে যত মহত্ত্ব অপাৰ ।
হেন মত ভাৱ চয়, শুনি মহাজন সবে,
বড়া কথা বুলিবে তোমাৰ ॥
ইমত অকাৰ্য্য তুমি, নকৰিবা দেৱহৰি
পাৰিষদ সমে যায়ো চলি ।
যিহেতু তোমৰা মোক কৰিছা মাৰিবে মন,
নোহোঁ পৰি মৰাৰ পোৱালি ॥
যদি মোক শীঘ্র কৰি, মাৰিবাক নপাৰিবা,
নিজ থানে যায়োক পালটি ।
কাকুতি কৰিয়া মাগোঁ, নধৰিবা দোষ মোৰ,
বড় আজি দিবো লটি ঘটি ॥
ঈশ্বৰ পুরুষ তুমি, সবাহাৰ পূজ্য স্বামী,
বাঢ়ি মোক নকৰিবা ৰণ ।
তযু হাতে বধ যাই, তযু নিজ ৰূপ পাই,
চক্ৰ হানি মাৰা এতিক্ষণ ॥

পক্ষিগণে বোলে বাণী, শুনা মুনি মহামানি,
পৰম পণ্ডিত কুলাচল।
যিটো বাক্যচয় সিটো, মাধৱক বুলিলেক,
উপনিসৎ বেদ সুমঙ্গল ॥
আনো নানা ভাৱ বাণী, বুলি মনে অনুমানি,
মনে লৈলা বিষ্ণুত শৰণ।
আক্ৰান্ত কৰিয়া তেবে, প্ৰাৰ্থনা আচৰি কৰে,
মাধৱ সহিতে ঘোৰ ৰণ ॥
আপনাৰ কুশলক, চিন্তি কৰ্ণদত্ত সুতে,
চিন্তনাত শুদ্ধ বুদ্ধি ভৈলা।
কতো বেলি মোৰ জানো, মৰণ মিলয় বুলি,
খানিতেক মনে গুণি ৰৈলা ॥

দুলড়ি।

নমো নাৰায়ণ, পশিলো শৰণ,
তোমাৰ পদ কমলে।
তোমাত বিনাই, নাহি নাই নাহি,
তাৰক আন কেবল ॥
দুৰ্লভ মনুষ্য, শৰীৰক পাই,
নভজিলোঁ ভৱ পাৰে।

এহি দোষে জানো, যমৰ কিঙ্কৰে,
যাতনা মোক ভুঞ্জাবে ॥
আজি কালি কৰি, দিন বহি যায়,
বিষয় বিষৰ পালে ।
তযু কথামৃত, তাহাক সুভুঞ্জি,
নাশিলোঁ৷ ঘোৰ অজ্ঞানে ॥
নমো নন্দসুত, গোপ বেশ ধৰি,
বৃন্দাবনে ধেনু ৰাখি ।
সিঙ্গা বেত্র বেণু, কর্ণে গুঞ্জা মনি,
মাথাত ময়ুৰ পাখি ॥
হেনয় কৃষ্ণৰ, দুখানি চৰণে
মজিয়া ৰহোক মন ।
এহি অনুগ্রহ, কৰা কৃপানাথ,
তেবেসে হোৱে তৰণ ॥
শুনা বুধজন, কেদিন জীৱন,
কালে আছে বেস্ত বাই ।
ইহাৰ ঔষধ, শ্রবণ কীর্ত্তন,
বিনে আন কিছু নাই ॥
যিটো পুত্র ভার্য্যা, ধন জন যত,
মোৰ মোৰ কৰি মৰা ।

ইথানতে সবে থাকিব পড়িয়া
বুঝি'য়া ভকতি ধৰা ॥
ভকতৰ সঙ্গে ভকতি কৰিয়ো
মুখত নেড়িবা নাম।
এহি বেদ বাণী আকে সত্য মানি
ডাকি বোলা ৰাম ৰাম ॥

—০—

পদ।

ধৰ্ম্ম প্ৰাখিগণে বোলে শুনিয়ো জৈমিনি।
দানবৰ হেন বাণী নাৰায়ণে শুনি ॥
হাস্য কৰি তাক চাহিলন্ত তেতিক্ষণ।
মেঘৰ গম্ভীৰে ধ্বনি বুলিলা বচন ॥
শুন অৰে কুলাচল কৰ্ণদত্ত সুত।
যিসব বুলিলি তই সবেও যুগুত ॥
যিকাৰণে ভকত বৎসল মোৰ নাম।
এতেকেসে ভকতৰ পুৰো মনকাম ॥
ভকতৰ হিত চিন্তি কৰোঁ পুৰমন।
ভকত বৎসল হেন নাম সিকাৰণ ॥
আৰো যি বুলিলি অপৰাধ কৰা নাই।
অপূৰ্ব্ব মনুষ্য যিটো ঘালিলি ইঠাই ॥

সিটো সবে কিবা তোৰ অহিত কৰয় ।
বনফল মূল ভুঞ্জি তীর্থত ফুৰয় ॥
পৰম ভকত তাৰা সব চাৰিজন ।
অনা দোষে তাসম্বাক কৰিলি হনন ॥
মোৰ ভকতক কোনে নাশিবাক পাৰে ।
ভকত দ্রোহীক ময় মাৰোঁ সাৰে সাৰে ॥
এতেকে তোহোক আজি মাৰিবাৰ মনে ।
পাৰিষদ সমে চলি আসিছোঁ ইথানে ॥
এহি বুলি মহা ধনু সাৰঙ্গ টানিল ।
অল্প বল কৰি প্রভু তাহাক হানিল ॥
দুই পাট বাণ যেবে হানিলা মুৰাৰি ।
দেখিয়া ধূম্রাক্ষে চাহি আছে ক্রোধ কৰি ॥
সিয়ো দুই শৰ হানি তাহাক ছেদিল ।
আৰু চাৰি গোট বাণ হৰি প্রহাৰিল ॥
চাৰিও বাণক কুলাচলে বিনাশিল ।
হেন দেখি আঠ শৰ মাধৱে হানিল ॥
তাহাকো বিনাশ কৰি বুলিলা আকলি ।
বোলে মোক চক্র হানি মাৰা বনমালী ॥
যদি মোক নামাৰা তোমাক সেকদিবোঁ ।
হেন শুনি হাসি হৰি বোলন্ত বধিবোঁ ॥

এহি বুলি দিব্য শৰ হানিল মুৰাৰি।
তাকো শৰ হানি বীৰে থৈলা ছেদ কৰি ॥
মহা বলিয়াৰ বীৰ কৰি কোপ বৰ।
মাধৱক হানিলেক একাৰ্ণবে শৰ ॥
গৰুড়ক হানিলেক বিংশতি শতেক।
তাহাৰ শৰক অৱহিতে সহিলেক ॥
পাছে নাৰায়ণে কিছু কৰি কোপ মন
হানিল মুষল বাণ আতি অকম্পন ॥
তাহাৰ গাৱত বিন্ধিলেক বড় ছোটে।
তাকো গণা গণ নকৰিল বীৰ গোটে ॥
হেন দেখি চক্ৰপাণি নাৰায়ণ বাণ।
তাহাক লাগিয়া বেগে কৰিলা সন্ধান ॥
দৈত্য ক্ষয়ঙ্কাৰী যিটো নাৰায়ণ বাণ।
তাহাৰ গাৱত পড়ি নকৰে সন্ধান ॥
কুলাচলো ধনু টানি হানিল বহুত
পখা চাটি মাৰি তাক বৈনতাৰ সুত ॥
দূৰতে বিনাশ কৰি দানৱৰ শৰ।
কৃষ্ণৰ বাহন পক্ষী মহিমা বিস্তৰ ॥
অনন্তৰে দেৱহৰি নাগ মুখ শৰ।
দানৱক হানিলেক কৰি থৰন্তৰ ॥

তাৰ বাম বাহুত মাৰিল বড় টানে।
প্ৰয়াসিত কৰি পোত গৈল পুংস মানে॥
ধাৰা সাৰে তাৰ তেৰে ৰুধিৰ বহয়।
যিটো শৰে চুইলে প্ৰাণ লোকৰ হৰয়॥
দানৱৰ গাৱত নিৰ্ব্বাসে ৰহি আছে।
দাহিন হাতেৰে শৰ টানিলেক পাঁছে॥
গাৱৰ সন্ধানে তাক উঘাৰি আনিল॥
হল হল কৰি তাঁৰ ৰুধিৰ বহিল॥
শাল বৃক্ষ সম শৰ ব্ৰহ্মায়ে পূৰ্ব্বত।
প্ৰবন্ধে গঢ়াইল বিশ্বকৰ্ম্মাৰ হাতত॥
কঙ্ক পাখি চাহি আছে গান্থি সুবৰ্ণৰ।
আনে কেৱে পোৱা নাই সিটো মহাশৰ।
সেহি বাণ বিষ্ণুক দিলন্ত ব্ৰহ্মা দেৱে।
প্ৰচণ্ড দাৰুণ বাণ নাহি পাই কেৱে॥
হেনয় বাণক কুলাচলক হানিল।
ধনু থৈয়া সিটো তাক যুখিয়া চাহিল॥
আঠাৰ হাতৰ দুই আঙ্গুল নাটিল।
বলে দিয়া শৰ পাট মাজতে ভাঙ্গিল॥
সুৰাসুৰ লোক মানে ভৈলেক বিস্ময়।
সিদ্ধ সাধ্য বিদ্যাধৰে কৰৈ জয় জয়॥

দুই খণ্ড হুয়া বাণ জলত পড়িল।
নির্ব্বিষিত নাগ হুয়া তথাতে রহিল॥
মাধবে বোলন্ত কিনো বীৰ অতিৰেক।
এহি মহা ছোটে পাণ্ডবক চালিলেক॥
ময় ব্যতিৰেকে আক কমন মাৰয়।
চক্র হানি কাটিবাক কৰিলা নিশ্চয়॥
দেখি দানবৰ আতি স্ফুৰুতি হৰিল।
অনেক প্রচণ্ড শৰ বেগে প্রহাৰিল॥
পক্ষিৰাজ গৰুড়ক ভেদিলেক যত।
কুশ পেলাইবাৰ সন্ধি নাহিকে গাৱত॥
মাধৱক ভেদিলে হাজাৰ কুৰি মান।
পাৰিষদ সবক চালিল থানে থান॥
নির্ম্মল কৰিল অতি ৰণ ভুমি খান।
ৰহিল দানৱ গোট পর্ব্বত প্রমান॥
মহোষৰ ৰথখান আগক কৰিল।
হৰিক চাহিয়া পাছে বচন বুলিল॥
মোৰ বাঞ্ছা পূৰণ কৰিয়ো নাৰায়ণ।
চক্র হানি মোক কাটিয়োক এতিক্ষণ॥
তযু হাতে মৰিবাক আছোঁ বাট চাই
তুমি বিনে মোহোক মাৰন্তা আন নাই॥

যদি মোক নামাৰা শুনিয়ো বনমালী
আপোন ইচ্ছায়ে বৈকুণ্ঠক যাহা চলি॥
এহি বুলি ধনু ধৰি হানি বাণচয়।
নিৰন্তৰে ভেদিলেক কৃষ্ণৰ হৃদয়॥
ব্রহ্ম শৰীৰত দেখি শৰ জাতিস্কাৰ।
কাল মুৰ্ত্তি কৃষ্ণে ৰঙ্গ কৰন্ত অপাৰ॥
মনত বোলন্ত কিনো বীৰতে অজয়।
মই ব্যতিৰেকে আৰ কোনে ছোটসয়॥
এহি বুলি হৰি তাক বধিবাক মনে।
চক্রধৰি ভূমিত নামিল তাৰক্ষণে॥
লড়য় পৃথিবী খণ্ড মাধৱৰ ভৰে।
পৃথিৱীত কৃষ্ণক ভেদিল দশ শৰে॥
গৰুড়কো চুনাই ভেদিলেক দশ শৰে।
আছোটে ঘামিল আতি চোট পায়া বড়ে।
মাৰোঁ পক্ষিৰাজ কৈক যাইবি মোৰ হাতে
পৰৰ শ্রাদ্ধত কোনে আসি জাহ্নু পাতে।
পক্ষিগণে বোলে পাছে শুনা মুনিবৰ।
হেন অসদৃশ বাণী শুনি দানৱৰ॥
আথ বেথ কৰি হৰি চক্র প্রহাৰিল।
প্রলয় কালত যেন আদিত্য জ্বলিল॥

মহা বেগে কুলাচল শিবক ছেদিল।
আকাশ গমনে চক্র তেখনে চলিল॥
কিৰিটি সহিতে মাথা ৰথত পড়িল।
দেব সবে জয় জয় বচন ঘুষিল॥
গাণ্ডি গোট ৰথত যে পড়িলেক ঢালি।
তাক কাটি পুনর্ব্বাৰ চক্র আইল চলি॥
এহি মতে দণ্ড দুই মানে আছিলেক।
খল খল কৰি মুখে হাসিল প্রত্যেক॥
পুন ৰপি উঠি মুণ্ড কন্ধত লাগিল।
দেখি সুৰ মুনিগণে বিস্ময় মানিল॥
কিনো ইটো আচৰিত কুলাচল বীৰ।
চক্রে কাটিলাতো তাৰ গজিলেক শিৰ॥
ৰথত উঠিয়া তাৰ শ্রীউজ্বলিল
ঘৃত পায়া বহ্নি যেন দুগুণে জ্বলিল॥
ধনু তুলি ধৰি তেবে মহা কোপ মনে।
মাধবক ভেদিলেক দিব্যশৰ গণে॥
হেন বেলা পাৰিষদগণে চাহি আছে।
খেদি আসি তাক শৰ বৰষিলা পাছে॥
নিসন্ধি কৰিয়া তাক বৰষিলা বাণ।
তাসম্বাক দেখে কুল কণ্টক সমান॥

নিৰন্তৰে মহাবেগে শৰ বৰিষিল।
ৰবিৰ কিৰণ ঢাকি আন্ধাৰ কৰিল॥
পাৰিষদগণে বোলে কিনো বিপৰ্য্যয়
আমাসাৰ বাণে দানৱক নিবিন্ধয়॥
ৰশ্মি জাল ঢাকি বায়ু পথ নিৰোধিল।
দুই ভিতিৰ ঘোৰ শৰে আন্ধাৰ কৰিল।
দানবৰ গাৰে সবে পথাময় ভৈল।
মহিষকো ভেদি সবে জৰ জৰ কৈল॥
সিবেলাত যেন ৰণ কহন নযাই
পাৰিষদগণো সবে মহা দুখপাই॥
হেন দেখি হৰি হাতে সাৰঙ্গ ধৰিল।
দেৱ দিয়া গৰুড়ৰ কন্ধে আৰোহিল॥
ধনুত যুৰিল হৰি চাৰি গোটাবাণ।
এক শৰে হাতত কাটিল ধনুখান॥
আৰু শৰে আকাশৰ মহাবাণ যত।
কাটিয়া প্ৰসন্ন দিশ কৰিল সমস্ত॥
আৰু দুই শৰে তাৰ হৃদয় ভেদিল।
মহাচোটে তাৰ পিঠি পাছে সৰকিল।
হল হল কৰি বেগে ৰুধিৰ বহয়।
যেন মেৰু মন্দৰৰ গেৰু নিৰ্জ্জৰয়॥

তথাপি দাৰুণ নগৈল যমক ।
অল্পমান মাত্র তাৰ লাগিল চমক ॥
হেন দেখি মনত বোলন্ত নাৰায়ণ ।
কিনো মহাবীৰ যে দাৰুণ অকম্পন ॥
চৈধ্য ভুবনে আৰ নাহি সৰিবৰি ।
আন বীৰে আক বধিবেক কেন কৰি ॥
এহিমতে হৰি নানা বিমৰিষ কৈলা ।
তাহাৰ মৰণ হেতু বিচাৰি নপাইলা ॥
ইহাত সংশয় নকৰিবা মুনিবৰ ।
কোটি কোটি ব্ৰহ্মাণ্ডৰ নায়ক ঈশ্বৰ ॥
যাৰ কটাক্ষতে হোৱে সৃষ্টি স্থিতি লয় ।
সংহৰিবে তেন্তেকি তাহাক নপাৰয় ॥
কিন্তু লীলা চৰিত্র বঢ়ান্ত আপোনাৰ ।
ক্ষণিকতে তাৰ চিন্তিবাক পাৰে মাৰ ॥
কিসক কৰিবে তাক বধ নাৰায়ণ ।
সত্য কৰিবাক লাগে ভক্তৰ বচন ॥
পৰম মহন্ত ৰাউল অগস্তি ভকত ।
তাৰ বাক্য সফলন কৰিবে যিমত ॥
এতেকেসে ভকত বৎসল নাৰায়ণ ।
আছকো নেড়ন্ত হৰি ভক্তৰ বচন ॥

এতেকেসে তাক নগাৰস্ত বনমালী।
ভকতৰ বচনক মনত আকলি ॥
সেহি বেলা কুলাচলে আন ধনু ধৰি।
প্ৰহাৰ কৰয় বাণ মহাবেগ কৰি ॥
পাৰিষদ সমুহক নিশেষ ঘালিল।
গৰুড়কো মহাশৰগণে প্ৰয়াসিল ॥
কৃষ্ণৰ বাহন পক্ষিৰাজ মহা ছোটে।
ঢলো পড়ো কৰে অতি পৰম আছোটে
স্বস্থ কৰি পাছে হৰি চক্ৰক ধৰিলা।
আগবাঢ়ি তাক প্ৰতি বেগে প্ৰহাৰিলা
মহাশব্দ কৰিয়া তাহাক লাগ পাই।
স্কন্ধ হস্তে শিৰগোট পেলাইলা খসাই
শিৰগোট কাটি আৰু অস্ফোট কৰিল
ৰথৰ মহিষ সব কাটিবে লাগিল ॥
ষাঠি গোট সাৰথি ৰথত আছে বৈই।
কাটিয়া পেলাইলা চক্ৰে মহাবেগে গৈ
মহা বায়ু যিমতে সাৰয় তালফল।
সেহিমতে চক্ৰে কাটে দানব সকল ॥
শতেক মহিষ তাৰ ৰথ ভয়ঙ্কৰ।
ভাঙ্গিয়া পেলাইল যেন পৰ্ব্বত শিখৰ।

বিষ্ণুৰ চক্ৰৰ কোনে কহিবে মহত্ব।
অল্প কৰি কহিলোহোঁ তোমাৰ আগত ॥
সিবেলাত দানবৰ বীৰগণ যত।
পলাৱে লৰড়ি সবে চক্ৰৰ ভয়ত ॥
নাহি প্ৰকৃতিবুদ্ধি সবে ভেধুৰা লাগিল।
প্ৰহৰেক মানে সবে নিসন্ধি ভাগিল ॥
পালটিয়া চক্ৰ গৈলা মাধৱৰ ঠাই।
প্ৰণাম কৰিয়া পুনু ৰহিলন্ত যাই ॥
অনন্তৰে ৰহি পাছে কুলাচল বীৰ।
শিৰগোট লাগি উঠিলন্ত ধীৰে ধীৰ ॥
শনাইত ত্ৰিশূল যেন দুই গোটা শৃঙ্গ।
দুইপালী দান্ত তাৰ দেখিতে বিৰিঙ্গ ॥
গুপ্তহেন চক্ষুক ফুৰাৱে মহাবলী।
আড়ম্বৰে চাই-হাসিলেক খল খালি ॥
ফোকাৰ কৰিয়া যেন ছাগলে ভেড়াই।
কৃষ্ণক হানিবে বেগে শৃঙ্গ তুলি যাই ॥
মাধৱে দেখিলা দানবৰ বিচেষ্টাক।
পুনু সুদৰ্শন চক্ৰ প্ৰহাৰিলা তাক ॥
বিস্বাদ শবদে চক্ৰ মহাবেগে যাই।
শৃঙ্গযুক্ত শিৰ তাৰ পেলাইলা খসাই ॥

পড়িল দানব লড়িগৈল মহীখণ্ড।
দানবৰ সৈন্যগণ ভৈল খণ্ডভণ্ড॥
সিবেলাত দুই ঘটি আছে দিবাকৰ।
মাধবৰ পাৰিষদ বেঢ়িলা সত্বৰ॥
দেব সিদ্ধ বিদ্যাধৰ অষ্ট বসুগণ।
কৃষ্ণৰ শিৰত কৰে পুষ্প বৰিষণ॥
জয় জয় কৰে সবে ঢাকিয়া গগণ।
মৰি গৈল কুলাচল ভৈল ৰঙ্গ মন॥
পক্ষিগণে বোলন্ত জৈমিনি শুনা পাছে
গধূলিকা বেলা ভৈল সবে চাহি আছে।
অনন্তৰে কুলাচল কৰ্ণৰ তনয়।
অগস্তিৰ বৰ দানে হুয়াছে বিজয়॥
ঈশ্বৰেও ভকতৰ নলঙ্ঘে বচন।
সকলোৰে ক্ষয় কৰ্ত্তা দেব সনাতন॥
তাহাক অপেক্ষা কৰি ৰহিয়া আছয়
সেহি বেলা কৰ্ণসুত উঠিলন্ত তয়।
নিজ শিৰগোট কতো দূৰত আছিল।
অণুক্ৰমে তাত গৈয়া জীব সঞ্চৰিল।
অতৰ্কিত ভাবে তাৰ গাণ্ডিত লাগিল।
নিদ্ৰাৰ জাগিয়া যেন দানব উঠিল।

পর্ব্বত সমান দেহা জ্বলে কৃষ্ণবর্ণ।
আকাস লঙ্ঘিলা দুই শৃঙ্গ দুই কর্ণ ॥
আড়ম্বরে চলে মহী মণ্ডল লড়য়।
আকাশত দেবগণে মানিছে বিস্ময় ॥
মনে বোলে মোক মুনি বর দিলে ভাল।
ইহার ভিতরে মোর নহৈবেক কাল ॥
এহি বুলি হাত ভরি করি চলি যাই।
পারিষদ সবে ধনু ধরি গৈলা ধাই ॥
প্রহারিলা শর সব হাজারে হাজার।
দানবর গায় যেন ফুলিল মন্দার ॥
তাহাক নগণি সেনামাজত পশিল।
তীক্ষ্ণ শৃঙ্গে পারিষদ গণক হানিল ॥
পাছ গুচি চলে কতো আগক অসুরে।
গরুড়র চরি চাহি আছা দামোদরে ॥
দানবর ভাব দেখি হাসন্ত মুরারি।
হেন বেশ ঋষিয়েনো দিলা কেন করি ॥
হরির সৈন্যক গণাগণ নকরয়।
ধরিলা সারঙ্গ ধনু দেব কৃপাময় ॥
দিব্য শর সব হরি হনিলা অপার।
সহিবে নপারি লড় দিলা দুরাচার ॥

ধৰ ধৰ বুলি পাৰিষদে ডাক দিলা ।
ছুৰাচাৰ কুলাচল নগৰ পশিলা ॥
পাৰিষদ সেনাগণ পালটিল জানি ।
হেন দেখি নাৰায়ণে বুলিলেক বাণী ॥
বদতি কেশব শুনা পাৰিষদ গণ ।
দানব গোটৰ কেনে নভৈল মৰণ ॥
মহা ভয়ানক ভাব ৰহিল ভূমিৰ ।
ঋষি বাক্যে বাঢ়ি আছে দারুণ শৰীৰ ॥
ইহাক মাৰিলে তেবে গুছয় জঞ্জাল ।
কেন মতে বিচাৰিবা ঘোৰ নিশাকাল ॥
জিৰায়া ৰহিয়ো চন্দ্র হুয়োক প্রসন্ন ।
পাছে নগৰক সবে কৰিয়ো গমন ॥
পক্ষিগণে বোলে দেখা জৈমিনি মহন্ত ।
ভকত বৎসল কেনে দেব ভগবন্ত ॥
ভকতৰ বৈৰীসে তাহান বৈৰী হয় ।
সবাহাতে সম হৰি বিষম হোৱয় ॥
কোন বস্তু অগস্তিৰ বাক্য তান আগে ।
অনন্ত ব্রহ্মাণ্ড যাৰ কটাক্ষতে ভাগে ॥
তথাপিতো ভকতৰ বচন নেড়ন্ত ।
কুলাচল দানবক শীঘ্র নবধন্ত ॥

এহিমতে কতো ৰাত্রি গৈলেক তথাই।
পাছে তাক বধিবাক চিন্তিলা উপাই॥
অনন্তরে কুলাচল পশিয়া নগৰ।
প্রহৰেক ৰাত্রিযান্তে পাইলা নিজঘৰ॥
মনত মানিল মোৰ মিলিল মৰণ।
নিস্তৰিবে গজবাসী যত প্রজাগণ॥
অগস্তি ৰাউলৰ শাপ মুকুত হোৱয়।
যদি মোক বধিবাক মাধৱে পাৰয়॥
অস্ত্রে শস্ত্রে কাহাতো মৰণ নাহি মোৰ।
দিয়া আছে মুনিবৰে মোক বৰ ঘোৰ॥
মাধৱৰ চক্রত নগৈল মোৰ প্রাণ।
সাৰঙ্গ ধনুৰো ভালে সহি আছোঁ বাণ॥
নজানো কি মতে মোক মাৰন্ত মুৰাৰি।
মৰণ উপায় মই নপাওঁ বিচাৰি॥
এহিমতে তাৰ মনে জ্ঞান উপজিল।
আপোনাৰ মৰণক আপুনি চিন্তিল॥
থানিতেক মানে সিটো নিৰঞ্জনে বৈলা।
পুত্র পত্নী সবে গৈয়া বুলিবাক লৈলা॥
এত নিশাকালে বাপ কিসক আসিল।
মহা ঘোৰ ৰণে কিবা তোমাক জিনিল॥

একেশ্বরে আইলা কেনে শঙ্কিত হৃদয়।
কুলাচলে বোলে শুনা পুত্র পঞ্চীচয়॥
আমাবাব সেনা যত পড়িল বণত।
পাবিষদে মাবিলেক সেনাপতি যত॥
মোকো দুইবাব হবি চক্রে নিপাতিল।
ঋষিবব হেতু মোব জীবন বহিল॥
বিবথী বিধনু মোক সমবত কৈল।
বহু সেনা মবিল কতোহো পলাই গৈল॥
গৃহত পশিলোঁ। মই শ্রান্ত ভৈলোঁ। অতি।
শীঘ্র কবি সাজিয়োক বথ সেনাপতি॥
হেন বাণী শুনি পাছে তাহাঁব তনয়।
ধীবে ধীবে বাপেকত বোলয় বিনয়॥
শুনিয়োক বাপ মই কহো যেন মত।
সবে সৈন্য নাশ ভৈল বিষ্ণুব হাতত॥
জগতবে আত্মা হবি ইষ্ট ভকতব।
নাহি অন্ত যাব সবে মধ্য পূর্ব্বাপব॥
সমস্তে জগতে তান উদবে বসয়।
বিশেষত তান শত্রু মিত্র নাহি কয়॥
ভকতব শত্রুবে তাহান শত্রু হয়।
ভকতব পক্ষে হবি বিষম হোৱয়॥

এতেকেসে বোলো বাপ নকৰিবা ৰণ ।
তুমি আমি পশোঁ যাই হৰিত শৰণ ॥
অবশেষ প্ৰজাৰ যে জীবন ৰহোক ।
স্ত্ৰী বাল্য বৃদ্ধ সব কুশলে থাকোক ॥
ভকত বৎসল হৰি কৃপালু ঈশ্বৰ ।
শৰণাগতক ৰক্ষা কৰে দামোদৰ ॥
এতেকে আমাৰ দোষ ক্ষমিবন্ত হৰি ।
ভৃত্য বুলি আমাক পালিব যত্ন কৰি ॥
আৰু কথা কহো বাপ শুনা কৰি মন ।
কালি নিশা এক মই দেখিলো সপোন ॥
আমাঠৈৰ প্ৰজাগণ আছে মানে যত ।
মজিয়া ৰহিছোঁ আমি আকণ্ঠ জলত ॥
দিব্য বিমানত তুমি দিব্য ৰূপ ধৰি ।
মহা আকাশৰ পথে গৈলা বেগ কৰি ॥
ইহাৰ প্ৰমাণ পিতৃ বুহিকয় ভাল ।
বিষ্ণুৰ আশ্ৰয় আমি কৰই সকাল ॥
পক্ষিগণে বোলে মুনি লৈয়োক প্ৰমাণ ।
কুলাচল পুত্ৰৰ ভকতি যেন ঠান ॥
মহা মহন্তৰ বাণী বোলয় পিতৃক ।
ঔষধি লাগয় জানা ৰনতাক কিক

এতেকেসে হৰিত ভকত যিটো হয়।
সকলে তত্ত্বক জানে কহিলোঁ নিশ্চয়॥
বৈশম্পায়ন বোলে পৰীক্ষিতৰ তনয়।
কৃষ্ণৰ চৰণে চিত্ত কৰিয়ো নিশ্চয়॥
ধৰ্ম্ম পক্ষিগণে যে জৈমিনিত কহিলা।
মোহোৰ মুখত তুমি তাহাক শুনিলা॥
ইটো আচৰিত নোহে কৰ্ম্ম কেশৱৰ।
কলিৰ লোকৰ ইটো উপায় ডাঙ্গৰ॥
শ্ৰবণে কীৰ্ত্তন আৰ তৰি ভব ৰোগ।
মুকুতি লভিয়া বৈকুণ্ঠত কৰে ভোগ॥
শুনা পাছ কথা বপুস্মৃতে যি কৰিলা।
কুলাচল ৰাজা যেনমতে যি কৰিলা॥
শুনা সভাসদ বনপৰ্ব্ব পুণ্যকথা।
ই হেন মনুষ্য জন্ম নকৰিয়ো বৃথা॥
ঈশ্বৰ কৃষ্ণৰ যিটো চৰিত্ৰ গহন।
সদা অনুৰতে আক কৰিয়ো শ্ৰবণ॥
জগতৰ কৃপা গুণে সত্যবতী সুত।
পৰম ৰহস্য কথা কৰিলা বেকত॥
ঘোৰ কলিকালে আৰ শ্ৰবণ কীৰ্ত্তনে।
মহা সুখে সংসাৰ তৰিবে সৰ্ব্বজনে॥

মোৰ পদ বুলি আক নিন্দা নকৰিবা।
শাস্ত্ৰক বিচাৰি সবে আপুনি দেখিবা॥
ভাৰত ভূষণে বোলে মই মহা দীন।
শৰণ পশিলোঁ নাথ দাস কৰি কিন॥
মই পতিতক যদি নকৰা উদ্ধাৰ।
পতিত পাৱন নাম কলঙ্কী তোমাৰ॥
সামাজিক লোকে তৰিবাৰ কৰা কাম।
দুঃখৰ মোচন হোক বোলা ৰাম ৰাম॥

ছবি।

নন্তৰে কুলাচলে, পুত্ৰৰ বচন শুনি,
মনে মনে পৰামৰিশয়।
মাহোৰ তনয়ে যিতো, কহিলে বৃত্তান্ত মা.ন,
সবেখানি শাস্বত হোৱয়॥
কন্তু তান্ত সবে যাই, শৰণ লৈবেক মাত্ৰ,
ক্ষমিবন্ত জগতৰ তাত।
ামাৰ কুচ্ছিত ইটো, দেহাগোট বহিবেক,
বৈবে ইহা দুষিত সাক্ষাত॥
াধবৰ হাতে পড়ি, লভিবো বৈকুণ্ঠ পুৰি,
যোগিগণে যাক নপাৱয়

মোৰ পিতৃ কৰ্ণদত্ত, শিলা ভৈল ঋষি শা
তেহো জানো মুকুত হোৱয় ॥
পিতৃবংশ সমন্বিত, তাহানো কুশল ৈ
সবে ৰাজ্য হৈবন্ত মুকুত ।
এহি জানি প্ৰাণ টাঙ্কি, প্ৰচণ্ড প্ৰতাপ ৰ
যুঝিবাৰ হোৱয় যুগুত ॥
কিন্তু মোক মাৰিবাক, নপাৰয় ঘোৰ
অস্ত্ৰে শস্ত্ৰে মোক নকাটয় ।
মজানোহো কেন মতে, নাৰায়ণে মাৰি
আক মনে মানোহো সংশয় ॥
দুৰ্জ্জনৰ যিটো বক্ৰ, সুদৰ্শন নামে
তিনিবাৰ কৰিলেক ছেদ ।
নমৰিলো তথাপিতো, কেনমতে মাৰে
ইসে অতি মোৰ মনে খেদ ॥
ধৰ্ম্মপক্ষিগণে বোলে, জৈমিনি মহন্ত
কুলাচল ৰাজাৰ কাহিনী ।
এহিমনে বিমৰিষি, মহাপ্ৰভু গৰ্ব্বে
পুত্ৰক বুলিলা হেন বাণী ॥
শুনিয়োক বাপ হেৰ, যেন বাণী স
কহিলাহা যেন সাৰত্তৰ ।

ক ভয় কৰি, হৈযেক কাতৰ তনু-
ইটো গৰিহিত যে বীৰব ॥
ত নিষুতে মোৰ, বীৰগণ মৰিলেক,
পাত্ৰ মন্ত্ৰী যত নিৰন্তৰ।
ক ভয়ে মই, বিষ্ণুত শৰণ লৈবোঁ,
কীৰ্ত্তি ৰৈবে চন্দ্ৰ দিবাকৰ ॥
মত বাধাবাক্য, আমাক নোবল বাপু,
তই মোৰ পুত্ৰ বংশধৰ।
ভ্ৰাতৃ সমে বাপ, কুশলে বহিয়ো তোবা,
মই চলি যাইবোহোঁ সমৰ ॥
মত ৰবিতলে, আমাক মাৰন্তা নাই,
মোক কেনে মাৰিবন্ত হৰি।
স্তব বৰে মোৰ, হুয়াছে অবধ্য কায়,
আক মই জানোঁ সাজ কৰি ॥
মতে তনয়ক, মধুৰ বচনে তোষি,
ৰাজা পাতি সিংহাসন দিল।
যাগো পাত্ৰ মন্ত্ৰি, সবাকো বচনে বান্ধি,
যাক যেন কৰ্ম্মে নিয়োজিল ॥
পাতি চাৰিজন, নগৰ ৰক্ষক বৈল,
ভাগে ভাগে দিয়া বীৰগণ।

বান্ধি সেনা নায়কক, সমস্তকে মাতি বাণ্ণ,
বুলিলন্ত হেনয় বচন ॥
শুনা সেনাপতিচয়, মহাৰণ মিলিলেৰ
মোৰ লগে চলা সৰ্ব্বজন।
অস্ত্র শস্ত্র নিৰন্ধিয়া, সজায়ো মোহোৰ ৰথ,
আজি দেখন্তোক মোৰ ৰণ ॥
বপুস্নত নিগদতি, শুনা মুনি মহামতি,
পাছ কথা আত অনন্তৰ।
কুলাচল মহাবলী, ৰজনী বঞ্চিয়া তথা,
আৰ দিনা জপাইলা সমৰ ॥
শুনিয়োক সভাসদ, কুলাচল বধ পদ,
দেখা তান মনৰ আশয় ॥
নিন্দিত শৰীৰ পাই, মাধৱৰ হাতে মৰি,
দেখা কেনে মুক্তি বাঞ্ছয় ॥
ইটো মহাভাৰতত, নৰতনু পায়া আছি,
দেৱ সবো ইহাক বাঞ্ছয়।
হৃদয়ত ৰূপ ধৰি, শ্ৰৱণ কীৰ্ত্তন কৰি,
সুখে বসি মুকুতি পাৱয় ॥
হেন জানি লোক যত, অশাশ্বত শৰীৰত,
তেজি মিছা বিষয়ৰ কাম।

বত ভূষণ কবি বিবচিলা পদ ছবি
নিবন্তবে বোলা বাম বাম বাম ॥

পদ।

পক্ষিগণে বোলে কথা শুণা মুনিবব।
যেন কথা ভৈল সবে আত অনন্তব ॥
চাবি অর্ব্বুদেক সেনা বণক বজাইল।
সাজন্তে মাবন্তে তেবে বজনী পুহাইল ॥
চলচল বুলি সবে কোবাবে নিশান।
মহা আড়ম্ববে কবে বণক প্রয়াণ ॥
থবতব বেগে সবে চলে আগুবাই।
শুনা হবি সৈন্যে যেন কবিলা সিঠাই ॥
কুলাচল বীব যেবে গৈলেক পলাই।
পাবিষদে কহিলেক মাধবক ঘাই ॥
পলাইল দানব বাজা প্রাণ বক্ষা কবি।
আমি সবে কি কবিবো কহিয়ো শ্রীহবি ॥
মাধবে বোলন্ত পাবিষদ সব যত।
জিবায়া বহিয়ো সবে বজনী কালত ॥
এহি শুনি কৈলা সবে হুয়া এক ঠাই।
দানব সেনাব কৈত এক গুটী নাই ॥

শুনা মুনিবৰ পাছ কথা নিৰন্তৰ।
সেহি বেলা আসিলন্ত যতেক অমৰ॥
ব্ৰহ্মা ইন্দ্ৰ চন্দ্ৰ ৰবি অষ্ট বসুগণ।
সিদ্ধ সাধ্য বিদ্যাধৰ গন্ধৰ্ব্ব চাৰণ॥
হংস যান ঐৰাবত বিমানে ঢাকিল।
বিষ্ণুৰ আগত ৰহি বিৰিঞ্চি বুলিল॥
নমো নাৰায়ণ নিৰঞ্জন পূৰ্ণকাম।
তুমি সবাহাৰে হৃদিগত আত্মা ৰাম॥
যোগী সমস্তৰো তুমি পৰম দুৰ্ল্লভ।
মহা ভকতৰ মাত্ৰ পৰম সুলভ॥
অনন্ত অচ্যুত সনাতন অজ হৰি।
লীলায়ে ধৰাহা বহুৰূপ জন্ম কৰি॥
স্বপ্নতো নপাৰে লাগ জ্ঞানী কৰ্ম্মী যাক
দুৰন্ত শকতি প্ৰভু প্ৰণামোঁ তোমাক
তযু লীলা যশস্যাৰ নাহিকয় সীমা।
কোনে কহিবাক পাৰে তোমাৰ মহিমা
অনন্ত শকতি তযু নাহি পূৰ্ব্বাপৰ।
তুমি সি ব্যাপক বিভু নিত্য মহেশ্বৰ॥
তুমি জগতৰ বাক্য মন অগোচৰ
সকল প্ৰকাৰে তুমি বশ্য ভকতৰ॥

ভকত বৎসল হেন ধৰি আছা নাম ।
ভকত সবৰ প্ৰভু পূৰা মনঃ কাম ॥
এতেকেসে পাণ্ডবৰ হিতৰ কাৰণ ।
ভৈলাহা বেকত অন্তৰ্য্যামী নাৰায়ণ ॥
ইটো কুলাচলক বধিবে কৰি মন ।
ভকতৰ শত্ৰু হেন দেখাৱা কাৰণ ॥
অল্প বলী ঋষি বাক্যে বাঢ়িয়া আছয় ।
তুমি নমাৰিলে আক কেৱে নপাৰয় ॥
এহি বুলি প্ৰজাপতি তথা ৰহি আছে ।
শুনা মুনিবৰ যেন কথা ভৈলা পাছে ॥
এহি কথা মহা ঋষি অগস্তি জানিল ।
পৰম যোগেন্দ্ৰ যাই তথাত মিলিল ॥
অযুতেক শিষ্য সমে মনোময় গতি ।
হৰি সম্ভাষণ মনে মিলিলা তহিতি ॥
শিৰে শুক্লময় জটা দেখি মনোময় ।
প্ৰত্যেকে অগনি যেন তাত বাজ হয় ॥
চৰাচৰ কোটি ধৌত দশনৰ পাতি ।
ঊৰ্দ্ধক বহয় শুক্ল লোমে কৰে কান্তি ॥
কটিত কপীন ভুনি লোটে মৃকছল ।
হাতে জাপ্যমালা পিন্ধি চোপ সুকমল ॥

কটাক্ষতে যেন অগ্নি বজাবে নেত্রব।
তপব প্রভাবে যেন দহে ভুবনব ॥
জপন্ত মালাত বাম কৃষ্ণ হবি নাম।
তান তেজে সবে বশ্মি কবয় বিবাম ॥
অন্ধকাব বাত্রি তান তেজব প্রকাশ।
সকলে দেবতা যাই লাগিল আভাস ॥
তান যোগ তেজে সবাহাবে তেজ হীন।
একে হবি বিনে ভৈল সকলে মলিন ॥
দিব্য সভা হুয়া আছে বহল বিস্তাব।
শিষ্য সনে অগস্তি ভৈলেক পয়োসাব ॥
আগবাঢ়ি অগস্তিয়ে কব যোব কবি।
কবিবে লাগিলা স্তুতি কৃতাঞ্জলি ধবি।
নমো পবম্ ব্রহ্ম নিত্যানন্দ সনাতন।
যাব ক্রীড়া ভাণ্ড ইটো চৈধ্য ভুবন।
প্রকৃতিবো কাবণ পুরুষ পুবাতন:
যাব আদি রূপ জলশায়ী নাবায়ণ ॥
ব্রহ্মা রূপ ধবি স্রজা যত জীব বাশি।
বিষ্ণু রূপে পালা প্রভু সবাকে প্রকাশি।
শিব রূপ ধবি পুনু কবাহা সংহাব।
হেন মহেশব তনু পাবে নমস্কাব ॥

সবাহাৰে অন্তৰ্যামী তুমি হৃষীকেশ ।
নমো ঘনিভূত নিত্য অচিন্ত্য অশেষ ॥
মহা যোগীগণে যাক সদা আৰাধন্ত ।
অনন্তে সহস্ৰ মুখ যাৰ গুণ গান্ত ॥
কৰ্ম্মী জ্ঞানী সমস্তৰ যিজন দুৰ্ল্লভ ।
শ্ৰৱণ কীৰ্ত্তন ভক্তি পাৱন সুলভ ॥
মহা মহা যজ্ঞ যজি তোমাক নপাই ।
ভকতৰ সঙ্গে তুমি থাকাহা সদাই ॥
কিনো মহা ভকতিৰ কৰিলে পাণ্ডৱ ।
যাহাৰ ক্ষণিকো লাগ নাছাড়া মাধৱ ॥
ভকতৰ বৈৰীসে তোমাৰ বৈৰী হয় ।
বিশেষত তথু শত্ৰু মিত্ৰ নাহিকয় ॥
এহিমতে আনো নানা কৰি স্তুতি নতি ।
আগবাঢ়ি বৈলা মুনি চাপিয়া সম্প্ৰতি ॥
অগস্তি বোলন্ত প্ৰভু দেৱ বনমালী ।
এহি কুলাচল কৰ্ণ দত্তৰ চৰালী ॥
মৃগ মাৰিবাক আসি অশ্ৰমে আমাৰ ।
পশিয়া খুজিল অন্ন ব্যঞ্জন খাইবাৰ ॥
হৰি পূজা দ্ৰব্য আমি কিছুকো নিদিলোঁ ।
গুচ দুৰাচাৰ বুলি গুণাৰ খেদিলোঁ ॥

আৰ হুয়া ছুষ্টে ধৰি ছাগলৰ বেশ।
বহুতৰ যজ্ঞ বস্তু খাইলেক নিশেষ॥
ময়ো মর্জ্জাৰৰ বেশে বেদনা কৰিল।
বৃদ্ধ শৰীৰক মোৰ বড়ে বিতাৰিল॥
জলে স্থলে দিনা সাত মানে যুদ্ধ ভৈল।
তেবেসে মোহোৰ গাৱে স্ফুৰ্ত্তি উঠিল।
মায়া এড়ি বাক্যে তাৰ শাস্ত কৈলো ম
ছুলপাই বৰ মোত লাগিলে ছুৰ্জ্জন॥
অজৰ অমৰ কায় আমাত খুজিল।
ব্ৰহ্মাৰ দিনেক জীবে বাঞ্চাক কৰিল॥
পাছে তাক বৰ দিলো তিনি যুগলাই।
নৰ প্ৰহৰৰ পথে তোৰ মৃত্যু নাই॥
দীৰ্ঘে প্ৰস্থে তাৰ তয় বাঙ্গ হোৱ যেবে
নিশ্চয় জানিবি তোৰ মৃত্যু হৈবে তেবে
বাহিৰত যিটো ধুপ বঠিক হানিব।
বজ্ৰ হুয়া সিটো তোৰ মাথাক ছেদিব॥
ছাগলৰ মুখতোৰ হুইবেক কুনয়।
দানব আচাৰী হৈবে তোৰ সেনাচয়।
এহি সব বাণী মই তাহাক বুলিলো।
মোহোৰ বচনে তাৰ শাপে বন্ধ ভৈল।

আরু শুনা ইহার পিতৃত কথাচয়।
কর্ণদত্ত নামে রাজা তযু ভক্ত হয় ॥
পুত্রর কাহিনী শুনি সৈন্যে সমে আসি।
বুলিলে অনেক বাক্য পূর্ব্ব নিজিজ্ঞাসি ॥
বিষ্ণু ভকতর তুহি কেন দত্ত কায়।
ক্রোধ চাণ্ডালর হরি ভক্ত সব যায় ॥
নিজ নাশহেতু ক্রোধ অহঙ্কার হয়।
মহন্তর যেন্যে মহা দুর্গতি মিলয় ॥
কর্ণদত্ত রাজা তযু আছিল ভকত।
মোর বাক্যে শিলা ভৈল ক্রোধ চাণ্ডালত ॥
গর্ব্ব অহঙ্কার তযু ভকতর নাই।
ইসব মিলিলে তেবে দুর্গতিক পাই ॥
ধর্ম্মপক্ষিগণে বোলে শুনা মুনি সন্ত।
এহি কহি মৌন ভৈলা অগস্তি মহন্ত ॥
হাস্য করি মেঘর গম্ভীর ধ্বনি হরি।
ধীরে ধীরে মাতিলন্ত মুনিক সাদরি ॥
বদতি মাধব শুনা মহন্ত প্রধান।
অপর তেজস্বী নাহি তোমার সমান ॥
তোমবার অপরাধ যিজনে করয়।
মোহোর নিজন মন্ত্রিমার যোগ্য হয় ॥

এতেকেসে ইটো ভক্ত দ্রোহী দুৰাচাৰ
আৰু কৰি আছে পাণ্ডৱক অপকাৰ॥
সবাহাৰে উপকাৰী তাৰা পাঞ্চ ভাই।
সবে দেৱগণে তাক পালিবে যুৱাই॥
বপুস্থতে কহন্ত জৈমিনিৰ আগত।
আগবাঢ়ি প্ৰজাপতি বুলিলা সাম্প্ৰত॥
হে দেৱ নাৰায়ণ শুনা কহো যেন।
পাঁণ্ডৱৰ উপকাৰ পৰম গহন॥
তিনিয়ো লোকক কৰি আছে প্ৰতিকা'
বধাসুৰ বধি হিত সাধিছে সবাৰ॥
হেন মহা মহন্ত পাণ্ডৱ পাঞ্চো ভাই।
তাসম্বাৰ প্ৰতিকাৰ সুজন নযাই॥
হৰি ভক্তে দেহ গেহ মোৰ নো বোলয়
প্ৰাণ পৰিশ্ৰমে সবে লোকক ৰাখয়॥
শুনা প্ৰভু নাৰায়ণ বচন আমাৰ।
তযু অবিদিত কিছু নাই সমাচাৰ॥
তুমি পূৰ্ণানন্দ আদিকৰ্ত্তা জগতৰ।
হেন প্ৰভু আপুনি সহায় পাণ্ডৱৰ॥
ভকতক ৰাখি তুমি পাৰিবৰ সমে।
কুলাচল বধিবাক আসিছা নিয়মে॥

কিন্তু তাক বধিবাৰ পৰম উপায়।
অগস্তিৰ বুদ্ধিয়েসে সিটো বধ যায় ॥
শুনা পুৰন্দৰ তুমি কৰিয়ো যতন।
যেন মতে পাণ্ডৱৰ ৰহয় জীবন ॥
সেহি অনুবন্ধ কৰি ৰাখিয়োক যাই।
হৰি ভকতৰ মৃত্যু একোকালে নাই ॥
এতেকে বুলিয়া মৌনে বৈলা সৃষ্টিকৰ।
পুনর্ব্বাৰ অগস্তিয়ে বুলিলা উত্তৰ ॥
হে প্ৰভো কুলাচল বাঢ়ি আছে বলে।
ধূপবঠি হানি আক বধিয়ো সকালে ॥
কৰ্ণদত্ত ৰাজাক মুকুত কৰিয়োক।
তযু পৰশনে সিটো পাথৰ গুছোক ॥
তান যত অনুচৰ হয় হস্তীগণে।
হুয়াছে পাথৰ সবে মোহোৰ বচনে ॥
তযু পৰশনে তেবে সবে মুক্ত হোক।
তযু কৃপা অনুবন্ধ সততে ৰহোক ॥
পক্ষিগণে বদতি শুনিয়ো মুনিবৰ।
পুহাইল ৰজনী আসি উদিত ভাস্কৰ ॥
হৰিত মেলানি মাগি দেৱ মুনিগণ।
আপোন থানক সবে কৰিলা গমন ॥

জগতৰ নাথ হৰি গৰুড়ত চড়ি।
কুলাচল বধিবাক বৈলা ৰঙ্গ কৰি॥
বৈশম্পায়ন বোলে ৰাজা শুনিলা সমস্ত।
তযু পিতামহ সব বৈষ্ণব যিমত॥
জগতৰ স্ৰষ্টা ব্ৰহ্মাদেৱে বখানিল।
মহাজন পাণ্ডবৰ যশস্যা ৰহিল॥
যাৰ মহাগুণ ধৰণীত বখানয়।
তাহাৰ শ্ৰবণে ঘোৰ সংহাৰ তৰয়॥
এহি কহি বৈশম্পায়ন মৌন হুয়া ৰৈল।
বপুস্থতে যুদ্ধৰ কাহিনী কৈবে লৈল॥
পাৰিষদগণে জয় জয় বোল কৰে।
শঙ্খ শিঙ্গা কাহালি বাৰয় নিৰন্তৰে॥
সিদ্ধ সাধ্য বিদ্যাধৰে গন্ধৰ্ব্বে গাৱয়।
কৃষ্ণৰ শিৰত পুষ্প সুৰিভি সিঞ্চয়॥
ইঠাৱৰ কথা যত এথখে থাকোক।
কুলাচল বীৰৰ কাহিনী শুনিয়োক॥
কৰ্ণদত্ত সুতৰ মোক্ষক মন ভৈল।
জীৱনত কৰি মৰণক শ্ৰেষ্ঠ কৈল॥
সাজ সাজ বুলি বাৱে নিশান ডবল।
নিৰন্তৰে চলিলেক দানৱ সকল॥

চয় হস্তী মানে সবে চলিল অপাৰ।
মহিষৰ ৰথে চড়ি দিলে মহাধাৰ ॥
তাৰ আগে বিমঙ্গল মিলিল অপাৰ।
পুত্ৰ দুইক পালটায়া পঠাই দিলা আৰ ॥
বোলে বাপ তোৰা দুই চলি যাহাঘৰ।
হতশেষ প্ৰজাগণ পালা নিৰন্তৰ ॥
মিলিলেক মোৰ হেৰা মৰণৰ ঘাট।
দেখা অমঙ্গল মোৰ মনৰ বিচাট ॥
সাম্প্ৰতে দেখহ বাপ কেনে কুলক্ষণ।
আমাক যুঝয় আসি পাৰিষদগণ ॥
বৈকুণ্ঠৰ পতি তেহে লোকৰ বাহিৰ।
ধৰণী লোকৰ কেনে কাৰণ হৰিৰ ॥
সবাৰে বাহিৰ তেহে সত্য সনাতন।
আমাক যুঝয় আসি কিসৰ কাৰণ ॥
নোহে তিৰী ধন সীমা বৈৰী মাধৱৰ।
অনাদোষে মোৰ সেনা মাৰে দামোদৰ ॥
আপুনি ঈশ্বৰ হুয়া অকাৰ্য্য কৰয়।
জগতৰ পিতৃ হুয়া প্ৰজাক মাৰয় ॥
মহন্তৰ অন্যায়ক কোনে দিবে হাক।
যেনে তেনে মতে হৰি মাৰিবে [illegible]াক ॥

হেন শুনি তাব পুত্রে বোলয় বচন।
কদাপি অন্যথা নকবন্ত নাবায়ণ॥
বৈকুণ্ঠ নায়ক হবি সবাহাতে সম।
ভকতিসে পুন্নু তাঙ্ক কবয় বিষম॥
ভকতব কাযে হবি হোবন্ত আকুল।
ভকতেও নেড়ে সদা তান পদ মূল॥
ভকতব মিত্রে তান সুহৃদ হোবয়।
ভকতব শত্রুক মাবন্ত কৃপাময়॥
এতেকে তোমাক হবি কবিবে মাবণ।
সবে মিলি লওঁ যাই কৃষ্ণত শবণ॥
তেবেসে আমবাব আরু কাকো নাহি ভয়
আন থাকন্তোক যমো সঙ্কোচ হোবয়॥
হে পিতৃ কবিয়োক আমাব বচন।
শুনি হেন কুলাচলে মাতে সেহিক্ষণ॥
পূর্ব্বে হাক দিয়া আছোঁ ইকথা কহিত।
মোহোব বচন কেনে নবাখা অহিত॥
পালটি কবাহা তুয়ো গৃহক গমন।
নকবিবা বাধা বাপ মোহোব বচন॥
শুনি কুলাচল পুত্রে কান্দি প্রণামিলা।
ঈশ্বব ইচ্ছা মানি গৃহক চলিলা॥

শুনি জৈমিনিৰ মনে মিলিল সংশয়।
পুচিলন্ত কথা পক্ষিগণত বিনয়॥
কুলাচল পুত্ৰ দুই বিষ্ণু পক্ষকৰ।
কোন বেলা লাগ পাইল হৰি ভকতৰ॥
কোনবা মহন্তে তাক হৰিক চিনাইল।
হেনয় ভকত তাৰা কেন মতে ভৈল॥
বপু স্থতে বোলে শুনা মুনি মহাজন।
সনাতন নাম তেহে ব্ৰহ্মাৰ নন্দন॥
তাহান ভকত দুয়ো হৰি পৰায়ণ।
ভকতৰ মধ্যে দুয়ো পৰম গহন॥
এহি শুনি মুনিৰ সংশয় গুছিলন্ত।
দানৱ কুলত হেন পৰম মহন্ত॥
শুনা সভাসদ পুণ্য কথা অনুপাম।
হংস কাকী নিশ্ৰ ইটো বনপৰ্ব্ব নাম॥
ইহাৰ শ্ৰৱণে সংসাৰৰ পাই পাৰ।
পৰম তৰণী মহাভৱ তৰিবাৰ॥
পৃথিৱীত ইটো কথা নাছিল পূৰ্ব্বত।
পৰম গোপনি ৰূপ ব্ৰহ্ম মণ্ডলত॥
পৰাশৰ সুত দ্বৈপায়ন ভগৱন্ত।
পৰম কৃপালু মুনি ব্যক্ত কৰিলন্ত॥

তেহে বৈশম্পায়নক উপদেশ দিলা।
জন্মিজয় নৃপতিত কহিবে বুলিলা॥
অপৰ কাহিনী শুনি মাৰ্কণ্ডেয় সন্ত।
বপুস্থত সবক তেহেন্তে পঢ়াইলন্ত॥
পৰম ৰহস্য শাস্ত্ৰ ভৈলন্ত বেকত।
শুকক পঢ়াইলা শাস্ত্ৰ মহা ভাগবত॥
পুৰাণ ভাৰত ভাগবত আদি যত।
সবে ব্যাসকৃত আৰ কি কৈবো মহন্ত
হেন জানি বুধজন কৰিয়া যতন।
ইহাক গুণিয়া কৰা বৈকুণ্ঠে গমন॥
দুৰ্লভ মনুষ্য তনু পায়া কেনমত।
নিৰ্চিন্তি বসিয়া আছা বিষয় সুখত॥
কৈত কোন দিনা মিকে দাৰুণ মৰণ।
সম্বৰে লৈয়োক বন্ধু কৃষ্ণত শৰণ॥
সন্তৰ সঙ্গত কৰি শ্ৰৱণ কীৰ্ত্তন।
কৰিয়ো হৰিত ভক্তি হুয়া শুদ্ধ মন॥
ভাৰত ভূষণে বোলে ইসে তত্ত্ব সাৰ।
বাম বায় বুলি তৰা অপাৰ সংসাৰ॥

দুলড়ি।

বপু স্থতে বোলে, শুনা মুনিবর,
পাছে যেন কথা ভৈল।
পিতৃক প্রণামি কুলাচল পুত্র,
দুয়ো গৃহে চলি গৈল॥
সেহি সময়ত, অসুর দানব,
মিলিলেক সমবত।
কাল মেঘ যেন, করে কোলাহল,
অতিশয় ময়মত্ত॥
নগরত আর, বীর নাথাকিল,
সবে আইল চপ করে।
গদা মুদগর, পরশু মুষল,
নানা অস্ত্র ধরি করে॥
দুর্জ্জন দর্পিষ্ট, কুলাচল নিষ্ট,
মরিবাক আসে ধাই।
মহিষর মহা, রথত চড়িয়া,
কোদণ্ড করে উঠাই॥
পারিষদ সেনা, সবক দেখিয়া,
মনে ভাব উপজিল।

সবাকো শুনায়া, মনত সন্তোষে,
হেন বচন বুলিল ॥
কত কোটি শত, জনমত জানা,
করি আছোঁ তপ দান।
সেহি পুণ্য ফলে, পারিষদ সমে,
হরিক দেখো ইথান ॥
হরি সমে আমি, সমর করোহো,
ইটো কথা আচরিত।
যাবে চন্দ্র সূর্য্য, কীরিতি থাকিল,
ইটো সবে ধরণীত ॥
মাধবর হাতে, মরি জানা আমি,
অক্ষয় স্বর্গক পাইবোঁ।
অমর স্থলত, হেন সুকৃতিক,
কিসক পাছ করিবোঁ ॥
আমি সমস্তক, পুত্রে তুমিলন্ত,
পিতৃ মাতৃ ভাগ্যবন্ত।
সবাকো শুনায়া, এহি কথা কহি,
রথবর চলাইলন্ত ॥
জয় বিপ সিংহ, হুংশত তাজিল,
নৃপ নব নারায়ণ।

যাহাৰ খিয়াতি, জগত ঘুৰিল,
সম্ভৱ যিটো ভুৱণ ॥
হাঙ্কাৰতে যিটো, কৰ ভাৰ আনি,
পালিলা সাধু মহন্ত।
বৈষ্ণৱ সবৰ, আশীৰ্ব্বাদ ফলে,
সুখে ৰাজ্য কৰিলন্ত ॥
চাৰি ধিক শত্ৰু, বৰিষ পালিল,
বসুমতী ৰঙ্গ মনে।
মহন্তক পালি, ভকতি কৰন্ত,
হৰিৰ দুই চৰণে ॥
দিব্য সভা পাতি, ৰাজ্য চৰ্চ্চা কৰি,
ভাৰত কথা শ্ৰৱণ।
ভাৰত আখ্যান, কৰিলে তাহাক,
দেন্ত বহু বস্ত্ৰ ধন ॥
হেনয় বৈষ্ণৱ, নৰেন্দ্ৰৰ আজ্ঞা,
আম্নি লিখে তুলি ধৰি।
হৰিৰ চৰিত্ৰ, পৰম অদ্ভুত,
ৰচিলোঁ যতন কৰি ॥
ৰামৰ সংহিতা, হংস কাকী জন্ম,
আৰু মহন্তৰ কথা।

দধি দুগ্ধ মধু, শর্করা মিশ্রিত,
স্বাদ অতি মিলে যথা ॥
আমি অল্প জন, কিমতে বুঝিবোঁ,
শ্লোকর অর্থ গহন।
তথাপিতো গুরু, পদ শিরে ধরি
করিলো ইটো বচন ॥
জানি বুধ জনে, মোহোর মরসা,
যত বু:-টুটা কাম।
হরির চরিত্র, পরলোক হিত,
আক শুনা অবিশ্রাম ॥
মোর পদ বুলি, হেলা নকরিবা,
কৃষ্ণর চারু চরিত্র।
শুনন্তে কর্ণত, অমৃত শ্রবয়,
পাতক নহে তুষিত ॥
মহন্ত সবর, সমাসে ভূষণ,
গুণক বিস্তার করে।
পরম মঙ্গল, মহন্ত চরিত্র
সামান্যকো যদি ধরে ॥
হেন জানি সবে, যত বুধজন,
ভাবত কবা শ্রবণ।

আন কাম এড়ি সদায়ে ঘুষিয়ো
হবিব চবিত্র গণ ॥
নমো নাবায়ণ বিঘিনি খণ্ডন
ভকতব প্রিয়দেব ।
সহস্র আনা ব্রহ্মা ত্রিনয়ন
সদা কবে যাক সেব ॥
হেন সনাতন নন্দ ঘবে যাই
ধেনু চাবি ভাত খাই ।
ভকত বৎসল কৃপালু দেবতা
তাস্ত বিনে আন নাই ॥
তাহান দুখানি অরুণ পদ্মঁব
মকবন্দ মধুকব ।
সদা এক চিত্তে চুম্বিয়া বহোক
মোহোব মন ভ্রমব ॥
ভকতব সঙ্গ সদা নছাড়োক
মুখে বোক হবি নাম ।
এহি অনুগ্রহ কবা নাবায়ণ
নোখোজোহোঁ আন কাম ॥
ভাবত স্মৃষণে কবে স্তুতি নতি
কৃষ্ণব দুই চবণে ।

তেজি আন কাম বোলা বাম বাম
সভাসদ যত জনে ॥

পদ ।

পক্ষিগণে বোলে শুনিয়োক হে জৈমিনি ।
চলি যাই কুলাচল জুলাত অগনি ॥
আগ হুয়া চলেতাব সেনাপতি যত ।
আগবাঢ়ি বৈলা পাবিষদব আগত ॥
দেখি পাবিষদ সেনা ঝিঙ্কবি উঠিলা ।
ধব মাব শবদ কবিয়া কুলি দিলা
কাণ্ডে খাণ্ডে জাঠি জোঙ্গে প্রহাব কবয় ।
শ্রাবণ মাসত যেন মেঘে ববিষয় ॥
কাটি মাবি নেই দানবব সেনাগণ ।
হেন দেখি ধাইল বড় বড় বীবগণ ॥
দারুণ প্রচণ্ড বাণ হানে খবতব ।
পগম পীড়াত ভঙ্গ দিল নিবন্তব ॥
হুসকিয়া যাই মাধবব সৈন্যগণ ।
যথাত আছন্ত প্রভু দেব নাবায়ণ ॥
সিবেষ্ট দানবগণ যম যেন নয় ।
নিমাইবাব নেলা যেন অগনি প্রলয় ॥

সহিবে নপারি ঘোর শর ঘার যত।
ছুসকি রহিলা পক্ষিরাজার পাছুত ॥
প্রচণ্ড সাগর যেন কাথরে রাখিল।
দানবর বীরগণ থমকি রহিল ॥
নাইস বুলি রব রব পারিষদগণ।
মহা কোপ মনে তাক জপাইলেক রণ ॥
সবাবো সারঙ্গ ধনু বলে নুহি ক্ষীণ।
নিরুজ শরীর সবে যুদ্ধত নিপুণ ॥
একোজনে জিনিতে পারয় ত্রিভুবন।
হেন মহা পারিষদ সবে দিলা রণ ॥
তিনিয়ো যুগর বীরগণ দানবর।
একো একো বীর যেন পর্ব্বত শিখর ॥
কুকুর শৃগাল ভেড়াছাগ বিড়ালর।
বৃষ আরু ফেঞ্চা গৃধ্র কাক মহিষর ॥
সিংহ বাঘ ঘোড় কঙ্ক মেঠন বে গরু।
পর্ব্বত সমান সবে নোহে ছোট সরু ॥
হস্তী রথ সুকোমল যানে আছিলেক।
ঋষির শাপত সবে বুজ্জিত ভৈলেক ॥
সবাহারে গার ভৈল কুঞ্চিত কুকেশ।
বুজ্জিত আচার সবে আছরি বিশেষ ॥

সবে জ্ঞান শালী আছিলেক পটুতৰ।
মহা সত্যবাদী সবে পৰম সুন্দৰ॥
দুৰ্জ্জনৰ সঙ্গে মহন্তৰ অৱজ্ঞাত।
বহুতৰ প্ৰজানাশ গৈল সিবেলাত॥
তাসম্বাক উদ্ধাৰিবে মনে দেৱ হৰি।
আইলা কৃপাময় কৃষ্ণ গৰুড়ত চড়ি॥
দেখা মুনিবৰ কেনে দয়ালু ঈশ্বৰ।
আপোনাৰ অংশ জীৱ নকৰন্ত পৰ॥
পাণ্ডু পুত্ৰ গণক নিমিত্ত কৰিলন্ত।
কৰ্ণদন্ত ৰাঠিলক্ষ লোক তাৰিলন্ত॥
এতেকে কৃপালু দেৱ হৰি বিনে নাই।
দেখিয়োক দানবক ঠাই ঠাই ঠাই॥
ইকথা থাকোক শুনা যুদ্ধৰ কাহিনী।
আগবাঢ়ি গৈলেক দানৱ বহু চানি॥
তাসম্বাৰ মুখ্য মুখ্য শুনা কিছু নাম॥
হেতি চিত্ৰন্তাক বোম শুৰ ছিত্ৰ কাম॥
মৃগশিৰা মন্তুস্ম অহিত মুণ্ডধা।
কাকশিৰা জম্ভনাজ তাক বনলধা॥
চিত্ৰকণ্ঠ ত্ৰিকণ্ঠ বকৰ মুনিচন্দ্ৰ।
ইসব প্ৰধান্য আনো বীৰ অপৰ্য্যন্ত॥

আগবাঢ়ি শৰ ধনু ধৰিয়া ধাৱয় ।
মোক্ষ দিবে মনে হৰি আনিয়া আছয় ॥
পাছে ঘোৰ সমৰ মিলিল সেহি স্থানে ।
পাৰিষদ গণক বিন্ধিলা ঘোৰ বাণে ॥
দানবৰ শৰে কোটি পাৰিষদ চয় ।
অবধ্য শৰীৰ তভো বেদনা কৰয় ॥
তেসম্বেয়ো হানে অস্ত্র শস্ত্র যত যত ।
কাটি ছিণ্ডি নেই দৈত্য বীৰক সমস্ত ॥
এনমতে ছয় দণ্ডমানে প্ৰহাৰিল ।
দানবৰ সেনাগণ ৰণত ঘাটিল ॥
হুসকি ৰহিল কুলাচলৰ পাছত ।
কহে কথা সবে অন্যে অন্যৰ আগত ॥
দেখা ওৰা কেন ইটো ৰূপ মনোহৰ ।
একো একো হৰিৰ চাৰিখান কৰ ॥
বিধি পুৰুষত আনো প্ৰাৰ্থনা কৰিল ।
দয়াকৰি বিধাতা চাৰি হাত দিল ॥
চৈধজন পাৰিষদ তাহাক নজানি ।
তাসম্বাক সিটো সবে হৰি বুলি মানি ॥
আৰু গোটে বেলে তায়া নজানস তয় ।
আসম্বাৰ জন্ম কথা জানি আছোঁ ময় ॥

এহি চৈধ্য জন হৰি নাছিল পূর্ব্বত।
একজন বিষ্ণু আছিলন্ত অতীজত ॥
ইটো সবে গৈয়া খুজিলেক বিধাতাত।
দিলা দিব্যৰূপ আৰু চাৰিখান হাত ॥
তাতে কতোগোটে কথা নিষেধি কহয়
যাক হৰি বোল এন্তে কেহো সুহিকয়।
হৰিবা কোথান্ত আছে গৰুড় স্কন্ধত।
যিটো ৰণ কৰে এহি পাৰিষদ যত ॥
আমাক মাৰিবে আসি আছে যত্ন কৰি
দানব সবকু আজি বধিবন্ত হৰি ॥
এহি মতে আনো নানা কহে কথা যত
নিলিখিলো তাক আৰু সংক্ষেপ পদত।
বপুস্মতে বোলে মুনি শুনা মহাশয়।
ভাগিল দানব বীৰ যুদ্ধ নকৰয় ॥
হেন দেখি কর্ণদন্ত সুত মহাবলী।
ৰথত থাকিয়া হাসিলেক খল খলি ॥
শুনা পাৰিষদগণ বোলোহো তোমাক।
দাৰুণ স্বভাৱ কেনে দেখি তোমাসাক।
তোমবাৰ হেনমত যুদ্ধত নোহয়।
মোহোৰ হাতত লেক পাইবাহা নিশ্চয়

এহি বুলি মহা ধনুখান টঙ্কাবিলা।
দিব্য বাণ সব আনি গুণত যুবিলা॥
দশ দশ শবে গাবে গাবে ভেদিলেক।
ছোট পায়া পাছ গুচি গৈলেক প্রত্যেক॥
হেন দেখি মুখ্য পাবিষদ আঠজন।
দানবক প্রহাবিলা দিব্য বাণগণ॥
মহাশব ঘাবে নটলিল হুবাচাব।
ঘৃত পায়া অগ্নি যেন উথলিল আব॥
আঠকো ভেদিলা মহা দারুণ সন্ধানে।
তেসম্বেও হুসকি বহিলা সাবধানে॥
বথ বায়া আগবাঢ়ি গৈলা কতো বেলি।
তাব সেনা সবো আগবাঢ়ি গৈল চলি॥
যথাত আছন্ত গরুড়ত চড়ি হবি।
তাক বণ দিবে লাগি গৈলা বঙ্গ কবি॥
মেরুব উপবে যেন সূর্য্য প্রকাশয়।
মাধবব সন্মিত চাপিলা হুবাশয়॥
হবিক নিবীক্ষি পাছে কর্ণব তনয়।
কিনো মহা মধুব মুবতি অতিশয়॥
পীত বস্ত্র চারু শ্যাম তনু মনোহব।
শিবত কিবীটি জলে খচিত বত্নব॥

নবচন্দ্র রুচি জ্বলে কপোলে তিলক।
ভঙ্গি ধরি প্রকাশয় কুটিল অলক॥
রুচিকর কর্ণে শোভে মকর কুণ্ডল।
তার রশ্মি উজলি পাণ্ডুর গণ্ডস্থল॥
শরত চন্দ্রক জিনি বদন প্রকাশে।
উন্নত নাসিকা তিল ফুলক বিকাশে॥
বাতুল অধর দন্তে মুকুতা নিন্দয়।
তাতে স্মিত হাসি যেন মদন মোহয়॥
কম্বুকণ্ঠে কৌস্তুভ অদিত্য নব নিন্দে।
শ্রীবৎস পঙ্কতি হার বনমালা বৃন্দে॥
চারিখান ভুজ তাতে বলয়া কঙ্কণ।
শঙ্খ-চক্র-গদা-পদ্ম ধরিছা শোভন॥
কটীধটি পীতভুনি মেখলা বস্তুর।
সুন্দর উদর উরু যেন করিকর॥
গরুড়র স্কন্ধে পদ্মাসনে বসিচয়।
দুখানি চরণ তাতে নুপুর বজয়॥
নীল আঙুলিত নখচন্দ্র বিরাজয়।
বজ্রা পদতলে পঞ্চচিহ্ন মনোময়॥
দুই হাতে সারথি ধরিচা পক্ষিরাজে।
একেবারে যেন কোটি আদিত্য বিরাজে॥

হেন মহা জগত মোহন রূপ দেখি।
আনন্দতে কুলাচলে নভাষয় আখি ॥
বথহন্তে ঝাম্প দিবে হেন কবে মন।
পুনু হেন কবি তেহে গুণয় তেখন ॥
ময় যদি শবণ পশওঁ কেশবত।
শবণাগতক মোক মাবিবে কিমত ॥
নবধিলে মোব ইতো কুচ্ছিত কুবেশ।
প্রজাসমে ঋষি শাপে পায়া আছোঁ ক্লেশ ॥
মোহোব মুকুতে সবে প্রজাব মুকুত।
এতেকেসে আমি যুদ্ধ কবিবে যুগুত ॥
এহিমতে মনে গুণি কবিলা নিশ্চয়।
জীবনত কবি মোব মৃত্যু শ্রেষ্ঠ হয় ॥
মনে বোলে শীঘ্রে মাবন্তোক দেবহবি।
দিব্য বথে চড়ি যাওঁ বৈকুণ্ঠ নগবি ॥
এহি বুলি মহা ধনুখান টঙ্কাবিল।
যেন বজ্রপাত মহা ভূমিত পড়িল ॥
মহাভয়ে ত্তবসিল বিষ্ণুসেনাগণ।
থৰ্ব্ব ধৰ্ব্ব হৃদবন্ত সিদ্ধ মুনিগণ ॥
কবে জয় হবি বোল দুন্দুভি বজাই।
পঞ্চজন্য শঙ্খ ফুকিলন্ত যদুবাই ॥

মহা শঙ্খনাদে স্বৰ্গমণ্ডল পূৰিল।
দেখিয়া হৰিৰ সেনা ঝিঙ্কৰি উঠিল॥
দানৱক প্ৰহাৰয় দিব্য শৰচয়।
তাসম্বৰ শৰে তাৰ গাৰ নোচোৱয়॥
দেখিয়া দানৱ গোটে হানি দিব্য শৰ।
পাৰিষদ সেনাক ভেদিলা নিৰন্তৰ॥
দানৱৰ বীৰগণ আগ বাঢ়িলেক।
ত্ৰিশূল পাৰিঘ গদা হানিল অনেক॥
সহিবে নপাৰি মহা দাৰুণ সন্ধান।
গৰুড়ৰ আঁৰ হুয়া ৰহিল তেখন॥
সেহিবেলা ভগৱন্তে গুণন্ত মনত।
থাকিব বাহিৰ আক কৰোহোঁ কিমত॥
তাৰ নৰজাইলে ইতো নমৰে দানৱ।
ময় বিনে আনে কোনে সহে পৰাক্ৰম॥
পাৰিষদগণ সবে লালকাল ভৈল
দানৱগণৰ মহাবল বাঢ়ি গৈল॥
তিনি প্ৰহৰেক বাট পাছত আছয়।
পাছ গুচি হৰকিয়া যাইবাক লাগয়॥
এহি মনে আলোচ কৰিয়া নাৰায়ণ।
খেদি গৈয়া দানৱৰ আগে উপসন্ন॥

হৰস বদনে সিতো মাতেগলতৰি ।
মোহোৰ বচন আৰে শুনা দেবহৰি ॥
শীঘ্রকৰি মোক আৰে মাৰা নাৰায়ণ ।
যদি নামাৰাহা কৰা বৈকুণ্ঠে গমন ॥
জগত ঈশ্বৰ তুমি কৈবল্যৰপতি ।
মোক ৰণ কৰা তুমি কমন যুগুতি ॥
পৃথিবীত থাকো আমি দানব মানব ।
আমাক কৰাহা কেনে হেন পৰাভব ॥
বিশেষত শত্রু মিত্র নাহিকে তোমাৰ ।
তুমি পূৰ্ণকাম হৰি আত্মা সবাকাৰ ॥
মাৰণ কাটন তযু প্রতিকাৰ নাই ।
জীবৰূপে সবাহাতে আছাহা ৰমাই ॥
আপোনাক আপুনি মাৰিলে কোন যশ ।
তোমাৰ আগত আমি ক্ষুদ্ৰ মাক্ষী মস ॥
যদি বোলা মোক বিটো ভজে ভক্তি কৰি ।
তাহাক ৰাখোহোঁ ময় চক্ৰ গদা ধৰি ॥
ইহাৰ উত্তৰ কহো শুনা জনাৰ্দ্দন ।
কাহাক ভজোঁৱা নভজাঁৱা কতোজন ॥
তুমি ভজাইলে সে জীবে ভজিবে পাৰয় ।
যাক কৃপাকৰা সিসি তোমাক ভজয় ॥

নকৰিলে কৃপা ভজিবাক নপাৰয়।
এতেকে বিষম তুমি কহিলো নিশ্চয় ॥
আৰু এক কথা আমি শুনিছো তোমাৰ।
ভকতকো মাৰি দুঃখ দিয়াহা অপাৰ ॥
পূৰ্ব্বে বৃত্ৰাসুৰ নামে আছিল দানব।
তোমাৰ একান্ত দাস তুমি সে বান্ধব ॥
দধ্যঞ্চি ঋষিৰ হাড় অনাইলা মগাই।
কুট নাট কৰি তাক পেলাইলা মৰাই ॥
আৰু বলিৰাজা মহা তোমাত ভকত।
ত্ৰৈলোক্য অৰ্চ্চিল দিয়া তযু চৰণত ॥
তাঙ্ক বহু দুঃখ দিয়া চকাই খেদালা।
বুজন নজাই ইটো তযু কিনো লীলা ॥
অভকত দেৱগণ অল্প বুদ্ধিবল!
খাইবাক নপাইলে সব কৰয় কন্দল ॥
তাৰ পক্ষ হুয়া দ্বেষ কৰা ভকতক।
আৰু কতগুণ মৰ কহিবো কতেক ॥
বপুষ্মন্তে বোলে শুনিয়োক মুনীশ্বৰ।
এহিমতে কুলাচলে কহিলা বিস্তৰ ॥
তাহাৰ বাক্যত প্ৰেমাকুল জনাৰ্দ্দন।
গদ গদ কৰি হৰি তাক মাতিলন্ত ॥

শুনিয়ো বচন মোৰ কৰ্ণদত্ত সুত।
যিসব বুলিলি মানে সবেয়ো যুগুত॥
কিন্তু মই ইহাক কহঁও ভালে শুন।
বিষম হুইবাৰ মোৰ শুনিয়োক গুণ॥
যত দৈত্য দানব মানব পশুচয়।
ইটো ধৰণীৰ ভাৰ যিসব হোৱয়॥
সবাকো সংহৰি ময় মহাভাৰ হৰোঁ।
ভক্তক নিগ্ৰহ কৰি সালঙ্কৃত কৰো॥
এহি শুনি কুলাচলে দিলেক উত্তৰ।
সম্বৰে মাৰিয়ো মোক দেবদামোদৰ॥
মনৰ খেদত যিবা বুলিলো বচন।
সিটো অপৰাধ মৰশিয়ো নাৰায়ণ॥
আৰু মোৰ অপৰাধ হোৱয় ডাঙৰ।
দাস হুয়া স্বামী সমে কৰোহোঁ সমৰ॥
ঋষিশাপে পায়া আছোঁ কুবেশ শৰীৰ।
তাহাক এড়িবে মন কৰোহোঁ সত্বৰ॥
তযু চক্ৰে তিনি বাৰ শিৰক ছেদিল।
কোন হেতু মোৰ মহা মৃত্যু নিমিলিল॥
খৰতৰ কৰি মোৰ কৰিয়োক কাল।
তোমাৰ সম্মিত মৰ লভওঁ গোপাল॥

ধর্ম্মপক্ষিগণে বোলে বাণী শুনি তাব।
দেবাসুব মুনিগণে প্রশংসে অপাব॥
সাধু সাধু মহাবীব কর্ণব তনয়।
ইহাব সমান জানো ভক্ত নাহিকয়॥
কীট শূকবাদি দেহধবি সুবনব।
জীবাকেসে লাগি আশা কবে বহুতব॥
একে মহাজন হবি ভকতত পবে।
মবিবাক লাগি কেহো উদ্যম নকবে॥
দানবব বাজা হুয়া ভোগক কবয়।
তথাপিতো মবণক বাঞ্চে মহাশয়॥
এহিমতে প্রশংসন্ত সিদ্ধ মুনিগণ।
অনন্তবে কুলাচল উঠিল তেখন॥
দিব্য মহাবাণ সব ধনুত যুবিল।
অসংখ্যাত শবহানি নিসন্ধি ঢাকিল॥
আক তাব বীব সবে শব ববিষিল।
পৌষ মাসত যেন কুহবি ঢাকিল॥
পক্ষিবাজ গরুড়কো শবে চানিলেক।
পাথাব ওপাবে যেন পথা গজিলেক॥
হবহব কবে গাব ষিবে জবজব।
শোণিতব নদীবহে পথাব ওপব॥

মাধৱে বোলন্ত পক্ষিৰাজ পালটিয়ো।
পাৰ্চ ভৰি কৰি সবে পথাক ধৰিয়ো॥
কৃষ্ণৰ বচনে পক্ষিৰাজ হুসকিল।
পাৰিষদ সেনাসব কাথৰে ৰহিল॥
অন্তৰি গৈলেক পাৰিষদ সেনাচয়।
শিলা হুয়া কৰ্ণৰাজা যথাত আছয়॥
সেহি বেলা মাধৱে আপোন হাতেধৰি।
পাছক চালান্ত গৰুড়ক বেগ কৰি॥
ক্ষণেকতে দুই প্ৰহৰৰ পথ নিলা।
দানৱৰো সেনাগণ খেদিয়া আসিলা॥
থমকিলা হৰি পক্ষিৰাজক ৰথাই।
ধৰিলা সাৰঙ্গধনু দানৱক চাই॥
চাৰিপাট শৰ প্ৰহাৰিলা ভগবান।
কুলাচলে কৃত্যাশৰ জানয় প্ৰধান॥
জগতৰ নাথে তাৰ মনক বঢ়াইল।
কৃত্যাশৰে চাৰিয়ো বাণক বিনাশিল॥
শৰ নাশ কৰি কৃত্যা গৰুড়ক পাইল।
মহাচণ্ডে ধমধম অগনি উঠাইল।
পক্ষিৰাজে মাধৱক নমাই থৈলন্ত।
তাহান পথাত কৃত্যা বহ্নি জ্বলিলন্ত।

আকাশে উধাই কৃত্যানল জ্বলি যাই।
পোড়ে পক্ষিরাজ সর্ব্বলোকে আছে চাই॥
হেন দেখি দেবহরি চক্র প্রহারিল।
কৃত্যশর ছেদিতার অগ্নি নিবারিল॥
ছোটপায়া পক্ষিরাজ ক্রোধত জ্বলিলা।
এক ঝাম্প দিয়া তার রথত চড়িলা॥
তুয়ো পাখি উচাই বেগে কোর এক দিল।
তাহান প্রহারে সিটো কিছু নকম্পিল॥
দেখি পক্ষিরাজে ঠোটে শৃঙ্গত হানিল
প্রচণ্ড ঘারত এক ডোখর ভাগিল॥
দেখিল দানবে শৃঙ্গ ডোখর ছিগিল।
দশহাত মানে খসি ভূমিত পড়িল॥
দারুণ ক্রোধত সিটো শূল লৈলা তুলি।
মারো পক্ষিরাজ-আজি পাণ্ডবক হুলি॥
মাধবে দেখন্তে পক্ষিরাজর মরণ।
ত্রিশূলে খুকিয়া আক মারে এতিক্ষণ॥
হেন চিন্তি যদু বীর প্রহারিলা শর।
নারায়ণ শরে শূল কাটিলা হাতর॥
দেখিয়া দানবে গদা ধরি ছোকা দিল।
চাম্প করি পক্ষিরাজে গদাত ধরিল॥

ঠোটে ধৰি গৰুড়ে টানয় পাৰে মানে।
কুলাচলো টানে গাৱে বল আছেমানে॥
হেম্পোচা হেম্পোচি কৰে আঝোৰা আঝুৰি।
মাজতে ভাগিল গদা ঠাতকাৰ কৰি॥
ডাবৰ খড়্গ খান বাম কৰে ধৰি।
পখা ছেদিবাক মানে লৈলা যত্ন কৰি॥
ঝাপ দিয়া পক্ষিৰাজ অন্তৰিয়া গৈল।
পুনৰ্ব্বাৰ কুলাচলে ধনু শৰ লৈল॥
মাধৱে বোলন্ত ইটো অতিচড়ি যাই।
ইহাঁৰ বধৰ আৰে চিন্তোহো উপায়॥
দৈত্য সেনাগণ সবে আগ বঢ়ি যাই।
পুনু গৰুড়ক হৰি নিলা হোসোকাই॥
অনন্ত মহিমা হৰি পুৰুষ পুৰাণ।
কুলাচল ক্ষুদ্ৰ জানা আগত তাহান॥
বালক সহিতে যেন কৰে উমলন।
হৰিও কৰন্ত কুলাচলেৰে তেমন॥
পক্ষিগণে বোলে কথা শুনা মুনিবৰ।
হানিলন্ত হৰি তেৰে নাৰায়ণ শৰ॥
মহিষৰ বধখান ভাঙ্গিলন্ত হৰি।
ধনুখান কাটিল দুইখণ্ড কৰি॥

দেৱ দিয়া মহীত পড়িল কুলাচল।
কম্পি কম্পি স্থিৰ ভৈলা ধৰণী মণ্ডল॥
পৰ্ব্বত প্ৰমাণ দেহা পৰম ভীষণ।
আন ৰথখান আনি যোগাইলা তেখন॥
অনেক দণ্ডালে ৰথখান ভয়ঙ্কৰ।
মহামেঘে খণ্ড যেন প্ৰলয় কালৰ॥
গদা মুদ্গৰ ধনু পৰশু মুষল।
থানে থানে থৈয়া আছে অস্ত্ৰ বলাবল॥
সেহি ৰথে চড়ি যেবে সমৰ কৰয়।
তিনিয়ো লোকত তেবে কমনে জিনয়॥
যাবে ইটো ৰথে চড়িবাক নভু পাৱে।
ৰথখান ভাঙ্গিয়োক বজ্ৰ ঠোঁঠ ঘাৱে॥
মাধৱৰ বচন শুনিয়া পক্ষিবৰ।
উড়াৰ কৰিয়া পাইলা ৰথৰ ওপৰ॥
পক্ষীৰ আক্ৰান্ত হেন দানৱে দেখিল।
আথ বেথ কৰি ঘোৰ ত্ৰিশূল ধৰিল॥
ভয়ানক অস্ত্ৰ তাক দেখিলাগে ভয়।
ভৈৰৱক পূজি পাইয়া আছে দুৰাশয়॥
মূৰ্ত্তিমন্ত অস্ত্ৰ সিটো বলিবন্টাখাই।
কৰ্ণমূত্ত কুলাচলে পূজন্ত সদাই॥

প্রলয় অগনি যেন আভাস তাহার।
চাম্প দিয়া আঝুরি আনিলা দুরাচার॥
যাঠিহাতে গাবমুখ চাচারি হাতর।
তিনি তিনি মুখে জিহ্বা দেখিলাগে ডর॥
কতবা যুগ ত সিটো হরত আছিল।
তাত বশ্য হুয়া হবে সেহি শূল দিল॥
যেতিক্ষণে শূল গোট হাতত ধরিল॥
সিদ্ধ বিদ্যাধর সবে পালাইবে লাগিল॥
প্রলয় করিতে শূল মহেশক দিল।
মহাপ্রলয়ত তাক বারেক ধরিল॥
রশ্মিহীন ভৈল অতি দেব দিবাকর।
কৈতরা লুকাইল গ্রহতারা নিরন্তর॥
আকাশত গরুড় দেখিয়া ভয় মন।
সহাত্রাসে থির ভৈলা বৈনতানন্দন॥
বাঢ়ে শূল মহা-মেরু মন্দর প্রমান।
দানবো ন জানে তার মহিমা প্রধান॥
পূর্ব্বত শঙ্করগণে তাহাক সাজিল।
জিহ্বায়ে জিহ্বায়ে তাক কালকূট দিল॥
আহুরি পূজাত মহেশক তুষ্ট কৈলা।
খাইবে পাই তাক হবে সেহি শূল দিলা॥

নকাহলা তাহাৰ মহিমা যেন মত।
কুলাচলে ন জানয় তাহাৰ মহত্ত্ব ॥
ন জানিয়া তাহাক হানয় মূঢ়মতি ।
তিনিয়ো লোকৰ মিলে মৰণ অহিতি ॥
যদি আন থানে ইটো শূলক হানয় ।
তিনিয়ো লোকৰ তেবে প্রলয় মিলয় ॥
যিবেলাত কুলাচলে শূল হাতে লৈল ।
হস্তি ৰথ খান তাৰ হুসকিয়া গৈল ॥
যোজনেক মানে গৈয়া পড়িল মহীত।
সহিবে ন পাৰি তাৰ ভাৰ বিপৰীত ॥
দেৱদিয়া সিটো পাছে ভূমিত নামিল।
শূলৰ মহিমা দেখি হৃদয় কম্পিল ॥
ইহাৰ প্রহাৰে তিনিলোক নাশ হয় ।
সেনাসমে মোক খাইবে জানিলো নিশ্চয়
এতেক বুলিয়া পৰামবৰ্শি আছয়
বাঢ়িবে লাগিল শূল কৰিতে প্রলয় ॥
বোলে বপুষ্মতে শুনা জৈমিনি মহন্ত।
দারুণ দানবে জগতক কৰে অন্ত ॥
তিনি লোক প্রজ্বলিল বিক্রমে তাহাৰ।
চতুৰ্দ্দশ ভুবন দহয়ে শূলে তাৰ ॥

তিনিখান মুখে বেগে অগনি বহয়।
কুলাচল দানবর ভৈল মহাভয়॥
হত ভৈল শ্রুতিবুদ্ধি চক্ষু জপাইলেক।
আটাসেক দিয়া শূল এড়িয়া দিলেক॥
বথর দন্তাল সবে চিহরণি দিয়া।
নিচলে রহিল সবে থাকিল পড়িয়া॥
দানব পদাতিমানে মুর্চ্ছাগত ভৈলা।
একখান মুখ তেবে পাতালক গৈলা॥
আরখান মুখে মহীখান গিলিবাক।
করিলা আক্রান্ত সবে প্রজাক খাইবাক॥
দিগজ সকলে সবে এড়ি মুত্র মল।
জান্নুপাড়ি হুসকিয়া যাই রসাতল॥
নাগ লোক তরসি লাগিল জোটা জোট।
অনন্তরো ফণাত লাগিল মহাছোট॥
খলকি সাগর খনে করে টলবল।
স্বর্গ লোক চিটকিয়া যেন যাই তল॥
ব্রহ্ম ভুবনতো লাগিলেক খলমলি।
ঋষিবর্গ লাগিয়া কৈল্যাশো গৈল টলি॥
চৈধ্যভুবনত মহাপ্রলয় মিলয়।
ধর্ম্ম ধর্ম্ম স্থবরন্ত সিদ্ধ মুনিচয়॥

সিবেলাত লোকৰ বিপত্তি ভৈল যত।
পদ বাহুল্যক ভৱে নিলিখিলো তত॥
পক্ষিগণে বোলে অৰা শুনা মুনিবৰ।
পৰম প্ৰচণ্ড তেজ হৰৰ শূলৰ॥
একক্ষণে চৈধলোক কৰয় বিনাশ।
তিনি খান মুখ মেলি কৰয় প্ৰকাশ॥
এক মুখে প্ৰচণ্ড অগনি বাজ হয়।
সকলকে দহি ভস্ম কৰিয়া নিৰয়॥
আক মুখে সিংহ ব্যাঘ্ৰ সৰ্প দংষ্ট্ৰগণ।
সবে ব্ৰহ্ম সৃষ্টি খাই কৰয় উচ্চৰ॥
অপৰ যে মুখক দেখন্তে প্ৰকৃতি হন্ত।
হজাৰে ৰাক্ষস প্ৰেত পিশাচ সমস্ত॥
কতো তিনিমুণ্ড কাৰো চাৰি পাঞ্চ হয়।
দশ কুড়ি হাতে অস্ত্ৰ শস্ত্ৰ ধৰিচয়॥
কৰে কিল কিল মুখ দান্ত চোবাৱয়।
হাতে খড়্গ চৰ্ম্ম দেখি লাগে মহাভয়॥
দন্ত সব দেখি যেন আট্টালৰ পৰ।
পৰ্ব্বত আকাৰ দেহা দশ আঠেকৰ॥
হেন সব হাজাৰে হাজাৰে বজায়।
সবে ব্ৰহ্ম সৃষ্টিক নাশৰ হুৱাশয়॥

হেন দেখি নারায়ণে মনে অবগাই।
আনরূপে লোক সব রাখন নষাই॥
অজ্ঞান বালকে যদি অগনি দিবয়।
তথাপিতো কেঞা পক্ষা সবাকে দহয়॥
এহি বুলি বিশ্বরূপ করিলা প্রকাশ।
রবি শশী জল বায়ু ঢাকিলা আকাশ॥
হাজারেক শিরর প্রচণ্ড জ্যোতির্ম্ময়।
সহস্র সংখ্যাত কর প্রকাশ করয়॥
চৈধ্য় লোকক উদরতে জপাইলন্ত।
গড় পন্থ করি সবে ঢাকি ধরিলন্ত॥
নাহি রবি শশী দিশ বিদিশ আকাশ।
নাহি চরাচর গ্রহ রাশির আভাস॥
মহলোক প্রভৃতি গর্ভত ধরিলন্ত।
ভৈল অন্ধকার কিছু নাহি আদি অন্ত॥
যেন মহাপ্রলয়ত সবেহন্তে যাই।
মহাযোগবলে দেন্ত উদরতে ঠাই॥
সবাকো রাখিলে ঢাকি মহাযোগবলে।
যেন পক্ষিমাক রাখিলা পাখিতলে॥
হাজারেক হাতে ধরি খড়্গ চর্ম্ম বাণ
সবাকো ঢেকিয়া লৈলাইলেক বিদ্যমান।

মুখ জলে নিমাইল শূলৰ বহ্নি যত।
হাত মেলি শূলক ধৰিলা আকাশত ॥
ঠাৎকাৰ শবদে তিনি ভোখৰ কৰিল।
যেন ইক্ষু খণ্ডক যে মাতঙ্গে ভাঙ্গিল ॥
শবদ লাগিল তাৰ ব্ৰহ্ম মণ্ডলত।
কম্পি কম্পি পড়িলন্ত মুনিগণ যত ॥
এহিমতে শূল নাশি জগত ৰাখিলা।
ভগা শূল দলি মাৰি সাগৰত থৈলা ॥
এতেকেসে শিলাময় যত দাৰুৰণি।
কসটি প্ৰমুখ্যে বহু শূল কাষ্ঠিচনি ॥
যাৰ কটাক্ষত হবে উৎপত্তি প্ৰলয়।
হৰ শূল বিনাশন কোন কৰ্ম্ম হয় ॥
ইহাক আশ্চৰ্য্য নমানিবা মুনিৱৰ।
দ্বৈপায়নে কৈলা কথা বেদ বহুতৰ ॥
এহিমতে শূল ছন্ন কৈলা নাৰায়ণ।
তৈলেক প্ৰসন্ন দিশ ৰবিৰ কিৰণ ॥
সিদ্ধ বিদ্যাধৰ যত গন্ধৰ্ব্ব চাৰণ।
কৃষ্ণক আৰৰি কৰি কাকুতি বচন ॥
আজি চৌধ লোক নাশ কৰয়ে হাৰাবে
হাত নি ৰাখিলা তুমি জকত থাকৰে ॥

এহিমতে গাৱে গাৱে বহুত বুলিলা।
কাকো নপাতিয়া হরি হাসিয়া রহিলা॥
মনত বোলন্ত আক বধিবে লাগয়।
ঔষধি নেদিলে ব্যাধি বাঢ়ে অতিশয়॥
সেহি বেলা পারিষদ সব ঝিঙ্কিল।
তাহাক বেঢ়িয়া মহাশর ঝাক দিল॥
পারিষদ গণকো দানৱে প্রহারিল।
এক প্রহরর পথ হুসকি রহিল॥
মনত বোলয় হরি সেনা যত যত।
পাচ গুছি চলে দেখা মোহোর অগ্রত॥
চারি দণ্ড মান আছে তাহার খান্তির।
মরণ বোলত তাক পাসরিলে বীর॥
দেখি হরি চক্রবাণ করিলা প্রহার।
কাটিবে লাগিলা মহাবীর মানে তার॥
পর্ব্বত সমান যানে মুণ্ড ভয়ঙ্কর।
কাটিবে লাগিল স্কন্ধ চক্রে মাধবর॥
গিরিস গিরিস করি ভূমিত পড়য়।
কৃষ্ণর হাতত পড়ি মোক্ষ গামী হয়॥
আরু নারায়ণ বাণ হরি প্রহারিলা।
অসংখ্যাত দানৱ বীর কাটিবে লাগিলা॥

লক্ষে লক্ষে হাজাৰে হাজাৰে ছেদ ভৈলা
শোণিতৰ মহা নদী বহিবে লাগিলা ॥
যোজন প্ৰমাণ নদী বহে ভয়ঙ্কৰ ।
উপ্টৈবুড়ে কতো তাতে কৰে ধৰফৰ ॥
নাৰায়ণ শৰ চক্ৰ বাণৰ প্ৰভাবে ।
দেখি সবাহাৰে আতি প্ৰবেশিল গাৱে ॥
নিগুটি কৰিয়া সবে ঠাৱতে কাটিল ।
সুৰা সুৰ লোক মানে চমক লাগিলা ॥
মহাভাৰ ধৰণীৰ গুচাইলা মাধৱ ।
সবাহাৰে পৰাভৱ গুচাইলা উৎসৱ ॥
কমনে বুঝিবে পাৰে ঈশ্বৰ লীলাক ।
ছাঁয়াৱে সহিতে যেন উমলে বালক ॥
পক্ষীগণে বোলে শুনা জৈমিনি মহন্ত ।
সেনাগণ নাশ যে দানৱে দেখিলন্ত ॥
বিজদিয়া বোলে হৰি বড় যশ পাইলা ।
সমস্ত সেনাক মোৰ খানিকে মাৰিলা ॥
মোহোৰ শূলত বড় ভয়ক পাইলাহা ।
সৈন্যক মাৰিলা কেনে মোক নমাৰাহা ।
উপেক্ষি আছাহা কেনে বলন্ত বহিক ।
চক্ৰবাণ হানি কেনে নামাৰাহা কিক ॥

যদিবা নামাবা তেবে পালটি চলিও।
পাবিষদগণ লৈয়া বৈকুণ্ঠক যাও॥
মাধৱে বোলন্ত শুন অসুব লটক।
এতমান চটমটী কবস কিসক॥
এহি বুলি হবি চক্র প্রহাব কবিলা।
জগত প্রকাশ কবি বেগে চলি গৈলা॥
আকাশ গমনে যায় কবি বড় ছোট।
কণ্টবাই কাটিলা তাহাব শিব গোট॥
ধনুর্ব্বাণ সাবথী কাটিলা নিবন্তব।
মবিল দানব দেখি কৌতুক লোকব॥
এহিমতে দণ্ড দুই মানে বহিছিল।
শিব গোট আসি তাব গাণ্ডিত লাগিল॥
এক দণ্ড মানে থাকি চক্ষু পকাই চাইল।
পড়ি আছে মুষলেক আগে ভেট পাইল॥
গুঞ্জ হেন চক্ষু কবি আটাসেক দিল।
সুবাসুব লোকে বোলে ধবণী ফাটিল॥
সিদ্ধ বিদ্যাধব সব পলাইবে লাগিল।
পাবিষদ গণে বোলে দানব উঠিল॥
বাবে বাবে দামথক কাটা ভগৱন্ত।
কিবা বধ পায়া আছে অজো নমবন্ত॥

এহি বুলি সম্বিত চাপিলা কেশবব।
পলাইবে লাগিল দেব সিদ্ধ বিদ্যাধব॥
মাধবে বোলন্ত কথা শুহিকয় ভাল।
আনমতে দানবব নিমিলয় কাল॥
চক্রে কাটিলন্তেও দানব নমবয়।
সুবাসুব লোক মানে আশ্চর্য্য দেখয়॥
মহন্তব বাক্য মোব চক্রটো আগল।
যাতো মোত কবি শ্রেষ্ঠ ভকত সকল॥
কৈত আছে ধূপবঠি চাইবাক লাগয়।
তাহাব প্রহাবে মাত্র দানব মবয়॥
তাহাক আনিবে প্রতি হুসকিয়া যাও।
মহন্তব বচনক প্রণাম কবাওঁ॥
যদি ব্রহ্ম শব হানি কাটোহোঁ ইহাক।
তেবে কেনে বহিবেক অগস্তিব বাক॥
এহি বুলি হবি গরুড়ক বিতর্কিল।
পালটিয়া পক্ষীবাজে লবব মাবিল॥
পক্ষীয়ে বোলন্ত মুনি শুনিলা কাবণ।
দেখা কেন ভকত-বৎসল সনাতন॥
যাব বোম-বন্ধ্রে কোটি ব্রহ্মাণ্ড হোবয়
সেহে হবি ভকতব বচন নেড়য়॥

অনন্তৰে পালটি চলিল নাৰায়ণ।
দেখিয়া দানৱ গোট উঠিলা তেখন ॥
বোলে মোৰ ভয়ন্তে পলাৱে দেৱহৰি।
মোক আৰে নামাৰি পালটা কেন কৰি ॥
এহি বুলি ভেডাইবে লাগিলা ক্রূৰজন।
কুলক্ষণ ৰৱ-ৰৱ ডাকে ঘনে ঘন ॥
তাহাৰ নাদত সবে ত্রাস ভৈলা বড়ে।
কাণ ফাটি যায় যেন শৃঙ্গ ভাগি পড়ে ॥
মুষলেক পড়িয়াছে সহস্র হাতৰ।
বেড়েও হোৱয় সিটো সাত মুনিষৰ ॥
নকাটিল চক্রে তাক এড়িয়া আসিল।
মহাখড়্গে দুৰাচাৰে তাহাকে ধৰিল ॥
যেহেন গোৱালে ভাঙ্গ ধৰিলেক তুলি।
কৈক যাইবা হৰি আজি ৰহ ৰহ বুলি ॥
থান্নিকে গৈলেক পথ তিনি প্রহৰৰ।
মৈত শিলা ভৈলা কর্ণ দন্ত নৃপবৰ ॥
মন্দৰৰ শৃঙ্গ যেন দেখি ভয়ঙ্কৰ।
তাতে উঠি হৰি নামিলন্ত গৰুড়ৰ ॥
তাৰ পৰা নিহালি চাহিলা কৃপাময়।
ৰক্তৰ মণ্ডলা খান দুৰন্তে জলয় ॥

তিনি যুগ বহি গৈল যজ্ঞ কবিবাব।
জলে থলি থান যেন চন্দ্রব প্রকাব ॥
যেন শালবৃক্ষ সব গজিয়া আছয়।
সেহি ভাবে ধূপবটি সাব প্রকাশয় ॥
তাব হস্তে এক প্রহবব পথ হয়।
একে লাক্ষে তাব এক লৈলা কৃপাময় ॥
ডেব দিয়া পুষ্ঠু আসি শিলাত চড়িল।
দানব বধিবে হবি যতন কবিল ॥
উচ্চতে বহলে হোবে যোজন প্রমাণ।
পবম সুন্দব বম্য শুক্ল শিলাখান ॥
পাবিষদ সমে হবি যখনে চড়িলা।
আসমান ধবণীব উজ্বলি উঠিলা ॥
অস্ত্র ধবি হবি যেবে চাহিয়া আছয়।
দানব মুণ্ডড় তেবে খেদিয়া আসয় ॥
কতো লাম্ফ মাবে কতো ডেবদি চলয়।
দমস দমস কবি ধবণী লড়য় ॥
কতো বেলি পাইলা যায় কৃষ্ণব সম্মিত।
বুলিবে লাগিল কষ্ট কবি বিপবীত ॥
শুনা নাবায়ণ তযু বুলিলো মহন্ত।
মোহোক নমাবি তুমি পলায়া কিমন্ত ॥

পূৰ্ব্বতে বুলিলোঁ মোক মাৰা দামোদৰ।
বাঢ়ি দ্বন্দ কৰি তুমি ফুৰা নিৰন্তৰ ॥
তোমাৰ কাৰ্য্যক দেখি লোক বিমোহিত।
পুত্ৰক দণ্ডৱা পিতৃ প্ৰহ্লাদ তহিত ॥
তুমি মায়া কৰি নৰসিংহ ৰূপ ধৰি।
হিৰণ্যক্ষ বীৰক মাৰিলা লক্ষ কৰি ॥
ভাই ভাই যুদ্ধ কৰে বালী যে বানৰ।
চোৰ ৰূপ ধৰি তুমি বধিলা কিসৰ ॥
স্বৰূপত ভ্ৰাতৃ মিত্ৰ গোত্ৰ গুহিকয়
হেনয় কামক কৰিবাৰ যোগ্য হয় ॥
আনো অসংখ্যাত তুমি কৰি ফুৰা দ্বন্দ্ব।
তথাপিতো লোকে তাৰাকেসে বোলে মন্দ ॥
আমিনাম চৰ্চ্চা তোমৰাৰ কৰা নাই।
তথাপি আমাৰ কেনে মিলৱা অপাই ॥
যদি আমি তোমাক ভোলাইলো কোনো বেলা
তেবে অনুচিতে মোক পাৰিবাহা ভালা ॥
মোকো মাৰিবাক নপাৰিলা গদাধৰ।
সাৰিবে নপাৰা আজি মোহোৰ হাতৰ ॥
তুমি যথা যাৱা যয়ো তথাকে চলিবোঁ।
সঙ্গে সঙ্গে মই আৰ তোমাকে নেড়িবোঁ

পক্ষীয়ে বোলন্ত মুনি শুনা তাত পৰ।
এহিশুনি হাসিয়া ৰহিলা চক্ৰধৰ॥
মৰিবাৰ বেলা ইটো ৰটয় যতেক।
তাক প্ৰত্যুত্তৰ আৰ বুলিলা কতেক॥
হেনমতে তাক বধিবাৰ মন কৰি।
ধূপ ধূম্ৰ ঘৃত পাত্ৰ ধৰি যত্ন কৰি॥
যেখনে কেশৰে তাক কৰে তুলি লৈলা
বজ্ৰৰ অধিক বাঢ়ি তীক্ষ্ণতৰ ভৈলা॥
হেন দেখি দানবৰ গুৰুতি হৰিলা।
ঊৰ্দ্ধ দৃষ্টি চাহিয়া মুষল প্ৰহাৰিলা।
বিষাদ শবদে সিটো ঊৰ্দ্ধক চলিল।
কতোদূৰে থাকিয়া গৰুড়ে আকলিল॥
বিদ্যুত সঞ্চাৰ বেগে ঠোঁঠ মেলি ধৰি।
মুচৰি ভাঙ্গিলা তাক দুই খণ্ড কৰি॥
পৃথিবীত পড়িলেক হয়া দুই ফাল।
দশ হাত মানে তাক মহী ভৈল খাল॥
কৃষ্ণৰ বাহন বড় বলন্ত গহন।
তাহান কাৰ্য্যক কৈলা সিদ্ধ মুনিগণ॥
হেন দেখি দানবৰ ক্ৰোধ গুৰুতৰ।
শিলাখণ্ড তুলি লৈলা মহাভয়ঙ্কৰ॥

প্রকোপিত যম যেন দেখি লাগে ভয়।
গরুড়ও জিজ্ঞাসিয়া আছে দৃঢ়তয় ॥
বেঢ়ে প্রস্থে হবে তাব যোজন প্রমাণ।
দেবগণে বোলে সবে হোৱয় নির্য্যাণ ॥
কৈক যাইবে সবাকো চিন্তিবো আজি মাব।
এহিবুলি মহাকোপে কৰিলা প্রহাৰ ॥
তাহাকো ধৰিলা ঠোঁঠে বৈনতানন্দন।
দেবগণে প্রশংসা কৰিলা ঘনে ঘন ॥
হৰিব বাহন বীৰ বড় শিৰোমণি।
মহা শিলাখণ্ড ঘিটো নাশিলা আপুনি ॥
মুষল বিনাশি শিলা খণ্ড কৈলা ছন্ন।
মহাখঙ্গ কৰে আতি দানৱৰ মন ॥
মহাক্রোধ কৰে সিটো ধৰিবাক মন।
দেখি হৰি বধ অস্ত্র হানিলা তেখন ॥
মাধৱৰ হাতে ভৈল চক্রৰ প্রহাৰ।
তাহাৰ বৃহৎ স্কন্ধে পড়িলেক আৰ ॥
জটবাই শিৰ গোট ছেদিলা তেখন।
কতোবেলি থিৰএ বহিলা জীয়া যেন ॥
কি ভৈল কি হৈভল বুলি লোকে আছে চায়।
শিৰগোট কতোদূৰে পড়িলেক যায়।

নিকলিল তেজ ধার কতো দুর মানে।
গিরিসিত করি পাছে পড়িল সন্ধানে॥
পড়িল দানব হেন জানি দেবগণ।
জয় জয় শবদ করয় ঘনে ঘন॥
সিদ্ধ মুনি কুসুম সুরভি বরিষন্ত।
বিদ্যাধরে বজাবে দুন্দুভি অপর্য্যন্ত॥
করে স্তুতি নতি সবে সিদ্ধ মুনিগণ।
সাধ্য সিদ্ধ মুনিগণো মিলিল তেখন॥
ব্রহ্মা শূলপাণি ইন্দ্র দশদিগপাল।
আকাশতে রহিলেক আসি ততকাল॥
পারিষদগণো মাধবক আবরিয়া।
তথায়ে রহিলা সবে আনন্দিত হুয়া॥
গাব ঝঙ্কারিয়া পাছে বৈনতানন্দন।
কৃষ্ণক আবরি বসি রহিলা তেখন॥
শুনা সভাসদ পদ কুলাচল বধ।
হংসকাকি মিশ্র বনপর্ব্ব বিদপদ॥
পরম রহস্য হরি চরিত্র গহন।
একমনে শুনা যাব বৈকুণ্ঠক মন॥
আত কিছু লম্ভা নায় ব্যাসর বচন।
এক চিত্তে করা আক শ্রবণ কীর্ত্তন॥

পৰম-ৰহস্য সৰ্ব্ব শাস্ত্ৰ মধ্যে সাৰ।
সপ্তদশ ভাৰতেও সম নুহি আৰ॥
কিন্তু আমি আৰ অৰ্থ নুবুঝোঁ সমুলি।
নকৰিবা হেলা কিছু মোৰ পদ বুলি॥
বোলয় ভাৰত চন্দ্ৰে মই মহা দীন।
নিজ দাস কৰি মোক ভক্তিধনে কিন॥
নমো পূৰ্ণব্ৰহ্ম হৰি নৰ ৰূপ ধৰ।
গোপৰূপে মহাভাৰ খণ্ডি ধৰণীৰ॥
পাণ্ডৱক কৰা ৰক্ষা ভক্তি বশ্য হুই।
মোৰ সদা নছাড়োক তান পদ দুই॥
মই মহা দীন হীন আতি দুৰাশয়।
কাম ক্ৰোধে লোভে মোহে কুটিল হৃদয়॥
হেনয় জনৰ মোৰ পূৰা মনস্কাম।
সভাসদ লোকে ডাকি বোলা ৰাম ৰাম॥

দুলড়ি।

আত অনন্তৰে, শুনা যেন কথা,
জৈমিনিহে মহাসন্ত।
হৰক প্ৰমুখ্যে, যতেক দেৱতা,
তথাতে ৰহি অনন্ত॥

অনন্তৰে ব্ৰহ্মা, প্ৰণামি হৰিক,
বুলিলা স্তুতি বচন ।
দুষ্ট দানবক, মাৰিলাহা তুমি,
প্ৰভু দেব সনাতন ॥
তাহাৰ কাৰণে, চৌধয় লোকৰ,
প্ৰলয় আতি মিলয় ।
সকলে প্ৰজাক, তুমি তাৰিলাহা,
ভগবন্ত কৃপাময় ॥
তোমাৰ চেষ্টাক, বুজন নযায়,
সূক্ষ্ম স্থূল কিবা কাম ।
মহা মহা যজ্ঞে, জজিয়া তোমাক,
নপাৰে মনে উপাম ॥
হেন পৰব্ৰহ্ম, ভকত সবৰ,
কণো লগ নছাৰাহা ।
জ্ঞান কৰ্ম্ম যোগে, তোমাক নপাৰে,
কীৰ্ত্তনে বশ্য হোৱাহা ॥
তুমি গুণপুৰুষ, কৰ্ত্তা অধিকাৰী,
সমস্তকে বয়াৰন্ত ।
তোমাৰ বিনোদ, আমি ব্ৰহ্মাহৰ,
যত দেৱ অপৰ্য্যন্ত ॥

এহিবুলি ব্ৰহ্মা, মৌনে ৰহিলন্ত,
কৃষ্ণৰ চৰণ চায় ।
আগ বাঢ়ি হৰে, হস্তক যুৰিয়া,
বোলে অৱনত কায় ॥
নমো নমো মহা, পুৰুষ অনন্ত,
কাৰণৰো হে কাৰণ ।
সৃষ্টি স্থিতি যাৰ. কটাক্ষে বিলয়,
তুমি এক নিৰঞ্জন ॥
মহাযোগেশ্বৰো, পৰম যতনে,
নপাৱে মনে ওচৰ ।
সৃষ্টিৰ অন্তত, তুমি মাত্ৰ থাকা,
ভগৱন্ত মহেশ্বৰ ॥
কোটি অশ্বমেধো, জজিয়া তোমাক,
পাইবাৰ বড় দুৰ্লভ ।
শ্ৰৱণ কীৰ্ত্তন, কৰিয়া ভকতে,
পাৱয় আতি সুলভ
ইহাৰ প্ৰমাণ, ভক্ত পাণ্ডৱত,
লভিলা অতি প্ৰত্যয় ।
যাৰ ভকতিত, তুষ্ট হয়া মাত্ৰ,
কৰো লাগ-নচ্চাৰয় ॥

এতেকে তোমাৰ, বখান কৰয়,
ভকত-বৎসল নাম।
অনন্ত অনাদি. নমো সত্যবাদী,
পুৰা ভকতৰ কাম॥
আনো নানা স্তুতি, কৰি ত্রিনয়নে,
কৃষ্ণৰ আগত আছে।
মেঘৰ গৰ্জ্জনে, মধুৰ বচনে,
মাধৱে মাতিলা পাছে॥
শুনিয়ো শঙ্কৰ, শুনা সৃষ্টিকৰ,
তোমৰাত বাজ নায়।
ইটো প্রজা যত, বাধম ৰাবণ,
কৰিব. তোৰা সদায়॥
তোমৰাক যিবা, আৰাধন কৰে,
ৰাখিবা তাক সম্প্রতি।
যিটো নবাধয়, তাক নবাখিবা,
ইপুনু আন যুগতি॥
অসুৰ দানব, ৰাক্ষস পিশাচ,
দৈত্য আনো যত যত।
মনুষ্য লোকক, কেবে নসহয়,
জানা ইটো সাৰ তত্ব॥

এতেকে তোমরা,　　তাসম্বাক কিছু,
নবঢ়াইবা অনুমান।
তোমরার সিটো,　　অনুমতি পায়া,
মিলয় লোক প্রমাণ॥
দেব গন্ধর্ব্বর,　　পিতৃ সমস্তর,
মনুষ্যর মাত্র সিদ্ধি।
এতেকে তোমরা,　　মনুষ্যর পরা,
আনক নেদিবা বিধি॥
হে ত্রিপুরারি,　　তোমার আমার,
কিছু নাহি বিশেষণ।
হেনয় অস্ত্রক,　　দৈত্য দানবক,
নেদিবাহা আনথন॥
এহি অস্ত্রে সবে,　　দানব পামর,
ত্রৈলোক্য দহিবে নৈল।
যদ্যাপিতো তাত,　　অনেক উপায়,
তেবেসে সমস্তে বৈল॥
তুমি সবে আরে,　　লোক রাখিলে,
আনরা কোনে রাখিব।
মনুষ্যর দয়া,　　সরাকো নিবারি,
তেবে লোক উজলিব॥

হে ইন্দ্র তুমি, পাখো পগুৰক,
বনত ভালে চাহিবা।
অসংখ্যাত দৈত্য, দানব নাশিব,
তাহাব আপাহ পাইবা॥
ঘোব বধাসুৰ, নাশিল পাণ্ডৱে,
তিনি লোক নিপান্তয়।
তাহাক বধিয়া, সিসবে যিমতে,
গুচাইলা সবাবোভয়॥
হেনয় সবক, যতন কবিয়া,
বাখিবে লাগে তোমাব।
যি হেতু পাণ্ডবে, কবিয়া আছয়,
সৰ্বাহাকে উপকাব॥
পক্ষীয়ে বোলন্ত, শুনা মুনিবব,
যেন কথা ভাত পব।
এহি বাক্য শুনি, পবম কৌতুকে,
চলি গৈলা ব্ৰহ্মাহব॥
শুনা সভাসদ, হুয়া নিঃশবদ,
কৃষ্ণব চারু চবিত্র।
ইহাব শ্ৰবণে, সুকৃতি মিলয়,
পাপীও হোৱে পবিত্র॥

বিষ্ণু বৈষ্ণবব, ছুইহানো চৰিত্ৰ,
আত কৰা সতকাৰ।
ভাৰত ভূষণে, হৰি পাৱে ভণে,
ছুলড়ি ছন্দে পৰাৰ॥
হেন জানি সবে, আন কৰ্ম্ম এড়ি,
লৱা কৃষ্ণ গুণনাম।
মিলিবে মুকুতি, তৰিবা দুৰ্গতি,
ডাকি বোলা ৰাম ৰাম॥

ঝুমুৰি।

জৈমিনি মহাসন্ত।
কৰযোড়ে পুছিলন্ত॥
কহিয়ো বান্ধৱগণ।
পাছ কথা বিতোপন॥
দানৱ বধিলা হৰি।
ব্ৰহ্মাহৰে নতি কৰি॥
আপোন থানক গৈলা।
পাছে হৰি কি কৰিলা॥
কিবা বৈকুণ্ঠক গৈল।
পাণ্ডৱক কি বুলিল॥

কেনমতে জীয়াইলন্ত।
কোন স্থানে পাঠাইলন্ত॥
কোটি কোটি ব্রহ্মাণ্ডর।
ভগবন্ত মহেশ্বর॥
পাণ্ডবর বশ্য হুয়া।
নিজ কাম দরশিয়া॥
করি নানা কর্ম্মগণ।
গুণলীলা বিতোপন॥
কলিমন মনুষ্যর।
কৃপা করি দামোদর॥
আক শুনি ভণি আতি।
বৈকুণ্ঠত পাইবা স্থিতি॥
হেন অনুগ্রহ করি।
কৃপাময় দেব হরি॥
যশরাশি যুড়ি থৈলা।
তযু মুখে ব্যক্ত ভৈলা॥
কিনো মোর মহাভাগ।
শুনিবাক পাইলোঁ লাগ॥
তুমি চারি মহত্তর।
সঙ্গ পাইলোঁ গুরুতর॥

এহিবুলি মৌন ভৈলা।
প্রেমেতে ভুখিয়া বৈলা॥
দেখি তান প্রেমবাণী।
চারি জন মহামানী॥
কহিবে লাগিলা কাজ।
শুনিয়োক মুনিরাজ॥
এহিমতে হরি যেবে।
তহিত আছন্ত তেবে॥
যত মহা মুনিগণ।
সেহি থানে উপসন্ন॥
অগস্তিক আগকরি।
বোলন্ত দেখিবো হরি॥
মহা মহা যোগীচয়।
যোগ চিন্তি নেদেখয়॥
মহা মহা যজ্ঞ করি।
প্রবন্ধে নেদেখে হরি॥
আমি কায়কষ্ট করি।
অনেক সমাধি ধরি॥
তথাপি নপাও লাগ।
তাহাঙ্ক ধ্যানতো আগ॥

প্রত্যক্ষত হেন হবি।
দেখিবোঁ নয়ন ভবি ॥
আতি আথ বেথ কবি।
অগস্তিক আগকবি ॥
যোগবলে মুনিবৰে।
ক্ষণেকে আসিলা তবে ॥
শুনা তাসম্বাব নাম।
বিষ্ণুক দেখিবে কাম ॥
মুখ্য মুখ্য তাসম্বাব।
কিছু নাম কহোঁ আব ॥
অগস্তি গৌতম ধর্ম্ম।
পৰাশৰ নৰোত্তম ॥
অঙ্গীবস গৌবানন।
মৃকণ্ড মুদবশন ॥
ভাগু´বি ভার্গৱ কন্দ।
মুনি সত্ত সদানন্দ ॥
দ্বৈপায়ণ ভগৱন্ত।
ভৰদ্বাজ মুনি সন্ত ॥
মার্কণ্ডেৱ অত্রিবৰ।
বিশ্বামিত্র মৈত্রেয়ৰ ॥

ধৌম্যধৃত পশু বাম ।
জামদগ্নি কলু কাম ॥
চণ্ডবেগ কর্দ্দমক ।
কাত্যায়ণ সুমস্তক ॥
সুনন্দ সাবদানন্দ ।
চন্দ্রবিন্দ কৃষ্ণানন্দ ॥
শুকদেব বামদেব ।
যজ্ঞমেধা বামদেব ॥
এহিসব আদি কবি ।
আসিলা দেখিবে হবি ॥
অযুত হাজাব মুনি ।
আসিলা আনন্দে শুণি ॥
হবি দবশন আশে ।
মনন্ত আনন্দে ভাসে ॥
যথাত আছন্ত হবি ।
পাইলা আসি শীঘ্র কবি ।
ভাবন্ত সুবণে কয় ।
মুনুবিব পদচয় ॥
সাধু শুদ্ধ বুধ জন ।
শুনা হবি গুণ গণ ॥

দেখা হৰি দৰশন ।
ঋষি সবে কেন মন ॥
সবে ব্ৰহ্ম নিৰাময় ।
ব্ৰহ্ম বিনে নাহিকয় ॥
দেখিবাৰ বড় কাম ।
ডাকি বোলা ৰাম ৰাম ॥

পদ ।

পক্ষীগণে বোলে শুনা শুনিয়ো জৈমিনি ।
অযুত হাজাৰ মুনি আসিয়া তৈসানি ॥
দেখিলন্ত পাথৰ ওপৰে ভগৱন্ত ।
সিদ্ধ মুনি বিদ্যাধৰে উপাসি আছন্ত ॥
মুনিয়ে বোলন্ত মোৰ মনৰ-সংশয় ।
কুলাচল মৰি পাইলা কাহাৰ নিলয় ॥
হৰিৰ হাতত পড়ি মুকুতি পাইবাৰ ।
কেন মন আশা বড় হৈয়াছিল স্বাৰ ॥
পাছে কোন কৰ্ম্ম পাইল কৈয়ো তপোধন ।
মনে মাধৱৰ পাৱে পশিল শৰণ ॥
কহিয়োক ভাল কেনে-গতি হৈল পাছে ।
ইটো কথা শুনিতে মোহোৰ ইচ্ছা আছে ।

হেন শুনি বুলিলন্ত ধৰ্ম্ম পক্ষীবৰ ॥
শুনিবাহা পাছে ইও প্ৰশ্নৰ উত্তৰ ॥
আবে ইটো কথাক শুনিয়ো মুনি-সন্ত ।
এহি বুলি কৈবে লৈলা চাবিয়ো মহন্ত ॥
অগস্তি প্ৰমুখ্যে ঋষি সব নিৰন্তৰ ।
দেখিলন্ত সভাখান মহাভয়ঙ্কৰ ॥
সিদ্ধ মুনি স্তুতি কৰে গন্ধৰ্ব্বে গাবয় ।
বিদ্যাধৰে বাবে অপসৰায়ে নাচয় ॥
চাৰণ কিন্নৰ আনো দশদিগপাল ।
মাধৱক আৰাধিয়া আছয় সকাল ॥
পঞ্চ প্ৰহৰৰ পথ সভা খান জ্বলে ।
বসিয়া প্ৰকাশ কৰে ভকত বৎসলে ॥
শিৰে ৰত্ন কিৰীটি কৰয় আতি জ্যোতি ।
মকৰ কুণ্ডল গণ্ড প্ৰকাশিত কান্তি ॥
শৰত চন্দ্ৰক জিনি বদন মণ্ডল ।
তিলক অলকা পান্তি কৰে জলমল ॥
অৰুণ নয়ন ভ্ৰুৰ চাপ মনোহৰ ।
অৰুণ অধৰ নাসা তিল-ফুল বৰ ॥
মুকুতা দশন অল্প অল্প হাসি জাত ।
কৌস্তুভ জ্যোতি নৱ আদিত্য প্ৰভাত ॥

তাতে বনমালা গজ মুকুতার হার ।
শ্রীবৎস পংক্তি অর্দ্ধে লক্ষ্মীর প্রচার ॥
সিংহ-বক্ষস্কন্ধ চারু চারি হাত তাত ।
কঙ্কণ বলয়া ভুজ মৃণাল সাক্ষাত ॥
নব কিসলয় নিন্দে করর দীপিতি ।
নখচন্দ্র গঞ্জি তাতে আঙ্গুলির পাতি ॥
শঙ্খ চক্র গদা পদ্ম চারিয়ো করত ।
শ্যাম তনু পীতবাসে বিদ্যুতর মত ॥
কটিতটে ভূমি শোভে রত্নর মেখলা ।
বাজয় কিঙ্কিনি কান্তি অগনির জ্বালা ॥
দুখানি চরণ যেন নব পদ্ম কোষ ।
যাক দেখি ভকতর পরম সন্তোষ ॥
ধ্বজ বজ্র পঙ্কজ কমল মনোহর ।
হরে তাপ তিনি নখচন্দ্র রুচিকর ॥
পদ্মাসনে বসি আছা জগতর তাতে ।
সাবিত্রী আছয় লক্ষীবাজে দুই হাতে ॥
হেনয় লাবণ্য বেশ জগত তরুণ ।
দেখিলন্ত যায় মহা মুনি নিরন্তর ॥
নারদ প্রমুখ্যে দেবঋষি সব যত ।
হরির আগত আছা হয়া অবনত ॥

আগবাঢ়ি অগস্তি যুড়িলা দুই হাত।
নমো পূর্ণব্রহ্ম বুলি নমাইলন্ত মাথ॥
কবিবে লাগিলা স্তুতি কেশরক চায়।
নমো নমো ঘনানন্দ আদি অন্ত নায়॥
প্রকৃতিবো পালক পুরুষ নিরঞ্জন।
নমো ব্রহ্ম ঘনি যাব পুরুষ কাবণ॥
পালন সংহাব স্রষ্টা তিনি যাব কয়।
তিনি মূর্ত্তি তিনি গুণ তোমাতেসে হয়॥
তযু কটাক্ষতে হবে উৎপত্তি প্রলয়।
তুমি চিদানন্দ প্রভু অচিন্ত্য অজয়॥
তুমি মহা ব্রহ্ম নোহা ধ্যানব গোচব।
কোটি কোটি যজ্ঞে যজি নপাবে ওচব॥
মায়া আদি কবি সবে জড় যে পদার্থ।
তুমিসে চৈতন্য দেব হোবাহা সমর্থ॥
মন বন্দ কবি আমি প্রবন্ধ কবিয়া।
নেদেখোঁ তোমাক আমি সমাধি ধবিয়া॥
শ্রবণ কীর্ত্তনে পাবে ভকত সকলে।
নপাবয় যোগী সবো মহা যোগবলে॥
এহিমতে আবো স্তুতি কবিলা বিনয়।
তাক শুনিলন্ত পাছে প্রভু ভক্ত জয়॥

বপুহুতে বোলে মুনি শুনা নিৰন্তৰ ।
স্তুতি এড়ি কাকুতি কৰন্ত মুনিবৰ ॥
হে দেব ভগবান কৰি আছো দোষ ।
আমি বালকৰ কৰ্ম্মে এড়া অসন্তোষ ॥
তোমাক পাইবাৰ তৰে আমি ঋষি যত ।
কৰোঁ মহা মহা যজ্ঞ ক্ষেত্ৰৰ কাষত ॥
ইটো ৰাজা কুমাৰ পৰম দুৰ্ব্বিনয় ।
ঈশ্বৰ অৰ্পিত অন্ন খাইবাক খোজয় ॥
নেদিলাত মায়াকৰি ভুঞ্জিলে যতেক ।
ময়ো মায়া কৰি তাক কৰিলোঁ অনেক ॥
ভাগৰে ধৰিলে মই বলে নপাৰিল ।
বহু ৰাক কৰি মোত বৰক খুজিল ॥
মই বোলো বৰদাতা নোহোঁ তেবে আৰ ।
আপোন ইচ্ছায়ে সিটো কৰিলেক মাৰ ॥
এতেকে তাহাৰ মই বুলিলোঁ বচন ।
তাৰ অপৰাধ মৰসিয়ো নাৰায়ণ ॥
আৰু বড় আনন্দ আমাৰ মনে হয় ।
যত্নে যুজি তোমাক দেখিবে নপাৱয় ॥
তাহাঁৰ কাৰণে আসি দেখিলোঁ তোমাক ।
আৰ ৰূপে দেখা এড়ি নোৱাৰা আমাক ।

যি কৰ্ম্মত তোমাক পাৱয় দৰিশন।
তাহেকেসে কৰ্ম্ম ধৰ্ম্ম বোলে সাধুজন॥
মহা কায় কষ্টব্ৰতে নপাওঁ তোমাক।
দানৱৰ কাৰণেসে দেখিলো তোমাক॥
কিনো ধন্য কিনো ধন্য কুলাচল বীৰ।
পৰম প্ৰসাদসিটো লভিল হৰিৰ॥
এহি কহি মুনিবৰে প্ৰেমত মজিল।
ঋষিৰ প্ৰেমক দেখি হৰি প্ৰশংসিল॥
পৰম যোগেন্দ্ৰ তুমি সাধু মধ্যে সাৰ।
তোমাৰ সুযশ কীৰ্ত্তি লোকত প্ৰচাৰ॥
আৰু এক কহোঁ কথা শুনিয়োক তাত।
তযু ভৃত্য কৰ্ণ ৰাজা জগতে প্ৰখ্যাত॥
সহস্ৰেক যজ্ঞে যিবা যজিছে তোমাক।
লাগয় তোমাৰ তাক কৃপা কৰিবাক॥
অনুমান ভক্তি যিটো তোমাত কৰয়।
তাকো মোৰে বুলি দয়া কৰা কৃপাময়॥
এতেকেসে কৰ্ণ ৰাজা ক্ৰোধ চণ্ডালত।
পাপৰ স্বৰূপে পড়ি আছয় সমস্ত॥
হস্তী ঘোঁৰা ৰথী ৰথ ৰাজা সহস্ৰেক।
মোৰ কষ্টে শিলা হয়া আছয় প্ৰত্যেক॥

তাক মুক্ত কৰিবাক লাগয় তোমাৰ।
পতিত পাৱন নাম জগততে সাৰ ॥
বদন্তি বপুৰ সুত জৈমিনি মহন্ত।
এহি কথা শুনিয়া মাধৱে হাসিলন্ত ॥
কিনো তেজৱন্ত ঋষি কাল ৰূপ হয়।
কটাক্ষতে তিনি লোক দহিবে পাৰয় ॥
পৰম তেজস্বী আৰু আমাত ভকত।
কমনে কৰিবে পাৰে আহান মহত ॥
অনন্ত মহিমা ইটো ব্ৰহ্মাৰ পুত্ৰৰ।
এতেক জানিয়া মাতিলন্ত চক্ৰধৰ ॥
শুনিয়ো মহন্ত ধীৰ মহা সন্ত জন।
তব অপৰাধে সিটো হৱয় পতন ॥
মোৰ দ্ৰোহ কৰি মহন্তৰ দ্ৰোহ টান।
ঠাৱে ঠাৱে আক সবে দেখিছে প্ৰমাণ ॥
পূৰ্ব্বে জয় বিজয়ে বৈষ্ণৱ হেলনাত।
অসুৰ ভৈলেক বৈকুণ্ঠৰ হুয়া পাত ॥
ইটো কৰ্ণ ৰাজা দ্ৰোহ আচৰি সত্তৰ।
সহ ৰাজ্যে শিলা হৈয়া বৈয়াছে অপাৰ ॥
তব বাক্য তাৰ ভৈল প্ৰতীকাৰ জয়।
উদ্ধাৰ কৰিবে তাক আমাৰ লাগয় ॥

দেখা সংস্তব কেন দয়া মনুষ্যক।
আপোনাকো হেলি বক্ষা কবন্ত ভক্তক॥
এতেক মহন্ত সজ জগন্ততে সাব।
কহিলো বহস্য কথা শুনা পুনর্ব্বাব॥
এহিমতে বহিছন্ত জগতব পতি।
শুনা যেনমতে কথা মিলিল তহিতি॥
পড়ি আছে কূলাচল পর্ব্বত আকাব।
পূর্ব্বব প্রশ্নক মুনি শুনিয়োক আব॥
যিবেলা তাহাক হবি ছেদন কবিল।
কণ্ঠো দূবে গাগুি মুণ্ড নিলগি পড়িল॥
তাহাব দেহব পবা মূর্ত্তি বাজ হৈল।
দিব্য রূপ ধবি হাতে চাবি অস্ত্র লৈল॥
কিবীটি কুণ্ডল হাব বনমালা গলে।
মহা সুকুমাব দেহা দেখিলা সকলে॥
পাছিলা সমূহব কাষব চাপিল।
অষ্টাঙ্গে প্রণামি বঙ্গে বুলিবে লাগিল॥
নমো ভয়হাবী মোক তাবিলা মুবাবি।
লৈলো দাস বুলি অপবাধ ক্ষমা কবি॥
বুলিলাহো কবি আছে যোব অপবাধ।
দিলা মোব কেন মতে কবিবোহো বাধ

জগতৰে পিতা মাতা তুমি নিজ গতি।
তোমাৰ কুক্ষিত আমি আছোহোঁ সম্প্ৰতি।
কুক্ষিত থাকন্তে শিশু পেটে ঘালে পাৰে।
তাহাৰ দোষক তভো নধৰন্ত মাৱে ॥
এতেক তোমাৰ আমি আছোহোঁ কুক্ষিত।
এতেকেসে অপৰাধ ক্ষমিতে উচিত ॥
এহিবুলি প্ৰণাম কৰিলা শতবাৰ।
ধৰিলন্ত চাৰি অস্ত্ৰ অতি চমৎকাৰ ॥
কৃষ্ণ কৃষ্ণ নাম উচ্চকৰি উচ্চৰিল।
কতো দূৰে গৈয়া দিব্য বিমানে চড়িল ॥
সৰ্ব্বলোকে চাহি আছে উৰ্দ্ধ দৃষ্টি কৰি।
দিব্য ৰথে চড়ি গৈল বৈকুণ্ঠ নগৰি ॥
দেখা কেন হৰি ভকতিৰ মহত্তক।
যেমনে তেমনে মাত্ৰ স্মৰোক কৃষ্ণক ॥
বৈৰভাৱে ভয় মনে যেমনে তেমনে।
প্ৰেম ভজনিৰ সীমা কহিবেক কোনে ॥
কুলাচল দানৱত দেখিয়োক চাই।
ইহাৰ প্ৰমাণ আৰু আছে ঠাই ঠাই।
পূৰ্ব্বৰ প্ৰশ্নৰ আগে সিদ্ধান্ত শুনিলা।
আগে শুনা যেন হৰি কৰিলন্ত লীলা ॥

ঋষিসব সমে যেবে আছা দেৱহৰি।
ৰাজাক তাৰিবে মহা ৰঙ্গক আচৰি॥
মেঘৰ গৰ্জ্জনে পাছে বোলন্ত বচন।
শুনিয়ো আমাৰ যেন মনৰ কাৰণ॥
তযু বাক্য শিলা হুয়া আছে ৰাজাবৰ।
তোমাৰ কৃপাত মুক্ত হৌক নিৰন্তৰ॥
অগস্তি বোলন্ত দেৱ হৌক সৰ্ব্বভাৱ।
শুক্লময় শিলা আত পৰশিয়ো পাৱ।
সাত প্ৰহৰৰ পথ দীৰ্ঘে প্ৰস্থে হয়।
এহিখানি মহী ঢাকি শিলা হুই আচয়॥
এতেকতে তযু কটাক্ষতে ভগৱন্ত
সবে শিলা গুছি পূৰ্ব্ব শৰীৰ হৈৱন্ত॥
অগস্তিৰ ৰাণী শুনি প্ৰভু নাৰায়ণ।
পৰমভূৰ পৰা পাৱ মেলিলা তেখন॥
যেতিক্ষণে তান পাৱ শিলাত লাগিল।
নিদ্ৰাৰ জাগিয়া যেন পুৰুষ উঠিল॥
পাৰিষদ সেনা সবো অন্তৰি ৰহিল।
অসংখ্যাত ৰাজাগণে আৱৰি বসিল॥
পূৰ্ব্বমতে বস্ত্ৰ অলঙ্কাৰে সুমণ্ডিত।
মাহুত সহিতে হস্তীসব বিপৰীত॥

গৰুড়ত চড়ি হৰি দশো দিশে চাইল ।
তুতয় দিনৰ মান পথ ভেট পাইল ॥
যিটো হৰি আত্মাৰূপে সবাতো আছন্ত ।
বাহিৰ ভিতৰ জানা নাহি আদি অন্ত ॥
হেন পূৰ্ণব্ৰহ্মাৰ বা দৃষ্টি লাগে কিক ।
লোকক দেখান্ত হেনমত ভকতিক ॥
সিবেলা পাথৰ ৰূপে যতেক আছিল ।
সবে নিজ চিহ্নুধৰি পূৰ্ব্ববৎ ভৈল ॥
জয় জয় বুলি সবে বাৱে বাদ্যভণ্ড ।
প্ৰজাৰ শিৰত দলদোপ মহীখণ্ড ॥
সত্যৰ ব্যৱস্থা সবে বৃহত শৰীৰ ।
মুহি ছোট মহাশুদ্ধ গহীন গম্ভীৰ ॥
কলিৰ কালৰ প্ৰজা জানুমান হয় ।
হয় হস্তী ৰথী ৰথ সবেয়ো তেহুয় ॥
ধৰ্ম্ম পক্ষীগণে বোলে শুনিয়ো জৈমিনি ।
প্ৰজাৰ শিৰত মাত বোলক মুশুনি ॥
পৰ্ব্বত সমান হস্তী ঘোড়া পথাময় ।
আকাশত গতি কৰি ফুৰিবে খোজয় ॥
মাধৱে বোলন্ত পূৰ্ব্ব শৰীৰ থাকোক ।
কিন্তু কলিযুগৰ ব্যৱস্থা প্ৰৱৰ্ত্তোক ॥

এহি বুলি প্রজা সব চাহিলন্ত হৰি।
কটাক্ষ অমৃতে সবে গৈল ভৰি পুৰি॥
নাচে হাসে প্রজাসবে কৰে জয়ধ্বনি।
স্বৰ্গ পুৰ পুৰিলেক প্রজাৰ হিসনি॥
অনন্তৰে ৰাজা সবো প্রকাশ কৰয়।
হৰিৰ মূৰ্ত্তিক মানে প্রশংসা কৰয়॥
অন্যো অন্যে বোলে ওৰা কিনো ভাগ্যোদয়।
যাক ব্রহ্মা হৰে চিন্তি ধ্যানে নপাৰয়॥
হেন পূর্ণব্রহ্মক দেখিবে পাইলো লাগ।
অগস্তি মহন্তে কিনো দিহল মহাভাগ॥
তিনি যুগ শিলা হুয়া আমি আছোঁ পড়ি।
পুত্র জীৱ ভাৰ্য্যা আৰু বৈৰ কেন কৰি॥
যম কালে সবলোক কৰিলেক চুৰ।
আমবাৰ পুত্র ভাৰ্য্যা পাইবোঁ কোন পুৰ॥
কতো গোটে বোলে ওৰা নকৰিবা ৰোষ।
ত্রৈলোক্যৰনাথ হৰি হুই আছা সন্তোষ॥
কোন বস্তু ধন নাৰী পাইবোঁ যত লাগে।
কোননো অলভ্য আছে ঈশ্বৰৰ আগে॥
এহিমতে কহে কথা ৰাজগণ যত।
কৰ্ণদত্ত ৰাজা আছে হৰিৰ আগত॥

বৃহত শৰীৰ তাৰ সুন্দৰ সুথিৰ।
থৰ ভৈল জিহ্বা তাৰ বাক্যৰ অথিৰ॥
দুই কৰযুড়ি মাতিবাক নপাৰয়।
ইঙ্গিতে জানিলা তাক দেব কৃপাময়॥
অগস্তিক মাতিয়া বোলন্ত দামোদৰ।
নবজাৰে বাক্য দেখা ৰাজাৰ মুখৰ॥
তযু কমণ্ডলু জল দিয়োক তাহাক।
তেবেসে তাহাৰ জীহ্বে বজাৰয় বাক॥
কেশৱৰ আজ্ঞায়ে মুনিয়ে জল দিলা।
মাথাত লৈলেক জল ভোজন কৰিলা॥
এতেক বিন্যাস ভৈল বাক্যবহ্নি যত।
বুলিবে লাগিলা স্তুতি বিষ্ণুৰ আগত॥
মুনিয়ে পুছন্ত মোৰ মিলিল সংশয়।
একেলগে শিলা ভৈল ৰাজা সমস্তয়॥
তাসম্বাৰ বাক্য কেনে মুখত আসিল।
কর্ণদত্ত ৰাজা কিয় জড় হুয়া ৰৈল॥
ইসব সংশয় মোৰ ছেদিবে লাগয়।
কহিয়োক জানা তুমি চাৰি কৃপাময়॥
হেনশুনি বপুমন্তে বুলিলা বচন।
ইহাৰ কাৰণ আৰে শুনা তপোধন॥

মহন্তক নিন্দাকৰি বোলয় বচন।
ভক্তকো হেলয় কতো কৰে কদৰ্থন॥
ইহলোকে তাৰ জিহ্বা খসিয়া পৰয়।
পৰলোকে মহাঘোৰ নৰকে পচয়॥
হৰিৰ দ্ৰোহতো বৈষ্ণৱৰ দ্ৰোহ টান।
দুই হাস্তো কৰিয়া ভক্ত-নিন্দাসে প্ৰধান॥
দেখিয়ো প্ৰমাণ কৰ্ণ ৰাজাৰ সাক্ষাত।
বৈষ্ণৱ হেলাত বাক্য নাসয় জিহ্বাত॥
পৰম ঈশ্বৰে কৃপা কৰিছা প্ৰত্যেক।
অগস্তিৰ সন্তোষত বাক্য লভিলেক॥
হেন জানা মহন্তক নিন্দে যিটোজন।
তাক কেন মতে আনে কৰিবে ৰক্ষণ॥
কহিলোঁ। তোমাত হংস নাৰায়ণ বাণী।
সকলে শাস্ত্ৰত আক চাহিয়ো প্ৰমাণি॥
কহিলোঁ। তোমাত ইটো কথা মহামতি।
পাছৰ কথাক আৰে শুনিয়ো সম্প্ৰতি॥
শুনা সভাসদ সব যুগুতি বচন।
বৈষ্ণৱ ভক্তক নেহেলিবা একোজন॥
ভকত দ্ৰোহিৰ নাহি কৈতো আৰ গতি।
ইহ পৰলোকে ঘোৰ নৰকত স্থিতি॥

হেন কথা মনে ধরি ভক্তর মনত।
বৈষ্ণৱর পদ রেণু ধরিয়া শিরত॥
হরিগুণ নাম করা শ্রৱণ কীর্ত্তন।
ভক্তর সঙ্গক নেড়িবাহা অনুক্ষণ॥
এতেকে লভিবা সুখে ভুকতি মুকুতি।
আতপরে নাহি আর অপর যুগুতি॥
ভারত ভূষণে বোলে মোর এহি কাম।
আত পরে আন নমাগোহোঁ প্রভুরাম॥
হেন জানি সর্ব্বজনে তেজি আন মতি
বোলা হরি হরি পাইবা বৈকুণ্ঠত স্থিতি।

ছবি।

ধর্ম্ম পক্ষিগণে বোলে, শুনিয়ো জৈমিনি মু
যেন কথা ভৈল তাতপর।
অপর্ত্তির কৃপা পাই, পাছে কর্ণদত্ত বা
বাক্য জিহ্বা ভৈলা থরতর॥
আগ বাঢ়ি করযুরি, কৃষ্ণ পাদ পদ্ম চা
কহিবে লাগিলা স্তুতি নতি।
নমো নিত্য সদাশিৱ, তুমি জগতরে বী
বিশ্ব আদি অন্তে তুমি স্থিতি।

ক্কতিতো পৰ তুমি, সবাবো দেবতা তুমি,
অচিন্ত্য মহন্ত চক্র পাণি।
ানে পড়িয়া আমি, মহন্ত বখ্যানি ফুৰেঁ।
তযু লীলা বৈভৱ নজানি॥
াতেৰ আত্মাবৰ, পূর্ণ কাম মহেশ্বৰ,
মহা যোগেশ্বৰবো আশ্রয়।
াতো তোমাক লাগ, বাক্য মনে নপাৱয়
অগম্যবো অগম্য নিশ্চয়॥
ম যত তুচ্ছ প্রাণী, আপোনাকে বড় মানি,
কৰিয়া ফুৰোহোঁ আতিছটি।
ব্রহ্ম অগনিৰ, আগত জুহিঁকা যেন,
তুযত আগল কিবিজটি॥
াৰি বোমৰ আতি, বিবৰে হোৱয় বাজ,
কোটি অণ্ড বেণু সম জাত।
ন্ত তুমি ব্যক্ত হুয়া, ছায়ায়ে বালকে যেন,
খেল লীলা কৰা অসংখ্যাত॥
মহা যত্নে যজি, তোমাক নপাৱে লাগ,
বাক্য মনে আহুত কৰিয়া।
াণ কীর্ত্তন কৰি, তোমাক পাৱয় লাগ,
মনসুখে গৃহত বসিয়া॥

যেঁহেনয় ভকতকো আমি. নিয়ম কৰিবে খোজ
ৰাজ্যভাৰ শ্ৰীমদ গৰ্ব্বে ।
ভকতৰ অৱমানে, তোমাৰ উপজে তা
শ্ৰীধন নাশ কৰা সৰ্ব্বে ॥
ইটো ৰাজ্যভাৰ প্ৰভু, আমাক নলাগে আ
ভিক্ষা মাগি কৰিবোঁ ভোজন ।
তোমাৰ ভকতৰ সঙ্গে, কানিকন্থা উড়ি স
কৰিবোহোঁ শ্ৰৱণ কীৰ্ত্তন ॥
কাম ক্ৰোধ লোভ মোহ, অবিদ্যাৰ বল স
মোক-আতি ধৰসে সকল ।
ইসবক পৰিহাৰ, কৰিবে ছেদিবে পা
তযু নিজ-বৈষ্ণৱ সকল ॥
হেনয় দুৰ্ল্লভ মোক, বৈষ্ণৱৰ সঙ্গ দি
এহিমাত্ৰ মোৰ মনকাম ।
তযু নাম মুখে বোক, কৰ্ণক শ্ৰৱণ হো
এহি দুই নহোক বিৰাম ॥
দেখা শুদ্ধ বুদ্ধ জন, কৰ্ণজত নৃপতি
কেনে হৰি ভকতিত আশ ।
অথিৰ জীৱন কায়, এই আছে এইক্ষ
সকলে অনিত্য গৃহবাস ॥

। জানি নবলোক, কলিত মুকুতি হোক

কবিয়োক হবিত ভকতি।

বা সংসাব ভয়, ভাবত ভূষণে কয়,

ইটো সবে শাস্ত্রব যুগুতি॥

য়ত রূপ ধবা, হস্তে তান কৃত্য কবা.

মুখত নেড়িবা হবিনাম।

চত্র পবাব ছবি, বচিলা ভূষণ কবি

ডাকচাড়ি বোলা বাম বাম॥

পদ।

এহিমতে আনো নানা কবি স্তুতি নতি।

প্রেমত মজিয়া বহি আছন্ত নৃপতি॥

তাহান প্রেমক দেখি হাস্যকবি হবি।

মাতিবে লাগিলা মনে বিমবিষ কবি॥

কর্ম্মি মনুষ্যব দম্ভদর্প সুগুচয়।

আপদ ঔষধে সিটো ব্যাধি দূব হয়॥

মোব ভকতক পীড়ে কবি অহঙ্কাব।

আপদ লগুসে তাব ছিণ্ডে বন্ধ আব।

এতেকে ইহাব আবে কুবুদ্ধি মিলিল।

মহামুনি অগস্তিক ঔবধ দিলিল॥

এহিতো ঔষধ পায়া স্থুহ ভৈল মতি।
এচিন্তুণি হাসি মাতিলন্ত লক্ষ্মীপতি॥
মাধবে বোলন্ত শুনা বাজা মহাশয়।
মোহোব বচন আবে কবিয়া নিশ্চয়॥
ক্রতুব দিবসমানে বাজ্যক ভুঞ্জিবা।
পাছে মহাভক্তি কবি মোব লোক পাইবা॥
শুনা পূর্ণান্দব তুমি মোব বাক্য ধবা।
কর্ণদন্ত বাজাব কুবুদ্ধি দুব কবা॥
অপসবাগণ আক অনায়া দিয়োক।
ইহাব বাজ্যত সবে নাবীগণ হোক॥
পূর্ব্ব নাবীগণ মানে সবে নষ্ট গৈল।
পুত্রব লগত সবে স্বেচ্ছাচাবী ভৈল॥
যুধিষ্ঠিব বাজা সমে চাবি পাণ্ডবক।
একেলগে থৈয়ো নিয়া কবি মোব বাক্য॥
ধর্ম্ম পক্ষিগণে বোলে শুনা মুনিসন্ত।
মহামুনি সবাকো কটাক্ষে চাহিলন্ত॥
গরুড় স্কন্ধত চড়ি পাবিষদ সমে।
আকাশ গমনে চলি গৈলা অনুক্রমে॥
সিদ্ধ বিদ্যাধবগণে দুন্দুভি বজাইল।
জয় জয় নাবায়ণ আনন্দে ঘুষিল॥

কর্ণদত্ত নৃপতি যতেক প্রজামান ।
চাহিয়া আছন্ত কৃষ্ণ বৈকুণ্ঠ প্রয়াণ ॥
দশ দিগপাল আনো ঋষি মুনিগণ ।
নিজ নিজ স্থানে সবে কবিলা গমন ॥
অনন্তবে কর্ণদত্ত হুয়া অবনত ।
কৃষ্ণব প্রয়াণ চাহি আনন্দ মনত ॥
অগস্তি প্রমুখে ইন্দ্র আছন্ত তহিত ।
কবিলন্ত কর্ম্ম যেন ঈশ্ববে বিহিত ॥
বেদধ্বনি কবি পুষ্প মহা মুনিগণে ।
নৃপতিক আশংসিলা মধুব বচনে ॥
অগস্তি বদতি বাজা তুমি ভাগ্যবন্ত ।
কোটি অশ্বমেধ যজি যাক নপাবন্ত ॥
মনুষ্য শবীবে হেন বিষ্ণুক দেখিলা ।
তোমাব পুত্রক মিটো বৈকুণ্ঠক নিলা ॥
বাজায়ে বোলন্ত অনুগ্রহে তোমবাব ।
বৈষ্ণবব কৃপাতেসে লোকব নিস্তাব ॥
মহন্তেসে কবাবে ঈশ্বব পবিচয় ।
সাধুসঙ্গে সংসাবব প্রহি বিনাশয় ॥
ভবসংসাবব পাব তবিবাক মন ।
একচিত্তে ভাবোঁক সাধুব চৰণ ॥

আপোনাতে ইহাব প্ৰমাণ বিদ্যমান।
সম্ভব কৃপাত বৈকুণ্ঠত পাৱে স্থান ॥
এহিবুলি ৰাজা অগস্তিক নমিলন্ত।
ভক্তি ভাবে গন্ধে পুষ্পে ধূপে পূজিলন্ত ॥
পৰম সন্তোষে ঋষি দিলা আশীৰ্ব্বাদ।
পূৰ্ব্বতো কৰিয়া অতি কৰিল প্ৰসাদ ॥
শুনা ৰাজা তোমাত কহও প্ৰতি প্ৰতি।
ভক্ত বৈষ্ণৱত সদা নচাড়িবা ৰতি ॥
মহন্তসে কৰে সবে জগত উদ্ধাৰ।
ৰাজ্য সুখ ধনজন বাঢ়িবে অপাৰ ॥
বলে পৰাক্ৰমে দশপুত্ৰ হৈবে জাত।
একইন্দ্ৰ মানে ভোগ ভুঞ্জিয়ো সাক্ষাত ॥
বিষ্ণু বৈষ্ণৱৰ মহাসেবাৰ বলত।
দেহ এড়ি থান তেবে পাইবা বৈকুণ্ঠত ॥
হেন শিক্ষা দিয়া মুনি চলিয়া গৈলন্ত।
অসংখ্যাত অপসৰা বাসবে দিলন্ত ॥
ৰাজা সকলকো দিলা যথাযোগ্য মত।
কৰ্ণ নৃপতিক নাৰী দিলা একশত ॥
অনন্তৰে কৰ্ণদত্ত নৃপতি সত্তম।
বাসৱক পূজা কৰিলন্ত বিধিমত ॥

কতো বেলিমানে বাজা স্তব্ধিয়া আছিলা।
পাছে বাসবক হেন বচন বুলিলা॥
কর্ণদত্ত বোলে দেব শুনা সুৰপতি।
পাণ্ডৱক দেখিবাক ইচ্ছা যায় অতি॥
যদি দয়া থাকে তেবে প্রসাদে তোমাৰ।
মহন্তৰ দৰশন হোৱয় আমাৰ॥
ৰাজাৰ বচনে সুৰপতি ৰঙ্গমনে।
পুষ্পমালী গন্ধৰ্ব্বক পাঠিলা তেখনে॥
পুষ্পমালী লৈয়া যাহ দুখান বিমান।
ধৰ্ম্মৰাজ যুধিষ্ঠিৰ দ্ৰৌপদীক আন॥
মনুষ্যৰ মানে পথ দশম দিনৰ।
তই প্ৰহৰেক মানে আসিয়ো সত্বৰ॥
হেন শুনি পুষ্পমালী আকাশে চলিল।
দুই দণ্ডে নৃপতিৰ স্থানক লভিল॥
ৰুণ ঝুন কিঙ্কিনী বাজয় বিমানৰ।
উপৰক চাহি দেখিলন্ত নৃপবৰ॥
দ্ৰৌপদীক চাহি ৰাজা বুলিলা বচন।
ইঠাৱক আসয় বিমান দুই খান॥
কিবা দেৱতাৰ কিবা দানবৰ মায়া।
সাৱহিতে ৰহিয়োক দ্ৰৌপদ তনয়া॥

এতহন্তে গৈয়া তেবে বিমান নামিল ।
ৰজাক সাদৰি হেন বচন বুলিলা ॥
শুনিয়ো নৰেন্দ্ৰ আজ্ঞাধৰি বাসৱৰ ।
দ্ৰৌপদী সহিতে চড়া বিমান উপৰ ॥
পুষ্পমালী নাম মই বিদ্যাধৰ পতি ।
তোমাক নিবাক লাগি পঠাইছে অহিতি
অবিলম্বে উঠা ৰজা নকৰি সংশয় ।
শতক্ৰতু মাতিছয় যাইবাক লাগয় ॥
যুধিষ্ঠিৰ বোলে বিষ্ণু নাৰায়ণ হৰি ।
মানুষে দেৱৰ যানে উঠো কেন কৰি ॥
মহা তপ জপ হোম কৰি বহুতৰ ।
বিমানে উঠিবে তেবে পাৰে কোনো নৰ
চটুৱা টামোন যিটো মনুষ্য হোৱয় ।
আছোক উঠিবে দেখিবাক নপাৱয় ॥
হেন জানি কেমনে চড়িবো বিমানত ।
আমি বনবাসী পুণ্যহীন অল্পসত্ত্ব ॥
চাৰিগুটি ভ্ৰাতৃমোৰ পড়িল বশত ।
কি মুখে চড়িবো আমি দেৱবিমানত ॥
বৈৰপৰা আইলা তুমি অহিতে চলিয়ো ।
আমাক নিবাৰ তুমি আশা নকৰিয়ো ॥

নৈৰাশ বচন শুনি বিদ্যাধৰ ৰাই।
অৱনত ভাবে পুনু মাতিলা তুনাই॥
শুনিয়োক নৰদেৱ বোলোঁ আৰবাৰ।
দেখিবাহা চাৰিভাই তহিতে তোমাৰ॥
দেৱৰ আজ্ঞাক ভঙ্গ কৰিবে নালাগে।
আজ্ঞা ভঙ্গে দোষ যেন জানা মহাভাগে॥
ৰাজ আজ্ঞা গুৰুৰ বচন সাৰতৰ।
দেৱতাৰ আজ্ঞাক লঙ্ঘয় যিটো নৰ॥
ইহপৰকালে তাৰ নাহিক তৰণ।
সকল শাস্ত্ৰক তুমি জানা বিচক্ষণ॥
হেন শুনি নৰনাথে দিলন্ত উত্তৰ।
শুনিয়োক আমাৰ বচন দেৱবৰ॥
অসংখ্যাত ধৰ্ম্ম কৰ্ম্ম কৰি যজ্ঞব্ৰত।
তেবে চড়িবাক পাৰে দেৱ বিমানত॥
আমি কাম ক্ৰোধ লোভে আবৃত হৃদয়।
জানি বিমানত চড়িবাক যোগ্য নয়॥
আৰু এক কথা কহোঁ শুনা দেৱবৰ।
আসিল অসুৰ বেশ ধৰি ব্ৰাহ্মণৰ॥
মায়ারূপে যুদ্ধ কৰিলেক অন্ন খাই।
পাছে বৃকোদৰে তাক মাৰিল কোবাই॥

হেন শুনি বিদ্যাধৰ গন্ধৰ্ব্বৰপতি ।
মনত বোলন্ত ভালে নযান্ত নৃপতি ॥
ইহাঙ্ক নেনিলে ক্রোধিবন্ত সুৰপতি ।
অসুৰৰ মায়াক ডৰাৱে এন্তে অতি ॥
বিমানত সুঠয় শঙ্কিয়া অতিশয় ।
মোহোৰ নিৰাক কষ্ট ভৈলেক নিশ্চয় ।
এহি ভাবি আথে বেথে গন্ধৰ্ব্বৰ ৰাই ।
সাদৰিয়া নৃপতিক বুলিলা ছুনাই ॥
শুনিয়ো ৰাজন্য মোৰ বাক্যে দিয়া মন
যিবোল বুলিলা ইটো স্বৰূপ বচন ॥
যদি সুধানৰ হোৱে বৈষ্ণৱ নোহয় ।
সিটো দেৱ বিমানে চড়িবে যোগ্য নয় ॥
তুমি চক্রৱৰ্ত্তী ৰাজা বৈষ্ণৱতে সাৰ ।
কহি আছো ভগবন্তে যশস্যা তোমাৰ ॥
বোলে কুলাচলে শুনিয়োক নাৰায়ণ ।
আমাক যুজাহা তুমি কিসৰ কাৰণ ॥
সৰাহাতে সম জগতৰ বাপমাৱ ।
আমাক মাৰাহা কেনে বিষম স্বভাৱ ॥
মাধৱে বোলন্ত কথা শুন কুলাচল ।
সৰবুদ্ধি মোহোৰ সবাতো সমবল ॥

ভকতৰ পদে মাৰো দুৰ্জ্জন সবক।
তই খালি আছ মোৰ ভক্ত পাণ্ডৱক ॥
ভকতিসে জান মোক ভকত আছয়।
এতেকে তোহোকো মোৰ মাৰিবে লাগয় ॥
আৰু বৈকুণ্ঠক যাস্তে বুলিলা ইন্দ্ৰক।
দশদিগপালে বাধিবাহা পাণ্ডৱক ॥
আপোনাৰ দেহসুখ চাহে দেবগণ।
মহন্তৰ দেহা জানা পৰৰ কাৰণ ॥
জগতৰ বৈৰক মাৰিলা বৰাসুৰ।
তিনিয়ো লোকৰ মহাভয় ভৈলা দূৰ ॥
হেনতো ভক্তক বাধিবাহা যত্নকৰি
এহিকহি বৈকুণ্ঠক গৈলা দেৱহৰি ॥
হেমসে বৈষ্ণৱ তোৰাসব পাক জন।
তযু দৰশনে হোৱে বিমান শোভন ॥
মোৰো মহাভাগ্য তোমাৰাক দৰশন।
সন্তদৰশনে গুচে মহা ক্লেশগণ ॥
এহি শুনি মৌন ভৈলা যুধিষ্ঠিৰ ৰায়।
জৰজৰি নয়নৰ নীৰ বহি যায় ॥
পৰম বৈষ্ণৱ কৃষ্ণ বিদ্যাধৰ পতি।
হৰিকথা শুনি ভৈল আত্মাৰ স্নমতি ॥

পুষ্পমালী বোলে দেব ঋষি সব যত ।
দশদিগপাল আৰু ৰাজা কৰ্ণদত্ত ॥
অগস্তি প্ৰমুখ্যে তোমাৰাক প্ৰশংসিল ।
যাহাৰ কাৰণে আমি বিষ্ণুক দেখিল ॥
কোটি অশ্বমেধ যজ্ঞি নেদেখয় যাক ।
হেনয় হৰিক আমি পাইলো দেখিবাক ॥
একক্ষণো নছাড়ন্ত সাধুসঙ্গ হৰি ।
কোটিযজ্ঞ তুল্য নোহে সাধুসঙ্গ কৰি ॥
পক্ষিগণে বোলে মুনি শুনিলা ৰহস্য ।
মহন্তৰ সঙ্গে ঈশ্বৰক কৰে বশ্য ॥
লক্ষযজ্ঞ নোহে মহন্তৰ সঙ্গসৰি ।
ব্ৰহ্মাত কহিছা হংস নাৰায়ণ হৰি ॥
দ্বৈপায়ন মুখে আমি জানিলো সাক্ষাত ।
পৰম ৰহস্য তত্ত্ব কহিলোঁ তোমাত ॥
পুষ্পমালী বাক্যে ৰাজা ত্ৰষিল হৃদয় ।
স্নানিলন্ত দ্ৰৌপদী সহিতে মহাশয় ॥
পূজিলন্ত সৰ্ব্বক কৰি সৎকাৰ ।
পাদ্য অৰ্ঘ্য মধুপৰ্ক দিলায়া সম্ভাৰ ॥
বোলন্ত নৃপতি বিমানত চড়োঁ যাই ।
একেলগে চলিবাক পাণ্ডু পঞ্চভাই ॥

বিদ্যাধৰপতি বোলে শুনিয়ো বচন ।
আসি আছে তাসম্বাৰো বিমান এখান ॥
দ্রৌপদী সহিতে ৰাজা সালঙ্কৃত তাৰে ।
দেৱৰ বিমান খান নম্রি সেহিঠাৱে ॥
ৰাম কৃষ্ণ হৰি বিষ্ণু বিষ্ণু উচ্চৰিল ।
আপোনাক তুচ্ছমানি তাহাত চড়িল ॥
কৈৰ মই মানুষীয় জাতি বনবাসী ।
দেৱৰ বিমানে পাইলোঁ উঠিবাক আসি ॥
ক্ষুধা তৃষা জৰা ব্যাধি শোক মোহ ভয় ।
যাহাত চড়িলে কিছু পীড়া নাহিকয় ॥
চলিলা বিমানখান আকাশ গমনে ।
যথাত আছন্ত চাৰিপাণ্ডৱ শয়নে ॥
অশ্বিনী কুমাৰে মহাঔষধি কৰিল ।
তেৱে চাৰি বীৰ উঠি জাগিয়া বসিল ॥
একাদশ দিন শুতি আছে সেইঠাই ।
নিষ্কলঙ্ক শৰীৰ যাৰ বিষ কিছু নাই ॥
বীৰ শয়নত শুতি তৃপিতি ভৈলেক ।
চন্দ্রে আনি পৰম অমৃত ভুঞ্জাইলেক ॥
অনন্তৰে মহাৰাজা যুধিষ্ঠিৰ গৈলন্ত ।
দুৰ্ব্বলে চাৰিকো বীৰক দেখিলন্ত ॥

অসংখ্যাত দেবসেনাগণে বেঢ়ি আছে।
বিমান উপরে নরেন্দ্রক দেখি আছে॥
বিমবিষি মনে একো নপারয় থির।
মনত বোলন্ত কৃপা মিলিল হরির॥
এহি বুলি চারিবীরে আথে বেথে উঠি
নৃপতিক প্রণাম করিলা মনতুষ্টি॥
এতহন্তে বিমান চাপিলা দুইখান।
পুষ্পমালী তাহাত উঠিবে দিলাজান॥
চারিয়ো উঠিলা যাই একে বিমানত।
নিমিষেকে গৈলা পাঞ্চ প্রহরর পথ॥
অনন্তরে যাই দেখিলেক সভাখান।
দীঘলে বহলে নব প্রহর প্রমান॥
রাজাসব বসিয়া আছয় সাৰিসাৰি।
চতুর্দ্দিতি কর্ণদত্ত রাজাক আবরি॥
বাদ্যভণ্ড বোল প্রজা করে জয় জয়।
প্রজার হিল্লোলে মাতবোল শুশুনয়॥
ইন্দ্রক আবরি আছে দিগপালগণ।
সিদ্ধমুনি বিদ্যাধরে কিন্নর চারণ॥
গন্ধর্ব্বে গায়ন্ত বিদ্যাধরে বজাবয়।
মুক্ত অপসরা সবে কাচিয়া নাচয়॥

কতোদূৰে দেখিলন্ত নাৰীযুথ স্থান ।
সুন্দৰী পদ্মিনী অপসৰা বহুমান ॥
ষোলবছৰীয়া সবে ভূষণে ভূষিত ।
একৈকৰ ৰূপে পাৰে জগত মোহিত ॥
সবে সুলক্ষণী ৰূপেগুণে বিদ্যাধৰী ।
স্বৰ্গত থাকয় বাসৱক সেৱাকৰি ॥
বিষ্ণুৰ আদেশে দিয়ে মনুষ্য ৰাজাক ;
তিনি সহস্ৰেক মহা অপসৰাঝাক ॥
সেহিবেলা ভ্ৰাতৃসমে যুধিষ্ঠিৰ ৰায় ।
তথাত ৰহিলা আনন্দৰ সীমা নাই ॥
বিমানৰপৰা ছয়োজন নামিলন্ত ।
দ্ৰৌপদীক অপসৰা মাজত থৈলন্ত ॥
তিনি সহস্ৰেক অপসৰা বৰনাৰী ।
দ্ৰৌপদীৰ ৰূপ কেৱে যুৰিস্তে নাপাৰি ॥
দেখি সুৰনৰ সবে ভৈলেক বিস্ময় ।
হেনতো সুন্দৰী দেখিশুনি নাহিকয় ॥
ধৰ্ম্ম পক্ষিগণে বোলে জৈমিনি মহন্ত ।
দ্ৰৌপদীৰ ৰূপে সবে মোহিত ভৈলন্ত ॥
কৰ্ণদত্ত ৰাজা চক্ষুদৃষ্টি কৰি চাহিলা ।
যুধিষ্ঠিৰ ৰাজাক অদূৰে ভেটি পাইলা ॥

অনন্তৰে পাকোজন ছাপিল ওচৰ ।
গাৰে গাৰে বাসৱক নমিলা সত্বৰ ॥
বদতি বাসৱ শুনা ধৰ্ম্ম মহাৰায় ।
তুমি পাণ্ডু ভাই সমভাগ্যবন্ত নায় ॥
ত্ৰৈলোক্য ঈশ্বৰ হৰি যাহাৰ সহায় ।
চৈধ্যয় ভুবনে তাৰ অকল্যাণ নায় ॥
গালৱৰ বাক্যে ইটো দিশক আসিলা ।
চাৰিবীৰে কুলাচল সৈন্যক মাৰিলা ॥
চাৰিকো মাৰিয়া সিটো নগৰে পসিল ।
পাছে ৰাজা যুধিষ্ঠিৰে হৰিক প্ৰাৰ্থিলা ॥
পাৰিষদ সমে হৰি ৰণক আসিল ।
দৈত্য সেনা পাৰিষদগণে নিপাতিল ॥
মাধৱৰো সেনাসব মৰিল বহুত ।
পূৰ্ব্ব দেহা এড়ি সবে ভৈলেক মুকুত ॥
পাছে হৰি মহন্তৰ পালিয়া কথন ।
উপায়ে কৰিলা কুলাচলক নিধন ।
মুনিগণ সমে আসিলন্ত ব্ৰহ্মাদেৱ ।
সিদ্ধাদ্য বিদ্যাধৰ গন্ধৰ্ব্ব চাৰণ ॥
হৰিক কৰিলা বহুবিধ স্তুতি নতি ।
আপোনা থানক গৈলা কৰিয়া প্ৰণতি ॥

কুলাচল বীৰ কৰ্ণ নৃপতিৰ সুত।
হৰি হাতে মৰি সিটো ভৈলেক মুকুত॥
বৈকুণ্ঠে চলিলা ৰঙ্গে বিমানত চড়ি।
সেনাসবো মুকুত ভৈলেক হৰি বড়ি॥
অগস্তিৰ বাক্যে দেবদেৱ ভগৱন্ত।
পাৱে ছুঁই কৰ্ণ নৃপতিক তাৰিলন্ত॥
শিলা গুচি সমাৰাজ ভৈলেক মুকুত।
এহি সব তান সৈন্য সামন্ত বহুত॥
কৰ্ণদত্ত ৰাজা খোজে দেখিবে তোমাক।
সেই হেতু ইথানে আনিলো তোমাসাক॥
তুমি যেন নৃপতি বৈষ্ণৱ সাজে সাৰ।
সেহিমত ভাৱ তেহে জানিবা বিচাৰ॥
দুয়ো ৰাজা পৰিচয় হুইবাক লাগয়।
এতেক কহিলা পাছে দেৱ হৰি হয়॥
সিদ্ধ বিদ্যাধৰ সমে চলিয়া গৈলন্ত।
অনন্তৰে দুয়ো ৰাজা একত্ৰ ভৈলন্ত॥
শুনা সভাসদ বনপৰ্ব্ব পুণ্যকথা।
পৰম ৰহস্য হংসকাকী নাম যথা॥
বিষ্ণু বৈষ্ণৱৰ কথা সদা কৰা পান।
সংসাৰ ব্যাধিৰ ইসে ঔষধ প্ৰধান॥

হেন জানি শ্রবণ আঞ্জলি ভৰি নিত।
ভৰিবা কৰিয়ো পান দোৰ্ষোৰ কলিত
আতপৰে নাহি আন তৰণ উপায়।
বিচাৰি চাহিয়ো সবে বেদ শাস্ত্র চাই॥
এহিমাত্র তত্ত্বো পৰম তত্ত্বকাম।
তৰিবা সংসাৰ ডাকি বোলা ৰাম ৰাম॥

ছুলড়ি।

মুনিয়ে বোলন্ত, শুনা জমি
কৈলা ধৰ্ম্ম পক্ষিগণে।
আমিয়ো তোমাত, তাহাকে কহি
শুনিলাহা ৰঙ্গমনে॥
পূৰ্ব্বত নজানে, আক একোজ
আছিল অতি গুপুতে।
জগতক কৃপা, কৰিয়া বেক
থৈলা পৰাসৰ সুতে॥
তাহান আজ্ঞাত, মুনি মাৰ্কণ্ডে
পঢ়াইলা বপুমুতক।
চাৰি মহাজনে, জৈমিনিত কৈ
কৃপাকৰি জগতক॥

।সম্বাৰ কৃপা, অনুলেশ পায়া,
তোমাত আমি কহিলোঁ।।
ৃষ্ণৰ চৰিত্ৰ, পৰম অমৃত,
সাগৰত ডুব দিলোঁ॥
তক কহিয়া, কৃষ্ণক স্মৰিয়া,
মৌন হুয়া ৰহি আছে।
মজয় ৰাজা, দুই কৰযুৰি,
পুনুহো পুচিয়া পাছে॥
টা ৰহস্যক, তোমাৰ বদনে,
শ্ৰৱণে আমি শুনিল।
ৃয়ো পাছু কথা, বাসৱ চলিল,
আবোসবে কি কৰিল॥
বিয়ো মহন্তে, জৈমিনিৰ আগে,
কিবা কথা কহিলন্ত।
ৃনো একমনে, আমি দুঃখিতক,
কৃপা কৰা মুনিসন্ত॥
ুনিয়ে কহন্ত, নৃপতি শুনন্ত,
ধৰ্ম্মপক্ষিগণ বাণী।
শুনিয়োক আৰু, জৈমিনি মহন্ত,
পাণ্ডৱ-জেন কাহিনী॥

এহিমতে যেবে, দেব পুরন্দর,
চলি গৈলা নিজস্থান ।
দেবতা সকলো, তথা নথাকিল,
সবে গৈলা বিদ্যমান ॥
কতোদূরে বসি, চাহিয়া আছন্ত,
কর্ণদন্ত মহাবায় ।
অপসরা গণে; দ্রৌপদীক বেঢ়ি,
কৌতুকে আছন্ত চায় ॥

—•—

পদ ।

ধর্ম্মপক্ষিগণে বোলে শুনা মুনিসন্ত ।
কর্ণদন্ত রাজা আগবাঢ়ি আসিলন্ত ॥
ধর্ম্মনৃপতিয়ে স্নেহে সারটি ধরিলা ।
হরিষতে দুয়ো জন আসনে বসিলা ॥
কিনো ভাগ্য কিনো ভাগ্য পুরুষর মোর ।
তুমি হেন মিত্র পাইলোঁ। তপকরি ঘোর ॥
ঈশ্বরতো শ্রেষ্ঠ মহন্তর দরশন ।
পবিত্র ত্রৈলোক্যে বৈষ্ণবর পরশন ॥
এহিমতে আনো নানা করি সাধুবাদ ।
সকলে.কাঁদর যত এড়াইলা প্রমাদ ॥

যুধিষ্ঠিৰে বোলে মিত্ৰ তুমি মহাসত্ত্ব।
তোমাৰ চৰিত্ৰ কৈলা গালৱ মহন্ত॥
ভোজকট বধ কৰি মোৰ ভ্ৰাতৃগণ।
তোমৰাৰ নগৰ পাইলেক দৰিশন॥
গৃহ বাড়ী ভণ্ডাৰ তড়াগ হস্তিশাল।
আনো অসংখ্যাত যত মন্দিৰ চৌচাল॥
ৰত্নে বিৰচিত সবে নগৰ তোমাৰ।
তাহাৰ ভিতৰে একো নাহি নাৰীনৰ॥
তাক চাহি আসিয়া ঋষিত-পুছিলন্ত।
আদি অন্তে সবেকথা গালৱে কৈলন্ত॥
যেনমতে তুমি আছিলাহা অপুত্ৰক।
মহাপুৰুষাৰ্থে যেনে যজিলা যজ্ঞক॥
বহ্নিৰ কুণ্ডত যেনে পুত্ৰক লভিলা।
তাহাৰ কাৰণে যেন কষ্টক ভুঞ্জিলা॥
স্বৰূপত কষ্ট নুহি উপকাৰ হয়।
যিটো কৰ্ম্মে হৰিক পাৱয় লোকচয়॥
তাহাকে উত্তম কৰ্ম্ম বোলে সাধুজন।
তাহাত অধিক কৰ্ম্ম কি আছে শোভন॥
কোটি অশ্বমেধে যজি হৰিক নপাই।
তাহাৰ প্ৰমাণ দেখা পাইলা ইটো ঠাই॥

কর্ণৰাজা ৰোলে মিত্ৰ প্ৰসাদে তোমাৰ।
মহন্ত কৃপাত পাৰে হৰি ভজিবাৰ॥
তুমি চাৰিভ্ৰাতৃ সমে কুৰাহা বনত।
এতেকেসে হৰি কুৰা তোমাৰ সঙ্গত॥
কোন হেতু বনত ফুৰাহা মহাবায়।
কহিয়োক মোত শুনিবাক ইচ্ছা যায়॥
বদতি নৃপতি শুনা আমাৰ কাহিনি।
ব্যাসৰ ঔৰসে জাত পুত্ৰ তিনি খানি॥
প্ৰথমৰ পুত্ৰ জেহে অন্ধক ভৈলন্ত।
ধৃতৰাষ্ট্ৰ নাম হেন তাহাৰ থৈলন্ত॥
মধ্যপাণ্ডু আমি তান ভৈলো পাঞ্চোভাই।
ছোটজন বিদুৰ তাহান ৰাজ্য নাই॥
ধৃতৰাষ্ট্ৰ ৰাজা ভৈলা হস্তিনা পুৰত।
ইন্দ্ৰপ্ৰস্থে ৰাজা পাণ্ডু আমাসাৰ তাত॥
ধৃতৰাষ্ট্ৰ নৃপতিৰ শত পুত্ৰ ভৈল।
দুৰ্য্যোধন দুঃশাসন আদিনাম থৈল॥
তাহান ৰাজ্যত ৰাজা ভৈল দুৰ্য্যোধন।
মই ৰাজা ভৈলোঁ পিতৃ স্বৰ্গক গমন॥
শত পুত্ৰ ক্ৰমে দিলো ৰাজ্যক কৰম।
অন্ধপিতৃ পুত্ৰ সবে আমাক হিংসয়॥

শকুনি নামত আছে মাতুল তাহাৰ।
সেইসমে কূটপাশ পাতি দুৰাচাৰ॥
ৰাজ্যভাৰ ধনজন সকলে জিনিল।
ভাৰ্য্যাসমে পাঞ্চো ভাইক বনক খেদিল॥
দেৱতা শ্ৰীহৰি ৰাজাগণ সমন্বিত।
আমাক নিবাক প্ৰতি আসিল তহিত॥
বনত বাণিজ্য যেন পাবে কোন নৰে।
বনত দেখিবোঁ ঋষিগণ নিৰন্তৰে॥
বহুতৰ ক্ষেত্ৰ তীৰ্থ কৰিবোহোঁ স্নান।
এহিগুণি তান বাক্য লঙ্ঘি বিদ্যমান॥
চাৰি ভ্ৰাতৃসমে আৰু দ্ৰৌপদ জীয়াৰী।
বনত ফুৰোহোঁ আমি মহাৰঙ্গ কৰি॥
ইহাত ৰাক্ষস আৰু দানৱ বহুত।
মাৰি কৰিলাহা ঋষি দেৱক মুকুত॥
মহাদুষ্ট কিৰ্ম্মিৰক মাৰিলন্ত ভীমে।
দেৱদত্ত থালী সূৰ্য্যে দিলা অনুক্ৰমে॥
আৰো নানা ৰাক্ষস পিশাচ ঠাই ঠাই।
বধিলা বহুত্ত আমৰাৰ চাৰিভাই॥
অনন্ত কৰিক দৰশনৰ কাৰণ।
চলিলোহোঁ জবাৰ্ণবনে বজবন॥

তথা পুণ্ডৰিক নাগে দংশিলেক পাই।
একাদশ মাস মৰি ৰৈলোঁ চাৰিভাই॥
ভীমে পাতালৰ সঞ্জীৱনী মণি আনি।
অনুক্ৰমে তথাত জীয়াইলা পাঞ্চো প্ৰাণী॥
বাসুকি ৰাজাৰ জীৱ পৰম সুন্দৰী।
যৌতুক সহিতে বিহাদিলা ৰঙ্গকৰি॥
আস্তিক মুনিক তথা পাইলোঁ দৰিশন।
মলয় গিৰিক পাছে কৰিলোঁ গমন॥
ৰাক্ষস পিশাচ সবে মাৰিয়া পথত।
দ্ৰৌপদীৰ হাতে ম্লেছৰাজা প্ৰজাহত॥
পাছে পাইলো অগস্তি ৰাউলক দৰশন।
ঋষি কৰিলাহা বঘাসুৰৰ কথন॥
ব্ৰহ্ম ক্ষেত্ৰ গৈলোঁ বামদেৱক নমিয়া।
তথাত ৰহিলো বড় আনন্দিত হয়া॥
পাছে ব্ৰহ্মা ইন্দ্ৰ আদি যত দেৱগণ।
মহামুনি শতানন্দে প্ৰাৰ্থিলা তেখন॥
হাৰিল আঠৰবাৰৰ দেৱ পুৰন্দৰে।
তিনিয়ো লোকত সিটো অপকাৰ কৰে।
তাহাক মাৰিয়া উদ্ধাৰিয়ো সুৰাসুৰ।
মহামুনি সবৰো কৰিয়ো দুঃখদূৰ॥

ষাঠিখৰ্ব্ব অসুৰ ৰাক্ষস বীৰবৰ।
মনুষ্যৰ হাতে বধছিদ্ৰ শঙ্কৰৰ॥
এহিবাক্য ব্ৰহ্মাইন্দ্ৰে বুলিয়া আছয়।
হেন শুনি আমবাৰ ভৈল মহাভয়॥
অনেক প্ৰকাৰে ব্ৰহ্মাইন্দ্ৰে বুলিলন্ত।
অস্ত্ৰ শস্ত্ৰ সমে জয় বৰক দিলন্ত॥
ইন্দ্ৰে চাৰিখান দিলা বিমান উত্তম।
তিনি ত্ৰিংশদ্দিন যুদ্ধ কৰি অনুক্ৰম॥
চাৰিয়ো ভ্ৰাতৃক সিটো ৰণত চালিল।
অগস্তিৰ কৃপাগুণে পুনৰ্ব্বাৰ জীল॥
পাছে তিনিবাৰ কাটিলেক ধনঞ্জয়।
মহেশৰ বৰে সিটো গোট নমৰয়॥
আকাশৰ বচন শুনিয়া বৃকোদৰ।
কোৰাই ভাঙ্গিলা মুণ্ড তাহাৰ সত্বৰ॥
তাৰ শুক্ৰ তেজে ভৈলা হ্ৰদ ভয়ঙ্কৰ।
শুচিলেক মৃত্যুভয় সেৰ মনুষ্যৰ॥
ব্ৰাহ্মণৰ বীৰ্য্যে সিটো হুয়াছিল জাত।
এতেকেসে ব্ৰহ্মহত্যা লাগিল আমাত॥
কতো দিনমানে চিন্তি আছোহোঁ তথাত॥
পাছে কৃপাময় কৃষ্ণ মিলিল সাক্ষাত॥

জগতৰ নাথ হৰি দেৱ মহেশ্বৰ।
দাৰুক উদ্ধৱ সমে আসিয়া সত্বৰ॥
ঋষিসত্ৰ মাজে আসি উপগত ভৈলা।
মহামহা ঋষিগণে তাহাক পূজিলা॥
পাছে পূৰ্ণানন্দ ৰূপ দেৱ কৃপাময়।
যদুৰাজা আনি যজ্ঞ কৰাইলন্ত তয়॥
ব্ৰহ্মাহৰ আদি দশ দিগপাল আইল।
আপুনি আচাৰ্য্য হুয়া যজ্ঞ প্ৰবৰ্ত্তাইলা॥
একাদশ দিন ব্ৰহ্মা ঋষিগণ সমে।
মাধৱক পূজিলন্ত বিধি অনুক্ৰমে॥
পাছে যজ্ঞমূৰ্ত্তি ভগৱন্ত দেখা দিলা।
এহিভাবে পাছে যজ্ঞ কাৰ্য্য বিসৰ্জ্জিলা॥
বিলাইলন্ত ধনবস্ত্ৰ দিনা কুড়িমান।
পূজাপায়া লোক যত গৈলা নিজ স্থান॥
পাছে হৰি কতিপয় মাস আছিলন্ত।
পুনু দ্বাৰিকাক লাগি চলিয়া গৈলন্ত॥
সিটো থান এড়ি আমি আন থানে আইলো।
দুৰ্ব্বাসাত হন্তে পাছে মহাভয় পাইলো॥
বংশনাশ ভয়ে স্তুতি কৰিলো তাহাক।
নিজৰূপে দেখা প্ৰভু দিলন্ত আমাক॥

দুর্ব্বাসা বিপদে করিলন্ত পরিত্রাণ ॥
কৃপাময় দেব হেন কোন আছে আন ॥
তাত পাছে ময়াবী গবাক্ষ জটাসুর।
বেনীহানি দ্রৌপদীয়ে নিলে যমপুর ॥
ভোজকট বধি গালবর থান পাই।
এহিভাবে বনত ফুরোহোঁ পাঞ্চো ভাই ॥
তুমি হেন বান্ধবক ইঠাবে লভিল।
তযু সম্ভাসনে বড় হরিষ মিলিল ॥
ধর্ম্ম পক্ষীগণে কহে জৈমিনি শুনন্ত।
এহিবুলি কুন্তীসুত মৌনে রহিলন্ত ॥
অনন্তরে কর্ণদত্ত রাজা মহাশয়।
ধর্ম্ম নৃপতিক পাছে চাহিয়া বোলয় ॥
শুনা মহামিত্র মই তোমাক বিনাও।
এহি ক্ষনিকতে চলা হস্তীনাক যাউ ॥
দুর্য্যোধন আদি যত রাজা নিরন্তর।
একটি মারিবোঁ তাক নলাগে সমর ॥
তোমরাক থৈয়া পাছে আসিবোঁ রাজ্যক।
কুড়ি অক্ষৌহিণী সেনা দেখা তুমি তাক ॥
মহাবলবন্ত দেখা বৃহন্ত শরীর।
জাম্বুবান হোরব তোমার বীর বীর॥

সত্য কৰি বোলোহোঁ শুনিয়ো চাৰিভাই
মিত্ৰ বান্ধবৰ হিত চিন্তিবে যুৱাই ॥
বুদ্ধিবলে আঁটি যিটো মিত্ৰৰ কাৰ্য্যক
নকৰয় সিটোজন চলে নৰকক ॥
নানাগে আক্ৰান্ত ৰণে উঠা এতিক্ষণ।
দুৰ্য্যোধন সবংশক কৰি এড়ো চম্ন ॥
উঠা চাৰিবীৰ হৰিষিত কৰি মন।
তেবেসে সফল হোৱৈ মেহোৰ জীৱন ॥
বুলিবাহা যদি ছলে বলে কি নপাৰোঁ।
ভ্ৰাতৃবন্ধু বলি তাক স্নেহতে নামাৰোঁ ॥
তোমবাৰ দয়া আমবাৰ কিছু নাই।
যদি তথা নযাবা শুনিয়ো অভিপ্ৰাই ॥
অক্ষৌহিনী সেনা মোৰ হোৱয় বিংশতি।
তাৰ অৰ্দ্ধভাগ দিয়া পাতোহোঁ নৃপতি ॥
ছুতৰ কাৰ্য্যৰ-এক কৰিয়ো নৃপতি।
তেবেসে আমাৰ হোৱে সফল প্ৰবৃত্তি ॥
তুমি হেন বৈষ্ণৱ নৃপতি মিত্ৰ পাই।
ৰাজ্যভাৰ সৰ্ব্বস্বক দিবাক যুৱাই ॥
এহি বুলি মৌন ভৈলা কৰ্ণদত্ত বাই।
যুধিষ্ঠিৰে মাত্তিলন্ত ভানমুখ চাই ॥

যিসব বুলিলা মানে সকলে শোভন।
কিন্তু বনে আইলোঁ মহন্তক দৰিশন ॥
বৈষ্ণৱ সম্ভাষি তীৰ্থযাত্ৰাক আচৰি।
এহিসে কাৰণে হুয়া আছোঁ দেশান্তৰি ॥
এতেকেসে তয়ু ৰাজ্য নকৰো যেনন।
দুৰ্য্যোধন মাৰিবাৰ কোন প্ৰয়োজন ॥
জগতৰ নাথ হৰি যাহাৰ সহায়।
কোন বস্তু ৰাজ্য সুখ ব্ৰহ্ম পদপায় ॥
সবাতো কৰিয়া শ্ৰেষ্ঠ সাধু সম্ভাষণ।
সন্তৰ সঙ্গত হৰি থাকা সৰ্ব্বক্ষণ ॥
এতেকেসে বোলা আৰু নলাগে বুলিত।
তয়ু দৰশনত সমস্তে ভৈল হিত ॥
হেন শুনি কৰ্ণৰাজা শঙ্কোচিত ভৈল।
আমাৰ সেবাক তুমি একো নেযেনিলা ॥
বপুস্মন্তে বোলে মুনি শুনা মহাজন।
পুনৰপি ৰাজা চাই বুলিলা বচন ॥
ঈশ্বৰ কৃষ্ণৰ আৰু জন্ম কৰ্ম্ম যত।
কোন যুগে কোন কালে কোনবা দেশত ॥
কিনাহেতু নৰৰূপ ভৈল ভগৱন্ত।
ব্ৰহ্ম নিৰাকাৰ যিটো অনাদি অনন্ত ॥

পুৰাণ পুৰুষ যিটো জন্ম কৰ্ম্ম হীন ।
কেনে নৰৰূপ ভৈলা লোকৰ অধীন ॥
ইসবক জানিবে শুনিবে ইচ্ছা যাই ।
সাৰশেষ কথা মোত কহা মহাৰাই ॥
যুধিষ্ঠিৰে বোলে শুনা ৰাজা মহাশয় ।
তান গুণ মহিমা যে যতেক আছয় ॥
চাৰি মুখে কহি ব্ৰহ্মা অন্ত নপাৱয় ।
মুখ্য মুখ্য বাচি কিছু কহিবে লাগয় ॥
এহিবুলি কৃষ্ণক স্মৰিলা মহাৰাই ।
কহিতে লাগিলা পাছে চিত্তক দঢ়াই ॥
শুনিয়ো ৰাজন্য কৃষ্ণ চৰিত্ৰ ৰুচিৰ ।
ইহাৰ শ্ৰৱণে পাপ গ্ৰন্থি হোৱে দূৰ ॥
দৈত্যে ভিৰিলেক ভাৰ পায়া বসুন্ধৰী ।
ব্ৰহ্মাত শৰণ লৈলা ধেনুৰূপ ধৰি ॥
পৃথিবীৰ দুঃখ পাছেদেখি প্ৰজাপতি ।
ক্ষীৰোদধি তীৰে গৈলা ত্ৰিদশ সংহতি ॥
সমাধিত শুনিলন্ত আকাশি বচন ।
দেৱকীৰ গৰ্ভে মই হৈবোঁ উতপন্ন ॥
সবেদেৱগণ গোৱালত হোক জাত ।
দেৱ নাৰীগণ হোক গোৱালী সাক্ষাত ॥

অনন্তো হুইবেক জন্ম আরু মহামায়া।
এহি আজ্ঞা সমাধিত ব্ৰহ্মাদেবে পায়া ॥
এহিমতে সকল দেবতা দেবী যত।
সৰস্বতী মুক্তকবি আসিলা সমস্ত ॥
যাক বোলে দেবকী আমাৰ মামী হয়।
তাহান্তে জন্মিলা আসি কৃষ্ণ কৃপাময় ॥
চতুৰ্ভুজ ৰূপে আসি বেকত ভৈলন্ত।
সকলে কাহিনী পিতৃ মাতৃত কৈলন্ত ॥
তেখনে ধৰিল মায়াবেশ বালকৰ।
অনন্ত মহিমা ইচ্ছাময় যোগেশ্বৰ ॥
পলুৱাই নন্দঘৰে বসুদেবে থৈল।
নন্দঘৰে দৈত্যসব বধিবাক লৈল ॥
পঞ্চম মাসত কৃষ্ণদেব নাৰায়ণ।
স্তন্যপানে পূতনাৰ শুষিলা জীবন ॥
শকটক ওভোটাইলা তৃণাবৰ্ত্ত পাত।
অৰ্জ্জুনক উভাষিলা দেব জগন্নাথ ॥
সৰ্পৰূপী ভয়ঙ্কৰ অঘক মাৰিলা।
বক দানবক যেন বিবিণা চিৰিলা ॥
ব্ৰহ্মাকো মোহিলা কালী কৰিলা দমন।
ঘোৰ বনাগ্নিক পান কৈলা নাৰায়ণ ॥

ব্ৰজবাসী সকলৰ ভয় কৈলা দূৰ ।
গোবৰ্দ্ধন ধৰি ৰাখিলন্ত ব্ৰজপুৰ ॥
অসংখ্য হাজাৰ গোপী কৰি এক মেলি ।
ৰঙ্গে বৃন্দাবনে কৰিলন্ত ৰাসকেলি ॥
ভয়ঙ্কৰ অৰিষ্ট দানব বধিলন্ত ।
পাছে কংস নৃপতিত নাৰদে কৈলন্ত ॥
কংসে পাঠিলেক আসি নিলন্ত অক্রুৰ ।
গোপগণ সঙ্গে পশিলন্ত মধুপুৰ ॥
ভাঙ্গিলা কংসৰ ধনু তিনি তালমান ।
কুব্জিকাক ঋজু কৈলা ৰমণী প্ৰধান ॥
ভয়ঙ্কৰ কুবলয় হস্তীক মাৰিলা ।
চানুৰ প্ৰভৃতি মালসব সংহাৰিলা ॥
অযুত হস্তীৰ বলধৰে কংস ৰাই ।
দেৱদিয়া চুলে ধৰি পেলাইলা খসাই ॥
ভূমিত পেলায়া তাক পিটাকি মাৰিল ।
পিতৃৰ মাতৃৰ পাছে বন্ধন চুকিল ॥
মহাৰাজা জৰাসন্ধ পৰম দুৰ্ব্বাৰ ।
মাধৱত হাৰিলেক অষ্টাদশবাৰ ॥
যদুকুল বিভূষণ প্ৰভুদেৱ হৰি ।
সাগৰ মধ্যত সাজি ৰত্নময় পুৰি ॥

মথুৰাৰ প্ৰজাক নিলন্ত যোগবলে ।
দিলা মহসম্পত্তিক দেবতা সকলে ॥
স্বৰ্গৰ ভূষণ আনিলন্ত পাৰিজাত ।
নৰকা সুৰক প্ৰভু কৰিলা নিপাত ॥
ষোড়শ হাজাৰ কন্যা পৰমা সুন্দৰী ।
একে সময়ত বিহাইলন্ত দেবহৰি ॥
প্ৰথমতে কৃষ্ণে মহাৰাজাগণ জিনি ।
ভীষ্মকৰ ঝীৰ হৰি আনিলা ৰুক্মিনী ॥
ষোড়শ হাজাৰ গৃহ কৰি দ্বাৰকাত ।
ঘৰে ঘৰে একৰূপে থাকন্ত তথাত ॥
কতেক কহিবো তান চৰিত্ৰ মহিমা ।
চাৰিমুখে ব্ৰহ্মা কহি নপাৰয় সীমা ॥
এহি কহি ৰাজাৰ লোতক বহি যাই ।
কৰ্ণ নৃপতিয়ো প্ৰেমে আছিলন্ত চাই ॥
মনত বোলন্ত কিনো ভাগ্যে আসম্বাৰ ।
পূৰ্ণব্ৰহ্ম নাৰায়ণ মিত্ৰ ভৈল যাৰ ॥
ধ্যানতো নপাৰে মহা যোগিগণে যাক ।
হেনয় হৰিক সদা পাৰে দেখিবাক ॥
আজিৰবে শুনি বোলে কহিয়োক আৰ ।
শুনি পাণ্ডু পুত্ৰে কথা কহিলন্ত সাৰ ॥

আমি দৰিদ্ৰৰ মনে কৰিলো যুগুতি ।
মহাযজ্ঞ ৰাজসূয় কৰিবাক প্ৰতি ॥
এহিতো অৰ্জ্জুন ৰীৰ পৰম গহন ।
একলক্ষ ৰাজা জিনি আনিলেক ধন ॥
পৰ্ব্বত সমান দৌল ধনুক বান্ধিলা ।
মহাৰাজা সবে ধনঞ্জয় নাম দিলা ॥
সপুত্ৰে বান্ধৱ সমে দেৱ বনমালী ।
আসিলন্ত ইন্দ্ৰ প্ৰস্থ নগৰক চলি ॥
মগধ দেশৰ পতি জৰাসন্ধ ৰাই ।
তিনিয়ো লোকত তাত কেহো জিনে নাই
মাধৱত হাৰিলেক অষ্টাদশবাৰ ।
পৃথিৱীৰ ৰাজা কেহো সমনাহি তাৰ ॥
বলে জিনি আনি নৱনিযুত ভূপাল ।
পৰ্ব্বতৰ মধ্যত কৰিয়া বন্দিশাল ॥
শিৱ চতুৰ্দ্দশীত হৰক পূজিবাক ।
জৰাসন্ধ বধি মেলাই নিলা ৰাজাজাক ॥
অযুত হাজাৰ মত্ত মাতঙ্গৰ বল ।
এহি বৃকোদৰে কোবাই মাৰিলা একল ॥
সবে ৰাজাগণ মানে যজ্ঞক আনিল ।
হেনয় ঈশ্বৰ কৃষ্ণ দীন দয়াশীল ॥

অয়ে সাজিলন্ত সভা দ্বলে অতিশয়।
জল স্থল দিন ৰাত্ৰি একো নজানয়॥
পৰম দুৰ্জ্জন জ্যেষ্ঠ পিতৃৰ নন্দন।
মহাগৰ্ব্বী ৰাজা তাৰ নাম দুৰ্য্যোধন॥
বৰলাজ পাইলা স্ত্ৰী সমূহৰ মাজে।
সেহি ধৰি বৈৰভাবে থাকে সৰ্ব্বকাৰ্য্যে॥
গঙ্গাৰ নন্দন বীৰ ভীষ্ম পিতামহ।
তাহান্তে কৰয় দুৰ্যোধনে মহাগহ॥
স্নেহে আৰিহনা দিবে কৃষ্ণক বুলিল।
দুইলক্ষ ৰাজা সেই সভাত আছিল॥
মাসীৰ তনয় তাৰ নাম শিশুপাল।
ৰাজা সমূহৰ মাজে বৰই বিশাল॥
মাধৱক অৰ্ঘদিতে সেই নসহিল।
[illegible] বাক্যে তাক বিতৰ্কিল॥
বহু বাক্য সিটো মাধৱক বুলিলেক।
চক্ৰে হানি তাৰ শিৰ ছেদিলা প্ৰত্যেক॥
ক্ষণিতেক মানে সিটো পড়িয়া আছিল।
তাৰ মূৰ্ত্তিগোট কৃষ্ণ চৰণে পশিল॥
দিব্য পাৰিষদ ৰূপ তাৰ ক্ষণে ধৰি।
বিমানে উঠিয়া গৈলা বৈকুণ্ঠ নগৰি॥

হেনয়ো ঈশ্বৰ কৃষ্ণদেৱ সনাতন।
শক্ৰভাৱে মুক্ত হোৱে কৰিয়া শ্ৰৱণ॥
প্ৰেমভাৱ স্মৰণৰ কিকবো মহত্ত্ব।
বৈৰভাৱ দেখা ৰাজা তোমাৰ পুত্ৰত॥
যোগীৰো দুৰ্লভ তাক দিলা হেন গতি।
বৈৰভাবে ৰাজাসবে লভিছে মুকুতি॥
জন্মে-জন্মে হেন কৃষ্ণ মোৰ ইষ্টদেৱ
তাহান চৰণ বিনে গতি নাহিকেৰ॥
সেৱক বৎসল হেন দেৱ ভগৱন্ত।
একতিলো ভকতৰ লাগ নচাড়ন্ত॥
বাৰে বাৰে আমাক ৰাখন্ত শকটত।
এহি কহি প্ৰেম তাৰ মিলিল গাৱত॥
গদ গদ বাক্য ধৰে অশ্ৰু বহি যাই।
কৃষ্ণ স্মৰি স্তুতি কৈলা যুধিষ্ঠিৰ ৰাই॥
হৰিৰ চৰিত্ৰ শুনি কৰ্ণ মহাশয়।
প্ৰেমন্ত মজিল কৈল কৃষ্ণ পৰিচয়॥
[illegible] তাৰ ধন জন [illegible] আৰি।
কৰযোৰে যুধিষ্ঠিৰ [illegible] বাণী॥
শুনা মহাৰাজা পাণ্ডুকুল-নন্দন।
[illegible]॥

এড়িলোঁ মোঁ ৰাজ্যভাৰ সবাকে আপুনি ।
তোমাৰ সঙ্গত থাকোঁ কৃষ্ণ কথা শুনি ॥
দেখিয়ো জৈমিনি কেনে মহন্তৰ সঙ্গ ।
ক্ষণেকতে কৰে মায়াবিষয়ক ভঙ্গ ॥
হৰি মূৰ্ত্তি স্মৃতি হোৱে বাসনা ছেদয় ।
মহন্তৰ সেবা খড়্গ বিজনে ধৰয় ॥৮
দেখা নৃপতিৰ কেনে বৈষ্ণৱ সঙ্গত ।
ভৈলেক বৈৰাগ্য অতি বিষয় সুখত ॥
কৰ্ণ যুধিষ্ঠিৰৰ সংবাদ বিতোপন ।
আৰু একমনে যিটো কৰয় শ্ৰৱণ ॥
দুষ্কৃতি সুকৃতি ভক্তি তিনিকো পাৱয় ।
ইহলোকে তিনি তাপে তাক নোচোৱয় ॥
হেন কথা শুনিলাহা তুমি মুনিবৰ ।
দেখিলা মহন্ত কেনে বৈষ্ণৱ বংশৰ ॥
[illegible] ভৱিবাক পাৰ আন নাই ।
সত্যে সত্যে কহিলোঁহো তোমাত বুজাই ।
শুনা [illegible] সব এড়ি আন বুদ্ধি ।
[illegible] কৰিলোক হৰিত ভকতি ॥
[illegible] লভিবে সৰ্ব্বসিদ্ধি ।
পৰম ৰহস্য সাধুসঙ্গ নামনিধি ॥

ধৰ্ম্ম পক্ষিগণে কৈলা মুনিত বুজাই ।
সাধুসেবা বিনে আনমতে গতি নাই ॥
ভাৰত ভূষণে কহে এহি মূল কাম ।
পাতক চাড়োক ডাকি বোলা ৰাম ৰাম ॥

ছবি ।

ধৰ্ম্মপক্ষিগণে বোলে শুনিয়োক জৈমিনি
কৰ্ণৰাজা কৃষ্ণ কথা শুনি ।
কতোক্ষণ মানে পাছে মৌন ধৰি আছিলন্ত
কৃষ্ণলীলা মনে মনে গুণি ॥
পৰম প্ৰেমত অতি বৈৰাগ্য মিলিল মনে
আসনৰ হন্তে নামিলন্ত ।
তুমি মোৰ নিজগুৰু সংসাৰক তাৰিলাহা
এহিবুলি প্ৰণাম কৰন্ত ॥
তাহান ভকতি দেখি, কুন্তীসুত মহামতি,
আশ্বাসিয়া ধৰিলন্ত তুলি ।
শেষ এড়ি মহামায়া, কৃষ্ণৰ ভকতি ধৰি,
আপোনা ৰাজ্যক যাহা চলি ॥
কৃষ্ণৰ ইচ্ছাত আছি, [illegible] কৰি [illegible],
[illegible] নৰ [illegible] ।

হয় হস্তী ৰথ ৰথী, অপসৰা সমস্তক,
দিয়া ৰাজ্য সবাকে বাটিয়া ॥
বৈৰ পৰা আমি সবো, আসি আছোঁ পুনৰ্ব্বাৰ,
তথা গৈয়া কৰিবোঁ বঞ্চন ।
ভ্ৰাতৃসমে আলোচিয়া, আপোন ইচ্ছায়ে পাছে,
আন বনে কৰিবোঁ গমন ॥
কৰ্ণ ৰাজা বোলে দেৱ, আমাৰ ৰাজ্যক যাই,
কতিপয় মাস থাকিয়োক ।
অপবিত্ৰ ৰাজ্যখান, মহন্তৰ ধূলা পায়া,
পৰম পবিত্ৰ অতিহোক ॥
হেন শুনি ধৰ্ম্মসুতে, বচন বোলয় শুনা,
আৰু কিছু নোবোলা আমাক ।
আমাৰ বচন আৰ, বাধিবাক ভাল নোহে,
যিটো আজ্ঞা কৰিছোঁ তোমাক ॥
হেনয় বচন শুনি, মহামানী কৰ্ণ ৰাজা,
কৰযোড়ে উঠি পুনৰ্ব্বাৰ ।
তুমি সবে যাইবে প্ৰতি, জঙ্গল দুৰ্গম বনে,
বধ দিলো কথা পাবোলাৰ ॥
একে বাৰে ধৰ্ম্ম সুতে, দ্ৰৌপদী সহিতে ভাই,
আন বনে গৈলা চলি তাই ।

আপোনাৰ গজ বাজী, অপসৰা গণ সমে,
কর্ণ ৰাজা গেলা নিজ ঠাই ॥
চাৰি ভ্ৰাতৃ সমে পাছে, যুধিষ্ঠিৰ মহাৰাজ,
প্ৰবেশি ৰহিল পূৰ্ব্বস্থানে।
হৰিৰ ৰহস্য লীলা, কুলাচলবধ কথা,
সমাপতি ভৈল এহিমানে ॥
শুনিয়োক বুধজন, মাধৱৰ গুণ গণ,
ইসে সব ধৰ্ম্ম মধ্যে সাৰ।
দেখা সবে শাস্ত্ৰ চায়, আতপৰে কাৰ্য্য নায়,
ইসে মহা কৰ্ত্তব্য সবাৰ ॥

—•—

ছুলড়ি।

নমো নাৰায়ণ, ভৱ বিনাশন,
দীনবন্ধু পূৰ্ণ কাম।
তোমাৰ চৰণে, কায়বাক্য মনে,
কৰোহোঁ প্ৰভু প্ৰণাম ॥
তোমাৰ চৰিত্ৰ, বিৰচন কৰি,
অৰ্পিলোঁ প্ৰভু তোমাতে।
পতিত-পাৱণ নমো নাৰায়ণ,
থেকত হোক সাক্ষাতে ॥

মই মহাদীন, সংসাৰে মলিন,
তুমি পূৰ্ণ সনাতন।
তোমাৰ দুখানি, চৰণে ৰহোক,
মোৰ মন সৰ্ব্বক্ষণ॥
সকলে শাস্ত্ৰত, প্ৰসিদ্ধ তোমাৰ,
পতিত-পাৱন নাম।
আমি পতিতৰ, ভৱবন্ধ চুড়ি,
পূৰিয়ো মনৰ কাম॥
ইটো যিৰা মই, ৰচিলোঁ পয়াৰ,
পৰম গহন অতি।
ইহাৰ অৰ্থক, কিমতে বুঝিবোঁ,
আমাৰ বালক মতি॥
তথাপিতো আক, হ্ৰস্ব দীৰ্ঘ ছন্দে,
কৰিলোহোঁ নিবন্ধন।
মই মহা মূঢ়, ইটো কথা গূঢ়,
দোষ ক্ষমা বুধজন॥
শ্ৰীমন্ত শঙ্কৰ, আপুনি ঈশ্বৰ,
নৰৰূপে জাত ভৈলা।
তাহাঙ্ক নসহি, ব্ৰাহ্মণ সকলে,
ৰাজা আগে খল দিলা॥

যদুকুলে হরি, জন্মিয়া আসিয়া,
ক্ষিতি ভার দূর কৈলা।
এহিমানে শুণি, ব্রাহ্মণ সবর,
কিছু মনে কোপ ভৈলা॥
আমার জীবিকা, মান্যভঙ্গ হবে,
এহি মনে বড় ভয়।
এহিসে কারণে, ইটো বিপ্রসবে,
শঙ্করক নসহয়॥
হেনয় মহন্ত, নর নারায়ণ,
নৃপতিত শ্রেষ্ঠতর।
আমারে আনিয়া, আজ্ঞা করিলন্ত,
পদ করা ভারতর॥
তাঁহার অজ্ঞাত, বিরচিলোঁ আমি,
চৌবিশ হাজার পদ।
মূল শ্লোক আর, ত্রিংশ যে হাজার,
ব্যাসর মুখে নিবদ্ধ॥
যিটো জনে ইটো, মুয় বুলি কয়,
সেহিটো মূর্খ পামর।
কৃষ্ণ চরিত্রর, তত্ত্বক নুবুজে,
কূপত ভাতুরী ধর॥

হেন জানি সবে, শুদ্ধ বুধ লোকে,
জানি এক মন কৰা।
তন্ত্র মন্ত্র পূজা, সবে এড়ি মাত্র,
শ্রবণ কীর্ত্তন ধৰা॥
ভাকত ভূষণে, কহে ইটো কথা,
সমাপত এহিমান।
আন কাম এড়ি, বোলা হৰি হৰি,
বৈকুণ্ঠত পাইবা থান॥

সম্পূর্ণ

[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]

শ্রীনগেন্দ্র চক্রবর্ত্তী।

পোঃ আঃ পূর্ণানন্দ রোড (ডিব্রুগড়) আসাম।